ASM-01-II-2046

অসমীয়াৰ স্নাতকোত্তৰ পাঠ্যক্ৰম


গুৱাহাটী বিশ্ববিদ্যালয়
Gauhati University
দূৰ আৰু মুক্ত শিক্ষা প্ৰতিষ্ঠান
Institute of Distance and Open Learning


**দ্বিতীয় ষান্মাসিক**

অসমীয়া স্নাতকোত্তৰ পাঠ্যক্ৰম (০১)

# M.A. in Assamese (01)

*(Under CBCS)*

পাঠ্যবিষয় ঃ ASM-০১- -২০৪৬

# চতুৰ্থ কাকতঃ ভাৰতীয় সাহিত্য সমালোচনা


গোপীনাথ বৰদলৈ নগৰ
গুৱাহাটী- ৭৮১০১৪ (অসম)

ASM-01-2046

গুৱাহাটী বিশ্ববিদ্যালয়

**Gauhati University**

দূৰ আৰু মুক্ত শিক্ষা প্ৰতিষ্ঠান

**Institute of Distance and Open Learning**

অসমীয়া স্নাতকোত্তৰ পাঠ্যক্ৰম (০১)

**M.A. in Assamese (01)**

**(under CBCS)**

দ্বিতীয় ষান্মাসিক

**Second Semester**

পাঠ্যবিষয় ঃ **ASM-2046**

# ভাৰতীয় সাহিত্য সমালোচনা

## Contributors:

| | |
|---|---|
| **Prof. Jagadish Sarma**<br>Dept. of Sanskrit, G.U. | Block:1 (Unit : 1 & 2), Block:2 (Unit : 3) |
| **Dr. Indira Saikia Bora**<br>Rtd. Prof., Pragjyotish College | Block:1 (Unit : 3), Block:2 (Unit : 1) |
| **Prof. Sudeshna Bhattacharya**<br>Dept. of Sanskrit, G.U. | Block:1 (Unit : 4), Block:2 (Unit : 4) |
| **Dr. Runima Sarma**<br>Bhattadev University, Pathsala | Block:1 (Unit : 5) |
| **Prof. Malinee Goswami**<br>Rtd. Professor, G.U. | Block:1 (Unit : 6) |
| **Dr. Ratul Buzarbarua**<br>KBVSAS University, Nalbari | Block:1 (Unit : 7) |
| **Dr. Binima Buzarbarua**<br>KBVSAS University, Nalbari | Block:2 (Unit : 2) |
| **Dr. Gayatri Sarma**<br>Handique Girl's College | Block:2 (Unit : 5) |
| **Prof. Bimal Mazumdar**<br>Dept. of Assamese, G.U. | Block:3 (Unit : 1 & 2) |
| **Dr. Nabakanta Sarma**<br>Kanya Mahavidyalaya, Guwahati | Block:3 (Unit : 3 & 4) |
| **Prof. Taranee Deka**<br>Dept. of Assamese, G.U. | Block:4 (Unit : 1, 2, 3 & 4) |

## Course Coordination:

| | |
|---|---|
| **Director** | GUIDOL, Gauhati University |
| **Prof. Taranee Deka** | Dept. of Assamese, Gauhati University |
| **Dr. Apurba Kr. Deka** | Asstt. Prof., GUIDOL |

## Content Editor:

| | |
|---|---|
| **Prof. Jagadish Sarma** | Dept. of Sanskrit, Gauhati University |

## Format Editor

| | |
|---|---|
| **Dr. Apurba Kr. Deka** | Asstt. Prof., GUIDOL |

## Typesetting & Cover Designing:

| | |
|---|---|
| Bhaskar Jyoti Goswami | GUIDOL, Gauhati University |
| Nishanta Das | GUIDOL, Gauhati University |

**May, 2022**

© Copyright by GUIDOL, Gauhati University. All rights reserved. No part of this work may be reproduced, stored in a retrieval system, or transmitted, in any form or by any means, electronic, mechanical, photocopying, or otherwise.
Published on behalf of Institute of Distance and Open Learning, Gauhati University by the Director, and printed at Gauhati University Press, Guwahati-781014.

# বিষয়সূচী (Contents)


## প্ৰথম খণ্ড

প্ৰথম বিভাগ ঃ প্ৰাচ্য সাহিত্য সমালোচনাৰ ধাৰা
দ্বিতীয় বিভাগ ঃ সাহিত্যৰ স্বৰূপ
তৃতীয় বিভাগ ঃ শব্দশক্তি
চতুৰ্থ বিভাগ ঃ ধ্বনিঃ ধাৰণা, বিৱৰ্তন আৰু প্ৰয়োগ
পঞ্চম বিভাগ ঃ ধ্বনিবাদী আচাৰ্য্যসকলৰ কৃতি
ষষ্ঠ বিভাগ ঃ বক্ৰোক্তিঃ ধাৰণা আৰু প্ৰয়োগ
সপ্তম বিভাগ ঃ বক্ৰোক্তিবাদ আৰু আচাৰ্য্য কুন্তক

## দ্বিতীয় খণ্ড

প্ৰথম বিভাগ ঃ ৰসঃ ধাৰণা, বিৱৰ্তন আৰু প্ৰয়োগ
দ্বিতীয় বিভাগ ঃ ৰসবাদী আচাৰ্য্যসকলৰ কৃতি
তৃতীয় বিভাগ ঃ সাহিত্যৰ গুণঃ ধাৰণা আৰু প্ৰয়োগ
চতুৰ্থ বিভাগ ঃ ৰীতিঃ ধাৰণা আৰু প্ৰয়োগ
পঞ্চম বিভাগ ঃ ৰীতিবাদ আৰু বামণাচাৰ্য্য

## তৃতীয় খণ্ড

প্ৰথম বিভাগ ঃ ভক্তিবাদ ঃ স্বৰূপ আৰু ধাৰণা
দ্বিতীয় বিভাগ ঃ ভাৰতীয় ভক্তিবাদী সাহিত্যৰ পটভূমি
তৃতীয় বিভাগ ঃ ভক্তিবাদৰ ধাৰণা
চতুৰ্থ বিভাগ ঃ ভক্তিবাদী আলংকাৰিকসকলৰ সাহিত্যৰ পৰিচয়

## চতুৰ্থ খণ্ড

প্ৰথম বিভাগ ঃ দেশীবাদ ঃ স্বৰূপ আৰু ধাৰণা
দ্বিতীয় বিভাগ ঃ পশ্চিমীয়া দেশীবাদী ধাৰণা
তৃতীয় বিভাগ ঃ ভাৰতীয় দেশীবাদী ধাৰণা
চতুৰ্থ বিভাগ ঃ অসমীয়া সাহিত্যত দেশীবাদ

# প্ৰথম বিভাগ
# প্ৰাচ্য সাহিত্য সমালোচনাৰ ধাৰা

**বিভাগৰ গঠন ঃ**

১.১ ভূমিকা (Introduction)
১.২ উদ্দেশ্য (Objectives)
১.৩ প্ৰাচ্য সাহিত্যৰ সমালোচনাৰ ইতিহাস
১.৪ সংস্কৃত অলংকাৰ শাস্ত্ৰ বিষয়ক সম্প্ৰদায়সমূহ
১.৫ সাৰাংশ (Summing Up)
১.৬ আৰ্হি প্ৰশ্ন (Sample Questions)
১.৭ প্ৰসংগ গ্ৰন্থ (References/Suggested Reading)

## ১.১ ভূমিকা (Introduction)

ভাৰতীয় কাব্যতত্ত্বক অলংকাৰ শাস্ত্ৰ আৰু কাব্য সমালোচকসকলক আলংকাৰিক বোলা হয়। প্ৰকৃতাৰ্থত সাহিত্যৰ এটা বিশেষ অঙ্গক বুজাবলৈহে কাব্য অভিধাটি প্ৰয়োগ কৰা হয়। কিন্তু প্ৰাচীন কালত কাব্য শব্দটোক বহল অৰ্থত ব্যৱহাৰ কৰি সাহিত্য শব্দটোক এটা সীমিত অৰ্থত ব্যৱহাৰ কৰিছিল। সাহিত্য শব্দটি মাঘ, ভামহ প্ৰভৃতি আলংকাৰিকসকলে শব্দাৰ্থৰ সহিতত্ব অৰ্থতহে প্ৰয়োগ কৰিছিল।

ভাৰতীয় কাব্য সমালোচনাৰ পৰম্পৰা অতি প্ৰাচীন। ভৰত মুনিৰ নাট্যশাস্ত্ৰতে এই দিশটোৰ উন্মেষ ঘটে। সংস্কৃত 'কাব্য' শব্দটিয়ে সাধাৰণতে সকলো বিষয়ৰ ৰচনাক সামৰি লৈছিল। পৰৱৰ্তী সময়ত কাব্যৰ সমাৰ্থকৰূপে ব্যৱহাৰ হোৱা সাহিত্য শব্দটিৰ প্ৰচলন হয়। এই কাব্য বা সাহিত্যৰ প্ৰাণ সম্পৰ্কে বিভিন্নজনে মত আগবঢ়োৱাৰ লগতে কাব্যৰ প্ৰয়োজনীয়তা, হেতু, কাব্যৰ গুণ-দোষ সম্পৰ্কেও নিজৰ নিজৰ মনোভাৱ ব্যক্ত কৰিছে। এই মতবাবোৰৰ ওপৰৰ ভিত্তি কৰিয়ে ভাৰতীয় কাব্যতত্ত্বৰ মূল ভেটি গঢ় লৈ উঠিছে।

## ১.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপোনালোক —

- প্ৰাচ্য সাহিত্য সমালোচনাৰ ইতিহাস বিচাৰ কৰিব পাৰিব,
- ভাৰতীয় অলংকাৰ শাস্ত্ৰৰ সম্প্ৰদায় সমূহৰ বিষয়ে জানিব পাৰিব,
- বিভিন্ন সম্প্ৰদায় সমূহৰ মূল বক্তা সকলৰ নাম আৰু কৰ্মৰ লগত পৰিচিত হ'ব পাৰিব।

### ১.৩ প্ৰাচ্য সাহিত্য সমালোচনাৰ ইতিহাস

বস্তুবাদী ভাব প্ৰৱণতাৰ উৰ্দ্ধত মানৱ জাতিৰ নান্দনিক উপলব্ধিৰ আবেদনতাতেই সাহিত্যৰ প্ৰয়োজনীয়তা। এই প্ৰয়োজনীয়তাৰ কাৰণেই সৃষ্টি হৈছিল মানৱ জাতিৰ অন্যতম সুপ্ৰাচীন শৈল্পিক সৃষ্টি-কাব্যৰ। কাব্য বা কবিতা বুলিলে আদিম সমাজত সমগ্ৰ সাহিত্য কৰ্মকেই বুজোৱা হৈছিল আৰু ইয়াকেই জ্ঞান প্ৰকাশৰ একমাত্ৰ বাহক বুলি গণ্য কৰা হৈছিল। কিন্তু সকলো প্ৰকাৰৰ স্বতঃস্ফূৰ্ত কৃতিকেই সাহিত্যৰ সংজ্ঞাৰ ভিতৰত পেলাব নোৱাৰি। ছন্দ, ৰস, অলংকাৰ আদিৰ সমন্বয়ে সাহিত্যৰ বাক্যসমূহক এক অভিনৱত্ব প্ৰদান কৰি সেই বাক্যসমূহক এক নন্দনতাত্ত্বিক পৰ্যায়লৈ উন্নীত কৰে। যি সৃষ্টিয়ে পাঠকক আনন্দ প্ৰদান কৰে, হৃদয়ৰ গোপন কক্ষত আশা বিয়পায় তোলে তথা মানুহৰ অন্তৰাত্মাৰ সৈতে জগতাত্মাৰ মিলন ঘটায়, তেনেকুৱা সৃষ্টিৰাশিকহে সাহিত্যৰ গণ্ডীৰ ভিতৰত আনিব পৰা যায়। সংস্কৃত সমালোচনা শাস্ত্ৰ মতেও কাব্য হৈছে কবিৰ নান্দনিক সৃষ্টি, আৰু যিবোৰ সৃষ্টিয়েই পাঠকক ৰসাস্বাদনৰ মাজেৰে লৌকিক তথা পাৰমাৰ্থিক আনন্দ প্ৰদান কৰে; সেইবোৰেই সাহিত্য।

ভাৰতীয় কাব্য পৰম্পৰাৰ বৈচিত্ৰ্যময় ইতিহাস ঋগ্‌বেদৰ পৰাই আৰম্ভ হৈছে। *বেদ*, বৈদিক ঋষিসকলৰ হৃদয়ৰ আকুল আহ্বানৰ স্বতস্ফূৰ্ত বহিঃপ্ৰকাশ হ'লেও, ঋষিসকলৰ অজ্ঞাতসাৰেই ই এক নৈসৰ্গিক কাব্যিক গুণেৰে মহিমামণ্ডিত। *ঋগ্‌বেদৰ* 'উষা-সুক্ত'ই (ঋ, বে. ৩.৬১) এক সুন্দৰ দৃষ্টান্ত। *ৰামায়ণ* আৰু *মহাভাৰত* এই দুখন যুগান্তকাৰী মহাকাব্যইও ভাৰতীয় কাব্য সাহিত্যৰ সূত্ৰপাত ঘটাইছিল। বাল্মীকি ভাৰতৰ আদি কবি, তেওঁৱেই অন্তৰাত্মাত ধ্বনিত হোৱা কৰুণ শোকক শ্লোকত পৰিণত কৰি ভাৰতীয় কাব্যৰ মূল আদৰ্শটো অৱতাৰণা কৰিছিল। পতঞ্জলিৰ '*মহাভাষ্য*', ভৰতৰ '*নাট্যশাস্ত্ৰ*' আদি শাস্ত্ৰতো কাব্যৰ জিলিঙনি দেখিবলৈ পোৱা যায়। ৰাজসভাৰ ৰাজকবিসকলেও কৃত্ৰিম কাব্যশৈলীৰ আধাৰত সাহিত্য ৰচনা কৰিবলৈ প্ৰয়াস কৰিছিল।

পৰ্যায়ক্ৰমে ধৰ্মনিৰপেক্ষ লৌকিক কাব্যৰ ৰচনাই লোকসমাজত মনোৰঞ্জনৰ সাধন হিচাপে বিশেষ জনপ্ৰিয়তা অৰ্জন কৰিছিল। এই ৰচনাৰাশিৰ গঠন তথা প্ৰকৃতি সম্পৰ্কে সচেতন পণ্ডিতসকলে নীতি নিৰ্দ্ধাৰণ কৰিবলৈ বাধ্য হোৱাৰ লগতে পণ্ডিতসকলে কাব্যসমূহৰ বিচাৰ অথবা সমালোচনা দাঙি ধৰি সমালোচনা শাস্ত্ৰৰ গতিধাৰাৰ উদ্‌গম ঘটাইছিল। খ্ৰীষ্টীয় সপ্তম শতিকাৰ পৰা সংস্কৃত সাহিত্যৰ সমালোচনাৰ ধাৰা প্ৰবাহিত হৈছে বুলি বিভিন্ন পণ্ডিতে মত পোষণ কৰিছে। সাহিত্যিক ৰচনাক ভাল-বেয়া নিৰূপণ কৰিবলৈ যি বিচাৰ পদ্ধতি প্ৰয়োগ কৰা হয় সিয়েই সাহিত্যিক সমালোচনা; সংস্কৃত সাহিত্যৰ ইতিহাসত ইয়াক অলংকাৰ শাস্ত্ৰ বোলা হয়।

সংস্কৃত সাহিত্যত কাব্য সমালোচনা শাস্ত্ৰৰ এক সুদীৰ্ঘ ইতিহাস দেখিবলৈ পোৱা যায়। ভৰত মুনিৰ *নাট্যশাস্ত্ৰ*কেই এই প্ৰকাৰৰ সাহিত্য কৰ্মৰ প্ৰথম নিদৰ্শন বুলি কোৱা

হৈছে। ভাৰতীয় নন্দনতত্ত্বৰ এই প্ৰবাহৰ উৎস ঋগ্‌বেদতেই প্ৰথমে পোৱা হৈছিল। মন্ত্ৰদ্ৰষ্টা ঋষিসকল অকল কবিয়েই নাছিল, তেওঁলোক একো একো গৰাকী সমালোচকো আছিল। নিম্নোক্ত মন্ত্ৰটিতে ইয়াৰ আভাস পৰিস্ফুত হৈছে—

*উত ত্বং পশ্যন্ন দদৰ্শ বাচমুত ত্বং শৃণ্বন্ন শৃণোতেনম্।*
*উত ত্বস্মৈ তন্বং বিসস্ৰে জায়েৱ পত্য উশতি সুবাসাঃ।।*

—(ঋ. বে. ৮.২৩.৪)

ইয়াৰ অৰ্থ হৈছে কাব্যবাণীয়ে তেওঁৰ ওচৰতহে আত্মপ্ৰকাশ কৰে, যিজনে তেওঁৰ স্বৰূপ উপলব্ধি কৰে। ইয়াত কবি মন্ত্ৰদ্ৰষ্টা ঋষিয়ে সহৃদয় সমালোচকসকলক প্ৰশংসা কৰিছে।

*ৰামায়ণ* আৰু *মহাভাৰতৰ* পৃষ্ঠাতো কাব্য আলোচনাৰ প্ৰতিচ্ছবি পৰিস্ফুট হৈ আছে। আদিকবি বাল্মীকি এগৰাকী কবিয়েই নাছিল, তেওঁ এগৰাকী সুনিপুণ সমালোচকো। এইগৰাকী মুনিৰ মানসপটতেই সমন্বয় ঘটিছিল কবিৰ কাব্যয়িত্ৰী প্ৰতিভা আৰু সমালোচনাৰ ভাবয়িত্ৰী প্ৰতিভাৰ। কবিয়ে *ৰামায়ণ* সৃষ্টিৰ সূচনা এনেদৰে বৰ্ণনা কৰিছে—

*পাদবদ্ধোক্ষৰসমং তন্ত্ৰীলয় সমন্বিতং।*
*শোকাৰ্তস্য প্ৰবৃত্তো মে শোকে ভৱতু নান্যথা।।*

—(*ৰামায়ণ*, ১, ২, ১৮)

কোনো এক ক্ৰুৰ ব্যাধৰ হাতত মৃত্যু হোৱা ক্ৰৌঞ্চ পক্ষীটোৰ মৃত্যুত ক্ৰন্দৰতা ক্ৰৌঞ্চীৰ আকুল আবেগত কাৰুণিক কবিৰ অন্তঃকৰণ দ্ৰবীভূত হৈ পৰিছিল। সহৃদয় কবিৰ দুঃখাৰ্ত অনুভূতিৰ স্বতঃস্ফূৰ্ত বহিঃপ্ৰকাশ হিচাপে নিগৰিত হোৱা 'মা নিষাদ প্ৰতিষ্ঠাম্...' এই শ্লোকটোৰ অৰ্থৰ বিষয়ে চিন্তা কৰি কবিয়ে নিজেই সিদ্ধান্তত উপনীত হ'ল যে, তেওঁৰ সহৃদয় আন্দোলিত শোকেই শ্লোকত পৰিণত হ'ল। এই নৈসৰ্গিক শোক-শ্লোকৰ পৰিবৰ্তনেই পৰৱৰ্তী সংস্কৃত সমালোচনা শাস্ত্ৰত এক বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। 'ধ্বনিবাদ'ৰ প্ৰৱৰ্তক প্ৰখ্যাত আলংকাৰিক আনন্দবৰ্ধনে এই শোক-শ্লোক সমীকৰণৰ দ্বাৰাই অনুপ্ৰাণিত হৈ 'ধ্বনি'কেই কাব্যৰ আত্মাৰূপে স্বীকাৰ কৰি ধ্বনিবাদৰ প্ৰতিষ্ঠা কৰিছিল। তেওঁৰ মতে—

*কাব্যস্যাত্মা স এৱাৰ্থস্তথা চাদিকৱেঃ পুৰা।*
*ক্ৰৌঞ্চদ্বন্দ্ববিয়োগত্থঃ শোকঃ শ্লোকত্বমাগতঃ।।*

(*ধ্বন্যালোক*, ১, ৫)

বৈদিক ঋষিসকলৰ অথবা ক্ৰোঞ্চমিথুনৰ কৰুণ দৃশ্যৰ প্ৰভাৱত আদিকবি বাল্মীকিৰ মানসপটত অজ্ঞাতসাৰেই নন্দনতাত্ত্বিক বিশ্লেষণৰ ভাবধাৰা ফুটি উঠিলেও

ভাৰতীয় সমালোচনা শাস্ত্ৰৰ শৃংখলাবদ্ধ ৰূপ পোনপ্ৰথমে উদ্ভাসিত হয় ভৰতমুনিৰ *নাট্যশাস্ত্ৰ*ৰ যোগেদি। এই প্ৰাচীন গ্ৰন্থখনত 'নাট্য'কেই প্ৰধান বিষয়বস্তু হিচাপে আলোচনা কৰা হৈছে যদিও ইয়াত আনুষঙ্গিকভাৱে হ'লেও সাহিত্য বিদ্যাকো সামৰি লোৱা হৈছে। *নাট্যশাস্ত্ৰ*ত অলংকাৰ শাস্ত্ৰীয় বিষয়বো আলোচনা হোৱা হেতুকে বহুতো পণ্ডিতে মত পোষণ কৰিছে যে, নাট্য সাহিত্যতেই অলংকাৰ শাস্ত্ৰৰ জন্মলগ্ন সোমাই আছে। প্ৰখ্যাত সাহিত্য সমালোচক ড° ভি. ৰাঘৱনৰ ভাষাত— "সমালোচকসকলে নাটকক শ্ৰেষ্ঠ সাহিত্যিক ৰূপ বুলি গ্ৰহণ কৰাত সম্পূৰ্ণ এক মত। এই সন্দৰ্ভত এইটো এটি অতি গুৰুত্বপূৰ্ণ দিশ যে নাট্য সাহিত্যৰ পৰাই অলংকাৰ শাস্ত্ৰৰ উৎপত্তি হৈছে। ভৰতমুনিৰ *নাট্যশাস্ত্ৰই* অলংকাৰ বিষয়ক আদিম গ্ৰন্থ। এৰিষ্টটলৰ '*পয়েটিকস্*'ৰ মতে 'ট্ৰেজেডি'য়েই হৈছে শ্ৰেষ্ঠ কাব্য সংস্কৃত আলংকাৰিকসকলৰ ভিতৰত বামণেই প্ৰথমে কৈছে যে সকলো কবিসকলৰ ভিতৰত নাটকেই হৈছে শ্ৰেষ্ঠ ৰচনা, কিয়নো ই হৈছে নানাবিধ সাহিত্য কলাৰে মণ্ডিত আৰু সেয়ে ই হৈছে স্বয়ংসম্পূৰ্ণ আৰু চিত্ৰৰ দৰে বৈচিত্ৰময়ী।"

সংস্কৃত অলংকাৰ শাস্ত্ৰৰ বীজ ৰোপণ কৰা *নাট্যশাস্ত্ৰ*ৰ আটাইতকৈ উল্লেখযোগ্য অৱদান হৈছে—নন্দনতাত্ত্বিক অনুভূতিকে কাব্যৰ প্ৰাণ বুলি স্বীকৃতি প্ৰদান কৰা। এইখিনিতেই এইটো প্ৰণিধানযোগ্য যে অলংকাৰ শাস্ত্ৰৰ লগতে ব্যাকৰণ শাস্ত্ৰৰো এটি যোগসূত্ৰ আছে। অঙ্গাঙ্গী সম্বন্ধ হিচাপে অলংকাৰ শাস্ত্ৰই কাব্যিক প্ৰকাশভংগীৰ বিষয়ে আলোচনা কৰে আৰু ব্যাকৰণ শাস্ত্ৰই সাহিত্যৰ ভাষাগত বিশুদ্ধতাৰ ওপৰত নিয়ন্ত্ৰণ আৰোপ কৰে। দুয়োটা শাস্ত্ৰ পৰম্পৰাৰ বিষয়বস্তু হৈছে মূলতঃ শব্দতত্ত্ব; আৰু সেইকাৰণেই বহুতো পণ্ডিতে অভিব্যক্ত কৰিছে যে ব্যাকৰণ শাস্ত্ৰৰ পৰাই অলংকাৰবাদৰ উৎপত্তি হৈছে। প্ৰাচীনকালৰ পৰাই সকলোৱে ব্যাকৰণ শাস্ত্ৰৰ আধিপত্য স্বীকাৰ কৰি অহাৰ লগতে বহুকেইগৰাকী আলংকাৰিকে ব্যাকৰণ শাস্ত্ৰৰ ওচৰত কৃতজ্ঞতা প্ৰকাশ কৰিছে। বিখ্যাত ধ্বনিবাদী আলংকাৰিক আনন্দবৰ্দ্ধনে বৈয়াকৰণসকলক 'প্ৰথম বিদ্বান' বুলি অভিহিত কৰিছে ভামহৰ '*কাব্যালংকাৰ*' আৰু বামণৰ '*কাব্যালংকাৰ সূত্ৰ*' আদি গ্ৰন্থত ব্যাকৰণ তত্ত্বগত শাব্দিক বিচাৰ সম্বন্ধে বিভিন্ন ব্যাখ্যা আগবঢ়োৱা হৈছে; এনেদৰে অলংকাৰ শাস্ত্ৰ আৰু ব্যাকৰণ শাস্ত্ৰই জন্মলগ্নৰে পৰা পৰস্পৰে জড়িত হৈ দুয়োবিধ শাস্ত্ৰই প্ৰতিষ্ঠা লাভ কৰাৰ লগতে শব্দতাত্ত্বিক বিশ্লেষণৰ ধাৰাও প্ৰবাহিত কৰি আহিছে।

আলংকাৰিক ভৰতমুনিৰ পৰা পণ্ডিতৰাজ জগন্নাথলৈ প্ৰায় দুহেজাৰ বছৰ ব্যাপি সংস্কৃত সমালোচনা শাস্ত্ৰই এক সুদীৰ্ঘ ইতিহাস পাৰ কৰি আহিছে। এই সুদীৰ্ঘ কালছোৱাত কাব্যৰ সংজ্ঞা, কাব্যৰ স্বৰূপ, কাব্যৰ প্ৰয়োজন, কাব্যৰ হেতু ইত্যাদি কাব্যৰ বিভিন্ন বিষয়তত্ত্বক লৈ সমালোচকসকলৰ মাজতো বাদানুবাদৰ সৃষ্টি হৈছে। এই বাদানুবাদৰ প্ৰভাৱতে সংস্কৃত সমালোচনা সাহিত্যত গঢ় লৈ উঠিছে বিভিন্ন মতবাদ তথা সম্প্ৰদায়। সংস্কৃত সমালোচনা শাস্ত্ৰৰ ইতিহাসত বহুকেইটা মতবাদৰ উদ্ৰেক ঘটিলেও বিষয়বস্তুৰ সামঞ্জস্যৰ ওপৰত লক্ষ্য কৰি ড° পি. ভি. কাণে প্ৰভৃতি

পণ্ডিতসকলে এনেকুৱা পাঁচটা মতবাদৰ পোষকতা কৰিছে। আধুনিক সমালোচকসকলে আৰু দুটা মতবাদ সংলগ্ন কৰি ইয়াৰ পৰিধি সাতোটালৈ বৃদ্ধি কৰা দেখিবলৈ পোৱা যায়। তথাপিও চাৰিটা অথবা পাঁচটা মতবাদকে প্ৰায় সকলোৱে নিৰ্বিবাদে গ্ৰহণ কৰি আহিছে।

## ১.৪ সংস্কৃত অলংকাৰ শাস্ত্ৰ বিষয়ক সম্প্ৰদায়সমূহ

(১) আচাৰ্য্য ভামহৰ দ্বাৰা পোষিত 'অলংকাৰবাদ'। এই সম্প্ৰদায়ৰ মতে দোষহীন আৰু অলংকৃত শব্দাৰ্থই কাব্য। ভামহে তেওঁৰ গ্ৰন্থ '*কাব্যালংকাৰ*'ত তেওঁ 'শব্দাৰ্থৌ সাহিতৌ কাব্যম্'—এই সূত্ৰেৰে শব্দ আৰু অৰ্থ উভয়কে কাব্যৰ মূল উপাদান বুলি স্বীকৃতি দিছে। দণ্ডী, ৰুদ্ৰট, প্ৰতিহাৰেন্দুৰাজ আদি সমালোচকে এই মতৰ সমৰ্থক।

(২) আলংকাৰিক বামণৰ দ্বাৰা প্ৰৱৰ্তিত 'ৰীতিবাদ'। এই মতবাদ মতে কেৱল শব্দ আৰু অৰ্থই কাব্য নহয়; ই গুণ আৰু অলংকাৰ যুক্ত হ'ব লাগিব আৰু সেয়েহে তেওঁৰ মতে ৰীতিয়েই কাব্যৰ আত্মা। বামণ বিৰচিত গ্ৰন্থ '*কাব্যলংকাৰ সূত্ৰবৃত্তি*' ৰীতিৰ সংজ্ঞা এনেদৰে দিছে যে—'বিশিষ্ট পদ ৰচনা ৰীতি'; সংস্কৃত আলংকাৰিকসকলৰ ভিতৰত বামণেই প্ৰথমে কাব্যদেহৰ অন্তৰালত যে কাব্যপ্ৰাণ আছে তাক উপলব্ধি কৰিবলৈ চেষ্টা কৰিছিল।

(৩) নাট্যশাস্ত্ৰকাৰ ভৰতমুনিৰ দ্বাৰা প্ৰৱৰ্তিত 'ৰসবাদ'। কাব্যসমালোচনাৰ ক্ষেত্ৰত ৰসবাদৰ এটি তাৎপৰ্যপূৰ্ণ ভূমিকা আছে এই কাৰণেই যে ইয়ে সাহিত্যৰ স্বৰূপ নিৰ্ণয়ত অগ্ৰগণ্য ভূমিকা গ্ৰহণ কৰিছিল। ৰসতত্ত্ব বিষয়ক ভৰত মুনিৰ মূল ৰসসূত্ৰটো হৈছে—'বিভাব, অনুভাব আৰু ব্যভিচাৰী ভাবৰ সংযোগত ৰস নিষ্পত্তি হয়।' এই মতবাদ মতে অলংকাৰ, শব্দ আদি কাব্যৰ বাহ্যিক আভৰণ, কিন্তু ৰস হৈছে কাব্যৰ অন্তৰাভৰণ অৰ্থাৎ আত্মা। ভট্টলোল্লট, শ্ৰীশঙ্কুক, ভট্টনায়ক, অভিনৱগুপ্ত, বিশ্বনাথ কবিৰাজ, জগন্নাথ আদি আলংকাৰিকসকল এই মতবাদৰ সমৰ্থক।

(৪) আলংকাৰিক আনন্দবৰ্দ্ধনে প্ৰতিষ্ঠা কৰা 'ধ্বনিবাদ'। আনন্দবৰ্দ্ধনে তেওঁৰ বিখ্যাত গ্ৰন্থ '*ধ্বন্যালোক*'ত 'ধ্বনি'কেই কাব্যৰ আত্মা বুলি প্ৰতিপাদন কৰি সাহিত্য সমালোচনাৰ বুৰঞ্জীত এটি নতুন তথ্যৰ উদ্‌ঘাটন কৰিছিল। আনন্দবৰ্দ্ধনে ধ্বনিকাব্যৰ লক্ষণ দাঙি ধৰি কৈছে—'য'ত অৰ্থ বা শব্দই নিজক অপ্ৰধান কৰি ব্যঙ্গ্য অৰ্থক প্ৰকাশ কৰে, সেই কাব্য বিশেষকে পণ্ডিতসকলৰ দ্বাৰা ধ্বনিকাব্য বুলি কোৱা হয়।'

(৫) আনন্দবৰ্দ্ধনৰ পাছত আলংকাৰিক কুন্তকে '*বক্ৰোক্তিজীৱিতম্*' নামৰ গ্ৰন্থ ৰচনা কৰি সংস্কৃত অলংকাৰ শাস্ত্ৰত এক নতুন যুগান্তৰ সূচনা আনিছিল। তেওঁৰ এই মতবাদক 'বক্ৰোক্তিবাদ' নামে জনা যায়। কুন্তকৰ মতে বক্ৰোক্তিয়েই কাব্যৰ প্ৰাণ। তেওঁ বক্ৰোক্তিক এইদৰে বৰ্ণনা কৰিছে—'বক্ৰোক্তিৰেৱ বৈদগ্ধভঙ্গি ভনিতিৰুচ্যতে' অৰ্থাৎ বক্ৰোক্তি হৈছে ভাব প্ৰকাশৰ এক প্ৰকাৰ ভঙ্গীবিশেষ আৰু ই কবি প্ৰতিভা সম্ভূত।

(৬) ধ্বনিবিৰোধী আলংকাৰিক মহিম ভট্টই তেওঁৰ '*ব্যক্তিবিবেক*' নামৰ গ্ৰন্থৰ জৰিয়তে 'অনুমিতিবাদ' প্ৰতিষ্ঠা কৰে। তেওঁৰ মতে ধ্বনি অনুমানৰ অন্তৰ্গত। এইজনা আলংকাৰিকে শব্দৰ একাধিক শক্তিক স্বীকাৰ নকৰি কেৱল অভিধা শক্তিকহে স্বীকাৰ কৰিছিল।

(৭) প্ৰখ্যাত কাশ্মীৰি আলংকাৰিক ক্ষেমেন্দ্ৰক 'ঔচিত্যবাদ'ৰ প্ৰৱৰ্তক হিচাপে জনা যায়। তেওঁ '*ঔচিত্যবিচাৰচৰ্চা*' নামৰ গ্ৰন্থ ৰচনা কৰি এই মতবাদ প্ৰতিষ্ঠা কৰিছিল। ঔচিত্যৰ সংজ্ঞা দি ক্ষেমেন্দ্ৰই কৈছে যে—'যাৰ লগত যিটোৰ মিল, আচাৰ্য্য সকলে তাকেই উচিত বুলি কয়। উচিতৰ যি ভাব, তাকেই ঔচিত্য বুলি কোৱা হয়।

এনেদৰে ভাৰতীয় নন্দনতত্ত্বৰ অবাধ গতিধাৰাই বিভিন্ন সময়ত বিভিন্ন স্তৰ অতিক্ৰম কৰি সংস্কৃত সমালোচনা শাস্ত্ৰৰ বুনিয়াদ গঢ়ি তুলিছিল। ওপৰত উল্লেখ নকৰা বহু কেইগৰাকী আলংকাৰিকেও তেওঁলোকৰ সাহিত্য কৃতিৰে এই গতিধাৰাক পোষিত কৰিছিল। তেওঁলোকৰ ভিতৰত মম্মট, অপ্পয়দীক্ষিত তথা 'অগ্নিপুৰাণ' এই ক্ষেত্ৰত প্ৰণিধানযোগ্য।

আত্মমূল্যায়ন প্ৰশ্ন :

১। কি কাৰণে 'নাট্যশাস্ত্ৰ'ত কাব্য সমালোচনাৰ বীজ অংকুৰিত হোৱা বুলি কোৱা হৈছে? (৪০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক।)

..............................................................................................................
..............................................................................................................
..............................................................................................................
..............................................................................................................
..............................................................................................................
..............................................................................................................
..............................................................................................................

২। কাব্যৰ কি কি দিশৰ ওপৰত ভিত্তি কৰি কাব্য সমালোচনাৰ বিভিন্ন ধাৰাসমূহ গঢ়ি উঠিছিল? (৩৫টা শব্দৰ ভিতৰত উত্তৰ দিয়ক।)

..............................................................................................................
..............................................................................................................
..............................................................................................................
..............................................................................................................
..............................................................................................................
..............................................................................................................
..............................................................................................................

## ১.৫ সাৰাংশ

সাহিত্যৰ চিন্তা-চৰ্চাৰ লগতে সাহিত্য সমালোচনাৰ ইতিহাসো ভাৰতবৰ্ষত অতি প্ৰাচীন। ভৰত মুনিৰ নাট্য শাস্ত্ৰতে সমালোচনাৰ বীজ অংকুৰিত হয়। ভাৰতীয় কাব্যতত্ত্ব বা সাহিত্য শব্দৰ প্ৰয়োগ অৰ্বাচীন। সাহিত্য শব্দৰ ঠাইত দৰাচলতে কাব্য অভিধাটিহে বহুল প্ৰয়োগ হৈছিল। পৰৱৰ্তী সময়তহে সাহিত্য শব্দৰ প্ৰয়োগ হ'বলৈ আৰম্ভ কৰে। এই কাব্যৰ স্বৰূপ সম্পৰ্কে বিভিন্ন আলংকাৰিক সকলে বিভিন্ন ধাৰণে মতবাদ আগবঢ়াই গৈছে। ধ্বনি, ৰীতি, বক্ৰোক্তি, ৰস আদি বিভিন্ন দিশ সমূহে বিভিন্ন আলংকাৰিক সকলৰ বাবে কাব্যৰ সাৰবস্তু হিচাপে সময়ে সময়ে গুৰুত্ব লাভ কৰিছে।

## ১.৬ আৰ্হি প্ৰশ্ন (Sample Questions)

১। প্ৰাচ্য সাহিত্য সমালোচনাৰ ইতিহাস দাঙি ধৰিবলৈ যত্ন কৰক।

২। সাহিত্য মানে কি? ভাৰতীয় কাব্যতত্ত্ব অনুসৰি সাহিত্যৰ স্বৰূপ নিৰ্ণয় কৰিবলৈ চেষ্টা কৰক।

৩। কাব্যৰ স্বৰূপ নিৰ্ণয় কৰি, ইয়াৰ প্ৰয়োজনীয়তা সম্পৰ্কে ব্যাখ্যা কৰক।

৪। কাব্যৰ হেতু মানে কি? বহলাই আলোচনা কৰক।

৫। কাব্যৰ গুণ আৰু দোষ মানে কি? ব্যাখ্যা কৰক।

৬। সাহিত্যৰ স্বৰূপ সম্পৰ্কে বিভিন্ন আলংকাৰিকসকলে আগবঢ়োৱা মতবাদসমূহ উল্লেখ কৰক।

## ১.৭ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


তীৰ্থনাথ শৰ্মা : *সাহিত্য-বিদ্যা পৰিক্ৰমা*

ড° নৰেন্দ্ৰ নাথ শৰ্মা : *সংস্কৃত সমালোচনা শাস্ত্ৰৰ বিবৰ্তন আৰু ধাৰা*

: *পণ্ডিতৰাজ জগন্নাথ আৰু ভাৰতীয় নন্দনতত্ত্ব*

ত্ৰৈলোক্যনাথ গোস্বামী : *নন্দনতত্ত্ব : প্ৰাচ্য আৰু পাশ্চাত্য*

মনোৰঞ্জন শাস্ত্ৰী : *সাহিত্য দৰ্পণ*

বিশ্বনাৰায়ণ শাস্ত্ৰী (অনূদিত) : *বিশ্বনাথ কবিৰাজৰ সাহিত্য দৰ্পণ*

ড° মুকুন্দ মাধৱ শৰ্মা : *সাহিত্য তত্ত্ব আৰু সমালোচনা*

P.V. Kane : *History of India Poetics.*


●●●

## দ্বিতীয় বিভাগ
## সাহিত্যৰ স্বৰূপ

**বিভাগৰ গঠন ঃ**

২.১ ভূমিকা (Introduction)
২.২ উদ্দেশ্য (Objectives)
২.৩ সাহিত্যৰ সংজ্ঞা
২.৪ কাব্যৰ প্ৰয়োজনীয়তা
২.৫ কাব্যৰ হেতু
২.৬ কাব্যৰ গুণ আৰু দোষ
২.৭ সাৰাংশ (Summing Up)
২.৮ আৰ্হি প্ৰশ্ন (Sample Questions)
২.৯ প্ৰসংগ গ্ৰন্থ (References/Suggested Reading)

### ২.১ ভূমিকা (Introduction)

পূৰ্বৱৰ্তী বিভাগটিত প্ৰাচ্য সাহিত্য সমালোচনাৰ ধাৰা সম্পৰ্কে আলোচনা কৰি অহা হৈছে। এই বিভাগটিত সাহিত্যৰ স্বৰূপ সম্পৰ্কে আলোকপাত কৰা হ'ব। এই প্ৰসংগতে কাব্যৰ প্ৰয়োজনীয়তা আৰু কাব্যৰ হেতু সম্পৰ্কেও পৰ্যালোচনা কৰা হ'ব।

আগৰ বিভাগটিত কৈ অহা হৈছে যে প্ৰাচীন কালত কাব্য শব্দটোক বহল অৰ্থত ব্যৱহাৰ কৰি সাহিত্য শব্দটোক সীমিত অৰ্থত ব্যৱহাৰ কৰিছিল। সাহিত্য শব্দটি মাঘ, ভামহ, প্ৰভৃতি আলংকাৰিক সকলে শব্দাৰ্থৰ সহিতত্ব অৰ্থতহে প্ৰয়োগ কৰিছিল। সাহিত্য অথবা কাব্যৰ স্বৰূপ সম্পৰ্কত বিভিন্ন আলংকাৰিক সকলে বিভিন্ন ধৰণে মতবাদ আগবঢ়াই গৈছে। সাহিত্যৰ সৃষ্টিৰ হেতু সাহিত্যৰ গুণ বা দোষ সম্পৰ্কেও নানা মতবাদৰ সৃষ্টি হৈছিল। এই বিভাগটিত এই দিশবোৰৰ বিষয়ে আলোকপাত কৰা হ'ব।

### ২.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপোনালোক —

- সাহিত্যৰ সংজ্ঞা সম্পৰ্কে জানিব পাৰিব,
- কাব্যৰ প্ৰয়োজনীয়তাৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব আৰু
- কাব্যৰ হেতু সম্পৰ্কে জ্ঞাত হ'ব পাৰিব।

## ২.৩ সাহিত্যৰ সংজ্ঞা

সাহিত্য শব্দটো অৰ্বাচীন। ইংৰাজীত 'Litterature' বুলিলে যি বুজা যায়, সাধাৰণতে 'সাহিত্য' শব্দটোৱে সেই একেই অৰ্থৰেই বোধ জন্মায়। ভাষা এটাৰ মাধ্যমত ৰস আৰু ৰূপ সৃষ্টি কৰিবলৈ কবিৰ অন্তৰত স্বতঃস্ফূৰ্তভাৱে যি বাঙ্ময় প্ৰকাশ ঘটে, 'সাহিত্য' শব্দই তাকেই বুজায়। সংস্কৃত সাহিত্যৰ আলংকাৰিক সমালোচকসকলেও এনেধৰণৰ সৃষ্টিশীল ৰচনাৰাজিকে 'কাব্য' শব্দেৰে অভিহিত কৰিছিল আৰু বিস্তৃত অৰ্থত গদ্য আৰু পদ্য এই দুয়ো শ্ৰেণীৰ ৰচনাই সাহিত্যৰ অন্তৰ্ভুক্ত আছিল। আধুনিক সকলোবোৰ ভাৰতীয় ভাষাতেই সাহিত্য শব্দটোৱে এনেধৰণৰ ৰসৰূপী সৃষ্টিশীল কৰ্মকেই অৰ্থাৎ সাহিত্য কৰ্মকেই অভিহিত কৰে। সংস্কৃত সাহিত্যত ৰসময়ী সৃষ্টিশীল সাহিত্যৰাজিৰ ক্ষেত্ৰত 'কাব্য' অথবা 'সাহিত্য' এই দুয়োটা শব্দৰে প্ৰয়োগ আলংকাৰিকসকলে কৰিছে। কাব্য শব্দৰ পৰিবৰ্তে সাহিত্য শব্দৰ প্ৰয়োগ আপেক্ষিকভাৱেই আধুনিক। সংস্কৃত আলংকাৰিকসকলেই প্ৰথমে 'কাব্য' শব্দৰ ঠাইত 'সাহিত্য' শব্দৰ প্ৰয়োগ কৰিছিল। সংস্কৃত আলংকাৰিক আচাৰ্য্য কুন্তকে তেওঁৰ '*বক্ৰোক্তিজীৱিত*' নামৰ গ্ৰন্থত আৰম্ভণিতেই সাহিত্য শব্দটোৰ কাব্যৰ সমাৰ্থক হিচাপে ব্যৱহাৰ কৰিছে—'সাহিত্যাৰ্থসুধাসিন্ধোঃ সাৰসুন্মীলয়াম্যহম্'। কাব্য অথবা সাহিত্যৰ অন্তৰালত মূলাধাৰৰূপে এক মিলন অথবা সংস্পৰ্শৰ ভাব যে নিহীত হৈ আছে, কুন্তকৰ এই উক্তিয়েই ইয়াৰ ইংগিত বহন কৰিছে। এই মিলন অথবা সংগম হৈছে শব্দ আৰু অৰ্থৰ। এই শব্দাৰ্থৰ সংগতি নিত্য আৰু অভিন্ন। এই শব্দ আৰু অৰ্থৰ নিত্য সম্বন্ধৰ কথা মহাকবি কালিদাসেও তেওঁৰ '*কুমাৰসম্ভৱ*' মহাকাব্যত পাৰ্বতী-মহাদেৱৰ নিত্য সম্বন্ধৰ শব্দাৰ্থৰ অন্বয় তথা নিত্য সম্বন্ধৰ লগত তুলনা দাঙি ধৰিছে—

> "বাগৰ্থাবিব সংপৃক্তৌ বাগাৰ্থৌ প্ৰতিপত্তয়ে।
> জগতঃ পিতৰৌ বন্দে পাৰ্বতীপৰমেশ্বৰৌ।।"

ব্যাকৰণৰ দৃষ্টিত 'সহিত' শব্দৰ পিছত 'ষ্যঞ' প্ৰত্যয়টো যোগ হৈ 'সাহিত্য' পদটো নিষ্পন্ন হৈছে—'সহিতস্য ভাবঃ সাহিত্যম্'। ৰাজশেখৰ নামৰ সংস্কৃত আলংকাৰিকজনে (দশম শতিকাৰ) তেওঁৰ অলংকাৰ গ্ৰন্থ '*কাব্যমীমাংসা*'ত 'সাহিত্য' শব্দটো পোনপ্ৰথমে ব্যৱহাৰ কৰা দেখা যায়। তেওঁৰ মতে সাহিত্য বিদ্যা হৈছে পঞ্চমবিধ বিদ্যা—'সাহিত্যো পঞ্চমী বিদ্যা।' আলংকাৰিক ৰাজশেখৰেও 'কাব্য-পুৰুষ' আৰু 'সাহিত্য বিদ্যাবধু'ৰ কল্পনাৰ মাজেৰে এক অভিনৱ ধাৰণাৰ জন্ম দিছে। ৰাজশেখৰৰ পাছত আলংকাৰিক ভোজে তেওঁৰ '*শৃঙ্গাৰ প্ৰকাশ*' নামৰ গ্ৰন্থত সাহিত্য শব্দটোক বিস্তৃতভাৱে ব্যৱহাৰ কৰিছে। পৰৱৰ্তী কালৰ বিশ্বনাথ কবিৰাজেও তেওঁৰ আলংকাৰিক গ্ৰন্থখনৰ নাম '*সাহিত্যদৰ্পণ*' নামেৰে নামকৰণ কৰি সাহিত্যৰ ধাৰণাটোক স্পষ্ট ৰূপত প্ৰতিভাস কৰিবলৈ চেষ্টা কৰিছিল।

শব্দ আৰু অৰ্থৰ নিত্য মিলনতেই সাহিত্যৰ জন্ম। সাহিত্য অথবা কাব্যৰ সংজ্ঞা নিৰূপণ কৰাৰ প্ৰসংগত আচাৰ্য্য ভামহে তেওঁৰ গ্ৰন্থ 'কাব্যালংকাৰ'ত শব্দ আৰু অৰ্থৰ মিলনৰ আভাস দাঙি ধৰিছে— 'শব্দাৰ্থৌ সহিতৌ কাব্যং গদ্যং পদ্যঞ্চ তদ্‌বিধা।' সাধাৰণ দৃষ্টিত এই সংজ্ঞাটোৱে কাব্যতত্ত্বৰ ধাৰণা দিবলৈ সমৰ্থ নহয় বুলি ধাৰণা হ'লেও, এই সংজ্ঞাটোতেই কাব্যতত্ত্বৰ বীজ নিহীত হৈ আছে। ভামহৰ কাব্য সংজ্ঞাকে আওপকীয়াভাৱে গ্ৰহণ কৰি আচাৰ্য্য দণ্ডীয়ে সাহিত্য বা কাব্যৰ স্বৰূপ সম্পৰ্কে কৈছে যে, কাব্য হৈছে কিছুমান পদৰ সমষ্টি, এই পদসমূহৰ মাজেৰে কবিয়ে স্বকীয় ইষ্টাৰ্থ প্ৰকাশ কৰে— "শৰীৰং তাংদিষ্টোৰ্থব্যৱচ্ছিন্না পদাৱলী"। এই ইষ্টাৰ্থ হৈছে কবিৰ অভিপ্ৰেত অৰ্থ। প্ৰত্যেকজন কবিয়ে তেওঁৰ কাব্যৰ মাজেদি হৃদয়ৰ ঐকান্তিক বাণীৰ প্ৰস্ফূৰণ ঘটাব খোজে।

কাব্যৰ সংজ্ঞাত আচাৰ্য্য দণ্ডীয়ে প্ৰথমতে কাব্য-শৰীৰৰ কথা উল্লেখ কৰিছে, কিন্তু কাব্যৰ প্ৰাণ সম্বন্ধে তেওঁ বিশেষ একো মতবাদ আগবঢ়োৱা নাই। কিন্তু বাস্তৱ ক্ষেত্ৰত প্ৰাণহীন কাব্য-শৰীৰৰ কথা চিন্তা কৰিব নোৱাৰি। কাব্য প্ৰাণৰ ধাৰণাটো পোনতে উল্লেখ কৰিছে আলংকাৰিক বামণে তেওঁৰ '*কাব্যালংকাৰ সূত্ৰবৃত্তি*' নামৰ গ্ৰন্থত। তেওঁ ইয়াত 'ৰীতি'কেই কাব্যৰ প্ৰাণ বুলি উল্লেখ কৰিছে। কাব্য দেহৰ ভিতৰত যে প্ৰাণ বিৰাজমান, সেই ধাৰণাটো আলংকাৰিকসকলৰ ভিতৰত প্ৰথমতে বামণেই উপলব্ধি কৰিছিল আৰু সেই মৌলিক ধাৰণাৰ কাৰণে তেওঁ 'ৰীতি'কেই কাব্যৰ আত্মা বুলি ঘোষণা কৰিছিল। এইটো সঁচা যে, কাব্যপ্ৰাণৰ অনুসন্ধানত 'ৰীতি'ৰ ধাৰণা অলংকাৰ ধাৰণাতকৈ কিছু আগবাঢ়ি গৈছিল। এচাম সমালোচকৰ মতে বামনেই প্ৰথমে ধ্বনিবাদৰ এটা অস্পষ্ট ধাৰণা প্ৰদান কৰিছিল আৰু আনন্দবৰ্দ্ধনে তাকেই বিশ্লেষণ কৰিছিল।

সাহিত্য সৃষ্টিত বিভিন্ন উপাদানৰ উপযোগিতা থাকিলেও ৰস সৃষ্টিয়ে লেখকৰ মূল উদ্দেশ্য। কবিয়ে বিভিন্ন কল্পনাৰ জৰিয়তে পাঠকৰ চিত্তৰ বিস্তৃতি ঘটাই এই চিত্তক এক অনিৰ্বচনীয় আনন্দৰ জোৱাৰত ডুবাই ৰাখিবলৈ চেষ্টা কৰে। এই ৰস আস্বাদনেই হৈছে সাহিত্যৰ মূল উদ্দেশ্য। ভৰতমুনিয়ে তেওঁৰ *নাট্যশাস্ত্ৰ*ত এই ৰসনিষ্পত্তিৰ ধাৰণাটো সূত্ৰ ৰূপত উপস্থাপন কৰিছে। পৰৱৰ্তী কালত বিভিন্ন টীকাকাৰসকলে ইয়াৰ বিশদ ব্যাখ্যা দাঙি ধৰিছে। এই ব্যাখ্যাসমূহৰ ভিতৰত অভিনৱগুপ্তৰ ব্যাখ্যাই ৰসস্বোপলব্ধিত অধিক সহায়ক বুলি বিবেচিত হৈছে। আনন্দবৰ্দ্ধনে ধ্বনিকেই কাব্যৰ প্ৰাণ বুলি স্বীকৃতি দিয়াৰ উপৰিও তেওঁ ইয়াক এটা 'মহাবিষয়' বুলি অভিহিত কৰিছে। আনন্দবৰ্দ্ধনে ধ্বনিবাদ প্ৰবৰ্তন কৰিছিল আৰু অভিনৱগুপ্তই 'ধ্বন্যালোক'ৰ ওপৰত 'লোচন' নামেৰে টীকা লিখিছিল। আনন্দবৰ্দ্ধনৰ মতে 'যি ৰচনাত শব্দ বা অৰ্থই নিজৰ অৰ্থ গৌণ কৰি কোনো বিশেষ অৰ্থৰ বোধ জন্মায়, তাকেই ধ্বনিকাব্য বোলা হয়। ধ্বনিকাব্যত ব্যঙ্গাৰ্থই প্ৰাধান্য লাভ কৰে; ইয়ে হৈছে কাব্যৰ প্ৰাণ। বাচ্যাৰ্থ অথবা লক্ষ্যাৰ্থতকৈ ই এক ভিন্ন অৰ্থ প্ৰকাশ কৰে। দৰাচলতে সকলো কবিৰে কবি কৃতিত্বৰ যশস্যা নিৰ্ভৰ কৰে ৰস উদ্ৰেকৰ ওপৰত। কাব্যিক প্ৰচেষ্টাত ৰসৰ উদ্ৰেককেই হৈছে

কবিৰ মূল লক্ষ্য। শব্দ আৰু অৰ্থৰ সামঞ্জস্যত ৰস সৃষ্টি কৰাই হৈছে কবিৰ মুখ্য উদ্দেশ্য। সংস্কৃত অলংকাৰ শাস্ত্ৰৰ পৰস্পৰ বিৰোধী মতবাদসমূহৰ ধ্বনিবাদে এক সমন্বয় সাধন কৰা বুলি আখ্যা দিয়া হয়। কিয়নো, কাব্যৰ সকলো উপাদানকে স্বীকৃতি দিয়ো সাহিত্যৰ মুখ্য উদ্দেশ্য মানৱৰ অন্তৰত চমৎকৃতি প্ৰদান কৰা, তাকেই সুন্দৰভাৱে চোৱা হৈছে।

আলংকাৰিক কুন্তকে ধ্বনিবাদ স্বীকাৰ কৰা নাছিল। তেওঁ ভামহক অনুসৰণ কৰিছিল আৰু শব্দাৰ্থৰ মিলনৰ মাজেদি যে সাহিত্যৰ সৃষ্টি হয়, তাকেই প্ৰতিপাদন কৰিবলৈ বিচাৰিছিল। তেওঁৰ মতে শব্দ আৰু অৰ্থৰ মিলনৰ মাজেদি ৰচনাই যেতিয়া এক অপূৰ্ব বৈচিত্ৰ্য প্ৰকাশৰ মাধ্যমত ৰসিকজনক আহ্লাদিত কৰিব পাৰে, তেতিয়াহে সেই ৰচনাই কাব্যত্ব লাভ কৰে। কুন্তকৰ মতে কেৱল মাত্ৰ সুন্দৰ শব্দ অথবা অৰ্থই কাব্য সৃষ্টি কৰিব নোৱাৰে, শব্দ আৰু অৰ্থৰ মিলন অপৰিহাৰ্য। কেৱল শব্দাৰ্থৰ মিলনেই যথেষ্ট নহয়। এক অপৰিহাৰ্য আভৰণৰূপে বক্ৰোক্তি থাকিব লাগিব। বক্ৰোক্তি হৈছে কাব্য ৰচনাৰ এক বিশেষ প্ৰকাশভংগী। এই ভংগীমাই কবিকৃতিৰ এক বিশেষ স্তৰলৈ উন্নীত কৰি কাব্যক এক বিশেষ মৰ্যাদা প্ৰদান কৰে। অলংকাৰ সহিত কবিকৃতিহে শব্দ আৰু অৰ্থৰ মিলনৰ মাজেদি সহৃদয় ব্যক্তিক আনন্দ দান কৰিবলৈ সক্ষম হয়। কুন্তকৰ এই তত্ত্বৰ মাজেদি এইটো স্পষ্ট হয় যে, সকলো অলংকাৰেই বক্ৰোক্তিৰ এটি ৰূপ মাত্ৰ, সেইকাৰণে অলংকাৰ মাত্ৰেই বক্ৰোক্তিৰ অন্তৰ্গত হৈ পৰে।

কুন্তকৰ পূৰ্ববৰ্তী আলংকাৰিক ভামহ, দণ্ডী আৰু আনন্দবৰ্দ্ধনে ৰসবৎ অলংকাৰৰ স্বীকৃতি দিয়াৰ কাৰণে কুন্তকৰ সমালোচনাৰ পাত্ৰ হৈছিল। কুন্তকৰ মতে ৰসবৎ অলংকাৰত বক্ৰোক্তিৰ সৃষ্টি হ'লেও ই সুন্দৰ ধাৰণা দিব লাগিব, আৰু তেতিয়াহে ই কাব্যৰ মৰ্যাদা লাভ কৰিব। কবি হৃদয়ৰ বিশেষ বাণীয়ে যেতিয়া শব্দৰ মাধ্যমত ৰসানুভূতিৰ উদ্ৰেক কৰি বহিঃপ্ৰকাশ লাভ কৰে, তেতিয়াহে সি কাব্য বা সাহিত্যৰ পৰ্যায়লৈ উঠিব পাৰে। কবি হৃদয়ৰ ৰসময়ী বিশেষ বাণীয়ে যেতিয়া সুকুমাৰ ৰূপত শব্দৰ মাধ্যমত প্ৰকাশ হয়, তেতিয়া প্ৰকৃত সাহিত্যৰ সৃষ্টি হয়, ইয়েই অলৌকিক চিত্তচমৎকাৰিত্বৰ সৃষ্টিৰ কাৰণ হয়। সেই সময়ত ভাব, শব্দ, ছন্দ, অলংকাৰ— এইবোৰে এক অসাধাৰণ সংমিশ্ৰণৰ ফলত নিজৰ নিজৰ স্বাতন্ত্ৰ্য বিসৰ্জন দি এক নতুন আস্বাদ প্ৰদান কৰে। কুন্তকৰ বক্ৰোক্তি আৰু আনন্দবৰ্দ্ধনৰ ধ্বনিবাদে কবি প্ৰতিভাৰ লগত ওতঃপ্ৰোতভাৱেই জড়িত। দুয়োটা মতবাদেই শ্ৰেষ্ঠ কাব্যৰ মূলতে কবি প্ৰতিভাৰ অৱদানৰ মুখ্য অৱদানৰূপে স্বীকৃতি দিছে।

উত্তৰ ধ্বনিবাদ যুগৰ প্ৰায় সকলো সমালোচকেই পৰোক্ষভাৱে ধ্বনিবাদৰ স্বীকাৰ কৰিও, তেওঁলোকৰ স্বকীয় বৈশিষ্ট্য দেখুৱাবলৈ তৎপৰ হৈ এনে কিছুমান কাব্যসংজ্ঞা লক্ষি ধৰিছিল, যিবোৰ সাধাৰণতে প্ৰাচীন আলংকাৰিকসকলৰ কাব্যসংজ্ঞাৰেই নামান্তৰ আছিল। আলংকাৰিক মম্মটাচাৰ্যই তেওঁৰ অলংকাৰ শাস্ত্ৰ 'কাব্য প্ৰকাশ'ত প্ৰাচীন আলংকাৰিকসকলৰ মতবাদসমূহ হৃদয়গ্ৰাহীৰূপেই উপস্থাপন কৰি অলংকাৰ শাস্ত্ৰৰ এজন বিদগ্ধ পণ্ডিত ৰূপে প্ৰতিষ্ঠা লাভ কৰিছিল। তেওঁৰ মতে

দোষহীন অথচ গুণযুক্ত শব্দাৰ্থই কাব্য। কেতিয়াবা কেতিয়াবা ই অলংকাৰবিহীন হ'লেও কাব্যত্ব হানি নহয়। মম্মটে ধ্বনিবাদক এটি সুনির্দিষ্ট গতিপথ নির্দ্ধাৰিত কৰি দিয়াৰ উপৰি সাহিত্যৰ সকলো উপাদানকেই চিৰকালৰ কাৰণে নিজৰ নিজৰ মৰ্যাদা অনুসৰি স্বকীয় স্থানত উপস্থাপিত কৰিলে।

উত্তৰ ধ্বনিবাদ যুগৰ আন এজন প্ৰখ্যাত সাহিত্য সমালোচক হৈছে আচাৰ্য বিশ্বনাথ কবিৰাজ। সাহিত্যৰ সংজ্ঞা দিবলৈ গৈ তেওঁ কৈছে যে—'বাক্যং ৰসাত্মকং কাব্যম্' অৰ্থাৎ ৰসযুক্ত বাক্যই হৈছে কাব্য। এওঁৰ আগতে আনন্দবৰ্দ্ধন বা মম্মট ভট্টই কাব্যত ৰসৰ অৱদান স্বীকাৰ কৰিও ৰসকেই কাব্যাত্মা বুলি ঘোষণা কৰিবলৈ সাহস কৰা নাছিল। বিশ্বনাথ কবিৰাজে ৰসক কাব্যৰ প্ৰাণ বুলি গ্ৰহণ কৰাৰ উপৰি, তেওঁ ৰস বুলিলে ৰসাভাসকো অন্তৰ্ভুক্ত কৰিব লাগিব বুলি কৈছে। এওঁৰ মতে ৰস অথবা ৰসাভাস যিকোনো এটা থাকিলেই ৰচনাই সাহিত্যৰ স্থান দাবী কৰিব পাৰে। ভৰত মুনি আদি পূৰ্ববৰ্তী আলংকাৰিকসকলে অস্পষ্টভাৱে হ'লেও ৰসক যি ৰূপত কল্পনা কৰিছিল, বিশ্বনাথে ৰসক তেনে এক উৎকৃষ্ট স্থানত বহুৱাই ইয়াৰ সাৰ্থকতা অব্যাহত ৰাখিবলৈ চেষ্টা কৰিছিল।

ৰসক উৎকৃষ্ট স্থান দিলেও বিশ্বনাথৰ এই সাহিত্যৰ সংজ্ঞা সম্পূৰ্ণৰূপে দোষমুক্ত বুলি ক'ব নোৱাৰি। কাৰণ এনে কিছুমান সাহিত্য আছে, য'ত ৰস নাই, কেৱল শব্দৰ অবিচ্ছিন্ন ঝংকাৰ আৰু অৰ্থৰ অনিৰ্বচনীয় মাধুৰ্য মাত্ৰ প্ৰকাশ হৈছে। উদাহৰণস্বৰূপে জয়দেৱৰ '*গীতগোবিন্দ*'ৰ এটা পংক্তিলৈ আঙুলিয়াব পাৰি—

"নামসমেতং কৃতসঙ্কেতং বাদয়তে মৃদু বেণুম্।
বহুমনুতে তনুতে তনুসঙ্গত-পৱনচলিতমপি ৰেণুম্।।"

এই পংক্তিটোত শব্দৰ ৰমনীয় ঝংকাৰ আৰু ছন্দৰ মাধুৰ্যই এক বিশেষ স্থান অধিকাৰ কৰিছে। ইয়ে মানুহৰ চিত্তত এক আনন্দৰ লহৰ প্ৰতিধ্বনিত কৰিছে। সেই কাৰণেই ৰসহীন হ'লেও এই শ্ৰেণীৰ কবি-কৃতিয়ে পাঠকক চমৎকাৰিত্ব প্ৰদান কৰা কাৰণে সাহিত্যৰ মৰ্যাদা লাভ কৰিছে।

এইবোৰক ভিত্তি কৰিয়েই পণ্ডিতৰাজ জগন্নাথে কাব্যৰ সংজ্ঞা এনেদৰে দাঙি ধৰিছে—"ৰমনীয়াৰ্থ প্ৰতিপাদকঃ শব্দঃ কাব্যম্।" অৰ্থাৎ যি শব্দই ৰমণীয় অৰ্থ প্ৰতিবাদন কৰে সিয়েই কাব্য। এই সংজ্ঞাটিত "ৰমণীয় অৰ্থ" বুলি কোৱা কথাটোৱেই আটাইতকৈ লক্ষণীয় বস্তু। ইয়াত ৰস বুলি অথবা কোনো আনন্দৰ অনুভূতি বুলি কথা কোৱা হোৱা নাই। পণ্ডিতৰাজৰ এই 'ৰমণীয়তা'ত কেইটামান বিশেষ উপাদান সোমাই আছে। এইবোৰৰ ধাৰণা জন্মিলেহে 'ৰমণীয়তা'ৰ অৰ্থবোধ সম্ভৱ হয়। প্ৰত্যেক মানুহৰে অন্তৰত সুখ-দুঃখ, হৰ্ষ-বিষাদ আদি উপাদানসমূহ নৈৰ্ব্যক্তিকভাৱে ওলাই আছে। এইবোৰ ব্যক্তি বিশেষৰ স্বকীয় অনুভূতি। কিন্তু সাহিত্যৰ আস্বাদনত যি অনুভূতি জন্মে, যি নান্দনিক অনুভূতি, ই অতীন্দ্ৰিয় তথা নৈৰ্ব্যক্তিক। সহৃদয় মানুহেই এই সৰ্বাত্মক ৰসানুভূতি আস্বাদন কৰিব পাৰে। সহৃদয় পাঠকে কাব্যত বৰ্ণিত

চৰিত্ৰসমূহৰ একাত্মবোধেৰে বশীভূত হৈ তেনেকুৱা অনুভূতিকেই আস্বাদন কৰে। সাধাৰণতে এই প্ৰক্ৰিয়াত এই উপাদানসমূহ লক্ষ্য কৰিব পাৰি—নৈৰ্ব্যক্তিকতা, সাৰ্বজনীনতা, ব্যক্তিসত্বা আৰু বহিৰ্জাগতিক বস্তুৰ স্বকপোলত্বি, ব্যক্তিসত্বাৰ পাৰ্শ্বভূমিত লীনাৱস্থা, নন্দনতাত্বিক অনুভূতিৰ প্ৰাধান্য, জ্ঞান আৰু আনন্দৰ ঐক্যতা, সেই অনুভূতিৰ পোনপটীয়া আৰু স্পষ্ট অৱস্থা, ইয়াৰ সৰ্বগ্ৰাসী বৈশিষ্ট্য আদি।

সংস্কৃত সাহিত্যৰ সমালোচনাত্মক মতবাদবোৰ বিশ্লেষণ কৰিলে বুজা যায় যে, কবিৰ কেৱল মুখনিসৃত শব্দসমূহেই কাব্যৰ মৰ্যাদা লাভ কৰিব নোৱাৰে। নতুবা কোনো বিশেষ প্ৰকাশভংগীৰ উক্তি বিশেষকো কাব্যৰ অধিকাৰী হিচাপে স্বীকৃতি দিব নোৱাৰি। দোষহীন শব্দ আৰু অৰ্থৰ মিলনাত্মক ৰচনাকহে কাব্যত্ব সংজ্ঞা প্ৰদান কৰা হৈছে। শব্দাৰ্থৰ এই মিলন ঐকান্তিক আৰু সুকুমাৰ। কাব্যৰ সকলো উপাদানেই যেতিয়া শব্দাৰ্থৰ মিলনত এটি নতুন ৰসাস্বাদনৰ সৃষ্টি কৰে, তেতিয়াই সাহিত্যৰ সৃষ্টি হয়।

**আত্মমূল্যায়ন প্ৰশ্ন :**

১। কাব্য আৰু সাহিত্য অভিধা দুটা কি অৰ্থত আলংকাৰিকসকলে প্ৰয়োগ কৰিছিল? (৩০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক।)

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

২। কাব্যৰ প্ৰাণ বুলিলে কি বুজা যায়? (৩০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক।)

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

## ২.৪ কাব্যৰ প্ৰয়োজনীয়তা

কাব্য অথবা সাহিত্য হৈছে এবিধ কলা আৰু কলা হিচাপে ইয়াৰ উদ্দেশ্য হৈছে ঘাত-প্ৰতিঘাতত নিমজ্জিত হৈ থকা মানুহক নন্দনতাত্বিক আনন্দ প্ৰদান কৰা। সংস্কৃত আলংকাৰিকসকলে কাব্যৰ আনন্দৰ বৈশিষ্ট্যৰ কথা বিভিন্ন গ্ৰন্থত উল্লেখ কৰিছে।

আচাৰ্য্য ভৰতে তেওঁৰ '*নাট্যশাস্ত্ৰ*'ত নাটকৰ উপযোগিতা সম্বন্ধে কৈছে যে, বেদবিদ্যা, ইতিহাস, আখ্যান, স্মৃতি, সদাচাৰ আৰু অৱশিষ্ট বিষয়ৰ সহায়ত পৰিকল্পিত এই নাটকে জগতক আনন্দ প্ৰদান কৰিব— "বেদবিদ্যেতিহাসানামাখ্যানস্পৰিকল্পনম্। শ্ৰুতিস্মৃতি সদাচাৰ পৰিশেষাৰ্থ কল্পনম্। বিনোদজননং লোকে নাট্যমেতদ্ ভৱিষ্যতি"। কেৱল নাটকেই নহয় সকলো সৃষ্টিশীল সাহিত্যই আনন্দ প্ৰদান কৰে। আনন্দবৰ্দ্ধনে স্পষ্টভাৱেই উল্লেখ কৰিছে যে অন্য প্ৰয়োজন থাকিলেও আনন্দদানেই হৈছে কাব্যৰ মুখ্য উদ্দেশ্য। ৰসেই হৈছে কাব্যৰ সুখানুভূতিৰ মৌলিক ৰূপ। মম্মট ভট্টৰ মতে, কাব্যৰ সকলো প্ৰয়োজনৰ মূল উদ্দেশ্যই হৈছে ৰসস্বাদনৰ পৰা উদ্ভৱ হোৱা এক প্ৰকাৰৰ আনন্দ। পৃথিৱীৰ সকলো দেশৰ সকলো কাব্য সমালোচকৰ মতে আনন্দ দানেই হৈছে কাব্যৰ ধৰ্ম বা প্ৰয়োজন। সংস্কৃত আলংকাৰিকসকলেও কাব্যৰ প্ৰয়োজন বা উদ্দেশ্য যে আনন্দানুভূতি জগাই তোলা—সেইটো স্বীকাৰ কৰিছে তথা কিছুমান উদ্দেশ্যৰো উল্লেখ কৰিছে।

আলংকাৰিক ভামহে কৈছে যে, কাব্যানুশীলন বা উৎকৃষ্ট কাব্য অধ্যয়নে ধৰ্ম, অৰ্থ, কাম অথবা মোক্ষ লাভত সহায় কৰে। সংস্কৃত আলংকাৰিকসকলে তেওঁলোকৰ গ্ৰন্থসমূহত সাহিত্যৰ উদ্দেশ্য সম্বন্ধে ক'বলৈ গৈ চতুৰ্বৰ্গ লাভৰ কথা উল্লেখ কৰাৰ লগতে প্ৰসঙ্গক্ৰমে বেদাদিশাস্ত্ৰ থাকোতে কাব্যৰ অনুশীলনৰ পৰা কেনেকৈ এই চতুৰ্বৰ্গ সম্ভৱ হয় তাৰো আলোচনা দাঙি ধৰিছে। সাধাৰণতে বেদাদি শাস্ত্ৰ নীৰস তথা ইয়াৰ অধ্যয়নো কষ্টসাধ্য। আনপক্ষে কাব্যশাস্ত্ৰ সৰস আৰু ৰস-বুদ্ধি সম্পন্ন ব্যক্তিসকলেও ইয়াক সহজতে আয়ত্ব কৰিব পাৰে।

সংস্কৃত আলংকাৰিকসকলে সাহিত্যক কেতিয়াও জীৱনৰ পৰা বিচ্ছিন্ন হিচাপে গ্ৰহণ কৰিব বিচৰা নাছিল। জীৱনেই হৈছে সাহিত্যৰ বিষয়বস্তু। জীৱনক বাদ দি সাহিত্য সৃষ্টি হ'ব নোৱাৰে। কাব্যিক জগতৰ ঘটনা প্ৰবাহক চলাই নিবলৈ যিবোৰ চৰিত্ৰৰ কল্পনা কৰা হয়, সেইবোৰৰ প্ৰতি কেতিয়াবা দৰ্শকৰ সহানুভূতি জাগে আৰু কেতিয়াবা বিৰাগো জন্মে। দৰ্শকে আদৰ্শ চৰিত্ৰটোকে গ্ৰহণ কৰে। সেইকাৰণে '*সাহিত্য দৰ্পণ*'ৰ কৰ্তা বিশ্বনাথ কবিৰাজে কৈছে যে, বেদাদিবিমুখ সুকুমাৰমতি ৰাজপুত্ৰসকলে যদি কাব্যৰ পৰা শিক্ষা গ্ৰহণ কৰে, তেন্তে ৰামৰ চৰিত্ৰই অনুকৰণ কৰিব ৰাৱণৰ নহয়।

ভাৰতীয় আদৰ্শত জীৱনবোধ সম্পৰ্কে যি ধাৰণা পোষণ কৰা হয়, তাত এক গভীৰ সমন্বয়বোধ দেখা যায়। পুৰুষাৰ্থ চতুষ্টয় অৰ্থাৎ ধৰ্ম, অৰ্থ, কাম আৰু মোক্ষৰ সমভাৱে চৰ্চা কৰিবলৈ শাস্ত্ৰই উপদেশ দিছে। এই চতুৰ্বৰ্গৰ যেতিয়া কোনোবা এটিক প্ৰাধান্য দি আন কেইটিক উপেক্ষা কৰা হয়, তেতিয়াই বিসঙ্গতিৰ সৃষ্টি হয় আৰু এই বিসঙ্গতিয়ে জীৱনত দ্বন্দ্বৰ উৎপত্তি ঘটায়। ভাৰতীয় ঋষিসকলে যি সুন্দৰৰ ধাৰণা কৰিছিল, তাতো মঙ্গলময় ৰূপৰ আৰাধনা দেখিবলৈ পাইছিল।

আত্মমূল্যায়ন প্ৰশ্ন :

১। কাব্যৰ প্ৰয়োজনীয়তাৰ মূল দিশ কি? (৩৫টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

## ২.৫ কাব্যৰ হেতু

আলংকাৰিক ভামহে '*কাব্যলংকাৰ*'ৰ আদিতে এটি প্ৰশ্ন উত্থাপন কৰিছিল— 'কবিত্ববিহীন কোন লোকে বাক্‌পটুতাৰ দাবী কৰিব পাৰে?' এই প্ৰশ্নটোৰ এয়ে অভিপ্ৰায় যে যি সকল লোকে কবি প্ৰতিভাৰ অধিকাৰী, তেওঁলোকেহে বাক্‌বৈচিত্ৰ্যৰে পাঠকৰ মন জয় কৰিব পাৰে। এওঁৰ মতে গুৰুৰ উপদেশ অনুসৰি এজন মূৰ্খই শাস্ত্ৰ অধ্যয়ন কৰিলেও, কাব্য ৰচনা এজন প্ৰতিভাবান লোকৰ দ্বাৰাহে সম্ভৱ হ'ব পাৰে। ইয়াৰ পৰা বুজা যায় যে, ভামহে কেৱল 'প্ৰতিভা'কেই কাব্যৰ হেতু বুলি গ্ৰহণ কৰিছিল। তথাপিও তেওঁ কৈছে যে, যিসকলে কাব্য ৰচনাত মনোনিৱেশ কৰিব খোজে, তেওঁলোকে ব্যাকৰণ, ছন্দ, আভিধানিক অৰ্থ, ঐতিহাসিক গল্প, লোক ব্যৱহাৰ, তৰ্কশাস্ত্ৰ আৰু কলা অধ্যয়ন কৰা উচিত।

আলংকাৰিক দণ্ডীয়ে 'সহজাত প্ৰতিভাক' কাব্যৰ হেতু বুলি স্বীকাৰ কৰিও গভীৰ অধ্যয়ন আৰু ঐকান্তিক কাব্যিক প্ৰচেষ্টাৰে কবিত্বৰ অধিকাৰী হ'ব পৰাটো সম্ভৱ বুলি বিশ্বাস কৰিছিল। তেওঁৰ মতে— "যদিও পূৰ্বজন্মৰ বাসনাজাত প্ৰতিভাৰ অভাৱ হয়, তথাপিও বাগ্‌দেৱীক জ্ঞান আৰু যত্নেৰে উপাসনা কৰিলে নিশ্চয় তেওঁ কাৰোবাক অনুগ্ৰহ কৰিব পাৰে।" কবিত্ব গুণত কিছু হীন হ'লেও পৰিশ্ৰমী লোকেহে বিদগ্ধ গোষ্ঠীত বিচৰণ কৰিবলৈ সমৰ্থ হয়। অন্যতম আলংকাৰিক বামণে কাব্য হেতুক কাব্যাঙ্গৰূপে অভিহিত কৰি ইয়াক তিনিটা ভাগত বিভক্ত কৰিছে। এই তিনিটা ভাগ হৈছে ক্ৰমে—লোক, বিদ্যা আৰু প্ৰকীৰ্ণ। লোক মানে হৈছে লোক ব্যৱহাৰ; বিদ্যা বুলিলে শব্দ-শাস্ত্ৰ, কোশশাস্ত্ৰ, ছন্দশাস্ত্ৰ, কলা, দণ্ডনীতি আদিকেই সামৰা হৈছে। প্ৰকীৰ্ণ হৈছে লক্ষ্যজ্ঞান আৰু অভিযোগ। কবি হ'বলৈ হ'লে কাব্য ৰচনাৰ উদ্যম থাকিব লাগিব। তদুপৰি বৃদ্ধসেৱা, সূক্ষ্ম বিচাৰ, প্ৰতিভা অৱধাৰন বা একাগ্ৰতা আদিৰো যথেষ্ট অৱদান আছে। বামণৰ মতে প্ৰতিভাই কবিত্বৰ বীজ (কবিত্ব বীজং প্ৰতিভানম্)। ই এক প্ৰকাৰ জন্মজন্মান্তৰগত সংস্কাৰ বিশেষ। ইয়াৰ অবিহনে কাব্য সৃষ্টি সম্ভৱ নহয়।

আন এজন আলংকাৰিক ৰুদ্ৰটৰ মতে, শক্তি, ব্যুৎপত্তি আৰু অভ্যাস—এই তিনিওটাই কাব্যৰ কাৰণ। ইয়াত শক্তি হৈছে প্ৰতিভা, যাৰ ফলত শব্দ আৰু অৰ্থই কবিৰ মনত আপোনা আপুনি ভুমুকি মাৰেহি। বুৎপত্তি হৈছে শিক্ষা আৰু এই শিক্ষাই শব্দাৰ্থৰ সাৰ আৰু অসাৰ বিবেচনা কৰিবলৈ কবিক সমৰ্থ দান কৰে। আনহাতে অভ্যাসে শক্তি বা প্ৰতিভাৰ উৎকৰ্ষ সাধন কৰে। ৰুদ্ৰটে প্ৰতিভাক সাহস আৰু বুৎপাদ্য এই দুই ভাগত বিভক্ত কৰিছে।

আলংকাৰিক ভট্টললৌত্তৰ মতে, প্ৰতিভা হৈছে এক মানসিক শক্তি, যাৰ সহায়ত কবিয়ে সকলো বস্তুকেই এক অভিনৱ ৰূপত দেখিবলৈ পায়। এই শক্তিৰ যিসকল অধিকাৰী, তেওঁলোকেহে কবিত্বৰ অধিকাৰী হ'ব পাৰে। লৌকিক জীৱনত যাৰ অন্তৰ্দৃষ্টি আৰু কাল্পনিক বৰ্ণনা সামৰ্থ্য আছে তেওঁকেই কবি হিচাপে আখ্যা দিয়া হয়। সেইকাৰণে যদিও আদিকবি বাল্মীকি অন্তৰ্দৃষ্টিসম্পন্ন ঋষি আছিল, যেতিয়ালৈকে তেওঁ বৰ্ণনাত্মক ৰচনা সৃষ্টি কৰা নাছিল, তেতিয়ালৈকে তেওঁক কবি আখ্যা দিয়া হোৱা নাছিল। অভিনভগুপ্তয়ো 'প্ৰতিভাই' এক অসাধাৰণ কাব্যিক সৃষ্টিধৰ্মিতা ৰূপে গ্ৰহণ কৰিছিল, যাৰ দ্বাৰা অপৰূপ সৌন্দৰ্য সম্ভূত কাব্যৰাজিৰ ৰচনা সম্ভৱ হয়। ধ্বনিকাৰ আনন্দবৰ্দ্ধনেও কাব্য সৃষ্টিৰ কাৰণ হিচাপে 'প্ৰতিভা'কেই সমৰ্থন কৰিছিল। তেওঁৰ মতে কবিয়েই হ'ল সাহিত্যৰ জগতখনৰ স্ৰষ্টা (অপাৰ কাব্য সংসাৰে কৱিৰেক প্ৰজাপতিঃ)। কবিৰ দৃষ্টিত যাক যেনেকৈ লাগে, তেনেভাৱেই বিশ্বই পৰিৱৰ্তন লাভ কৰে। যদি কবি শৃঙ্গাৰী হয়, তেন্তে গোটেই জগত ৰসময় হৈ পৰে। আনহাতে যদি তেওঁ বেৰসিক হয়, তেনেহ'লে সকলোবোৰ নীৰস হৈ পৰে। কবিয়ে কল্পনা শক্তিৰ বলত কাব্য-জগতত এক স্বতন্ত্ৰতা আনে। তেওঁ অচেতন বস্তুকো চৈতন্যশীল হিচাপে আৰু চৈতন্যশীল বস্তুকো অচেতন হিচাপে অংকিত কৰিব পাৰে।

---

**আত্মমূল্যায়ন প্ৰশ্ন :**

**কাব্য আৰু ৰচনাৰ হেতু বুলিলে কোনটো গুৰুত্বপূৰ্ণ দিশক বুজোৱা হয়? (৩৫টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)**

........................................................................................................................

........................................................................................................................

........................................................................................................................

........................................................................................................................

........................................................................................................................

---

## ২.৬ কাব্যৰ গুণ আৰু দোষ

**গুণ :** কাব্যৰ অলংকাৰে বাহিৰৰ শোভা বঢ়োৱাত সহায় কৰিলেও কাব্যৰ স্বৰূপ প্ৰকাশ কৰিব নোৱাৰে। কাব্যৰ স্বৰূপ প্ৰকাশক হ'ল কাব্যৰ গুণ। গুণ কাব্যৰ নিত্য

ধৰ্ম। গুণ নোহোৱাকৈ কাব্যই নিজৰ মহিমা পাব নোৱাৰে। ভৰতৰ পৰা আৰম্ভ কৰি দণ্ডী-বামণ আদি আচাৰ্যসকলে গুণক শব্দাৰ্থৰ সম্পত্তি বুলি স্বীকাৰ কৰিছে। আচাৰ্য বামণে শব্দৰ দহোটা আৰু অৰ্থৰ দহোটা গুণৰ বৰ্ণনা দিছে।

আচাৰ্য দণ্ডীৰ মতে, দহটা গুণ হ'ল— শ্লেষ, প্ৰসাদ, সমতা, মাধুৰ্য, সুকুমাৰতা, অৰ্থব্যক্তি, উদাৰতা, ওজঃ, কান্তি আৰু সমাধি—

"শ্লেষ প্ৰসাদসমতামাধুৰ্যসুকুমাৰতা।
অৰ্থব্যক্তিৰুদাৰত্বমোজঃ কান্তিসমাধয়ঃ।।"

শ্লেষ মানে হৈছে শিথিলতা নোহোৱা। উচ্চাৰণ কৰোঁতে যাতে জিভাই পিছল নাখায়, তেনেভাৱে শব্দৰ বান্ধনি থকাই শ্লেষ। যিবোৰ শব্দ শুনা মাত্ৰকে তাৰ অৰ্থ তৎক্ষণাৎ মনলৈ আহে, তেনে শব্দৰ প্ৰয়োগ কৰিলে বাক্যত প্ৰসাদ গুণ থকা বুলি কোৱা হয়। সমতা মানে হৈছে, বাক্য যেনে ধৰণৰ গাঁথনিৰে আৰম্ভ কৰা হয়, ঠিক তেনেদৰে বন্ধযুক্ত গাঁথনিৰে শেষ কৰাকে সমতা গুণ বুলি কোৱা হয়।

বাক্য ৰসাল হোৱাকে মাধুৰ্য গুণ বুলি কোৱা হৈছে। যি ৰচনাত প্ৰায়ে অকঠোৰ আৰু শ্ৰুতিকটু দোষ নথকা অক্ষৰ থাকে অৰ্থাৎ কোমল বৰ্ণযুক্ত শব্দ বেছিকৈ ব্যৱহাৰ কৰি যি বাক্য ৰচনা কৰা হয়, তেনে বাক্যৰ সুকুমাৰতা গুণ থাকে। অৰ্থব্যক্তি হৈছে কবিয়ে ক'ব খোজা কথাখিনি যদি বাক্যত ব্যৱহৃত শব্দখিনিৰেই স্পষ্টভাৱে প্ৰকাশিত হয়, অন্য কোনো শব্দ জোৰাই অৰ্থ উলিয়াব লগা নহয়, তেতিয়া তাক অৰ্থব্যক্তি গুণ থকা বুলি কোৱা হয়। যি বাক্যাৰ্থই মনলৈ এটা চমৎকৃতি আনি দিয়ে, তেনে অৰ্থগুণক উদাৰতা বোলে। ওজঃ হৈছে সমাসবহুল তেজঃপূৰ্ণ বাক্য। সাধাৰণ লৌকিক বৰ্ণনাৰেই মানুহৰ মনোৰঞ্জন কৰিব পৰা ৰচনাৰ গুণটোক কান্তি বোলে। আনহাতে, এটা বস্তুৰ বৰ্ণনাই যেতিয়া আন এটা বিষয়ত চিত্ত নিৰূপণ কৰে, তেতিয়া তাক সমাধি গুণযুক্ত বুলি কোৱা হয়।

**দোষ :** কাব্য সদায়ে নিৰ্দোষ হোৱাটো উচিত। তথাপিও কাব্যত কিছুমান দোষ দেখিবলৈ পোৱা যায়। যিবিলাক উপাদানৰ জৰিয়তে কাব্যৰ প্ৰাণস্বৰূপ ৰসৰ ব্যাঘাত ঘটে, সেই উপাদানবোৰক সাধাৰণতে কাব্যৰ দোষ বুলি কোৱা যায়। এই কাব্যৰ দোষবোৰৰ কিছুমানে ৰসৰ উপলব্ধিত ব্যাঘাত জন্মায়। কিছুমান দোষে ৰস আদিৰ অতিশয় চমৎকাৰিতাৰ হানি ঘটায়, আনহাতে আন কিছুমানে ৰস আদিৰ অনুভৱত বিলম্ব ঘটায়।

সাধাৰণতে দোষক তিনি শ্ৰেণীৰ বুলি ধৰা হৈছে—শব্দগত, অৰ্থগত আৰু ৰসগত। শব্দ এটা শুনাৰ লগে লগে, বাক্যাৰ্থ পূৰ্বে, যি দোষৰ আভাস ঘটে, সেইবিলাক দোষেই হৈছে শব্দগত। যিবিলাক দোষ পৰোক্ষভাৱে ৰসত হানিকাৰক আৰু যাৰ প্ৰতীতি বাক্যাৰ্থবোধৰ পিছত হয়, সেয়াই অৰ্থগত দোষ। আনহাতে যিবিলাক দোষ প্ৰত্যক্ষভাৱেই ৰসৰ হানিকাৰক সেয়াই ৰসদোষ।

শব্দগত দোষ আকৌ দুই প্ৰকাৰৰ—পদগত আৰু বাক্যগত। পদগত দোষ যেনে—১। শ্ৰুতিকটুতা, ২। চ্যুতসংস্কৃতি, ৩। অসমৰ্থতা, ৪। অপ্ৰযুক্ততা,

৫। নিহতাৰ্থতা, ৬। অহচিতাৰ্থতা, ৭। নিৰৰ্থতা, ৮। অশ্লীলতা, ৯। সন্দিগ্ধাৰ্থতা, ১০। গ্ৰাম্যতা, ১১। ক্লিষ্টাৰ্থতা, ১২। বিধেয়াবিমৰ্শ।

বাক্যগত দোষবোৰ হৈছে— ১। প্ৰতিকূলবৰ্ণতা, ২। ন্যূনপদতা, ৩। অধিকপদতা, ৪। পতৎপ্ৰকৰ্ষতা, ৫। সমাপ্তপুনৰাত্ততা, ৬। অভৱন্মতযোগ, ৭। অস্থানস্থপদতা, ৮। গৰ্ভিত, ৯। ভগ্নপ্ৰক্ৰমতা।

অৰ্থগত দোষসমূহ হৈছে,—১। ব্যাহতত্তা, ২। পুনৰুক্ততা, ৩। দুষ্ক্ৰমতা, ৪। গ্ৰাম্যতা, ৫। সন্দিগ্ধতা, ৬। নিৰ্হেতুতা, ৭। প্ৰসিদ্ধিবিদ্যাবিৰুদ্ধতা, ৮। অনবীকৃততা, ৯। ব্যক্তিতবিৰুদ্ধ, ১০। অশ্লীল।

ৰসগত দোষ হিচাপে—১। ৰসৰ, স্থায়ীভাবৰ অথবা সঞ্চাৰী ভাবৰ বাচক শব্দৰ দ্বাৰা উক্তি, ২। বিৰোধী ৰসৰ বিভাৱ আদি অঙ্গৰ উপস্থাপন, ৩। অনুভাৱ আৰু বিভাৱৰ কষ্ট-বোধ্যতা, ৪। অস্থানত বিস্তৃতি, ৫। অস্থানত ছেদ, ৬। অঙ্গৰসৰ পুনঃ পুনঃ দীপ্তিৰ দ্বাৰা অঙ্গী বা প্ৰধান ৰসৰ আৱৰণ, ইত্যাদি।

আত্মমূল্যায়ন প্ৰশ্ন ঃ

কাব্যৰ সৰ্বোত্তম গুণ বুলি কোনটো গুণক বিবেচনা কৰা হয়? (৩০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

## ২.৭ সাৰাংশ (Summing Up)

সাহিত্যৰ চিন্তা-চৰ্চাৰ লগতে সাহিত্য সমালোচনাৰ ইতিহাসো ভাৰতবৰ্ষত অতি প্ৰাচীন। ভৰতমুনিৰ নাট্যশাস্ত্ৰতে সমালোচনাৰ বীজ অংকুৰিত হয়। ভাৰতীয় কাব্যতত্ত্ব বা সাহিত্য শব্দৰ প্ৰয়োগ অৱশ্যে অৰ্বাচীন। সাহিত্য শব্দৰ ঠাইত দৰাচলতে কাব্য অভিধাটিৰহে বহুল প্ৰয়োগ হৈছিল। পৰৱৰ্তী সময়তহে সাহিত্য শব্দৰ প্ৰয়োগ হ'বলৈ আৰম্ভ কৰে। এই কাব্যৰ স্বৰূপ সম্পৰ্কে বিভিন্ন আলংকাৰিকসকলে বিভিন্ন ধৰণে মতামত আগবঢ়াই গৈছে। ধ্বনি, ৰীতি, বক্ৰোক্তি, ৰস আদি বিভিন্ন দিশসমূহে বিভিন্ন আলংকাৰিকসকলৰ বাবে কাব্যৰ সাৰবস্তু হিচাপে সময়ে সময়ে গুৰুত্ব লাভ কৰিছিল। কাব্যৰ সাৰবস্তু সম্পৰ্কে মতাদৰ্শ থাকিলেও কাব্যৰ উদ্দেশ্য আনন্দ প্ৰদান বুলি সকলোৱে মানি লৈছিল। কাব্যকাৰৰ প্ৰতিভাক কাব্য ৰচনাৰ হেতু বুলি ভামহ আদি

আলংকাৰিকে মতপোষণ কৰিছিল। কাব্যৰ স্বৰূপ প্ৰকাশক হ'ল কাব্যৰ গুণ। গুণ কাব্যৰ নিত্য ধৰ্ম। তদুপৰি দণ্ডী, বামন আদি আলংকাৰিকসকলে গুণৰ শব্দাৰ্থৰ সমাপ্তি বুলি স্বীকাৰ কৰিছিল।

## ২.৮ আৰ্হি প্ৰশ্ন (Sample Question)

১। প্ৰাচ্য সাহিত্য সমালোচনাৰ ইতিহাস দাঙি ধৰিবলৈ যত্ন কৰক।

২। সাহিত্য মানে কি? ভাৰতীয় কাব্যতত্ত্ব অনুসৰি সাহিত্যৰ স্বৰূপ নিৰ্ণয় কৰিবলৈ চেষ্টা কৰক।

৩। কাব্যৰ স্বৰূপ নিৰ্ণয় কৰি, ইয়াৰ প্ৰয়োজনীয়তা সম্পৰ্কে ব্যাখ্যা কৰক।

৪। কাব্যৰ হেতু মানে কি? বহলাই আলোচনা কৰক।

৫। কাব্যৰ গুণ আৰু দোষ মানে কি? ব্যাখ্যা কৰক।

৬। সাহিত্যৰ স্বৰূপ সম্পৰ্কে বিভিন্ন আলংকাৰিকসকলে আগবঢ়োৱা মতবাদসমূহ উল্লেখ কৰক।

## ২.৯ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


তীৰ্থনাথ শৰ্মা : *সাহিত্য-বিদ্যা পৰিক্ৰমা*

ড° নৰেন্দ্ৰ নাথ শৰ্মা : *সংস্কৃত সমালোচনা শাস্ত্ৰৰ বিৱৰ্তন আৰু ধাৰা*

: *পণ্ডিতৰাজ জগন্নাথ আৰু ভাৰতীয় নন্দনতত্ত্ব*

ত্ৰৈলোক্যনাথ গোস্বামী : *নন্দনতত্ত্ব : প্ৰাচ্য আৰু পাশ্চাত্য*

মনোৰঞ্জন শাস্ত্ৰী : *সাহিত্য দৰ্পণ*

বিশ্বনাৰায়ণ শাস্ত্ৰী (অনুদিত) : *বিশ্বনাথ কবিৰাজৰ সাহিত্য দৰ্পণ*

ড° মুকুন্দ মাধৱ শৰ্মা : *সাহিত্য তত্ত্ব আৰু সমালোচনা*

P.V. Kane : *History of India Poetics.*


●●●

তৃতীয় বিভাগ

## শব্দ-শক্তি

**বিভাগৰ গঠন ঃ**

৩.১ ভূমিকা (Introduction)
৩.২ উদ্দেশ্য (Objectives)
৩.৩ শব্দৰ সংজ্ঞা
৩.৪ শব্দৰ স্বৰূপ
৩.৫ শব্দৰ বিভাজন
৩.৬ সাৰাংশ (Summing up)
৩.৭ আৰ্হি প্ৰশ্ন (Sample questions)
৩.৮ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

### ৩.১ ভূমিকা (Introduction)

শব্দই নিজৰ থাই অৰ্থ বুজোৱাৰ উপৰি বেলেগ অৰ্থ দিব পৰা শক্তি আছে। শব্দৰ মূল হৈছে অৰ্থবহত্ব। অৰ্থবস্তু ধ্বনি সমষ্টিয়েই শব্দ। এটা শব্দৰ সৈতে অৰ্থৰ অবিচ্ছেদ্য সম্বন্ধ থাকিবই। অৰ্থশূন্যভাৱে উচ্চাৰণ কৰা ধ্বনি সমষ্টি এটাক শব্দ বুলিব নোৱাৰি। গতিকে শব্দ আৰু অৰ্থই হ'ল ভাষাৰ মূল। শব্দাৰ্থক বাদ দিলে ভাষা হ'ব নোৱাৰে।

শব্দ আৰু অৰ্থই যে কাব্যৰ শৰীৰ, শব্দাৰ্থক বাদ দিলে যে কাব্য হ'ব নোৱাৰে, এই কথা সহজবোধ্য আৰু সৰ্বজন বিদিত। প্ৰত্যেক শব্দৰ পৰা মুখ্য অৰ্থক লৈ আন অৰ্থ ওলায় তাক বোধ কৰোৱা শক্তিক শব্দশক্তি বোলে। যিদৰে "জুই ছাই দাম" বুলি কওঁতে নিজৰ মুখ্য অৰ্থ প্ৰকাশ কৰাৰ উপৰি আন অৰ্থ দিব পৰা শক্তি আছে। যিদৰে কুঁহিয়াৰৰ ৰসৰ পৰা গুড়, চেনি তৈয়াৰ হয়। গতিকে শব্দও তেনে ধৰণৰ। শব্দই তাৰ মুখ্য অৰ্থ দিয়াৰ উপৰি আন অৰ্থ দিয়ে।

এই বিভাগটোত শব্দত নিহীত হৈ থকা শক্তিৰ বিষয়ে আলোকপাত কৰা হৈছে। অভিধা, লক্ষণা তথা ব্যঞ্জনা শক্তি সমূহৰ বিষয়ে আভাস দিবলৈ এই অধ্যায়টোত চেষ্টা কৰা হৈছে ।

### ৩.২ উদ্দেশ্য (Objectives)

শব্দ আৰু অৰ্থই যে কাব্যৰ শৰীৰ, শব্দাৰ্থক বাদ দিলে যে কাব্য হ'ব নোৱাৰে এই কথা সহজবোধ্য আৰু সৰ্বসম্মত। এই বিভাগটো পঢ়ি আপোনালোকে—

- শব্দৰ সংজ্ঞা নিৰূপণ কৰিব পাৰিব,
- শব্দৰ স্বৰূপ সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিব,
- শব্দৰ বিভাজনসমূহ বিশ্লেষণ কৰিব পাৰিব।

৩.৩ শব্দৰ সংজ্ঞা

শব্দ কি বস্তু? তাৰ স্বৰূপ কি? সি নিত্য নে অনিত্য? প্ৰত্যক্ষ নে অপ্ৰত্যক্ষ, ব্যাপক নে অব্যাপক ইত্যাদি বিষয়ে নানা মত-মতান্তৰ আছে আৰু বিভিন্ন দাৰ্শনিক গ্ৰন্থত তাৰ গম্ভীৰ আলোচনাও পোৱা যায়। শব্দ দুবিধ : বৰ্ণাত্মক আৰু ধ্বন্যাত্মক। জিভা, তালু আদি বাগেন্দ্ৰিয়ৰ সহায়ত উচ্চাৰিত শব্দই হ'ল বৰ্ণাত্মক শব্দ। যেনে— গৰু, মানুহ, গছ, বন ইত্যাদি। ঢোল, ডবা আদিৰ প্ৰতিঘাতৰ পৰা হোৱা শব্দক ধ্বন্যাত্মক শব্দ বোলে।

যদি বৰ্ণাত্মক শব্দবিলাক কোনো বিভক্তিৰ যোগত বাক্যত প্ৰয়োগৰ উপযোগী হয়, পৰস্পৰে অন্বিত বা সম্বন্ধ নোহোৱা অবস্থাত 'পদ' নামৰ বাচ্য হয়। যেনে : ফুল ফুলিছে, ইত্যাদি। শব্দক পদ ৰূপ দিয়াই বাক্যত প্ৰয়োগ হোৱাৰ উপযুক্ত কৰি গঢ়ি তোলাই হ'ল শব্দৰ অন্বয়।

শব্দক পদ ৰূপ দি দুটা বা তিনিটা বা ততোধিক পদৰ অন্বয় বা সমাবেশত যেতিয়া এটা সম্পূৰ্ণ অৰ্থ প্ৰকাশ হয়, তেতিয়া তাক বাক্য বোলে। "ৰামে খাই স্কুললৈ ভাত গ'ল", এইদৰে ক'লে ইয়াৰ আটাইবোৰেই পদ হ'লেও অন্বয় সাধন হোৱা নাই বাবে ইহঁতে এটা সম্পূৰ্ণ অৰ্থ দিব পৰা নাই। গতিকে বাক্য হোৱা নাই। "ৰামে ভাত খাই স্কুললৈ গ'ল।" এইদৰে ক'লেহে তাৰ অৰ্থ পৰিষ্কাৰ হৈ ওলাই পৰে। গতিকে বাক্য হ'বলৈ পদবোৰৰ মাজত থকা সম্বন্ধবোৰ ওলাই পৰাকৈ তাক সজাব লাগিব। বাক্যত পদসমূহক সিহঁতৰ কাৰ্য সাধন কৰিব পৰাকৈ নিৰ্দিষ্ট স্থানত যথাযথভাৱে সংস্থাপিত কৰাই হ'ল পদান্বয়। বাক্য এটা হ'বলৈ হ'লে পদবোৰৰ মিলনৰ আৱশ্যক। এই মিলন সম্ভৱ হয় যেতিয়া প্ৰত্যেক শব্দৰ পৰা মুখ্য অৰ্থক লৈ আন অৰ্থ ওলায়। তেতিয়াই তাক শব্দ-শক্তি বোলা হয়। এই শব্দ-শক্তিকে শব্দৰ বৃত্তিও বোলে। পদবোৰৰ অন্বয় হ'বলৈ সি তিনিটা কাৰ্য সাধন কৰিব লাগিব। সেইকেইটা হ'ল— আকাংক্ষা, যোগ্যতা আৰু আসক্তি।

**আকাংক্ষা :** কোনো পদ শুনাৰ পাছত সম্পূৰ্ণ অৰ্থ বোধ নোহোৱাৰ কাৰণে অতিৰিক্ত পদ শুনিবৰ কাৰণে যি ইচ্ছা হয় তাকে আকাংক্ষা বোলে। 'সি' বুলি ক'লে সি কি কৰিলে সেইটো শুনিবলৈ শ্ৰোতাই অপেক্ষা কৰি ৰ'ব। 'যাব' এই পদটো যেতিয়ালৈকে উচ্চাৰণ নহয় তেতিয়ালৈকে সেই অধীৰতাৰ অন্ত নপৰে। গতিকে 'সি' আৰু 'যাব' দুয়োটাৰে কোনোটোৱেই স্বতন্ত্ৰভাৱে অৰ্থ প্ৰকাশ কৰিব নোৱাৰে। এই আকাংক্ষা সম্পূৰ্ণ হ'লে অধিক পদ শুনিবলৈ আকাংক্ষা বা ব্যগ্ৰতা নোহোৱা হয় আৰু বাক্যটো সম্পূৰ্ণ হৈ উঠে। যদি আকাংক্ষা সম্পূৰ্ণ নহয় আৰু ক'লৈ যাব তাক জানিবলৈ আগ্ৰহ থাকি যায় তেতিয়াহ'লে 'সি' আৰু 'যাব'ৰ মাজত 'ফুৰিবলৈ' পদটো আহি পৰিব। এইদৰে বাক্যৰ যিবোৰ পদে পৰস্পৰক অপেক্ষা কৰে তেনে পদবোৰ এটা বাক্যৰ ঘটক হয়। আকাংক্ষা মানে উৎসুকতা বা আগ্ৰহ বা যোগ্য পদৰ অন্বয় হৈ থাকিব। অন্বয়ৰ গুণ হিচাবে অৰ্থবোধ সমাপ্তিৰ অভাৱকেই আকাংক্ষা বোলা হয়।

**যোগ্যতা ঃ** বাক্যৰ ঘটক পদবোৰৰ এটাই আনটোৰ অৰ্থক যথাৰ্থভাৱে প্ৰকাশ কৰিব পৰা সামৰ্থ্যক যোগ্যতা বোলে। উদাহৰণস্বৰূপে 'ফুল ফুলিছে।' ইয়াত 'ফুল' আৰু 'ফুলিছে' ইটোৰ আকাংক্ষা আনটোৱে পূৰণ কৰিব পাৰে অৰ্থাৎ 'ফুলৰ' লগত 'ফুলা' ক্ৰিয়াৰ যোগত কোনো বাধা নাই। গতিকে এই পদদ্বয় পৰস্পৰে যোগ্য।

কিন্তু 'জুইৰে গা ধুলোঁ' বুলি ক'লে এই পদকেইটাত জুইৰ লগত 'গা ধোৱা' ক্ৰিয়াৰ যোগ (অন্বয়) হোৱাত মানুহৰ মনত 'জুইৰে গা ধোৱা' অসম্ভৱ এই বাধা জ্ঞানৰ উদয় হয়। গতিকে ইয়াত আকাংক্ষা পূৰণৰ ক্ষমতা নাই। সেইকাৰণে বাক্য হ'বলৈ হ'লে তাৰ যোগ্যতা থাকিব লাগিব।

**আসক্তি ঃ** বাক্যৰ পদবোৰে সিহঁতৰ আকাংক্ষা আৰু যোগ্যতা পূৰণ কৰিলেও সিহঁত পৰস্পৰে আসক্ত হ'ব লাগিব। কোনো এটা বিশেষ অৰ্থ বুজাবৰ কাৰণে পদবোৰ বাক্যৰূপে উচ্চাৰণ কৰা হয়। যেতিয়ালৈকে সেই পদবোৰে বিৱক্ষিত অৰ্থ বুজাই দিব নোৱাৰে তেতিয়ালৈকে সিহঁতৰ প্ৰয়োজন শেষ নহয়। সেয়ে বাক্যৰ প্ৰত্যেকটো পদেই অভিপ্ৰেত অৰ্থ প্ৰকাশ কৰিবৰ কাৰণে প্ৰস্তুত। যেনে ঃ এতিয়া 'ফুল' বুলি কৈ এঘণ্টা, আধা ঘণ্টাৰ পাছত যদি ফুলিছে এই পদটো কোৱা হয়, তেতিয়া সিহঁতৰ আসক্তি বা সন্নিধান অৰ্থাৎ ওচৰা-ওচৰি ভাব নোহোৱাৰ কাৰণে ইয়াৰ পৰা শ্ৰোতাৰ বাক্যাৰ্থবোধ সম্পূৰ্ণভাৱে হ'ব নোৱাৰে। এই কাৰণে বাক্যস্থ পদবিলাক পৰস্পৰে আসন্ন অৰ্থাৎ ওচৰীয়া হ'ব লাগে। এই পদবোৰৰ ওচৰা-ওচৰি ভাৱক আসক্তি বোলা হয়।

**আত্মমূল্যায়নৰ প্ৰশ্ন ঃ**

শব্দ মানে কি? (৩০টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক।)

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

### ৩.৪ শব্দৰ স্বৰূপ ঃ শব্দ-শক্তি বা শব্দ-বৃত্তি ঃ

শব্দ একোটাৰ বিভিন্ন অৰ্থ দিব পৰা সামৰ্থ্য বা ক্ষমতাটোকে তাৰ শক্তি বোলা হয়। আন কথাত মুখ্য অৰ্থকে ধৰি আন আন অৰ্থবোধ কৰোৱা শব্দৰ শক্তিটোকেই শব্দ-শক্তি বোলে। শব্দৰ এই শক্তি সি দিব পৰা যথাসম্ভৱ অৰ্থৰ ওপৰত নিৰ্ভৰশীল। এটা শব্দই তাৰ শক্তিৰে তিনি প্ৰকাৰৰ অৰ্থ দিব পাৰে। সেয়ে শব্দ শক্তিও তিনি প্ৰকাৰৰ— যেনে ঃ অভিধা শক্তি, লক্ষণা শক্তি আৰু ব্যঞ্জনা শক্তি।

**অভিধা শক্তি :**

শব্দৰ যি শক্তিৰ বলত তাৰ মুখ্য অৰ্থটোৰ বোধ জন্মে তাক অভিধা শক্তি বোলে। সি শব্দটোৰ অৰ্থৰ অভিধান বোধন কৰে। সেয়ে তাক অভিধা (Primary) শক্তি বোলা হয়। অভিধান = 'অভি' উপসৰ্গ, 'ধা' ধাতু = অভিধা + অন্ অৰ্থাৎ মূল অৰ্থ ধাৰণ বা মূলৰ সৈতে সংযোগ স্থাপক। যেনে—'হাতী' শব্দটো বাচক বা অভিধায় শব্দ, কাৰণ, অভিধাৰ এটা বিশেষ অৰ্থই বুজাই দিয়ে যে শুঁৰ, দীঘল দাঁত আৰু বৃহদাকাৰ থকা বিশিষ্ট ধৰণৰ এটা চাৰিঠেঙীয়া জন্তু। এইটোৱেই তাৰ বিশেষ অৰ্থ, যিটো উচ্চাৰণ কৰাৰ লগে লগে পোনেই মনলৈ আহি যায়। এই বিশেষ অৰ্থটোৱেই হ'ল মুখ্যাৰ্থ। ইয়াক অভিধেয় বা বাচ্যাৰ্থ বুলিও কোৱা হয়। এতিয়া 'হাতী' শব্দ আৰু 'হাতী' অৰ্থৰ মাজত সংকেতৰ দ্বাৰা সম্বন্ধ আনি দিয়া শক্তিটোৱেই হ'ল অভিধা শক্তি।

**লক্ষণা শক্তি :**

বাক্যত প্ৰয়োগ হোৱা কোনো শব্দৰ পৰা যদি মুখ্যাৰ্থৰ বোধ হোৱাত বাধা জন্মে, তেন্তে মুখ্যাৰ্থক এৰি সি দিশ পৰা আন অৰ্থক লক্ষ্য কৰি ল'লেই বাক্যাৰ্থবোধ সম্পূৰ্ণ হৈ উঠে। যিদৰে কোনো এটা বস্তুক 'এইটো', 'সেইটো' বুলি লক্ষ্য কৰি দেখুওৱা হয়, সেইদৰে শব্দই মুখ্যাৰ্থক এৰি তাৰ লগত সম্বন্ধ থকা আন অৰ্থক লক্ষ্য কৰি দেখুৱাই হ'ল লক্ষণা। আন কথাত যেতিয়া মুখ্যাৰ্থবোধত বাধা জন্মে তেতিয়া বক্তাৰ অভিপ্ৰায় বুজিবৰ কাৰণে শব্দৰ যিটো শক্তিয়ে মুখ্যাৰ্থৰ লগত খাপখোৱা আন এটা অৰ্থ মনলৈ আনি দিয়ে তাকে লক্ষণা (Secondary) শক্তি বোলে। যেনে : "সি এটা গৰু" এই কথাষাৰ কওঁতে "সি" মানুহজনৰ সম্পৰ্কত গৰু শব্দৰ মুখ্যাৰ্থত বাধা জন্মে। কাৰণ 'সি' বোলা জন "গৰু"ৰ অভিধেয়াৰ্থ চাৰিঠেঙীয়া জন্তুবিশেষ নহয়। 'সি' শব্দই 'মানুহ' বুজাইছে। 'গৰু' মুখ্যাৰ্থৰ লগত সম্বন্ধ থকা এটা অৰ্থ হ'ল 'মূৰ্খ'। গতিকে 'সি এটা গৰু' বুলি কওঁতে বুজি ল'ব লাগিব যে "সি এটা মূৰ্খ।" ইয়াত মুখ্যাৰ্থটোক বাদ দি মুখ্যাৰ্থৰ গুণ মূৰ্খতাৰ লগত সম্বন্ধ থকা অৰ্থক লক্ষ্য কৰিছে। এইদৰে য'তেই বাচ্যাৰ্থ উপস্থাপিত কৰাত বাধা থাকে তাতেই শব্দই লক্ষণাৰ দ্বাৰা লক্ষ্যাৰ্থ উপস্থাপিত কৰে। ইয়াত অৰ্থটোক লক্ষ্যাৰ্থ আৰু শব্দটোক লক্ষক বা লাক্ষণিক বোলা হয়।

লক্ষণাৰ প্ৰধানকৈ দুটা ভাগ—

১) প্ৰয়োজনমূলা লক্ষণা

২) ৰুঢ়িমূলা লক্ষণা

'ৰুঢ়ি' শব্দৰ অৰ্থ হৈছে পূৰ্বাপৰ বা আগৰে পৰা চলি অহা প্ৰয়োগ।

**১) প্ৰয়োজনামূলা লক্ষণা :**

লক্ষণাৰ প্ৰয়োগত যদি বক্তাৰ এটা বিশেষ উদ্দেশ্য বা প্ৰয়োজন থাকে তাকে প্ৰয়োজনমূলা লক্ষণা বুলি কোৱা হয়। লক্ষণা একপ্ৰকাৰ আওপকীয়া অৰ্থ বুজোৱা কৌশল। পোন কথাৰে মনৰ অভীষ্ট ভাব সম্পূৰ্ণভাৱে প্ৰকাশ কৰিব নোৱাৰাৰ

কাৰণেই এই কৌশল ল'বলগীয়া হয়। মনৰ অভীষ্ট ভাবটোৱেই হ'ল লক্ষণাৰ প্ৰয়োজন। 'সি এটা গৰু' বুলি কওঁতে সি যে অতিপাত মূৰ্খ এই অতিশয়তা বুজোৱাৰ এটা অভিপ্ৰায় নিহিত হৈ আছে আৰু সেয়ে লক্ষণা শক্তিৰ আশ্ৰয় লোৱা হৈছে। প্ৰয়োজন নথকা হ'লে কেৱল মূৰ্খ বুলি কোৱা হ'লেই কাম সমাধা হ'লহেঁতেন। প্ৰয়োজনমূলা লক্ষণাকে সপ্ৰয়োজনা লক্ষণাও বোলা হয়। ইয়াৰ দুটা উপভাগ আছে—

(ক) সাৰোপা প্ৰয়োজনমূলা লক্ষণা

(খ) সাধ্যৱসানা প্ৰয়োজনমূলা লক্ষণা

ক) লক্ষ্যাৰ্থবাচক শব্দটোক যেতিয়া আন এটা মুখ্যাৰ্থবাচক শব্দত আৰোপ কৰা হয় আৰু মুখ্যাৰ্থৰ লগত লক্ষ্যাৰ্থৰ অভেদ প্ৰতীত হয় তেতিয়া তাক সাৰোপা প্ৰয়োজনমূলা লক্ষণা বোলা হয়। ইয়াত এটাৰ ওপৰত আনটোক আৰোপ কৰিলেও দুয়োটাৰে স্বকীয়া স্বৰূপ বিলুপ্ত হৈ নাযায়। যেনে : 'ই এটা গাধ ল'ৰা' এই কথাষাৰত গাধ জন্তুটো 'ল'ৰা' অৰ্থাৎ মানুহ হ'ব নোৱাৰে। কিন্তু গাধৰ মূৰ্খত্ব ল'ৰাটোত আছে। সেয়ে ল'ৰাটোত গাধত্ব আৰোপ কৰা হৈছে অথচ আৰোপ্যমান বিষয়ী গাধৰ দ্বাৰা বিষয় ল'ৰাৰ স্বৰূপ লুপ্ত হোৱাও নাই। গতিকে 'ই এটা গাধ ল'ৰা' কথাষাৰত সাৰোপা লক্ষণা হৈছে। এইবিধ লক্ষণাই ৰূপক অলঙ্কাৰৰ মূল।

(খ) লক্ষণাত যদি বিষয়ীয়ে বিষয়ক লুপ্ত কৰি কেৱল নিজৰ স্বৰূপ প্ৰকাশ কৰে তেতিয়া তাক সাধ্যৱসানা প্ৰয়োজনমূলা লক্ষণা বোলে। অৰ্থাৎ লক্ষ্যাৰ্থটো যদি মুখ্যভাৱে উপস্থাপিত আন অৰ্থত আৰোপিত নহয়, বৰং মুখ্যাৰ্থভাৱে অনুপস্থিত অৰ্থৰ লগত লক্ষ্যাৰ্থৰ অভেদ প্ৰতীত হ'লে তাক কোৱা হয় সাধ্যৱসানা লক্ষণা। যেনে : 'ই এটা গাধ'। যি জন ব্যক্তিৰ ওপৰত গাধত্ব আৰোপ কৰা হৈছে সেইজন ব্যক্তি বা মুখ্যাৰ্থ ইয়াত অনুপস্থিত। গতিকে বিষয়ী গাধতেই আৰোপ বিষয় ব্যক্তিজনে অন্তৰ্লীন হৈছে বা লক্ষ্যাৰ্থটো আন শব্দৰ দ্বাৰা ইয়াত মুখ্যভাৱে উপস্থাপিত হোৱা নাই। সেয়ে ই সাধ্যৱসানা। কাব্য ৰচনাত সাধ্যৱসানা লক্ষণাৰ স্থান অতি গুৰুত্বপূৰ্ণ। ইয়েই অতিশয়োক্তি অলঙ্কাৰৰ মূলবীজ।

**২) ৰূঢ়িমূলা লক্ষণা :**

শব্দই যদি মুখ্যাৰ্থবোধ কৰাব নোৱাৰে আৰু তাৰ ঠাইত লোকপ্ৰসিদ্ধি অনুসাৰে আন অৰ্থবোধ কৰায় তেতিয়া তাক ৰূঢ়ি লক্ষণা বোলে। পৰম্পৰাক্ৰমে একোটা অৰ্থ দি অহা শব্দবোৰক ৰূঢ় শব্দ বোলা হয়। এইবোৰ শব্দৰ প্ৰকৃতি, প্ৰত্যয় আদি বিভিন্ন অৱয়ব ভাঙি দেখুৱাব পৰা নাযায়। গোটেই শব্দটো এটা অবিভাজ্য গোট। 'গৰু' এই বাচক শব্দই 'গৰু' নামৰ জন্তু বিশেষক বুজায় আৰু এইটো অৰ্থ পূৰ্বাপৰ চলি আহিছে। সেয়ে ই ৰূঢ় শব্দ। এনেধৰণৰ ৰূঢ় শব্দৰ প্ৰয়োগত লক্ষণাৰ সৃষ্টি হ'লেই ৰূঢ়িমূলা লক্ষণা হয়। উদাহৰণস্বৰূপে— "ঘৰে তাক বাধা দিছে।" ইয়াত 'ঘৰ' এটা ৰূঢ় শব্দ, পূৰ্বাপৰ ই আৱাসিক স্থান বুজাই আহিছে। আনহাতে ঘৰত থকা লোকসকলৰ অৰ্থতো এই 'ঘৰ' শব্দটো পূৰ্বাপৰ চলি আহিছে। ঘৰ এটাই কাকো বাধা দিব নোৱাৰে।

গতিকে, ঘৰত থকা মানুহবোৰে বাধা দিছে। এই লক্ষ্যাৰ্থটো ইয়াত প্ৰতিপন্ন হৈছে। এইটোৱেই ৰূঢ়িমূলা লক্ষণা। ফকৰা যোজনা, পটন্তৰ আদিত ৰূঢ়িমূলা লক্ষণাৰ প্ৰয়োগ বেছিকৈ হোৱা দেখা যায়।

ৰূঢ়িমূলা লক্ষণাক আকৌ দুটা ভাগত ভাগ কৰা হৈছে—ক) উপাদান লক্ষণা, খ) লক্ষণ লক্ষণা।

ক) লক্ষণাৰ প্ৰয়োগত শব্দই এটা অৰ্থ উপস্থাপন কৰাৰ লগে লগে নিজৰ অৰ্থটোকো (মুখ্যাৰ্থ) আংশিকভাৱে ৰক্ষা কৰিলে তাক উপাদান লক্ষণা বোলে। নিজৰ অৰ্থ সম্পূৰ্ণকৈ এৰি নিদিয়ে (অজহৎ) কাৰণে ইয়াক অজহৎ স্বাৰ্থা লক্ষণাও বোলে। যেনে : গুৱাহাটীয়ে তেজপুৰক তিনি গলত হৰুৱালে।" ইয়াত 'গুৱাহাটী' নামৰ ঠাইখনে আন এখন ঠাইত গৈ বল খেলিব আৰু তিনি গল দিব নোৱাৰে। গতিকে গুৱাহাটীৰ খেলুৱৈ আৰু তেজপুৰৰ খেলুৱৈ এই লক্ষ্যাৰ্থ উপস্থাপিত হৈছে। আনহাতে গুৱাহাটী ঠাই আৰু তেজপুৰ ঠাই এই অৰ্থও আছে আৰু সিয়ে খেলুৱৈ অৰ্থটোক টানি আনি নিজক সাৰ্থক কৰিছে। এইদৰে নিজৰ মুখ্যাৰ্থক লৈ উপাদান লক্ষ্যাৰ্থ সাধিত হৈছে কাৰণে ইয়াত উপাদান লক্ষণা হৈছে।

খ) লক্ষ্যাৰ্থটোক উপস্থাপিত কৰোঁতে যদি মুখ্যাৰ্থটো সম্পূৰ্ণভাৱে পৰিত্যক্ত হয় তেতিয়া তাক লক্ষণ লক্ষণা বোলে। নিজৰ অৰ্থ অৰ্থাৎ স্বাৰ্থ বিসৰ্জন দিছে (জহৎ) কাৰণে ইয়াক জহৎস্বাৰ্থা লক্ষণা বোলা হয়। যেনে : "দীঘলহতীয়াৰ অভাৱ কিহৰ?" ইয়াত দীঘলহতীয়া শব্দই লোকপ্ৰসিদ্ধি অনুসাৰে প্ৰভাৱশালী ব্যক্তিক বুজাইছে। দীঘলহতীয়া শব্দৰ লক্ষ্যাৰ্থটো আন কোনো শব্দৰ দ্বাৰা উপস্থাপিত হোৱা নাই, গতিকে ইয়াত মুখ্যাৰ্থ সম্পূৰ্ণভাৱে পৰিত্যক্ত হৈছে ইয়াৰ বিপৰীতে 'প্ৰভাৱশালী' অৰ্থ লক্ষিত হৈছে। সেই কাৰণে ইয়াক লক্ষণ লক্ষণা বোলা হয়।

লক্ষণ-লক্ষণাৰ আন এটা উদাহৰণ হ'ল "কুন্তাঃ প্ৰবিশন্তি (যাঠিবোৰ সোমাই আহিছে)। ইয়াত লক্ষণাৰ বলত আমি যাঠিৰ সলনি যাঠি লোৱা সৈন্যবোৰ সোমাই অহাৰ অৰ্থ পাওঁ। কিয়নো আমি জানো যে যাঠিবোৰে নিজেই সোমাই আহিব নোৱাৰে। ইয়াত "যাঠিবোৰ" তল পৰি 'সৈন্যবোৰ' সোমাই অহাৰ অৰ্থ গ্ৰহণ হৈছে। সেই কাৰণে ই লক্ষণ লক্ষণা।

ব্যঞ্জনা শক্তি :

তৃতীয় আৰু শ্ৰেষ্ঠ শব্দ-শক্তি হ'ল ব্যঞ্জনা। ই শব্দ বা অৰ্থৰ এনে এটা শক্তি যি শক্তিয়ে অভিধা আৰু লক্ষণা শক্তিৰ সহায়ত অৰ্থবোধ জন্মোৱাৰ পিছতো আন অৰ্থ প্ৰকাশ কৰিব পাৰে। আন কথাত ক'বলৈ গ'লে অভিধা, লক্ষণাই অৰ্থ প্ৰকাশ কৰি বিৰত হোৱাৰ পাছত যি শক্তিয়ে শব্দ আৰু অৰ্থৰ আনবোধ জন্মায় সেই শক্তিকে ব্যঞ্জনা শক্তি বুলি কোৱা হয়। অভিধা আৰু লক্ষণা বৃত্তিৰ সহায়ত শব্দাৰ্থৰ বোধ জন্মে। কিন্তু কাব্যিক অৰ্থ অনেক সময়ত সাধাৰণতে গ্ৰহণ কৰা অৰ্থৰ লগত একে নহয়। কাব্যৰ গভীৰ অৰ্থ থাকে আৰু এনে অৰ্থ শব্দৰ মুখ্যাৰ্থ নাইবা গৌণাৰ্থতকৈয়ো

বেলেগ। অভিধা শক্তিৰ প্ৰয়োগ হয় অকল শব্দৰ ক্ষেত্ৰতহে। লক্ষণাই বস্তুৰ অৰ্থ বহন কৰে, কিন্তু ব্যঞ্জনা বৃত্তিয়ে বস্তু, অলঙ্কাৰ আৰু ৰসৰো অৰ্থ বহন কৰে। ব্যঞ্জনাৰ সহায়ত আন অতিৰিক্ত অৰ্থ পাব পাৰি আৰু নতুন অৰ্থৰ প্ৰকাশ হ'লেও মুখ্যাৰ্থ অনাৱশ্যক হৈ নপৰে। বিশ্বনাথ কবিৰাজে সেইটো শক্তিকে ব্যঞ্জনা-শক্তি বুলিছে, যিটোৱে অভিধা আৰু লক্ষণা শক্তিয়ে অৰ্থ প্ৰকাশ কৰি বিৰত হোৱাৰ পিছত বচনৰ অন্তৰ্নিহিত অৰ্থ প্ৰকাশ কৰে।

'তিস্ৰ শব্দস্য শক্তয়ঃ' (সাহিত্য দৰ্পণ ২য় পৰিচ্ছেদ)। অভিধা নামৰ শক্তিৰ দ্বাৰা শব্দ এটাই যি অৰ্থ প্ৰকাশ কৰে তাকেই অভিধেয়াৰ্থ বা বাচ্যাৰ্থ বা শব্দাৰ্থ বুলি কোৱা হয়। আনহাতে, লক্ষণা শক্তিৰ সহায়ত শব্দ এটাই যি অৰ্থ প্ৰকাশ কৰে সেইটোৱেই লক্ষ্যাৰ্থ। বাক্যত যেতিয়া প্ৰাথমিক অৰ্থ এটাই বা বাচ্যাৰ্থত বাধা প্ৰাপ্ত হয় তেতিয়া ব্যৱহাৰ বা প্ৰয়োজন অনুসৰি বাচ্যাৰ্থৰ লগত সঙ্গতি ৰাখি যি আৰোপিত শক্তিৰ সহায়ত আন এটা অৰ্থ গ্ৰহণ কৰা হয় সেই শক্তিকেই লক্ষণা বুলি কোৱা হয় আৰু লক্ষণাৰ সহায়ত পোৱা অৰ্থকেই লক্ষ্যাৰ্থ বুলি কোৱা হয়।

অভিধা আৰু লক্ষণা শক্তিয়ে নিজৰ নিজৰ সামৰ্থ্য অনুসৰি অৰ্থ প্ৰকাশ কৰি বিৰত হোৱাৰ পাছত যি শক্তিৰ সহায়ত বেলেগ এটা অৰ্থ বোধিত হয় আৰু শব্দৰ এই তৃতীয় শক্তিয়েই হৈছে ব্যঞ্জনা শক্তি। ব্যঞ্জনাৰ দ্বাৰা প্ৰাপ্ত অৰ্থয়েই হ'ল ব্যঙ্গাৰ্থ বা প্ৰতীয়মান অৰ্থ। অভিধা আৰু লক্ষণা শক্তিয়ে অৰ্থ প্ৰকাশ কৰি বিৰত হোৱাৰ পাছতহে ব্যঞ্জনাই অৰ্থ প্ৰকাশ কৰে।

বিৰতাস্বভিধাদ্যাসু যয়াৰ্থো বোধ্যতে পৰঃ
সা বৃত্তিঃ ব্যঞ্জনা নাম শব্দস্যাৰ্থাদিকস্য চ।।

আলঙ্কাৰিকসকলে ব্যঞ্জনাক এটা স্বতন্ত্ৰ শক্তি বুলি সিদ্ধান্তত উপনীত হৈছে। এই ব্যঞ্জনা শক্তিয়ে অভিধা আৰু লক্ষণা শক্তিয়ে প্ৰকাশ নকৰা অন্তৰ্নিহিত অৰ্থ প্ৰকাশ কৰে আৰু এনেকৈ প্ৰকাশিত অৰ্থ অভিধা নাইবা লক্ষণা শক্তিয়ে প্ৰকাশ কৰা অৰ্থৰ লগত সম্বন্ধযুক্ত হ'বও পাৰে, নহ'বও পাৰে।

ব্যঞ্জনাৰ দুটা ভাগ আছে— ক) অভিধামূলা ব্যঞ্জনা খ) লক্ষণামূলা ব্যঞ্জনা।

ক) শব্দই প্ৰথমে অভিধাৰ দ্বাৰা অৰ্থ উপস্থাপিত কৰি পাছত ব্যঞ্জনাৰ দ্বাৰা আন অৰ্থ উপস্থাপিত কৰিলে অৰ্থাৎ শব্দটোৱে মুখ্যাৰ্থ দিয়াৰ উপৰি আন এটা অৰ্থবোধ জন্মালে তাক অভিধামূলা ব্যঞ্জনা বোলা হয়। ইয়াত অভিধেয় অৰ্থটোও সাৰ্থক হয় আৰু ব্যঙ্গ অৰ্থটোও নিহিত থাকে। ইয়াৰো দুটা প্ৰকাৰ আছে, যেনে : শাব্দী আৰু আৰ্থী। ব্যঙ্গাৰ্থটো শব্দৰ ওপৰত নিৰ্ভৰশীল হ'লে তাক শাব্দী আৰু অৰ্থৰ ওপৰত নিৰ্ভৰশীল হ'লে তাক আৰ্থী বোলা হয়।

খ) লক্ষণাৰ সহায়ত যি ব্যঞ্জনাৰ দ্বাৰা অন্য অৰ্থ প্ৰতীতি হয় তাক লক্ষণামূলা ব্যঞ্জনা বোলে। যেনে : "গঙ্গাত গুৱালৰ গাওঁ আছে।" এই বাক্যটোত গঙ্গাৰ পাৰত অৱস্থিত গাঁৱৰ ধাৰণাই শীতলতা আৰু পবিত্ৰতাৰ ধাৰণা বাহিত কৰিছে। এই ধাৰণা আমি অভিধামূলা ব্যঞ্জনাৰ দ্বাৰা নাপাওঁ, গতিকে এই দুটা ভাব অৰ্থাৎ শীতলতা আৰু পবিত্ৰতা লক্ষণামূলা ব্যঞ্জনা বৃত্তিৰ পৰা পোৱা গৈছে। লক্ষণামূলা ব্যঞ্জনা শাব্দী অথবা


আৰ্থীও হ'ব পাৰে। অৰ্থ প্ৰকাশত শব্দই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে, তেতিয়া তাকেই শাব্দী ব্যঞ্জনা আৰু যেতিয়া অৰ্থৰ ভেটিত অন্তৰ্নিহিত ভাব প্ৰকাশিত হয় তেতিয়া তাক আৰ্থী ব্যঞ্জনা আখ্যা দিয়া হয়।


শব্দৰ অভিধা শক্তিৰ দ্বাৰা বাচ্যাৰ্থবোধ, লক্ষণাশক্তিৰ দ্বাৰা লক্ষ্যাৰ্থবোধ আৰু ব্যঞ্জনা শক্তিৰ দ্বাৰা ব্যঙ্গাৰ্থবোধ হয়। এই তিনিটাৰ ভিতৰত ধ্বনিবাদীসকলে ব্যঞ্জনাৰ ওপৰতে অধিক গুৰুত্ব দিছে। ব্যঞ্জনাৰ দ্বাৰা ব্যঞ্জিত অৰ্থই ব্যঙ্গাৰ্থ। শব্দৰ বাচ্যাৰ্থ বা লক্ষ্যাৰ্থ লগ লাগি অনুভৱ হোৱা ব্যঞ্জৰ্থটোকেই ধ্বনি বোলে। গতিকে ব্যঙ্গাৰ্থই হ'ল দ্যোতিত অৰ্থ বা ধ্বনি।

ইয়াৰ পাছতেই আলঙ্কাৰিকসকলে ধ্বনিবাদৰ প্ৰতিষ্ঠা কৰিছে। কাব্যত বাচ্যাৰ্থতকৈ ব্যঙ্গাৰ্থ অধিক চমৎকাৰজনকভাৱে ধ্বনিত হ'লে তাকে কাব্যৰ ধ্বনি বোলে।

### ৩.৫ শব্দৰ বিভাজন

শব্দ আৰু শব্দ শক্তিৰ বিভাগসমূহ ৰেখা চিত্ৰৰ সহায়ত তলত দিয়া ধৰণে দেখুৱাব পাৰি



আত্ম মূল্যায়ন প্ৰশ্ন :

শব্দশক্তি বুলিলে কি বুজায়? (৪০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

## ৩.৬ সাৰাংশ (Summing up)

শব্দৰ নিজ অৰ্থ বুজোৱাৰ উপৰি বেলেগ অৰ্থ দিব পৰা শক্তি আছে। প্ৰত্যেক শব্দৰ পৰা মুখ্য অৰ্থক লৈ আন যি অৰ্থ ওলায় তাক বোধ কৰোৱা শক্তিক শব্দ-শক্তি বোলে। শব্দ-শক্তি তিনি প্ৰকাৰৰ আৰু সেইদৰে অৰ্থও তিনি প্ৰকাৰৰ।

অভিধা, লক্ষণা আৰু ব্যঞ্জনা। এটা শব্দ উচ্চাৰণ কৰাৰ লগে লগে প্ৰথমতে ব্যক্তি, গুণ, ক্ৰিয়া বা জাতিৰ বোধ এটা মনত উদয় হয়। এটা শব্দ উচ্চাৰণ কৰাৰ লগে লগে পোনতে যি অৰ্থৰ উদয় হয় তাক অভিধেয় অৰ্থ বা মুখ্যাৰ্থ (Primary meaning) বোলা হয়।

আনহাতে মুখ্যাৰ্থক এৰি তাৰ লগত সম্বন্ধ থকা আন অৰ্থক লক্ষ্য কৰি দেখুৱাই হ'ল লক্ষণা (Secondary meaning) । শব্দৰ অভিধা আৰু লক্ষণা বৃত্তিয়ে অভিপ্ৰায় পূৰণ কৰিব নোৱাৰিলে সেই অভিধা আৰু লক্ষণাক আশ্ৰয় কৰি এটা অতিৰিক্ত অৰ্থ বিচাৰি ল'বলগীয়া হয়। এইদৰে শব্দৰ যি শক্তিয়ে বাচ্যাৰ্থ আৰু লক্ষ্যাৰ্থৰ বাহিৰেও অতিৰিক্ত এটা বুৎপন্ন অৰ্থ অভিব্যক্ত কৰি তোলে তাকে ব্যঞ্জনা (Suggested meaning) শক্তি বোলে।

এই বিভাগটিত শব্দ-শক্তিৰ ভাগসমূহ আলঙ্কাৰিকসকলৰ মত অনুসৰি বহলাই ব্যাখ্যা কৰা হৈছে। শব্দৰ বিভাজনসমূহো দেখুৱা হৈছে।

## ৩.৭ আৰ্হি প্ৰশ্ন (Sample questions)

১। শব্দ-শক্তি বুলিলে কি বুজায়? আলোচনা কৰক।

২। শব্দ-শক্তিৰ প্ৰকাৰবোৰ কি কি? আলোচনা কৰক।

৩। শব্দ-শক্তিৰ ভাগসমূহ উদাহৰণৰ সৈতে আলোচনা কৰক।

৪। শব্দ, শব্দৰ অন্বয়, পদান্বয়, আকাংক্ষা, যোগ্যতা আৰু আসত্তি বুলিলে কি বুজায় চমুকৈ আলোচনা কৰক।

৫। ব্যঞ্জনা শক্তি কি? বহলাই ব্যাখ্যা কৰা।

### ৩.৮ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)


| | | |
|---|---|---|
| ড° মুকুন্দ মাধৱ শৰ্মা | : | *ধ্বনি আৰু ৰসতত্ত্ব* |
| তীৰ্থনাথ শৰ্মা | : | *সাহিত্য বিদ্যা পৰিক্ৰমা* |
| মনোৰঞ্জন শাস্ত্ৰী | : | *সাহিত্য দৰ্শন* |
| যতীন বৰা | : | *ছন্দ, ধ্বনি আৰু অলঙ্কাৰ* |
| ত্ৰৈলোক্য নাথ গোস্বামী | : | *নন্দনতত্ত্ব প্ৰাচ্য আৰু পাশ্চাত্য* |
| S.K. Dey. | : | *Sanskrit Poetics* |


•••

## চতুৰ্থ বিভাগ
## ধ্বনি, ধাৰণা, বিৱৰ্তন আৰু প্ৰয়োগ

**বিভাগৰ গঠন ঃ**

৪.১ ভূমিকা (Introduction)
৪.২ উদ্দেশ্য (Objectives)
৪.৩ ধ্বনিৰ সংজ্ঞা
৪.৪ ধ্বনিৰ স্বৰূপ
৪.৫ ধ্বনি কাব্যৰ বিভাজন
৪.৬ সাৰাংশ (Summing Up)
৪.৭ আৰ্হি প্ৰশ্ন (Sample Questions)
৪.৮ প্ৰসংগ গ্ৰন্থ (References/ Suggested Readings)

### ৪.১ ভূমিকা (Introduction)

ভাৰতীয় সাহিত্যৰ ক্ৰমবিকাশৰ ধাৰা আলোচনা কৰিলে দেখিবলৈ পোৱা যায় যে সাহিত্যশাস্ত্ৰৰ পটভূমিকাত 'ধ্বনি'য়ে এক বিশিষ্ট স্থান অধিকাৰ কৰি আছে। 'ধ্বনি' শব্দটোৰ সাধাৰণ অৰ্থ 'শব্দ' হ'লেও সাহিত্যশাস্ত্ৰত ব্যঞ্জণাৰ অৰ্থতহে ধ্বনিশব্দৰ ব্যৱহাৰ কৰা হয়। ভাৰতবৰ্ষত প্ৰচলিত হৈ থকা সাহিত্যশাস্ত্ৰৰ পৰম্পৰাই এই কথা স্পষ্টকৈ ব্যক্ত কৰে যে সভ্যতাৰ আদিযুগত এই ভাৰতবৰ্ষৰ বুকুত আদিকবি বাল্মীকিৰ লেখনীৰ পৰা যি ৰামায়ণকাব্যৰ সৃষ্টি হৈছিল সেই কাব্যতেই নিহিত হৈ আছিল ধ্বনিৰ স্ফুৰণ। গতিকে ধ্বনিৰ অস্তিত্ব আদিকাব্যৰ দৰেই অতি প্ৰাচীন। কিন্তু ধ্বনিৰ সৃষ্টি কাব্যোন্মেষৰ সমসাময়িক হ'লেও ইয়াৰ স্বীকৃতি ঘটিছে পৰৱৰ্তী যুগত। বহুতো ঘাত-প্ৰতিঘাতৰ পথ অতিক্ৰম কৰাৰ পাছতহে 'ধ্বনি'ৰ ঐতিহ্য স্বীকাৰ কৰি লোৱা হৈছে ভাৰতীয় সাহিত্যজগতত। 'ধ্বনি' বিষয়ক আলোচনাৰ ক্ষেত্ৰত বিখ্যাত আলঙ্কাৰিক আনন্দবৰ্ধনাচাৰ্য্যৰ নাম চিৰস্মৰণীয়। কাৰণ ধ্বনিৰ উপস্থিতি বিভিন্ন উপায়েৰে বহুতো পণ্ডিতৰ লেখনীত প্ৰকাশ পালেও 'ধ্বনি'ৰ বিষয়ে বিশদ আৰু জ্ঞানগৰ্ভ আলোচনা পোনপ্ৰথম আগবঢ়াইছে আনন্দবৰ্ধনদেৱে তেওঁৰ কালজয়ী গ্ৰন্থ ধ্বন্যালোকত। তদুপৰি এই তত্ত্বগধুৰ গ্ৰন্থখনৰ উপযুক্ত ব্যাখ্যা 'লোচন'ৰ মাজেদি অভিনৱগুপ্তই 'ধ্বনি'ৰ স্বৰূপাদি বিশ্লেষণ কৰি ধ্বন্যালোকৰ মাহাত্ম্য দ্বিগুণিত কৰিছে। গতিকে 'ধ্বনি'ৰ ইতিহাসত আনন্দবৰ্ধন আৰু অভিনৱগুপ্তৰ অৱদান চিৰস্বীকাৰ্য্য হৈ আছে। আনন্দবৰ্ধনদেৱৰ ধ্বন্যালোকত যদিও কোৱা হৈছে যে 'ধ্বনি'ৰ বিষয়ে প্ৰাচীন পণ্ডিতসকলে বিভিন্নধৰণৰ আলোচনা আগবঢ়াইছিল, কিন্তু প্ৰকৃততে ধ্বন্যালোকতহে 'ধ্বনি'ক কাব্যৰ আত্মা বুলি কোৱা হৈছে। ধ্বন্যালোকৰ আৰম্ভনিতেই আনন্দবৰ্ধনে কৈছে 'কাব্যস্যাত্মা ধ্বনিৰীতি বুধৈৰ্যঃ সমাম্নাতপূৰ্বঃ' ইত্যাদি (ধ্বন্যালোক ১ম উদ্যোত, কাৰিকা—১)।

এই অধ্যায়টিত ধ্বনিৰ সংজ্ঞা, ধ্বনি স্বৰূপ আদিৰ বিষয়ে আলোচনা কৰা হৈছে । অধ্যায়টি পঢ়ি আপোনালোকে ধ্বনি কাব্যৰ স্বৰূপ সম্বন্ধে অৱগত হ'ব পাৰিব ।

## ৪.২ উদ্দেশ্য (Objectives)

ভাৰতীয় কাব্যতত্ত্বৰ অন্যতম প্ৰত্যয় ধ্বনিবাদে সাহিত্যৰ এক গুৰুত্বপূৰ্ণ দিশত আলোকপাত কৰিলে। এই বিভাগটো পঢ়ি আপোনালোকে-

- ধ্বনিৰ সংজ্ঞা নিৰূপণ কৰিব পাৰিব,
- ধ্বনিৰ স্বৰূপ সম্পৰ্কে জানিব পাৰিব,
- ধ্বনি-বিৰোধী দলসমূহৰ বিভিন্ন বক্তব্য সম্পৰ্কে জ্ঞাত হ'ব পাৰিব,
- বস্তু, অলংকাৰ আৰু ৰসভেদে ধ্বনিৰ সূত্ৰ নিৰ্ণয় কৰিব পাৰিব,
- ধ্বনিকাব্যৰ বিভাজন কৰিব পাৰিব।

## ৪.৩ ধ্বনিৰ সংজ্ঞা

'ধ্বনি' বুলিলে কি বুজায়, ইয়াৰ স্বৰূপ কি, কাব্যত ইয়াৰ গুৰুত্ব কি ইত্যাদি বিষয়ৰ আলোচনা কৰিব যাওঁতে আনন্দবৰ্ধনে 'ধ্বন্যালোক'ৰ প্ৰথম উদ্যোতত 'ধ্বনি'ৰ লক্ষণপ্ৰসঙ্গত কৈছে—

যথাৰ্থঃ শব্দো বা তমৰ্থসুপসৰ্জনীকৃতস্বাৰ্থো।

ব্যঙ্‌ক্তঃ কাব্যবিশেষঃ স ধ্বনিৰিতি সূৰিভিঃ কথিতঃ।। (কাৰিকা-১৩)।

এই কাৰিকাৰ অৰ্থ হ'ল কাব্যত থকা শব্দ আৰু অৰ্থই যেতিয়া নিজৰ নিজৰ ভূমিকাক গৌণ কৰি প্ৰতীয়মান অৰ্থৰ বাহক হয়, তেতিয়া ব্যঞ্জনাযুক্ত সেই কাব্যকেই 'ধ্বনি' বুলি কোৱা হয়। কাব্যসৃষ্টিত শব্দ আৰু অৰ্থই এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। সেই কাৰণে শব্দ আৰু অৰ্থক কাব্যৰ শৰীৰৰূপে কল্পনা কৰা হয়। কোৱাও হৈছে—শব্দাৰ্থশৰীৰং তাবৎ কাব্যম্ (ধ্বন্যালোক-প্ৰ. উদ্দ্যোত)। কাব্যৰ বাহ্যিক আকৃতি সৃষ্টি হয় শব্দ আৰু অৰ্থৰ সহযোগত। কিন্তু এই বাহ্যিক আকৃতিৰ উপৰি কাব্যত থাকে এক অনাবিল সংবেদনশীলতা যাৰ ফলত কাব্যৰ ঝংকাৰ শব্দ আৰু অৰ্থৰ গাঁথনি পাৰ হৈ গৈ সহৃদয় পাঠকৰ হৃদয়ত আনি দিয়ে এক অনিৰ্বচনীয় স্বৰ্গীয় অনুভূতি। মানুহৰ শৰীৰৰ ভিতৰত যেনেকৈ হাত-ভৰি আদি অঙ্গ-প্ৰত্যঙ্গৰ পৰা সম্পূৰ্ণ বেলেগ এক চৈতন্যময় আত্মাৰ অৱস্থান থাকে, সেইদৰে কাব্যতো শব্দ আৰু অৰ্থৰ উৰ্দ্ধত এটা বিশেষ অৰ্থ নিহিত হৈ থাকে যিটোৱে মুহূৰ্তৰ ভিতৰতে ৰসজ্ঞপাঠকৰ হৃদয় অধিকাৰ কৰি পেলাব পাৰে। কাব্যৰ এই বিশেষ অৰ্থ যিটো শব্দ আৰু অৰ্থৰ সহায়ত বাচ্য নহয় কিন্তু বোধগম্যহে সেই প্ৰতীয়মান অৰ্থই কাব্যৰ প্ৰাণস্বৰূপ। এই অৰ্থৰ মূৰ্চ্ছনাই কাব্যক অভূতপূৰ্ব আনন্দৰ কাৰণ হিচাপে দাঙি ধৰে। বাচ্যাৰ্থৰ পৰা সম্পূৰ্ণ বেলেগ প্ৰতীয়মান অৰ্থই মহাকবিসকলৰ ৰচনাত প্ৰকাশ পায় আৰু ইয়াৰ মাধুৰ্যক আলঙ্কাৰিকসকলে নাৰীদেহত থকা লাবণ্যৰ লগত তুলনা কৰে। অঙ্গপ্ৰত্যঙ্গৰ সুস্থগঠনৰ উৰ্দ্ধত

যেনেকৈ নাৰী দেহত এক অনির্বচনীয় লাবণ্য বিৰাজ কৰে সেইদৰে কাব্যতো শব্দ, অর্থ আদিৰ উপযুক্ত প্রয়োগৰ উপৰি নিহিত হৈ থাকে প্রতীয়মান অর্থৰ বিলাস। কাব্যত ব্যৱহাৰ হোৱা শব্দ আৰু অর্থই যেতিয়া নিজৰ নিজৰ বাচ্যার্থক অপ্রধান কৰি প্রতীয়মান অর্থক বিশেষভাৱে ব্যক্ত কৰে তেতিয়াই ধ্বনিৰ সৃষ্টি হয় আৰু এই ধ্বনিয়েই হ'ল কাব্যৰ আত্মা বা প্রাণভূতা শক্তি। এই শক্তি অবিহনে কাব্যৰ কোনো আকর্ষণ নাথাকে—এয়াই হ'ল ধ্বনিবাদী আলঙ্কাৰিসকলৰ অভিমত। কিন্তু প্রতীয়মান অর্থ যিহেতুকে বাচ্য নহয়, বুদ্ধি গম্য, সেইকাৰণে সকলোৱে এই অর্থৰ মাধুর্য গ্রহণ কৰিব নোৱাৰে। পৰমব্রহ্মক পোৱাৰ সমতুল্য আনন্দৰ কাৰণ যি প্রতীয়মান অর্থ সেইটোক বুজিবৰ বাবে হৃদয়ত এটা বিশেষ শক্তি বা সামর্থ্য থকাটো প্রয়োজন। কেৱলমাত্র শব্দ আৰু অর্থৰ জ্ঞানেই এই অর্থক বুজাৰ কাৰণে যথেষ্ট নহয়। কাব্যতত্ত্বৰ বিষয়ে জ্ঞান থকা সহৃদয় পাঠকজনেহে এই অর্থৰ আস্বাদ গ্রহণ কৰি তৃপ্ত হ'ব পাৰে। সেই কাৰণে আনন্দবর্ধনে 'ধ্বন্যালোক'ত কৈছে -

*শব্দার্থশাসনজ্ঞানমাত্রেণৈৱ ন বেদ্যতে।*

*বেদ্যতে স তু কাব্যার্থতত্ত্বজ্ঞৈৰেব কেৱলম্।।* (কাৰিকা-৭)

প্রতীয়মান অর্থ কি? প্রতীয়মান অর্থৰ আন নাম হ'ল ব্যঙ্গার্থ। শব্দৰ ভিতৰত যি শক্তি নিহিত হৈ থাকে তাৰে সহায়ত শব্দই অর্থ প্রকাশ কৰিবলৈ সমর্থ হয়। অর্থাৎ অর্থপ্রকাশ কৰিব পৰা ক্ষমতাকেই শব্দৰ শক্তি বোলে। এই শক্তি তিনিবিধ—অভিধা, লক্ষণা আৰু ব্যঞ্জনা। সাহিত্যদর্পণত বিশ্বনাথ কবিৰাজে এই বিষয়ত নিজৰ অভিমত দাঙি ধৰি কৈছে 'তিস্র শব্দস্য শক্তয়ঃ' (সা.দ. ২য় প). অভিধা নামৰ শক্তিৰ দ্বাৰা শব্দ এটাই যি অর্থ প্রকাশ কৰে তাকেই অভিধেয়ার্থ, বাচ্যার্থ বা শব্দার্থ বুলি কোৱা হয়। এয়াই শব্দ এটাৰ মুখ্যার্থ বা প্রাথমিক অর্থ। যেনে সূর্যই আমাক তাপ দিয়ে—এই বাক্যত সূর্য্যপদটোৱে অভিধাশক্তিৰ মাধ্যমত 'অগ্নিবর্ণগোলাকাৰ পিণ্ড' এই অর্থ ব্যক্ত কৰিছে। এইটোৱে সূর্য্যপদটোৰ অভিধেয়ার্থ বা বাচ্যার্থ। দ্বিতীয়তে, লক্ষণাশক্তিৰ সহায়ত শব্দ এটাই যি অর্থ প্রকাশ কৰে সেইটোৱে লক্ষ্যার্থ। বাক্যত যেতিয়া প্রাথমিক অর্থ বা বাচ্যার্থই বাধাপ্রাপ্ত হয় তেতিয়া ব্যৱহাৰ বা প্রয়োজন অনুসৰি বাচ্যার্থৰ লগত সঙ্গতি ৰাখি যি আৰোপিত শক্তিৰ সহায়ত আন এটা অর্থ গ্রহণ কৰা হয় সেই শক্তিকেই লক্ষণা বুলি কোৱা হয় আৰু লক্ষণাৰ সহায়ত পোৱা অর্থকেই লক্ষ্যার্থ বুলি কোৱা হয়। যেনে ব্রহ্মপুত্রত মন্দিৰ আছে—এই বাক্যত 'ব্রহ্মপুত্র পদটোৱে' বিশাল জলৰাশিৰূপী পদক বুজোৱা নাই কাৰণ পানীৰ ভিতৰত মন্দিৰ থাকিব নোৱাৰে। গতিকে ব্রহ্মপুত্র শব্দৰ নদৰূপী মুখ্যার্থ ইয়াত গৃহীত নহয়। কিন্তু ব্রহ্মপুত্র পদটোৰ লগত সম্বন্ধযুক্ত 'তীৰভূমি' বা চৰৰূপী অর্থটোৱে ইয়াত গ্রহণ কৰি ব্রহ্মপুত্রৰ পাৰত

মন্দিৰ আছে বা ব্ৰহ্মপুত্ৰৰ চৰভূমিৰ মন্দিৰ আছে এনেকুৱা সম্পূৰ্ণ অৰ্থ লক্ষণাৰ সহায়ত গ্ৰহণ কৰা হয়। তৃতীয়তে অভিধা আৰু লক্ষণাশক্তিয়ে নিজৰ নিজৰ সামৰ্থ্য অনুসৰি অৰ্থপ্ৰকাশ কৰি বিৰত হোৱাৰ পিছত যি শক্তিৰ সহায়ত বেলেগ এটা অৰ্থ বোধিত হয় শব্দৰ সেই তৃতীয় শক্তিকেই ব্যঞ্জনা বোলে। ব্যঞ্জনাৰ দ্বাৰা প্ৰাপ্ত অৰ্থই হ'ল ব্যঙ্গাৰ্থ বা প্ৰতীয়মান অৰ্থ। যিহেতু ব্যঙ্গাৰ্থৰ কাৰণে বুদ্ধিৰ প্ৰয়োজন হয় সেই কাৰণে এই অৰ্থ 'গম্য' অৰ্থাৎ বুদ্ধিগ্ৰাহ্য, কেৱল শব্দৰ দ্বাৰা অপ্ৰকাশিত। এই প্ৰতীয়মান অৰ্থ বাচ্যাৰ্থক অৱলম্বন কৰি বোধগম্য হ'লেও ইয়াক বুজাৰ কাৰণে কাব্যতত্ত্বৰ জ্ঞান অতি আৱশ্যক। যি কাব্যত এই প্ৰতীয়মান অৰ্থই মনোগ্ৰাহী হৈ প্ৰকাশ পায় তাকেই ধ্বনি বুলি আখ্যা দিয়া হয়। গতিকে কাব্যতত্ত্বৰ জ্ঞান অবিহনে ধ্বনিৰ অৰ্থ হৃদয়ঙ্গম কৰাটো সম্ভৱপৰ নহয়। এটা কবিতাৰ অংশেৰে আমি এই কথাটো বুজাব পাৰো-

*আছোঁ মই সুখে দুখে নিজা বেহা লই*
*হ'ল জানো আচম্বিতে যাবৰ সময়?*
*টোকোৰা পঁজাত থাকি লাগিছিল ভাল।*
*ভাগি গ'ল আজি মোৰ টোপনিৰ জাল।*

(নবদিগন্তঃ অতুলচন্দ্ৰ হাজৰিকা)

উক্ত কবিতাফাঁকিত বাচ্যাৰ্থ হিচাপে- পৰিচিত এটা ঠাইৰ পৰা অপৰিচিত আন এটা ঠাইলৈ যোৱাৰ সময় হোৱাৰ কথা ব্যক্ত হৈছে। কিন্তু এই বাচ্যাৰ্থটো এই কবিতাটোৰ মূল অৰ্থ নহয়। ইয়াত আন এটা মধুৰ অৰ্থ ব্যঞ্জিত হৈছে যিটোৱে হ'ল কবিতাটোৰ মূল আকৰ্ষণ। ইয়াত কবিয়ে ক'ব বিচাৰিছে যে এতিয়ালৈকে কবিয়ে মায়া-মোহৰ যি জীৱন কটালে আজি সেই জীৱনৰ বিষয়ে মোহভঙ্গ হৈছে কাৰণ কবিৰ মানসপটত সাংসাৰিক জীৱনৰ অসত্যতা ধৰা পৰি তেওঁৰ মনোমুকুৰত সত্য জ্ঞানৰ উন্মেষ ঘটিছে। উক্ত কবিতাফাঁকিত থকা বুদ্ধিগম্য এই অনিন্দ্য অৰ্থমূৰ্ছনাই হ'ল ধ্বনি, যিটোৰ অস্তিত্বই কাব্যটোক উত্তমকাব্যৰ শাৰীত লৈ যাব পাৰিছে। মনত ৰাখিবলগীয়া কথা হ'ল কাব্যিক আকৰ্ষণ সৃষ্টি কৰাৰ ক্ষেত্ৰত ধ্বনিৰ সমতুল্য একোৱে নাই। কাৰণ হৃদয়ত থকা অনিৰ্বচনীয়ভাৱটোৱে ব্যঞ্জনাৰ মাজেদি কবিৰ লেখনীত প্ৰকাশ পায়। আনন্দবৰ্ধনে ধ্বন্যালোকত কৈছে যে প্ৰকৃততে ক্ৰৌঞ্চচৰাইযুগলৰ এটাৰ মৃত্যুত আনটোৰ হিয়াভঙ্গা আৰ্তনাদে বাল্মীকিৰ হৃদয়ত যি অকল্পনীয় শোকৰ সৃষ্টি কৰিছিল সেই শোকেই পুঞ্জীভূত হৈ শ্লোকৰ আকৃতিত আদিকবিৰ মুখৰ পৰা নিঃসৃত হৈ কাব্যৰ ৰূপ গ্ৰহণ কৰিছে। গতিকে সম্পূৰ্ণ ৰামায়ণখনেই হ'ল বাল্মীকিৰ হৃদয়ত অনুভৱ কৰা মুখৰে প্ৰতিধ্বনি। তুলনীয়-

*কাব্যস্যাত্মা স এবাৰ্থস্তথা চাদিকবেঃ পুৰা।*

*ক্ৰৌঞ্চদ্বন্দ্ববিয়োগোত্থঃ শোকঃ শ্লোকত্বমাগতঃ।।* (ধ্বন্যালোক, উঃ-১ কাৰিকা-৫)

হৃদয়ৰ একান্ত অনুভূতিৰ শব্দময় সৃষ্টিধৰ্মী ৰূপেই হ'ল ধ্বনি। এই ধ্বনিক বুজিবৰ বাবে সহৃদয় পাঠকৰ প্ৰয়োজন। যিসকল পাঠকৰ কাব্যতত্ত্বজ্ঞানৰ পোহৰত উদ্ভাসিত হোৱা হৃদয়ত বৰ্ণনীয়ভাব গ্ৰহণৰ সম্পূৰ্ণ যোগ্যতা থাকে কাব্যমাধুৰী গ্ৰহণক্ষম সেইজনেই হ'ল সহৃদয় বা ৰসজ্ঞ পাঠক। অভিনৱগুপ্তই কৈছে-

"যেষাং কাব্যানুশীল নাভ্যাসবশাদ্ বিশদীভূতে মনোমুকুৰে বৰ্ণনীয় তন্ময়ীভবনযোগ্যতা তে স্ব-হৃদয়-সংবাদভাজঃ সহৃদয়াঃ।"

এনেকুৱা সহৃদয়েই কাব্যৰ ৰস তথা ধ্বনিৰ আস্বাদন লাভ কৰি পৰমানন্দ পাবলৈ সক্ষম হয়।

আগতেই কোৱা হৈছে যে ধ্বনিৰ স্বীকৃতিৰ পথ সম্পূৰ্ণ নাছিল। কাব্যত ৰীতি-গুণ-অলংকাৰ-ৰস আদিৰ উপৰি 'ধ্বনি'ৰ অবস্থিতি এই কথাটো বহুতো আলঙ্কাৰিকেই মানি লোৱা নাছিল। তদুপৰি কিছুমান আলঙ্কাৰিকে ধ্বনিৰ অস্তিত্ব স্বীকাৰ কৰিলেও এই বিষয়ে কোনো ধাৰণা দিব পৰা নাছিল। বহু পণ্ডিতে আকৌ ধ্বনিক লক্ষণাশক্তিৰ অন্তৰ্ভুক্ত কৰিছিল। এই সকলোকে ধ্বনিবিৰোধী দল হিচাবে গ্ৰহণ কৰা হৈছিল। আলঙ্কাৰিক আনন্দবৰ্ধনাচাৰ্যই তেওঁ 'ধ্বন্যালোক'ৰ প্ৰথম কাৰিকাতেই ধ্বনিবিৰোধী সকলক তিনিটা ভাগত বিভক্ত কৰি দেখুৱাইছে। তেওঁৰ মতে যিসকল পণ্ডিতে ধ্বনিৰ অস্তিত্ব নাই বুলি মত প্ৰকাশ কৰে তেওঁলোক হ'ল অভাববাদী'। যিসকলপণ্ডিতে ধ্বনিক লক্ষণাৰ অন্তৰ্ভুক্ত বুলি অভিমত প্ৰকাশ কৰিছে তেওঁলোকক 'ভাক্তবাদী' বুলি কোৱা হৈছে। 'ভক্তি' শব্দৰ অৰ্থ সাহিত্যশাস্ত্ৰত 'লক্ষণা'। তৃতীয়তে যিসকল পণ্ডিতে ধ্বনিৰ অস্তিত্ব মানি ল'লেও ধ্বনিক অপ্ৰকাশ্য বুলি কৈছে তেওঁলোকক 'অনিৰ্বচনীয়বাদী' বুলি কোৱা হৈছে। তুলনীয়-

*কাব্যস্যাত্মা ধ্বনিৰিতি বুধৈৰ্যঃ সমাম্নাতপূৰ্ব*

*তস্যাভাবং জগদুৰপৰে ভাক্তমাহুস্তমন্যে।*

*কেচিদ্ বাচাং স্থিতমবিষয়ে তত্ত্বমূচস্তদীয়ং*

*তেন ব্ৰূমঃ সহৃদয়মনঃপ্ৰীতয়ে তৎস্বৰূপম্।।* (ধ্বন্যালোক প্ৰ.উ. (কাৰিকা-১)

আনন্দবৰ্ধনাচাৰ্যই ধ্বনিবিৰোধীসকলৰ অভিমত খণ্ডণ কৰি ধ্বনিৰ বিষয়ে বিশদ আলোচনা আগবঢ়াই সাহিত্যশাস্ত্ৰৰ আকাশত এক উজ্জ্বল নক্ষত্ৰৰূপে বিৰাজ কৰিছে।

## 8.8 ধ্বনিৰ স্বৰূপ

'ধ্বনি'ৰ স্বৰূপ বিচাৰ কৰিব গ'লে প্ৰথমতেই ধ্বনিৰ বিষয়ে থকা ব্যঙ্গাৰ্থৰ গুৰুত্ব জানিব লাগিব। কাব্যত ব্যঙ্গাৰ্থ বা প্ৰতীয়মান অৰ্থৰ গুৰুত্ব উপলব্ধি কৰি ধ্বনিক তিনিটা ভাগত ভগোৱা হৈছে। সেইবোৰ হ'ল—বস্তুধ্বনি, অলঙ্কাৰধ্বনি

আৰু ৰসধ্বনি। যেতিয়া কোনো এটা কাব্যত থকা শব্দ আৰু অৰ্থৰ মাজেদি বাচ্যাৰ্থই বৰ্ণনীয় বস্তুৰ ব্যঞ্জনা দিয়ে আৰু সেই ব্যঙ্গাৰ্থ পাঠকৰ ওচৰত বেচি আকৰ্ষণীয় হৈ উঠে তেতিয়া তাকেই বস্তুধ্বনি বোলা হয়। এনেকুৱা ধ্বনিৰ ক্ষেত্ৰত কাব্যবিষয়টোৱে অধিক ৰমণীয়তাৰ সৈতে ব্যঞ্জিত হয়। যেনে-

*"হাতে হাতে ধৰি বোলে বিভীষণে*
*আছিয়ো পাত্ৰ সমাজ।*
*বিভীষণ বৈৰী লঙ্কাৰ খেদিয়া*
*সুখে ভুঞ্জা সবে ৰাজ।।"* (ৰামায়ণ)

এই কবিতাটোৰ মাজেদি লঙ্কাৰ পৰা ৰাৱণৰ দ্বাৰা বিভীষণ বিসৰ্জনৰ কথা প্ৰকাশ কৰি এই কাৰ্য্যৰ দ্বাৰা যে কোনোমতেই লঙ্কাপুৰীৰ ভাল নহয় সেই কথাৰেই ব্যঞ্জনা দিয়া হৈছে। বিসৰ্জনৰ ফলত বিভীষণৰ মনত যি অপমান বা বেদনাৰ সৃষ্টি হ'ল সেৱা কেতিয়াও লঙ্কাৰ বাবে মঙ্গলজনক নহ'ব এই ব্যঙ্গাৰ্থৰূপী কাব্যবস্তু বাচ্যাৰ্থতকৈ বেছি মনোগ্ৰাহী হোৱা বাবে এইটো বস্তুধ্বনিৰ উদাহৰণ। অলঙ্কাৰ ধ্বনিত বাচ্যাৰ্থৰ মাজেদি অলংকাৰৰ ব্যঞ্জনা হয় আৰু সেই ব্যঙ্গাৰ্থ বাচ্যাৰ্থতকৈ বেছি আকৰ্ষক হৈ উঠে। অৰ্থাৎ যি কাব্যত বাচ্যাৰ্থৰ যোগেদি অলংকাৰৰ ব্যঞ্জনা ঘটে আৰু সেই ব্যঙ্গাৰ্থই পাঠকক বেছি আকৰ্ষণ কৰে সেই কাব্যকেই অলংকাৰধ্বনি বোলা হয়। যেনে-

*"নৱ পল্লবিত মোৰ মানস কুঞ্জৰ*
*সেউজীয়া পাতৰ তলত*
*শুনিছোঁ তোমাৰ যেন অমিয়া কণ্ঠৰ*
*সুধা সুৰ মৃদু পঞ্চমত।"* (আনন্দচন্দ্ৰ বৰুৱা)

উক্ত কবিতাফাঁকিত মনক পল্লবিত বৃক্ষশাখাৰূপে আৰু মধুৰ কণ্ঠত থকা সুৰক অমৃতৰূপে কল্পনা কৰি কবিয়ে উপমা অলংকাৰৰ ব্যঞ্জনা সৃষ্টি কৰিছে। এজনৰ মিঠা মাত শুনি আনজনে আনন্দ লাভ কৰিছে এই বাচ্যাৰ্থৰ তুলনাত উপমা অলংকাৰৰ ব্যঞ্জনাই ইয়াত বহুত বেছি আনন্দ দান কৰিবলৈ সক্ষম হৈছে। সেই কাৰণে ইয়াত অলংকাৰধ্বনিৰ সৃষ্টি হৈছে। যি কাব্যত বাচ্যাৰ্থৰ মাজেদি বিভাৱ, অনুভাৱ আৰু ব্যভিচাৰী ভাৱৰ সহায়ত ৰসৰ ব্যঞ্জনা ঘটে তাকেই ৰসধ্বনি বোলে। ইয়াতেও বাচ্যাৰ্থতকৈ অলৌকিক পৰমানন্দসম সন্তুষ্টিয়ে পাঠকৰ ওচৰত বহুপৰিমাণে বেছি চিত্তাকৰ্ষক হয়। ধ্বনিবাদীসকলে এই ধ্বনিকেই শ্ৰেষ্ঠ ধ্বনি বুলি স্বীকাৰ কৰিছে আৰু তেওঁলোকৰ মতে বস্তুধ্বনি আৰু অলঙ্কাৰ ধ্বনি ৰসতেই সমাপ্তি লাভ কৰে। ৰসধ্বনিৰ উদাহৰণ-

*"ঘন ঘন মুৰুচি পৰয় বৰনাৰী।*
*ফোকৰে শ্বাস নয়নে ঝুৰে বাৰি।*
*কৃষ্ণচৰণ চিন্তিয়ে চিত্ত লাই।*
*ঘন যদুনাথ চিন্তয় পুনু মাই।।"* (ৰুক্মিণীহৰণ নাট)

ইয়াত মুৰুচি (মূৰ্চ্ছা), শ্বাস (উশাহ), নয়নে বাৰি (চকুৰ পানী) আদিৰ সহায়ত বাচ্যাৰ্থৰ মাজেদি বিপ্ৰলম্ভশৃঙ্গাৰৰসৰ ব্যঞ্জনা দিয়া হৈছে আৰু এই ব্যঙ্গাৰ্থ বাচ্যাৰ্থতকৈ অধিক মনোগ্ৰাহী হৈ উঠিছে। গতিকে উক্ত কাব্যত ৰসধ্বনিৰ সৃষ্টি হৈছে।

## ৪.৫ ধ্বনি কাব্যৰ বিভাজন

ব্যঙ্গাৰ্থৰ ভিত্তিত ধ্বনি তিনিপ্ৰকাৰৰ হ'লেও প্ৰকৃততে ধ্বনিকাব্য দুবিধ- অভিধামূলক আৰু লক্ষণামূলক। ইয়াৰেই লক্ষণামূলধ্বনি কাব্যত বাচ্যাৰ্থ কবিৰ দ্বাৰা অবিবক্ষিত বা অনভিপ্ৰেত হয় যাৰ বাবে এনেকুৱা ধ্বনিক অবিক্ষিত বাচ্যধ্বনিও বোলে। আনফালে অভিধানমূলক ধ্বনিত বাচ্যাৰ্থটো বক্তাৰ অভিপ্ৰেত হৈও অৰ্থান্তৰৰ অভিব্যঞ্জনা ঘটায়। সেই কাৰণে ইয়াক বিবক্ষিতান্য পৰবাচ্য ধ্বনি বুলিও কোৱা হয়। অবিবক্ষিতবাচ্যধ্বনিক আকৌ দুটা ভাগত ভগোৱা হয়— অৰ্থান্তৰসংক্ৰমিত বাচ্যধ্বনি আৰু অত্যন্ততিৰস্কৃত বাচ্যধ্বনি। যি অবিবক্ষিতবাচ্যধ্বনিত বাচ্যাৰ্থ লক্ষ্যাৰ্থৰ অন্তৰ্ভূক্ত হৈ থাকে তাকেই অৰ্থান্তৰসংক্ৰমিতবাচ্যধ্বনি বোলে। আনফালে যি অবিবক্ষিতবাচ্যধ্বনিত বাচ্যাৰ্থটো সম্পূৰ্ণভাৱে তিৰস্কৃত হৈ থাকে আৰু লক্ষণাৰ সহায়ত বেলেগ এটা অৰ্থৰ উপস্থাপনা কৰা হয় তাকেই অত্যন্ততিৰস্কৃতবাচ্যধ্বনি বোলে। বিবক্ষিতান্যপৰবাচ্যধ্বনিও দুবিধ— অসংলক্ষ্যক্ৰমব্যঙ্গধ্বনি আৰু সংলক্ষ্যক্ৰমব্যঙ্গধ্বনি। যি বিবক্ষিতান্যপৰবাচ্যধ্বনিত বাচ্যাৰ্থ উপলব্ধিৰ ঠিক পিছতে ব্যঙ্গাৰ্থৰ উপলব্ধি হ'লেও দুয়োৰে পূৰ্বাপৰ ক্ৰম পৰিলক্ষিত নহয় তাকেই অসংলক্ষ্য ব্যঙ্গধ্বনি বোলে। আনন্দবৰ্ধনাচাৰ্য্যৰ মতে য'ত শব্দৰ দ্বাৰাই সাক্ষাদ্‌ভাৱে নিবেদিত বিভাব, অনুভাব আৰ ব্যভিচাৰীভাবৰ পৰা ৰস আদিৰ জ্ঞান হয় তাকেই অসংলক্ষ্যক্ৰমব্যঙ্গধ্বনি বোলে। আনফালে যি বিবক্ষিতান্যপৰবাচ্য ধ্বনিত বাচ্যাৰ্থৰ পিছত ব্যঙ্গাৰ্থৰ প্ৰতীতি হোৱাৰ ক্ৰমটো বুজা যায় তাকেই সংলক্ষ্যক্ৰমব্যঙ্গধ্বনি বোলে।

লক্ষণামূলক ধ্বনিৰ উদাহৰণ-

*"শুনিয়ো লক্ষ্মণ দশৰথ সুত*
*ৰামৰ কনিষ্ঠ ভাই।*
*অসোধনে কেন স্বামীক নিন্দাহা*
*আমাৰ কৰ্ম্মক পাই।।"* (ৰামায়ণ)

ইয়াত 'দশৰথসুত' পদটোৱে দশৰথৰ আন আন পুত্ৰক নুবুজাই লক্ষ্মণক বুজাইছে। তদুপৰি 'ৰামৰ কনিষ্ঠ ভাই' পদটোৱেও ভৰতাদিক নুবুজাই কেৱল লক্ষ্মণকেই বুজাইছে। এই পদ দুটাৰ মাধ্যমত ব্যঞ্জিত হোৱা অৰ্থ হ'ল যে লক্ষ্মণ দশৰথৰ পুত্ৰ হোৱা বাবে দশৰথত গুণাৱলী তেওঁৰ চৰিত্ৰত আছে। আকৌ ৰামৰ কনিষ্ঠ ভাই হোৱা কাৰণে ৰামচন্দ্ৰৰ গুণাৱলীও লক্ষ্মণৰ চৰিত্ৰত বিৰাজমান। গতিকে তেনেকুৱা লক্ষ্মণৰ দ্বাৰা এই কামটো (সুগ্ৰীৱক ভৰ্ৎসনা) কৰা যুক্তিযুক্ত হোৱা নাই। ইয়াত 'দশৰথসুত' আৰু 'ৰামৰ কনিষ্ঠ ভাই' এই শব্দ দুটাৰ বাচ্যাৰ্থ বা অভিধেয়াৰ্থ কবিৰ অভিপ্ৰেত নহয়। গতিকে লক্ষণাৰ সহায়ত উক্ত অভিধেয়াৰ্থৰ লগত সঙ্গতি ৰাখি দশৰথৰ গুণাৱলী তথা ৰামচন্দ্ৰৰ গুণাৱলী থকা লক্ষ্মণক বুজোৱা হৈছে। আৰু ইয়াৰ দ্বাৰা ব্যঞ্জিত অৰ্থ মনোৰম হৈ উঠিছে। গতিকে এইটো লক্ষণমূলক ধ্বনি। তদুপৰি উক্ত কাব্যাংশত বাচ্যাৰ্থটো সম্পূৰ্ণভাৱে আঁতৰি নগৈ লক্ষ্যাৰ্থৰ ভিতৰত সোমাই গৈছে। সেই কাৰণে ইয়াত অৰ্থান্তৰসংক্ৰমিত বাচ্যধ্বনি পোৱা গৈছে।

অভিধামূলক ধ্বনিৰ উদাহৰণ-

*'পুবৰে ৰ'দতে চিক্-মিক্ কৰিছে*
*লুইতৰ পাৰৰে বালি।*
*আকাশত উঠিছে তেনে চিকেমিকাই*
*কালি জাকৰে লালি।।"* (মালতীঃ লক্ষ্মীনাথ বেজবৰুৱা)

ইয়াত প্ৰত্যেকটো পদেই নিজৰ নিজৰ অভিধেয়াৰ্থৰ মাজেদি ৰসৰ ব্যঞ্জনা আনিছে। ইয়াত অভিধা শক্তিয়ে বলবৎ হোৱা কাৰণে এইটো অভিধামূলক ধ্বনি। তদুপৰি ইয়াত পদসমূহৰ অভিধেয়াৰ্থ কবিৰ অভিপ্ৰেত বা বিবক্ষিত যাৰ বাবে ইয়াক বিবক্ষিতান্যপৰবাচ্যধ্বনিও বোলা যায়। এই সকলো ধ্বনিৰেই আকৌ বহুপ্ৰকাৰৰ উপবিভাগ স্বীকাৰ কৰিছে আলঙ্কাৰিকসকলে।

আনন্দৱৰ্ধন, অভিনৱগুপ্তৰ চৰণাঙ্ক অনুসৰণ কৰি পৰৱৰ্তী মম্মটভট্ট আদি আলঙ্কাৰিকেও ধ্বনিৰ মাহাত্ম্য ব্যক্ত কৰি তেওঁলোকৰ কাব্যপ্ৰকাশ আদি অমৰ গ্ৰন্থৰ উপস্থাপনা কৰিছে। কিন্তু অনুমানবাদীসকলে ধ্বনিৰ মাহাত্ম্য স্বীকাৰ কৰা নাই। মম্মভট্ট আদি অনুমানবাদীসকলৰ মতে সকলো ধৰণৰ ধ্বনিয়েই অনুমানৰ অন্তৰ্গত। কিন্তু এইখিনিতে মন কৰিবলগীয়া কথা হ'ল কাব্যত ব্যঞ্জনাৰ দ্বাৰা পোৱা অৰ্থটো কেতিয়াও অনুমানৰ দ্বাৰা লাভ কৰা অৰ্থ হ'ব নোৱাৰে।

আত্মমূল্যায়ন প্ৰশ্ন

ধ্বনিকাব্য বুলিলে কি বুজায় ? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

........................................................................................................
........................................................................................................
........................................................................................................
........................................................................................................
........................................................................................................
........................................................................................................
........................................................................................................

## ৪.৬ সাৰাংশ (Summing Up)

যʼত শব্দ আৰু বাচ্যৰ অৰ্থ গৌণভাৱে থাকি এক প্ৰতীয়মান অৰ্থ বা ব্যঙ্গাৰ্থ অভিব্যক্ত কৰে তাকে ধ্বনি কাব্য বোলা হয়। ধ্বনিৰ দ্বাৰাই সবাতোকৈ সুন্দৰ আৰু হৃদয় গ্ৰাহী অৰ্থ পাব পাৰি বাবে ধ্বনিবাদী আলংকাৰিকসকলে ধ্বনিকে কাব্যৰ আত্মা বুলি কৈছে। ধ্বনিক লৈ আলংকাৰিকসকলৰ মাজত যথেষ্ঠ মতাদৰ্শ আছে। এই বিভাগটিত এই দিশবোৰৰ বিষয়ে আলোকপাত কৰা হৈছে।

## ৪.৭ আৰ্হি প্ৰশ্ন (Sample Questions)

১। ধ্বনি বুলিলে কি বুজায়? আলোচনা কৰক।

২। শব্দশক্তি বুলিলে কি বুজায়? ইয়াৰ প্ৰকাৰবোৰ কি কি আলোচনা কৰক।

৩। ধ্বনিবিৰোধী দলবোৰ কি কি?

৪। ব্যঙ্গ্যাৰ্থৰ ভিত্তিত ধ্বনিক কি কি ভাগত ভগোৱা হৈছে উদাহৰণৰ সৈতে আলোচনা কৰক।

৫। ধ্বনিৰ বৈশিষ্ট্য উল্লেখ কৰি ইয়াৰ প্ৰকাৰভেদ আলোচনা কৰক।

৬। আনন্দবৰ্ধনৰ মতে কাব্যৰ সংজ্ঞা কি? আলোচনা কৰক।

## ৪.৮ প্ৰসংগ গ্ৰন্থ (References/ Suggested Readings)


ড° মুকুন্দ মাধৱ শৰ্মা : ধ্বনি আৰু ৰসতত্ত্ব

যতীন বৰা : ছন্দ, ধ্বনি আৰু অলঙ্কাৰতত্ত্ব

তীৰ্থনাথ শৰ্মা : সাহিত্য-বিদ্যা পৰিক্ৰমা

ত্ৰৈলোক্যনাথ গোস্বামী : নন্দনতত্ত্ব : প্ৰাচ্য আৰু পাশ্চাত্য

মনোৰঞ্জন শাস্ত্ৰী : সাহিত্য দৰ্শন

S.K. Dey : Sanskrit Poetics


●●●

## ষষ্ঠ বিভাগ
## বক্রোক্তি ঃ ধাৰণা আৰু প্ৰয়োগ

বিভাগৰ গঠন ঃ


৬.১ ভূমিকা (Introduction)
৬.২ উদ্দেশ্য (Objectives)
৬.৩ বক্রোক্তিৰ সংজ্ঞা
৬.৪ বক্রোক্তিৰ ইতিহাস আৰু বক্রোক্তিবাদ
৬.৫ বক্ৰতাৰ ভেদ
৬.৫.১ বৰ্ণ-বিন্যাস বক্ৰতা
৬.৫.২ পদ-পূৰ্ব্বাৰ্দ্ধ বক্ৰতা
৬.৫.৩ পদোত্তৰাৰ্দ্ধ বক্ৰতা
৬.৫.৪ বাক্য বক্ৰতা
৬.৫.৫ প্ৰকৰণ বক্ৰতা
৬.৫.৬ প্ৰবন্ধ বক্ৰতা
৬.৬ সাৰাংশ (Summing Up)
৬.৭ আৰ্হি প্ৰশ্ন (Sample Questions)
৬.৮ প্ৰসংগ গ্ৰন্থ (References/ Suggested Readings)


### ৬.১ ভূমিকা (Introduction)

কাব্যৰ আন এবিধ বহু চৰ্চিত উপাদান হ'ল বক্রোক্তি। কাব্যসম্মত আৰু আহ্লাদদায়ক ৰূপে উপস্থাপন কৰা কথাকে বক্রোক্তি বোলে। ভাৰতীয় কাব্যতত্ত্বৰ আলোচকসকলৰ ভিতৰত আচাৰ্য ভামহ আৰু দণ্ডীয়ে পোনতে বক্রোক্তিৰ আলোচনা আগবঢ়ায় আৰু কুন্তকাচাৰ্যই বক্রোক্তিক কাব্যৰ জীৱন বুলি প্ৰতিষ্ঠা কৰে। পৰৱৰ্তী আলংকাৰিকসকলে বক্রোক্তিক বিশেষ গুৰুত্ব সহকাৰে,আলোচনা কৰা নাই। এই পাঠটিত বক্রোক্তিৰ বিষয়ে বিশদভাৱে আলোচনা কৰা হৈছে।

### ৬.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰিলে আপুনি—

১। বক্রোক্তিৰ সংজ্ঞা নিৰূপন কৰিব পাৰিব,

২। বক্রোক্তিৰ ইতিহাস সম্পৰ্কে জানিব পাৰিব,

৩। বক্রোক্তিবাদৰ স্বৰূপ সম্পৰ্কে ধাৰণা কৰিব পাৰিব,

৪। বক্রোক্তিৰ ভেদ বুজিবলৈ সমৰ্থ হ'ব।

## ৬.৩ বক্ৰোক্তিৰ সংজ্ঞা

একাদশ শতিকাৰ আলংকাৰিক আচাৰ্য কুন্তকে বক্ৰোক্তিৰ এটি স্পষ্ট ধাৰণা দি কৈছে বক্ৰোক্তি হ'ল 'বৈদগ্ধ্যভঙ্গী ভনিতি' অৰ্থাৎ ই কথা কোৱাৰ এক বিদগ্ধতাপূৰ্ণ ভঙ্গী। এনে বক্ৰোক্তিৰ স্বৰূপ সম্বন্ধে কুন্তকে কৈছে—"*শাস্ত্ৰাদি প্ৰসিদ্ধ প্ৰস্থান ব্যতিৰেকী বৈচিত্ৰ্য বিশেষঃ*" অৰ্থাৎ লোকত বা শাস্ত্ৰত যি অৰ্থ বুজাবৰ কাৰণে যি শব্দৰ গাঁথনি প্ৰসিদ্ধ বা প্ৰচলিত তাতকৈ অতিৰিক্ত বা পৃথক এক প্ৰকাৰ শব্দাৰ্থৰ বিচিত্ৰ গাঁথনি, যিটি থকাৰ কাৰণে শব্দাৰ্থৰ সাহিত্যই নিজক কাব্যৰূপে প্ৰকাশ কৰিব পাৰে আৰু সুন্দৰ তথা হৃদয়গ্ৰাহী হৈ সহৃদয় সমাজত আদৰ পাব পাৰে—এই বৈচিত্ৰ্যই হ'ল বক্ৰতা। কুন্তকে ইয়াক বিচিত্ৰ অভিধা বিশেষ বুলিও কৈছে। কাব্যৰ অন্যতম উদ্দেশ্য চমৎকাৰ সাধন বা আহ্লাদ প্ৰদান। সেয়েহে ইয়াৰ উদ্দেশ্য সম্বন্ধে কোৱা হৈছে—"*লোকোত্তৰ চমৎকাৰকাৰি বৈচিত্ৰ্য সিদ্ধয়ে*"। অলৌকিক চমৎকাৰ সম্পদক বৈচিত্ৰ্য সাধনেই হ'ল ইয়াৰ প্ৰধান উদ্দেশ্য।

## ৬.৪ বক্ৰোক্তিৰ ইতিহাস আৰু বক্ৰোক্তিবাদ

কুন্তকে প্ৰতিষ্ঠা কৰা বক্ৰোক্তিক ষষ্ঠ শতিকাতে ভামহেই স্বীকৃতি দিছিল। অলংকাৰ নিৰূপণ প্ৰসংগত তেওঁ বক্ৰোক্তি যে সমস্ত অলংকাৰৰ আধাৰ তাক স্বীকাৰ কৰিছে। তেওঁৰ মতে বাক্যৰ দ্বাৰা অৰ্থ প্ৰকাশভংগীৰ বৈচিত্ৰ্যই হ'ল বক্ৰোক্তি। ভামহে অতিশয়োক্তি আৰু বক্ৰোক্তিৰ মাজত প্ৰভেদ বিচাৰ কৰা নাই।

আচাৰ্য দণ্ডীয়ে ৰসাল অৰ্থৰ উপস্থাপক পদাৱলীক কাব্য বুলি কৈ অলংকাৰ নিৰূপণ প্ৰসংগত আকৌ স্বভাৱোক্তি আৰু বক্ৰোক্তি ভেদে বাঙ্ময় দুবিধ বুলি কৈছে। তাৰ দ্বাৰা দণ্ডীয়ে ভামহৰ অভিপ্ৰেত বক্ৰোক্তিৰ পৰিসৰ কিছু সংকীৰ্ণ কৰিছে। ভামহৰ মতে অতিশয়োক্তি বা বক্ৰোক্তি ব্যতিৰেকে কোনো অলংকাৰ বা কাব্যৰ সম্ভাৱনা নাই। দণ্ডীয়ে স্বভাৱোক্তিকো অলংকাৰ বুলি আৰু তদ্‌যুক্ত বাক্যক কাব্য বুলি স্বীকাৰ কৰিছে। অৱশ্যে বক্ৰোক্তিৰ স্বৰূপ সম্বন্ধেও ভামহৰ লগত দণ্ডীৰ কোনো মতভেদ দেখিবলৈ পোৱা নাযায়।

আলংকাৰিক বামণ আৰু ৰুদ্ৰটে বক্ৰোক্তিক সমস্ত অৰ্থালংকাৰৰ সামান্যৰূপ বুলি স্বীকাৰ কৰা নাই। বৰং একোটা পৃথক অলংকাৰ বুলিহে স্বীকাৰ কৰিছে। মম্মটভট্ট, বিশ্বনাথ আদি পৰৱৰ্তী আলংকাৰিকসকলে বক্ৰোক্তিক এটা শব্দালংকাৰ বুলি গণ্য কৰিছে। অৱশ্যে আনন্দবৰ্ধনে বক্ৰোক্তিৰ ক্ষেত্ৰত ভামহৰ দৃষ্টিভংগীকে সমৰ্থন কৰিছে। তেওঁৰ অমৰ গ্ৰন্থ "*বক্ৰোক্তিজীৱিত*"ত ভামহৰ দৃষ্টিভঙ্গী পৰিষ্কাৰ কৰি বক্ৰোক্তিক এনে উচ্চ স্থান দিলে যে, ই এটা স্বতন্ত্ৰ মতবাদৰূপে সাহিত্য ভাণ্ডাৰৰ বহুমূলীয়া ৰত্নৰাশিৰ ভিতৰত চিৰদিন বিৰাজ কৰি আছে।

শব্দ বাচক, অৰ্থ তাৰ বাচ্য, এই বাচ্য-বাচকৰ মিলিত ভাৱকে কাব্য বোলে। প্ৰতিভাৰ দাৰিদ্ৰ্য-বশতঃ যি সকলে কেৱল শব্দচ্ছটাৰ মাধুৰ্য্য সৃষ্টি কৰে তেওঁবিলাকে কাব্যৰ যথাৰ্থ সম্পদ বা স্বৰূপ প্ৰকাশ কৰিব নোৱাৰে ; সেইদৰে কেৱল অৰ্থৰ চাতুৰ্য্যৰ দ্বাৰা শুকান তৰ্কৰ গাঁথনিত কাব্য সম্পদ ফুটি নুঠে। প্ৰতিভাৰ প্ৰভাৰ দ্বাৰা প্ৰথমতে বৰ্ণনীয় বস্তুটি কবিৰ চিত্তত অব্যক্তভাৱে উদ্ভাসিত হৈ উঠে। সেই বস্তুটি যেতিয়া 'বক্ৰ' অৰ্থাৎ বিচিত্ৰ ৰচনা ভঙ্গীৰ বাক্যৰ দ্বাৰা উজ্জ্বলভাৱে অভিব্যক্ত হৈ উঠে আৰু সহৃদয় জনৰ চিত্তত পৰম আহ্লাদ বা চমৎকাৰ আধান কৰে তেতিয়াই তাক কাব্য বোলা হয়। গতিকে যিসকলে, ৰচনা বৈচিত্ৰ্যৰ দ্বাৰা চমৎকাৰপ্ৰদ, কবিকৌশলকল্পিত, কমনীয় শব্দকে বা অৰ্থকে কাব্য বোলে তেওঁলোক উভয়ে ভ্ৰান্ত।

ভামহৰ "*শব্দাৰ্থৌ সহিতৌ কাব্যম্*"—এই বাক্যতো শব্দাৰ্থৰ বিচিত্ৰভাৱে মিলিত সত্তাকে কাব্য বুলি কোৱা হৈছে। কুন্তকে কৈছে যে, একে কথা বাক্যৰ ভঙ্গীত বিভিন্নভাৱে প্ৰকাশিত হ'লে কাব্য সম্পদৰ প্ৰচুৰ তাৰতম্য ঘটে।

*মানী-বিলোচন-পাতানস্ত-ৱাষ্প কলুষানভিগৃহ্নন্।*
*মন্দ মন্দ মুদিতঃ প্ৰয়যৌ খং ভীত ভীত ইৱ শীতময়ূখঃ।।*
*ক্ৰমাদেক-দ্বিত্ৰি প্ৰভৃতি পৰিপাটীঃ প্ৰকটয়ন্*
*কলাঃ স্বৈৰং স্বৈৰং নৱকমল-কন্দাঙ্কুৰৰুচঃ।*
*পুৰন্ধ্ৰীণাং প্ৰেয়ো-বিৰহ-দহনোদ্দীপিত-দৃশাং*
*কটাক্ষেভ্যো বিভ্যন্নিভৃত ইৱ চন্দ্ৰোঽ ভ্যুদয়তে।।"*

এই দুটা কবিতাত একে অৰ্থ বিভিন্নভাৱে বিভিন্ন বৰ্ণ-বিন্যাসেৰে প্ৰকাশ হোৱাত ওপৰৰটোতকৈ তলৰটো বেছি ৰমণীয় হৈছে।

*"অভিমানি ললনাৰ শীতল চকুলোঁ টুপি—*
*হৰিলে পৃথিৱীৰ পৰা*
*ভয়ে ভয়ে জোন বাই আকাশত উঠি যাই*
*হাঁহি বোলে নপৰিলো ধৰা।।"*
*"প্ৰিয় বিৰহ বেদনা-দাহৰ বহ্ণ সনা*
*অসহন কটাক্ষ ঈক্ষণ।*
*দেখি জোন-বাই ডৰে কোমল মৃণাল কৰে*
*সামৰি ললিত কলাগণ।।*
*এটি দুটিকৈ লৈ চুপি চুপি আঁৰ হৈ*
*নীলাঞ্চলে লাহৰি বদন।*
*ঢাকি পাচে জুমি চাই বোলে আৰু ভয় নাই মাৰি হাঁহি বিশ্ববিমোহন।"*

ইয়াতো একে অৰ্থ ভিন্ ভিন্ ধৰণৰ বৰ্ণবিন্যাস বা ৰচনা ভঙ্গিমাৰ কাৰণে তলৰটো যেনে মনোহৰ হৈছে—ওপৰৰটো তাতকৈ কম ৰমণীয় হৈছে।

যদি শব্দ আৰু অৰ্থৰ মিলিত সত্তাই কাব্যত্ব হয়—তেন্তে সকলো বাক্যত সৰ্ব্বদাই শব্দ আৰু অৰ্থৰ মিলন অৱশ্যে থাকে,—বাচ্য অৰ্থ আৰু বাচক শব্দৰ মিলনৰ অভাৱ ক'তোই থাকিব নোৱাৰে, গতিকে ইহঁতৰ মিলিত সত্তাক কাব্য বোলাৰ অৰ্থ কি?

এই প্ৰশ্নৰ উত্তৰত কুন্তকে কৈছে যে, কাব্য হ'ব লাগিলে এই শব্দাৰ্থৰ মিলনৰ এটা অসাধাৰণ—অৰ্থাৎ যিটো সাধাৰণ বাক্যত পোৱা নাযায়—তেনে বৈশিষ্ট্য (যাক চমৎকাৰিতা আদি শব্দৰ দ্বাৰা কোৱা হয়) থাকিব লাগিব। যেতিয়া এটা বাক্য আন এটা বাক্যৰ লগত বিচিত্ৰ বিন্যাসত সংযোজিত হ'ব তেতিয়া বৰ্ণৰ লগত বৰ্ণ মিলি সি যেনেকৈ একপিনে ছন্দ আৰু ধ্বনিৰ সাহায্যত স্বৰ আৰু ধ্বনি লহৰীৰ লিলায়িত গতিৰ দ্বাৰা অতি ৰমণীয় মাধুৰ্য্য সৃষ্টি কৰিব, আন পিনে তেনেকৈ তাৰ কুক্ষিগত অৰ্থবিলাকো তাৰ ললিত গতিৰ অনুৰূপভাৱে তাৰ লগত তুল্য-যোগিতা ৰাখি, পৰস্পৰে মিলি নতুন চমৎকাৰিত্বৰ সৃষ্টি কৰিব। এনেকৈ ধ্বনিৰ লগত ধ্বনিৰ মিলনত আৰু অৰ্থ লগত অৰ্থৰ মিলনত যি পৰস্পৰস্পৰ্দ্ধী অৰ্থাৎ জেদাজেদিভাৱে দুই প্ৰকাৰৰ (শব্দ সমাবেশ আৰু অৰ্থ সমাবেশৰ) চাৰুতা উৎপন্ন হ'ব ; সিহঁতৰ পৰস্পৰৰ সমঞ্জস্যই ইয়াত, সাহিত্য বা মিলন শব্দ অৰ্থ। তেনে মিলনে ই কাব্যত্বৰ প্ৰয়োজক (হেতু)। উদাহৰণস্বৰূপে কুন্তকে, 'মালতী মাধৱ' নাটকৰ শ্লোক এটি উদ্ধৃত কৰিছে। যেনে—

*"অসাৰং সংসাৰং পৰিমুষিত-ৰত্নং ত্ৰিভুৱনং*
*নিৰালোকং লোকং মৰণ-শৰণং ৱান্ধৱজনম্।*
*অদৰ্পং কন্দৰ্পং জন-নয়ন-নিৰ্ম্মাণমফলং*
*জগজ্জীৰ্ণাৰণ্যং কথমসি বিধাতুং ব্যৱসিতঃ।।"*

—সংসাৰ অসাৰ হ'ব ত্ৰিভুৱনে হেৰুৱাব
আজি হেৰা অমূল্য ৰতন।
লোকৰ আলোক বাঁতি ইয়াতেই শেষ হ'ব
মৰি যাব য'ত বন্ধু জন।।
কন্দৰ্পৰ-দৰ্প আৰু নাথাকিব জগতত
বৃথা হ'ব নয়ন নিৰ্ম্মাণ।
ভুৱন বননি হ'ব তোমাৰ কুযশ ৰব
এই কাৰ্যে হ'লে যত্নবান্।।

কোনো কাপালিকে সুন্দৰী এজনীক বধ কৰিবলৈ উদ্যত হোৱাত কোনো এজনে সুন্দৰীৰ অসাধাৰণ ৰূপ-লাৱণ্য বৰ্ণনা কৰিবলৈ গৈ এই কথা কৈছে। ইয়াত, সুন্দৰীক বধ কৰিলে সংসাৰৰ কি ক্ষতি হ'ব তাকে ক'বলৈ গৈ, যে কবিৰ মনত এটা এটাকৈ কথা ভাহি উঠিছে, তাৰ লগে লগে এইটো ও প্ৰতিভাত হৈছে যে, এইখিনিৰ দ্বাৰা ঠিক যথেষ্ট নহ'ল—এই অভাৱ বোধৰ দ্বাৰা প্ৰণোদিত হৈ কবিয়ে, অৰ্থটি কেনেকৈ আৰু স্পষ্টভাৱে ফুটাই তুলিব পাৰে—তাৰে চেষ্টা কৰিছে ; আৰু যত্নৰ লগে লগে তেওঁৰ প্ৰতিভাচন্দ্ৰৰ প্ৰত্যেকটি কলা যেন এটা এটাকৈ উদ্‌ভাসিত হৈ, নতুন নতুন ভাব-ৰশ্মি বিকীৰণ কৰিছে। তাতে পৰস্পৰস্পৰ্দ্ধী, ভাবৰ মাজেদি একোটি অখণ্ড, পৰিপূৰ্ণ অৰ্থ-সম্পদ ফুটি উঠিছে। প্ৰথমতে ক'লে যে, সুন্দৰী মৰিলে সংসাৰ অসাৰ হ'ব' ; কিন্তু ইয়াৰ দ্বাৰা অন্তৰৰ বেদনা সম্পূৰ্ণভাৱে প্ৰকাশ কৰিব নোৱাৰাত কবিয়ে আকৌ ক'লে যে, 'ত্ৰিভুবনৰ একমাত্ৰ অমূল্য ৰত্ন অপহৃত হ'ব ; পৃথিৱীৰ আলোক বন্তি নুমাই যাব, এওঁৰ বন্ধু বান্ধৱে মৃত্যু-শয্যা গ্ৰহণ কৰিব, মানুহৰ চক্ষুৰিন্দ্ৰিয় সৃষ্টি নিষ্ফল হ'ব, জগৎ অৰণ্যত পৰিণত হ'ব ; এইদৰে এটা এটাকৈ ভাবৰ কলাবোৰ পৰস্পৰে জেদাজেদি কৈ, প্ৰকাশিত হোৱাত সমগ্ৰ ভাৱময় পূৰ্ণ চন্দ্ৰটি উদ্ভাসিত হৈ উঠিল। কবিয়ে, যদি কেৱল ক'লেহেঁতেন যে এওঁ নিহত হ'লে সংসাৰ অসাৰ হ'ব ; বা বন্ধু বান্ধৱৰ মৃত্যু অৱশ্যম্ভাৱী, তেন্তে তাত কোনো চমৎকাৰিত্ব নাথাকিলহেঁতেন। ইয়াত, অনেক বিলাক ৰমণীয়ভাৱে জেদাজেদিকৈ, পৰস্পৰৰ সম্পূৰকভাৱে এটা মহাভাৱৰ মাজেদি একেলগে প্ৰতিভাত হ'বৰ কাৰণে এটাই যেন আনটোক অপেক্ষা কৰি, তাৰ লগত সমানভাৱে নিজক প্ৰকাশিত কৰিবলৈ, কবি হৃদয়ৰ ধাৰাবাহিক যত্নৰ দ্বাৰা, কবি-প্ৰতিভাক ফুটাই তুলিছে আৰু সিহঁতে পৰস্পৰে অঙ্গাঙ্গিভাৱে যি এটা কাব্য সম্পদৰ সৃষ্টি কৰিছে তাতেই তাৰ ৰমণীয়তা বা চমৎকাৰিত্ব ঘটিছে। তৰঙ্গায়িতভাৱে, ভাবৰ উপৰি ভাব উঠি যি আকাঙ্ক্ষা উৎপন্ন কৰিছে তাক যদি, নতুন ভাব উঠি পূৰণ কৰি দিব নোৱাৰিহেঁতেন তেন্তে ইয়াৰ এনে মনোহাৰিত্ব নাথাকিলহেঁতেন। সেইদৰে শব্দৰ গাঁথনি যদি ভাবৰ অনুৰূপ নহ'লহেঁতেন—বিৰুদ্ধ সমাস বা ক্ৰম-ভঙ্গ দোষ, নাইবা যি শব্দৰ য'ত, প্ৰয়োজন তাৰ অভাৱ থাকি গ'লহেঁতেন, তেন্তে ইয়াৰ সৌন্দৰ্য্য হানি ঘটিলহেঁতেন। আৰু শব্দৰ সৌন্দৰ্য্য হানিৰ দ্বাৰা অৰ্থ-সৌন্দৰ্য্যৰো হানি হ'লহেঁতেন। শব্দ আৰু অৰ্থ, এই উভয়কে লৈ যি সমগ্ৰতা বা সাহিত্য, তাৰ প্ৰতি অবয়বৰ, পৰস্পৰৰ সৌন্দৰ্য্যত, সমগ্ৰটোৰ সৌন্দৰ্য্য ফুটি উঠে। এই সমগ্ৰতাৰ সামঞ্জস্যই, কুন্তকৰ অভিমত ৱক্ৰোক্তিৰ সাধাৰণ ধৰ্ম্ম বা লক্ষণ।

ভামহৰ পদানুসৰণ কৰি কুন্তকেও, স্বভাৱোক্তিৰ অলঙ্কাৰতা খণ্ডন কৰিছে। তেখেতে কয় যে, যিকোনো বস্তুৰ বৰ্ণনা কৰিলেও তাৰ স্বভাৱ তাত অৱশ্যে থাকিব, স্বভাৱক এৰি কোনো বস্তু উপস্থিত হ'ব নোৱাৰে। সেই স্বভাৱৰ লগত অতিৰিক্ত কোনো ধৰ্ম্ম যোগ নহ'লে কোনো ধৰ্ম্মৰ যোগ নহয় ; গতিকে ই

অলঙ্কাৰ নহয়। কিন্তু স্বভাৱোক্তি অলঙ্কাৰ বোলোতাসকলে, ইয়াতে ক'ব যে, যথাৰ্থ স্বভাৱোক্তি স্থলতো বিষয় বস্তুটিৰ বহিৰঙ্গ, জড় ভাবটো প্ৰকাশ কৰা সম্ভৱপৰ নহয় ; মানুহৰ চিত্তত প্ৰৱেশ কৰিলেই সি বিশিষ্ট চিত্ত ধৰ্ম্মৰ দ্বাৰা অধিবাসিত বা অনুৰঞ্জিত হৈ উঠে। কবিয়ে সেই ৰূপটি হে শব্দৰ দ্বাৰা প্ৰকাশ কৰে।

### ৬.৫ বক্ৰতাৰ ভেদ

কুন্তকে কৈছে যে, কাব্যৰ আত্মস্বৰূপ বক্ৰতা ছবিধ। যেনে—বৰ্ণ বিন্যাস বক্ৰতা, পদ-পূৰ্ব্বাৰ্দ্ধ—(প্ৰাতিপদিক) বক্ৰতা, পদোত্তৰাৰ্দ্ধ (প্ৰত্যয়) বক্ৰতা, বাক্য-বক্ৰতা, প্ৰকৰণ বক্ৰতা, আৰু প্ৰবন্ধ-বক্ৰতা। ইহঁতৰ প্ৰত্যেকৰ অৱান্তৰ-ভেদ বহুত। কবিপ্ৰতিভাৰ বৈচিত্ৰ্য বশতঃ—ই নানাৰূপে প্ৰস্ফুটিত হৈ কাব্যোদ্যানক অলৌকিক শোভা-সম্পন্ন কৰি তোলে।

### ৬.৫.১ বৰ্ণ-বিন্যাস-বক্ৰতা

ফুলৰ পাহিবোৰৰ দৰে বৰ্ণবিলাক যাতে যথাস্থানত সন্নিবিষ্ট আৰু পৰস্পৰস্পৰ্দ্ধিভাৱে সজ্জিত হৈ সহৃদয় সমাজৰ হৃদয়ত অলৌকিক আহ্লাদ বা আনন্দৰ আধান কৰে, তেনে ভাৱে কৰা, অক্ষৰ সন্নিবেশ বা আখৰৰ গাঁথনি বিশেষেই বৰ্ণবিন্যাস-বক্ৰতা। ইয়াকে আনবিলাকে, অনুপ্ৰাস আৰু যমক বুলি কয়। যেনে—

"কাপি বিলাসবিলোলবিলোচনখেলন-জনিত-মনোজম্।
ধ্যায়তি মুগ্ধ-বধূৰধিকং মধুসূদন-বদন-সৰোজম্।।

কৰতল-তাল-তৰল-বলয়াৱলি কলিত কলস্বন-বংশে।
ৰাসৰসে সহ নৃত্য পৰা হৰিণা যুৱতিঃ প্ৰশংসে।।"

—*(গীতগোবিন্দ)*

"জানকী কামিণী কৌতুকে চললি লীলায়ে সখীসব সঙ্গে
ৰঙ্গে কৰতু কেলি মেলি আন্দোল ডুলাৱে।
নব পিউ পৰশ ৰসিক কৰু বালা মালা কৰতলে লোলে।"

ইত্যাদি। *(ৰাম বিজয় নাট)*

ইয়াত, আখৰ গাঁথনিৰ দ্বাৰা, কবিতাটো শুনা মাত্ৰেই শ্ৰোতাৰ হৃদয় আনন্দত নাচি উঠে। কবি ৰঘুনাথচৌধুৰীদেৱৰ 'মাধুৰী' কবিতাটিও এই বক্ৰতাৰ উৎকৃষ্ট উদাহৰণ।

### ৬.৫.২ পদ-পূৰ্ব্বাৰ্দ্ধ বক্ৰতা

প্ৰকৃতি আৰু প্ৰত্যয় লগ লাগি এটা পদ হয়। প্ৰকৃতি বা প্ৰাতিপদিকেই পদৰ পূৰ্ব্বাৰ্দ্ধ বা প্ৰথম অংশ। কবিতাত সেই প্ৰাতিপদিক সন্নিৱেশৰ বৈচিত্ৰ্যক বোলা হয় পদ-পূৰ্ব্বাৰ্দ্ধবক্ৰতা। ইয়াৰ অবান্তৰ-ভেদ বহুত। উদাহৰণ ৰূপে আমি, ইয়াত কেইটামানৰ হে উল্লেখ কৰিম।

**ৰূঢ়িবৈচিত্ৰ্য বক্ৰতাঃ** য'ত বাচ্য অৰ্থৰ অসাধাৰণ উৎকৰ্ষ বা অপকৰ্ষ বুজাবৰ কাৰণে ৰূঢ়ি শব্দ প্ৰয়োগৰ দ্বাৰা কোনো অসম্ভাব্য ধৰ্ম্মৰ অস্তিত্ব সূচনা কৰা হয়, নাইবা সম্ভাবিত ধৰ্ম্মৰে আধিক্য-প্ৰতীতি জন্মোৱা হয়, তাকে 'ৰূঢ়ি-বৈচিত্ৰ্য-বক্ৰতা' বোলে। যেনে—

"ভাৰ্গৱ ৰামক জিনিয়ে শ্ৰীৰাম-চন্দ্ৰ প্ৰিয়া-সহিতে অযোধ্যাপুৰ প্ৰবেশল।"

*(ৰামবিজয়)*

ইয়াত পৰশুৰাম শব্দৰ বদলি 'ৰাম' এই এই প্ৰাতিপদিকটোৰ ব্যৱহাৰৰ দ্বাৰা কবিয়ে, বাচ্য পৰশুৰামৰ শৌৰ্য্য বীৰ্য্য আদিৰ আতিশয্য প্ৰকাশ-পূৰ্ব্বক শ্ৰীৰামৰ প্ৰতিপক্ষৰূপে ঠিয় হ'ব পৰা ক্ষমতা, আৰু তেওঁকো জয় কৰিছে বুলি শ্ৰীৰামৰ, তদধিক বিক্ৰমৰ সূচনা কৰিছে। ৰাম শব্দটি ৰূঢ় শব্দ, গতিকে ই ৰূঢ়ি-বৈচিত্ৰ্য-পদ-পূৰ্ব্বাৰ্দ্ধ-বক্ৰতা।

সেইদৰে-

"তদনন্তৰ স্ত্ৰীক দুৰ্জ্জন স্বভাব শুনহ।" *(কেলি গোপাল)*

ইয়াত গোপীৰ দৌৰ্জ্জন্যৰ আতিশয্য বা অনন্য-সাধাৰণতা প্ৰকাশ-পূৰ্ব্বক, স্ত্ৰীসঙ্গৰ হেয়তা সূচনা কৰিবলৈ ৰূঢ়ি 'স্ত্ৰী' শব্দটিৰ ব্যৱহাৰ কৰা হৈছে।

**পৰ্য্যায় বক্ৰতা**—এক অৰ্থৰ বোধক নানা শব্দ থাকিলেও যিটোৱে কবিৰ অভিপ্ৰেত অৰ্থটি বেছি পৰিষ্কাৰ কৈ উপস্থাপিত কৰে নাইবা স্বয়ং বা বিশেষণ আদিৰ যোগত কোনো ৰমণীয় অৰ্থৰ ইঙ্গিত দি বাচ্য অৰ্থটিক অলঙ্কৃত কৰি তোলে, তেনে শব্দৰ যথাস্থানত প্ৰয়োগ কৰাক পৰ্য্যায়-বক্ৰতা বোলে। ইও এক প্ৰকাৰ পদপূৰ্ব্বাৰ্দ্ধ-বক্ৰতা। যেনে-

পাৰিজাতস্য হৰণং নিশম্য কুপিতা সচী।
পতিং পুৰন্দৰং প্ৰাহ ধিগ্‌জন্ম তৱ বজ্ৰিণঃ।।

*(পাৰিজাত হৰণ নাট)*

ইন্দ্ৰৰ বাচক নানা শব্দ থাকিলেও 'পুৰন্দৰ' আৰু 'বজ্ৰী' শব্দ প্ৰয়োগৰ দ্বাৰা 'পৰম পৰাক্ৰমী ইন্দ্ৰৰ বজ্ৰনামৰ মহাস্ত্ৰ হাতত থকা সত্বেও প্ৰতিকাৰ নকৰাৰ কাৰণে ধিক্‌কাৰ দিয়াটো সঙ্গত হৈছে'—এই বোধ, বিজ্ঞ শ্ৰোতাৰ জন্মে। গতিকে, ই পৰ্য্যায়-বক্ৰতা। সেইদৰে-

*'ভালমন্দ লোক চৰচাক নাহি লাজ।*

*কিবা ৰাতি কিবা দিন তিৰী লৈয়া কাজ।।*

শঙ্কৰৰ বচনে হৰিৰ ভৈল হাস।

বোলে মন দিয়া শুন শুন দিগবাস।।" *(উষাপৰিণয়, পীতাম্বৰদ্বিজ)*

'তোমাৰ লাজ নাই, এই কথাৰ উত্তৰত 'দিগবাস' বুলি সম্বোধনৰ দ্বাৰা- 'মোৰ লাজ নাই বুলিছা—তুমি বিবস্ত্ৰ হৈ ফুৰা'—এই অৰ্থৰ সূচনা কৰি 'হৰিৰ হাসক সমৰ্থন কৰা হ'ল। গতিকে 'দিগবাস' এই শব্দটিয়ে ইয়াত পৰ্য্যায়-বক্ৰতাৰ ঘটকা হৈছে। এই দুবিধ বক্ৰতাত অভিধামূলক ব্যঞ্জনা, সৰ্ব্বদাই থাকে। গতিকে এয়ে ধ্বনিবাদীসকলৰ অভিধামূলক ধ্বনি।

*"জয় গুৰু শঙ্কৰ সৰ্ব্বগুণাকৰ যাকেৰি নাহি উপাম।"*

ইয়াত 'শঙ্কৰ' শব্দটি 'সৰ্ব্বগুণাকৰ' ইত্যাদি বিশেষণৰ দ্বাৰা মহাদেৱৰ ইঙ্গিত দি, বাচ্য অৰ্থটিক অধিক ৰমণীয় কৰিছে। য'ত এনে বিশেষণ নাই কেৱল 'শঙ্কৰ আছে যেনে-

*"শ্ৰীমন্ত শঙ্কৰে পাৰ ভাণ্ডি দিলে*

*বহে ব্ৰহ্মাণ্ডক ভেদি।"*

ইয়াত স্বয়ং শঙ্কৰ শব্দটোৱে মহাদেৱৰ ইঙ্গিত দি, তেওঁৰ লগত মহাপুৰুষ শঙ্কৰদেৱৰ উপমানোপমেয়-ভাৱ সূচনাৰ দ্বাৰা বাচ্য অৰ্থটিক ৰমণীয় কৰিছে। পূৰ্ব্বোক্ত শব্দ-শক্ত্যুদ্‌ভৱ-ধ্বনিৰ উদাহৰণ ৰূপে উদ্ধৃত কবিতাও এইবিধ বক্ৰতাৰ উদাহৰণ।

কোনো কোনো শব্দই স্থান-বিশেষে নিজৰ অৰ্থৰ বা স্বৰূপৰ সৌকুমাৰ্য্যৰ দ্বাৰাই শ্ৰোতাৰ হৃদয়ৰঞ্জন কৰিব পাৰে। তাত সেই শব্দৰ সমাবেশো 'পৰ্য্যায় বক্ৰতা' নামৰ 'পদপূৰ্ব্বাৰ্দ্ধ-বক্ৰতা'। যেনে—"ধীৰ গম্ভীৰ মনোহৰ গতি" বুলিলেও য'ত অৰ্থবোধ হয় তাত কোৱা হৈছে—"সুন্দৰ ধীৰ-ললিত-গজাগমনা"। স্তনবাচক নানা শব্দ থাকিলেও "পয়োধৰ অধৰ দৰ্শন নখ হাল"—ইয়াত 'পয়োধৰ' আদি শব্দৰ ব্যৱহাৰ পৰ্য্যায়-বক্ৰতাৰ পোষক।

**উপচাৰ-বক্ৰতাঃ** পদপূৰ্ব্বাৰ্দ্ধ-বক্ৰতাৰ আন এটা ৰূপ হৈছে—উপচাৰ-বক্ৰতা। এই বক্ৰতাৰ উদাহৰণ সকলো সাহিত্যতে বহুলভাৱে পোৱা যায়। য'ত আন এটা স্বভাৱৰ বস্তুত আন এটা বস্তুৰ স্বভাৱ আৰোপ কৰা হয় তেনে শব্দ সন্নিবেশক 'উপচাৰ-বক্ৰতা' বোলে। মূৰ্ত্তত অমূৰ্ত্তৰ ধৰ্ম্ম (স্বভাৱ) বা অমূৰ্ত্তত মূৰ্ত্তৰ ধৰ্ম্ম চেতনত অচেতনৰ বা অচেতনত চেতনৰ ধৰ্ম্ম, দ্ৰৱত ঘনৰ বা ঘনত দ্ৰৱৰ ধৰ্ম্ম আৰু সূক্ষ্মত স্থূলৰ বা স্থূলত সূক্ষ্মৰ ধৰ্ম্ম আৰোপ কৰি কবিতাক অতিশয় আহ্লাদজনক কৰি তোলা হয়।

*কাণাইৰ ৰূপৰ কিছু নাহিকে উপাম।"*

*একপুঞ্জ হুয়া আছে গোপিনীৰ প্ৰেম।।" (বড়গীত)*

ইয়াত মূৰ্ত্ত কাণাইত অমূৰ্ত্ত-স্বভাৱ প্ৰেমৰূপতা আৰু অমূৰ্ত্ত প্ৰেমত মূৰ্ত্তৰ ধৰ্ম্ম, পুঞ্জীভাৱ আৰোপ কৰা হৈছে।

বতাহে উৰাই আনি ঢালি দিয়ে তাত।
চেনেহৰ সুমধুৰ তান।
সোণালী কিৰণ জালে আৱৰে জীৱন
আৱেগত কঁপি উঠে প্ৰাণ।। *(যতীন্দ্ৰনাথ দুৱৰা)*

ইয়াত অমূৰ্ত্ত চেনেহত মূৰ্ত্তৰ ধৰ্ম্ম 'বতাহে উৰাই অনা, আৰু মূৰ্তৰ ধৰ্ম 'ঢালি দিয়া', সুৰৰ ধৰ্ম তানত আৰোপ কৰা হৈছে। আৰু প্ৰাণত মূৰ্তৰ ধৰ্ম, কম্পন আৰোপ কৰা হৈছে। এই উপচাৰ বক্ৰতা ধ্বনিবাদী সকলৰ মতে লক্ষণামূলক ধ্বনিৰ বিষয় অৰ্থাৎ—য'তে য'তে লক্ষণামূলক ব্যঞ্জনা ত'তে ত'তে উপচাৰ বক্ৰতা থাকে।

**বিশেষণ-বক্ৰতাঃ** য'ত বিশেষণৰ দ্বাৰা ক্ৰিয়া বা কাৰ্য সৌন্দৰ্য্য ফুটি উঠে তাৰ নাম বিশেষণ-বক্ৰতা। যেনে-

"দেখু সখী ঐচন নিকৰুণ কাল।
পয়োধৰ অধৰ দৰ্শন নখ হাল।।
খসল কেশ-পাশ তুটল হাৰ।।" ইত্যাদি *(কেলিগোপাল)*

ইয়াত গৃহীত বিশেষণ বোৰৰ দ্বাৰা গোপী-কৃষ্ণৰ মিলন ক্ৰিয়াটিক অত্যন্ত ৰমণীয় কৰি তোলা হৈছে।

"চিন্তিত গোপিণী পেখয়ে নৈৰাশা।
লম্বিত আনন ফোকাৱে নিশ্বাসা।।
তনুমন ঝামৰি নয়নে ঝুৰে বাৰি।
পদনখ ক্ষিতি লেখু দেখু অন্ধিয়াৰি।।
কুচ দুহু কুঙ্কুম লেপিত লোলে।
তাপিত ব্ৰজবধু শঙ্কৰে বোলে।" *(কেলিগোপাল)*

ইয়াত উল্লিখিত বিশেষণবোৰৰ দ্বাৰা বিৰহ-কাতৰা গোপিনী অতি ৰমণীয় হৈ উঠিছে। এই বিশেষণ-বক্ৰতাই বৰ্ণনীয় বিষয়ৰ লগত খাপ খাই ঔচিত্য অনুসাৰী হ'লে সমস্ত সৎকাব্যৰ জীৱনৰূপে থাকে। ইয়াৰ দ্বাৰাই ৰস অতিশয় পৰিপুষ্টভাৱে উথলি উঠে। যিটোৱে নিজ মহিমাৰ দ্বাৰা ৰসস্বভাৱ অলঙ্কাৰক অলৌকিক শোভা-সম্পন্ন কৰি তোলে ; কাব্যত তেনে বিশেষণ ব্যৱহাৰ কৰিব লাগে।

**সম্বৃতি বক্ৰতাঃ** য'ত বৈচিত্ৰ্য প্ৰকাশৰ অৰ্থে সৰ্ব্বনাম আদি শব্দ প্ৰয়োগৰ দ্বাৰা কোনো বিষয় আবৃত কৰি ৰখা হয় তাক সম্বৃতি-বক্ৰতা বোলে। ইও পদ-পূৰ্ব্বাৰ্দ্ধ-বক্ৰতাৰ প্ৰকাৰ-বিশেষ।

*"মলয়া পৱনে আহি ক'লে কিবা কাণে কাণে।"*

ইয়াত মলয়া পৱনৰ কথাৰ অৰ্থটি যে ভাষাৰে প্ৰকাশ কৰিব পৰা অৰ্থবিলাকতকৈ অতিৰিক্ত এক ধৰণৰ—এইটো বুজাবৰ কাৰণে 'কিবা' সৰ্বনাম শব্দৰ দ্বাৰা অৰ্থটি আবৃত কৰি কোৱা হৈছে।

**লিঙ্গ-বৈচিত্ৰ্য-বক্ৰতাঃ** আন একপ্ৰকাৰ পদ পূৰ্বাৰ্দ্ধ-বক্ৰতা হৈছে লিঙ্গ-বৈচিত্ৰ্য-বক্ৰতা। বিভিন্ন-লিঙ্গক শব্দৰ প্ৰয়োগৰ দ্বাৰা বক্তব্য অৰ্থ প্ৰকাশিত হ'লেও যে কোনো, বিশেষ লিঙ্গৰ শব্দ ব্যৱহাৰ কৰি, ৰমণীয়তা বঢ়াই দিয়া হয় সেয়ে লিঙ্গ-বৈচিত্ৰ্য-বক্ৰতা।

*"কাৰ পৰশত ফুলিলি বান্ধৈ" ইত্যাদি-(ৰঘুনাথ চৌধুৰী)*

ইয়াত পুলিঙ্গ 'বন্ধু' শব্দ প্ৰয়োগ নকৰি স্ত্ৰীলিঙ্গ 'বান্ধৈ' (বান্ধবী) শব্দ প্ৰয়োগ কৰাত লিঙ্গ-বৈচিত্ৰ্য-বক্ৰতাৰ পুষ্টি হৈছে।

বৃত্তি-বক্ৰতা, ধাতু বা ক্ৰিয়া-বৈচিত্ৰ্য-বক্ৰতা আদি, পদ-পূৰ্বাৰ্দ্ধ-বক্ৰতাৰ, আৰু কেইটামান ভেদ আছে।

### ৬.৫.৩ পদোত্তৰাৰ্দ্ধ বক্ৰতা

সুপ্-তিঙ্ ৰূপ প্ৰত্যয়ৰ সন্নিবেশৰ দ্বাৰা য'ত বৰ্ণনাটিক হৃদয়গ্ৰাহী কৰি তোলা হয়, সেইপ্ৰত্যয়াশ্ৰিত বক্ৰতাক প্ৰত্যয়-বক্ৰতা বা পদোত্তৰাৰ্দ্ধ-বক্ৰতা বোলা হয়। এই বক্ৰতাও কাৰকবৈচিত্ৰ-বিহিত, পুৰুষ বৈচিত্ৰ্য-বিহিত আদি ভেদে নানাপ্ৰকাৰ।

**কাৰক-বৈচিত্ৰ্য-বিহিতঃ** য'ত কাব্যৰ শোভাৰ্থে অকাৰকক কাৰকৰূপে বা আন কাৰকক আন কাৰকৰূপে উপস্থাপিত কৰা হয় সেই বক্ৰতা কাৰকবৈচিত্ৰ্যবিহিত। যেনে-

*"সুখৰ আহত শান্ত উল্লাসে বহন কৰিছে ব্যৰ্থ নিশ্বাস।"* (দেৱকান্ত বৰুৱা)

আৰু - *"উচ্ছ্বাস আৰু অশ্ৰুৰ মাজত শুইছে বিশ্ৰামে ক্লান্ত হৈ।"*

ইয়াত বহন আৰু শয়ন ক্ৰিয়াৰ অকৰ্ত্তা উল্লাস আৰু বিশ্ৰামক তাৰ কৰ্তাৰূপে উপস্থাপিত কৰাত কবিতা ফাকি বেছি মনোমোহা হৈছে।

*"করুণা ভৰা হৃদয় মাজে। কিয়নো বিকল ৰাগিণী বাজে।।"*

হৃদয় মাজ ৰাগিণী বাজনাৰ কোনো কাৰক নহয় যদিও, তাক কাব্য শোভাৰ্থে অধিকৰণ কাৰকৰূপে উপস্থাপিত কৰা হৈছে।

**পুৰুষ-বৈচিত্ৰ্য-বিহিতঃ** কাব্য শোভাৰ্থে য'ত প্ৰথম, মধ্যম, উত্তম পুৰুষৰ কোনো এটা ব্যৱহাৰ কৰা হয় সেই বক্ৰতা 'পুৰুষ-বৈচিত্ৰ্যবিহিত।

*"কহে কৃষ্ণ-কিঙ্কৰ হৰিক ভজ লোই।*

*হৰি বিনে সুহৃদ বান্ধৱ নাহি কোই।।"* (বৰগীত)

এই কথা কৃষ্ণকিঙ্কৰে নিজে কৈছে হেতুকে যদিও ইয়াত উত্তম পুৰুষ ব্যৱহাৰ কৰা উচিত আছিল। তথাপি প্ৰথম পুৰুষ ব্যৱহাৰ কৰি নিজৰ বিনয় প্ৰকাশৰ দ্বাৰা কাব্য-শোভাৰ পুষ্টিসাধন কৰা হৈছে।

দৃষ্টান্তৰূপে ইয়াত কেই প্ৰকাৰমান বক্ৰতাৰ কথা কোৱা হ'ল। কবিৰ প্ৰতিভা-প্ৰভাৱত পূৰ্বোক্ত পদপূৰ্বাৰ্দ্ধবক্ৰতা আৰু পদোত্তৰাৰ্দ্ধ-বক্ৰতা আৰু বহুপ্ৰকাৰ হ'ব পাৰে।

### ৬.৫.৪ বাক্য বক্ৰতা

অৱয়ৱী এটা, সৰ্বাঙ্গসুন্দৰ হ'বলৈ হ'লে যিদৰে অৱয়ৱ বিলাকৰ প্ৰত্যেকৰ সৌন্দৰ্য্যৰ বাহিৰেও সেইবিলাকৰ বিন্যাস-সৌষ্ঠৱ অৱশ্যে অপেক্ষণীয়, সেইদৰে সৰ্বাঙ্গসুন্দৰ কাব্য হ'বলৈ হ'লেও বক্ৰভাৱাপন্ন পদ বিলাকৰ বক্ৰভাৱে বা বিচিত্ৰভাৱে সমাৱেশ অৱশ্যে অপেক্ষণীয়। অৱয়ৱবিলাকৰ সৌন্দৰ্য্য আৰু সেইবিলাকৰ সন্নিৱেশ-সৌন্দৰ্য্যৰ দ্বাৰা অৱয়ৱীত তদতিৰিক্ত একপ্ৰকাৰ সামূহিক সৌন্দৰ্য্য ফুটি উঠে। পদ আদি অৱয়ৱৰ বক্ৰতাৰ বাহিৰে বাক্যত পদবিলাকৰ সন্নিৱেশ-বৈচিত্ৰ্যৰূপ আন একপ্ৰকাৰ বক্ৰতা থাকে; তাকে বোলে বাক্যবক্ৰতা। অৰ্থাৎ বাক্যটি যিবিলাক পদৰ দ্বাৰা, যেনেভাৱে গঠন কৰিলে সহৃদয় সামাজিকৰ হৃদয়ত অলৌকিক আহ্লাদ বা আনন্দপৰিস্পন্দবিশেষ আধান কৰিব পাৰে, কাব্যৰ সেই ভঙ্গিমাটিৰ নাম বাক্যবক্ৰতা।

এই বাক্য-বক্ৰতাও কবিৰ ৰুচি আৰু প্ৰতিভা অনুসৰি বহু প্ৰকাৰ হয়। সমস্ত অৰ্থালঙ্কাৰ এই বাক্য-বক্ৰতাৰ ভিতৰতে পৰে। সকলো সালঙ্কাৰ, ৰসাল কবিতাই ইয়াৰ উদাহৰণ।

### ৬.৫.৫ প্ৰকৰণ বক্ৰতা

বাক্য কিছুমান লগ-লাগি একোটা প্ৰকৰণ হয়। যিদৰে কিছুমান সুন্দৰ বস্তু সুন্দৰভাৱে সজ্জিত কৰি ৰাখিলে তাৰ দ্বাৰা তাত এটা সামুদায়িক সৌন্দৰ্য্য উৎপন্ন হয়,—তাৰ ভিতৰত কোনো এটা বস্তু যথাস্থানত সন্নিবিষ্ট নহ'লে সেই সৌন্দৰ্য্যৰ ত্ৰুটি ঘটে; সেইদৰে বাক্যাৰ্থবিলাকৰ যথাৰীতি সন্নিৱেশৰ দ্বাৰাহে প্ৰকৰণ বা অধ্যায় এটা, নাটকৰ ক্ষেত্ৰত, প্ৰত্যেকটা অঙ্ক মনোহৰ হৈ উঠে। এনে প্ৰকৰণৰ মনোহাৰী ৰচনাই প্ৰকৰণ-বক্ৰতা। যেনে শ্ৰীশঙ্কৰদেৱৰ ৰচিত 'ৰাম বিজয়' নাটকত পৰশুৰামৰ লগত ৰামৰ সমাগম-প্ৰসঙ্গত, পৰশুৰামৰ আৰু মহৰ্ষি বিশ্বামিত্ৰৰ

হতাহতিৰ কথা অৱতাৰণা কৰা হৈছে। মহৰ্ষি বিশ্বামিত্ৰ নিজে লগত থাকি শ্ৰীৰামৰ এনে বিপদৰ সময়ত একাষাৰ কথাও নোকোৱাকৈ থকাটো অশোভন। কবিয়ে এই অশোভাব বাৰণৰ অৰ্থেই এই খণ্ড যুদ্ধখনৰ অৱতাৰণা কৰিছে। এনেকৈ কাব্য বা নাটকত ৰসৰ পৰিপুষ্টিৰ কাৰণে নানা পাত্ৰ-পাত্ৰী বা ঘটনা-বৈচিত্ৰ্যৰ অৱতাৰণা সৰ্বত্ৰই কৰা হয়।

### ৬.৫.৬ প্ৰবন্ধ বক্ৰতা

ওপৰৰ পাঁচবিধ বক্ৰতাৰ সমাৱেশত গোটেই গ্ৰন্থখনত যি এটা সামূহিক বৈচিত্ৰ্য জন্মে যিটোৰ দ্বাৰা, সমগ্ৰ গ্ৰন্থখন এটা পৰিপুষ্ট চমৎকাৰাত্মক আহ্লাদৰ হেতু হয় ; সেইটোক বোলা হয় প্ৰবন্ধবক্ৰতা। সমগ্ৰ কাব্য বা নাটক ইয়াৰ উদাহৰণ। কুন্তকে বৈচিত্ৰ্যপূৰ্ণ বাক্য ভঙ্গীক কাব্যৰ জীৱন বুলিছে। ৰসবাদীসকলৰ ৰস আৰু ৰসাভাস আদিক নাইবা, অন্যান্য কাব্য ধৰ্মক তেওঁ অস্বীকাৰ কৰা নাই।

"নিৰন্তৰ ৰসোদ্গাৰ-গৰ্ভ-সৌন্দৰ্য্যনিৰ্ভৰাঃ।
গিৰঃ কবীনাং জয়ন্তি ন কথামাত্ৰমাশ্ৰিতঃ।। *(বক্ৰোক্তি জীৱিত)*

এই শ্লোকত কুন্তকে স্পষ্টভাৱে কবিবাক্যত ৰসৰ প্ৰাধান্য স্বীকাৰ কৰিছে। আচাৰ্যজনে কৈছে যে—

*"মাৰ্গানুগুণ্যসুভগো মাধুৰ্য্যাদিগুণোদয়ঃ।*
*অলঙ্কৰণ-বিন্যাসো বক্ৰতাতি-শয়ান্বিতঃ।।*
*বৃত্ত্যৌচিত্য-মনোহাৰি ৰসানাং পৰিপোষণম্।*
*স্পৰ্দ্ধয়া বিদ্যতে যত্ৰ যথাস্বমুভয়োৰপি।।*
*সা কাপ্যৱস্থিতি স্তদ্বিদাহ্লাদৈক নিবন্ধনম্।*
*পদাদিবাক্‌পৰিস্পন্দ-সাৰঃ সাহিত্যমুচ্যতে।।"*

উক্ত মাৰ্গ, মাধুৰ্য্যাদি গুণ, অলঙ্কাৰ বিন্যাস, বক্ৰতা বিন্যাস, বৃত্তি, ঔচিত্য আৰু নানাবিধ ৰসৰ পৰিপুষ্টি - এই সকলো শব্দ আৰু অৰ্থ এই উভয়কে আশ্ৰয় কৰি, পৰস্পৰে স্পৰ্দ্ধা সহকাৰে (জেদাজেদিভাৱে) থাকে। সেই বাক্য-শোভাৰ সাৰভূত, সামাজিকৰ আহ্লাদৰ হেতু, অৱস্থা বিশেষেই প্ৰকৃত সাহিত্য।

ইয়াৰ দ্বাৰা, অন্যান্য সাহিত্যিকৰ অঙ্গীকৃত, সকলো সাহিত্য ধৰ্মৰে উপযোগিতা বা উপাদেয়তা স্বীকাৰ কৰা হৈছে। কিন্তু পূৰ্বোক্তৰূপ, বক্ৰতাৰ দ্বাৰাই ৰস ব্যঞ্জিত বা আস্বাদিত হয় গতিকে, এওঁৰ মতে, বক্ৰোক্তিয়ে কাব্যৰ প্ৰাণ বা আত্মা। "বক্ৰোক্তিঃ কাব্য-জীৱিতম্"।

**আত্মমূল্যায়ন প্ৰশ্ন**

বামন, ৰুদ্ৰত আৰু পৰৱৰ্তী আলংকাৰিকসকলে বক্ৰোক্তিক কেনেদৰে স্বীকৃতি দিছে? (৬০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..............................................................................................................
..............................................................................................................
..............................................................................................................
..............................................................................................................
..............................................................................................................
..............................................................................................................

## ৬.৬ সাৰাংশ (Summing Up)

ষষ্ঠশতিকাতে ভামহে বক্ৰোক্তিক সকলো অলংকাৰৰ সাধাৰণ ধৰ্ম বুলি মত পোষণ কৰিছিলে। ভামহৰ এই অভিমতকে আধাৰ ৰূপে গ্ৰহণ কৰি ৰাজানক কুন্তকে 'বক্ৰোক্তি কাব্য-জীৱিতম্' অৰ্থাৎ বক্ৰোক্তিয়ে কাব্যৰ জীৱন বা প্ৰাণ বুলি যুক্তিৰে বক্ৰোক্তিবাদ প্ৰতিষ্ঠা কৰিলে। তেওঁৰ মতে বক্ৰোক্তি হ'ল 'বৈদগ্ধ্য ভংগী ভনিতি এনে বিদগ্ধতাপূৰ্ণ ভংগীতে কাব্যসুষমা লুকাই থাকে। তেওঁৰ মতে কাব্যত বক্ৰোক্তি ছয় প্ৰকাৰে প্ৰকাশ পায়। তেনেদৰে আশ্ৰয় অনুযায়ী বক্ৰোক্তিক ছটা ভাগত ভাগ কৰিব পাৰি।

## ৬.৭ আৰ্হি প্ৰশ্ন (Sample Questions)

১। বক্ৰোক্তিৰ সংজ্ঞা লিখি কুন্তকৰ বক্ৰোক্তিবাদৰ আলোচনা কৰক।
২। ব্যাখ্যা কৰা—'*বক্ৰোক্তি কাব্যজীৱিতম্*'।

## ৬.৮ প্ৰসংগ গ্ৰন্থ (References/ Suggested Readings)


ড° মুকুন্দ মাধৱ শৰ্মা : *ধ্বনি আৰু ৰসতত্ত্ব*
যতীন বৰা : *ছন্দ, ধ্বনি আৰু অলঙ্কাৰ*
তীৰ্থনাথ শৰ্মা : *সাহিত্য-বিদ্যা পৰিক্ৰমা*
ত্ৰৈলোক্যনাথ গোস্বামী : *নন্দনতত্ত্ব ঃ প্ৰাচ্য আৰু পাশ্চাত্য*
মনোৰঞ্জন শাস্ত্ৰী : *সাহিত্য দৰ্শন*
S.K. Dey : *Sanskrit Poetics*


●●●

প্ৰথম বিভাগ

## ৰস ঃ ধাৰণা, বিৱৰ্তন আৰু প্ৰয়োগ

**বিভাগৰ গঠন ঃ**

১.১ ভূমিকা (Introduction)

১.২ উদ্দেশ্য (Objectives)

১.৩ ৰস শব্দৰ অৰ্থ

১.৪ ৰস উপলব্ধিৰ মাধ্যম বা সহায়ক

১.৪.১ স্থায়ীভাৱ

১.৪.২ বিভাৱ

১.৪.৩ অনুভাৱ

১.৪.৪ ব্যভিচাৰ ভাৱ বা সঞ্চাৰী ভাৱ

১.৫ ৰসাভাস আৰু ভাৱাভাস

১.৬ ৰসৰ সংখ্যা

১.৭ সাৰাংশ (Summing Up)

১.৮ আৰ্হি প্ৰশ্ন (Sample Questions)

১.৯ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

### ১.১ ভূমিকা (Introduction)

কাব্যৰ প্ৰয়োজন আৰু কাব্যত ৰস সৃষ্টিৰ প্ৰয়োজন কি এই কথাৰ উত্তৰ বিখ্যাত আলঙ্কাৰিক মম্মটভট্টই তেওঁৰ 'কাব্যপ্ৰকাশ' নামৰ গ্ৰন্থত কৈছে-

কাব্যাং যশসেহৰ্থকৃতে ব্যৱহাৰৱিদে শিৱেতৰক্ষতয়ে।
সদ্যঃ পৰনিৰ্বৃতয়ে কান্তাসংমিততয়োপদেশযুজে।।

(কাব্যপ্ৰকাশ। ১ম উল্লাস)

কাব্যসম্বন্ধে প্ৰাচীন ভাৰতীয় সমালোচকৰ দৃষ্টীভঙ্গী উক্তশ্লোকফাঁকিৰ দ্বাৰা বুজোৱা হৈছে—ইয়াত কোৱা হৈছে যে—(১) কাব্যৰ পৰা কবিৰ যশস্যা লাভ হয়। (২) পঢ়োঁতাই সাংসাৰিক জীৱনৰ লাগতিয়াল কৰ্ত্তব্যৰ সম্ভেদ পায়। (৩) সকলোৰে অমঙ্গল নাশ হয় (৪) কাব্য পাঠৰ দ্বাৰা মনত বিমল আনন্দ লাভ

হয়। (৫) কাব্যই প্ৰিয়তমা পত্নীৰ দৰে মধুৰ কথাৰে উপদেশ দান কৰে। (সংস্কৃত সাহিত্যত কাব্য বুলিলে নাটক, পদ্যকাব্য, গদ্যকাব্য এইসকলোবোৰকে বুজায়।)

গতিকে, কাব্যৰ দ্বাৰা সকলোবোৰ ব্যৱহাৰিক জ্ঞান আদি হৃদয়গ্ৰাহী ভাবে পাব পাৰি আন কোনো শাস্ত্ৰৰ পৰা তেনেদৰে পাব নোৱাৰি। কবিৰ প্ৰতিভাই এইখিনি প্ৰয়োজনকে সাধে অৰ্থাৎ সমালোচকৰ ভাষাত ৰসসৃষ্টি কৰে। এই বিভাগটিত ৰসৰ বিষয়ে আলোচনা কৰা হৈছে ।

## ১.২ উদ্দেশ্য (Objectives)

ৰস কাব্যৰ অন্যতম উপাদান। কোনো কোনো আলংকাৰিকৰ মতে ৰস সৃষ্টিয়ে হৈছে কাব্যৰ অন্যতম উদ্দেশ্য। এই বিভাগটি অধ্যয়নৰ অন্তত আপোনালোকে-

- ৰসৰ সংজ্ঞা নিৰূপন কৰিব পাৰিব,
- ভৰতমুনিৰ ৰসসূত্ৰ সম্পৰ্কে জানিব পাৰিব,
- ৰসসূত্ৰৰ বিভিন্ন নিৰ্বাচনৰ বিষয়ে জ্ঞাত হ'ব পাৰিব,
- ৰসাভাস আৰু ভাৱাভাস বুলিলে কি বুজায় জানিব পাৰিব,
- ৰসৰ সংখ্যা নিৰূপন কৰিবলৈ সক্ষম হ'ব,
- প্ৰতিবিধ ৰসৰ স্বৰূপ আৰু ক্ৰিয়া সম্পৰ্কে আভাস পাব।

## ১.৩ 'ৰস' শব্দৰ অৰ্থ

বিশ্বনাথ কবিৰাজে কাব্যৰ সংজ্ঞা দিবলৈ গৈ কৈছে—"বাক্যং ৰসাত্মকং কাব্যম্।" অৰ্থাৎ যি বাক্যৰ ৰসেই আত্মা বা ৰসেৰে পৰিপূৰ্ণ সিয়েই কাব্য। ধ্বনিবাদৰ প্ৰৱৰ্ত্তক আনন্দবৰ্দ্ধনেও কৈছে যে কাব্যৰ আটাইতকৈ সাৰ বস্তুটো হ'ল ৰস। তেওঁৰ মতে কাব্যত দোষ গুণ নিৰ্ণয় কৰা হয় ৰসৰ পৰিপ্ৰেক্ষিতত।

বিশ্ব প্ৰকৃতিৰ সৌন্দৰ্যৰ মাজত কবিয়ে যি পৰম আনন্দৰ সন্ধান বিচাৰি পায় আৰু কাব্যৰ মাজেদি আনলৈকো আগবঢ়ায়। কবি হৃদয়ৰ এই আনন্দ অনুভূতিয়ে তেতিয়া পাঠকৰ হৃদয় প্লাৱিত কৰি যায় আৰু তেওঁৰ মন আনন্দত আপ্লুত হৈ উঠে। কবি আৰু পাঠকৰ মনৰ আনন্দ-অনুভূতিটো কেৱল মনৰহে হয়, সি বাস্তৱ অৰ্থাৎ লৌকিক নহয়। সেয়ে ই লোকোত্তৰ বা অালৌকিক। কাব্য পাঠৰ পৰা পাঠকৰ অন্তৰত যি আলৌকিক অনুভূতি উদয় হয় তাৰেই নাম 'ৰস'।

ব্যুৎপত্তিগত অৰ্থ বিচাৰিলে 'ৰস' শব্দই 'ৰসিত' বা আস্বাদিত বুজায়। 'ৰস্যতে ইতি ৰসঃ" (সাহিত্যদৰ্পণ-বিশ্বনাথ কবিৰাজ) অৰ্থাৎ যিটো ৰসিত বা আস্বাদিত সিয়েই ৰস। লৌকিক অৰ্থত জিভাৰে আস্বাদিত মিঠা, তিতা, টেঙা, জ্বলা, লুণীয়া, কেঁহা আদিৰ উপলব্ধিয়েই 'ৰস'। বস্তুৰ জুলীয়া সাৰ-ভাগকো ৰস বোলা হয়। ঋগ্বেদত 'ৰস' শব্দই জুলীয়া পদাৰ্থ বুজাইছিল। উপনিষদে আকৌ পৰমেশ্বৰকে

'ৰস' বুলি কৈছে—"ৰসো বৈ সঃ।" ব্ৰহ্মাৰ স্বৰূপ আনন্দ, সেই ব্ৰহ্মক মনত ধাৰণ কৰিব পাৰিলে আনন্দ লাভ কৰিব পৰা যায়। গতিকে, ব্ৰহ্মানন্দই ৰস। "ৰসো বৈ সঃ ৰসং হোবায়ং লব্ধানন্দী ভৱতি। (তৈত্তিৰীয় উপনিষদ-২।৭)।

ব্ৰহ্মানন্দৰ উপলব্ধি মনৰ এটা বিশেষ অৱস্থা। আনহাতে, কাব্যত 'ৰস' শব্দৰ অৰ্থ সৌন্দৰ্যবোধৰ পৰা ওপজা মনৰ এটা অতিজাগতিক আনন্দময় অৱস্থা।

আলঙ্কাৰিক আচাৰ্যসকলে 'ৰস' শব্দৰ নিষ্পত্তি দি কৈছে যে—বিভাৱ, অনুভাৱ আৰু সঞ্চাৰী বা ব্যভিচাৰী ভাৱৰ সম্বন্ধত সহৃদয় জনৰ হৃদয়ত অভিব্যক্ত হোৱা 'ৰতি' আদি স্থায়ীভাবেই ৰস।

মুঠকথা, কাব্য বা নাটকৰ মূল উদ্দেশ্য বিমল আনন্দ দান আৰু কাব্যপাঠ বা অভিনয় দৰ্শনৰ পৰা আস্বাদ্যমান চিত্তবৃত্তিৰ আনন্দময় অনুভূতিকে 'ৰস' বোলে। পাঠক বা দৰ্শকৰ চিত্তবৃত্তিৰ এই আনন্দময় অনুভূতিটো অলৌকিক। লৌকিক জগতৰ বস্তুবিলাক যেতিয়া কবিহৃদয়ৰ পৰা কাব্যৰ যোগেদি প্ৰকাশ লাভ কৰে, তেতিয়া কবিৰ কল্পনা ৰঞ্জিতত সেই লৌকিক বিষয়টো লৌকিক হৈ নাথাকে, সি হৈ উঠে লোকোত্তৰ চমৎকাৰ।

লৌকিক 'ৰতি' আদি ভাৱৰ কামনা অংশটো অনিষ্টকৰ। কিন্তু কাব্য-নাটকে উক্ত ভাৱৰ অনিষ্টকাৰক বিষয়টোৰ পৰাই ৰস সৃষ্টি কৰি পাঠক বা দৰ্শকক তৃপ্তি দিয়ে। সেয়ে কাব্য-নাটকত 'ৰতি' আছে 'কাম' নাই। এই 'ৰতি' বাস্তৱৰ দৰে নহয়, সেয়ে অলৌকিক। সেইদৰে কাব্যৰ মাজেদি প্ৰকাশ হোৱা কৰুণ, ক্ৰোধ, বীৰ, ভয় এই সকলোবোৰ অলৌকিক।

ভৰতমুনিৰ 'নাট্যশাস্ত্ৰ'তেই প্ৰথম ৰসৰ বিষয়ে উল্লেখ পোৱা যায়। সেয়ে ভৰতৰ হাততেই ৰসবাদৰ উৎপত্তি বা সূচনা হৈছে বুলি ক'ব পাৰি। ভৰতৰ সময় খ্ৰীঃ দ্বিতীয় শতিকা বুলি অনুমান কৰা হয়। কিন্তু তেওঁৰ মূল 'নাট্যশাস্ত্ৰ'খন পাবলৈ নাই। বৰ্ত্তমান কালত যিখন ভৰতৰ 'নাট্যশাস্ত্ৰ'ৰ পৰিচয় পোৱা গৈছে সেইখন খ্ৰীঃ ৮ম শতিকাৰ শেষৰফালে লিখা হৈছিল বা পুনৰ লিখি উলিওৱা হৈছিল। ভৰতৰ মতে—"ৰসৰ অবিহনে বাক্যৰ কোনো অৰ্থৰে উপক্ৰম হ'ব নোৱাৰে।"—"নহি ৰসাদৃতে কশ্চিদৰ্থঃ প্ৰৱৰ্ত্ততে।" (নাট্যশাস্ত্ৰ।৬)

প্ৰকৃততে ৰসসূত্ৰৰ উল্লেখ থকা প্ৰাচীনতম প্ৰামাণিক গ্ৰন্থ হ'ল আলঙ্কাৰিক উদ্ভটৰ "কাব্যালঙ্কাৰ সংগ্ৰহ"। সাধাৰণতে এই গ্ৰন্থক 'উদ্ভটালঙ্কাৰ' নামেৰে জনা যায়। এওঁৰ আনুমানিক সময় খ্ৰীঃ ৮ম শতাব্দী। উদ্ভটে তেওঁৰ গ্ৰন্থত 'ৰস'ৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰিছিল। তেওঁ ন বিধ ৰসৰ কথা উল্লেখ কৰিছে। সেই ন বিধ ৰস হ'ল—শৃঙ্গাৰ, হাস্য, কৰুণ, ৰৌদ্ৰ, বীৰ, ভয়ানক, বীভৎস, অদ্ভুত আৰু শান্ত। অভিনৱগুপ্ত, ৰুদ্ৰভট্ট, ভোজৰাজ, ধনঞ্জয়, ধনিক, বিশ্বনাথ, জগন্নাথ—এইসকল ৰসৰ সমৰ্থক আছিল।

## ১.৪ 'ৰস' উপলব্ধিৰ মাধ্যম বা সহায়ক

মানুহৰ চিত্তত সুক্ষ্মভাবে কিছুমান ভাৱ সদায়ে থাকে আৰু যিকোনো বিষয়বস্তুৰ সম্পৰ্কত সি জাগ্ৰত হৈ উঠে। কাব্য-নাটকৰ দ্বাৰা উত্থাপিত এইবিলাক ভাৱেই জাগ্ৰত হৈ ৰস হিচাবে আস্বাদিত হয়। এক কথাত ক'বলৈ গ'লে—চিত্তৰ ৰস আস্বাদৰ কাৰণ স্বৰূপ বিকাৰ বা অৱস্থাবিলাকেই 'ভাৱ'। এই 'ভাৱ'বিলাকক স্থায়ীভাৱ, বিভাৱ, অনুভাৱ, সঞ্চাৰী ভাৱ আদি বিভিন্ন অৱস্থাত পাব পাৰি। কাব্য আৰু নাটকত ৰসসৃষ্টি আৰু ৰসপুষ্টিৰ প্ৰধান উপকৰণ স্থায়ীভাৱ, তাৰ অনুকূল বিভাৱ, অনুভাৱ, সঞ্চাৰী ভাবৰ সমাৱেশ আৰু প্ৰতিকূল বিভাৱাদিৰ পৰিহাৰ বা অভাৱ।

### ১.৪.১ স্থায়ীভাৱ

সকলো মানুহৰে অন্তৰত সংস্কাৰ ৰূপে অৰ্থাৎ সহজাত চিত্তবৃত্তি বা 'ভাৱ' সুপ্তভাৱে থাকে। ৰতি বা আনক ভাল পোৱাৰ বাসনা তেনে এটা সহজাত চিত্তবৃত্তি। সকলো মানুহৰে অন্তৰত ই কম-বেছি পৰিমাণে থাকেই। সেইদৰে 'হাস' আন এটা চিত্তবৃত্তি। এই ৰতি, হাস, প্ৰভৃতি চিত্তবৃত্তি বা ভাৱবিলাকক স্থায়ীভাৱ বোলে।

কেৱল মানুহৰে নহয়, পশু-পক্ষীৰো কিছুমান স্থায়ীভাৱ থাকে। "নাট্যশাস্ত্ৰ"ৰ প্ৰণেতা ভৰত মুনিয়ে আঠবিধ স্থায়ীভাৱ স্বীকাৰ কৰিছে। স্থায়ীভাৱৰ সৈতে আনন্দৱৰ্দ্ধন আৰু অভিনৱগুপ্তই শম বা নিৰ্বেদক অন্তৰ্ভুক্ত কৰি স্থায়ীভাৱ ন-প্ৰকাৰ কৰে। সেইকেইটা হ'ল—ৰতি, হাস, শোক, ক্ৰোধ, উৎসাহ, ভয়, ঘৃণা, বিস্ময় আৰু শম।

১। ৰতি—প্ৰিয়জন বা প্ৰিয়বস্তুৰ প্ৰতি ভাল পোৱা বা অনুৰাগ।

২। হাস—বিকৃত বেশভূষা, বিকৃত আকাৰ, অসংলগ্ন কথা, দেখি-শুনি যিটো মনত হাঁহিৰূপে প্ৰকাশ পায়।

৩। শোক—প্ৰিয়জনৰ অনিষ্ট প্ৰাপ্তিৰ পৰা হোৱা মানসিক কাতৰতাজনক চিত্তবৃত্তিটোৰ নাম শোক।

৪। ক্ৰোধ—প্ৰতিকূল বস্তুৰ প্ৰতি মানসিক তীক্ষ্ণতাজনক চিত্তবৃত্তিটোকে ক্ৰোধ বোলে।

৫। উৎসাহ—কোনো কাৰ্য কৰিবৰ কাৰণে মনৰ যি প্ৰস্তুতি বা তৎপৰতা তাকে উৎসাহ বোলা হয়।

৬। ভয়—সম্ভাবিত দুখৰ প্ৰতি উৎকট দ্বেষবশতঃ হোৱা মানসিক কাতৰতা জনিত বৃত্তিটোকে ভয় বোলে।

৭। ঘৃণা বা জুগুপ্সা—ভাল পাব নোৱৰা লেতেৰা বস্তু আদিৰ পৰা আঁতৰি আহিবৰ কাৰণে হোৱা চিত্তৰ সংকোচজনক অৱস্থাটোকে ঘৃণা বা জুগুপ্সা বোলা হয়।

৮। বিস্ময়—কোনো বস্তুৰ মাহাত্ম্য দেখি বা অস্বাভাৱিক ঘটনা আদিৰ পৰা হোৱা চিত্তৰ বিস্তাৰজনক বৃত্তিটোক বিস্ময় বুলি কোৱা হয়।

৯। শম—কোনো বস্তুৰ প্ৰতি মানসিক ঔদাসীন্যৰ নাম শম। ইয়াকে বৈৰাগ্য বা নিৰ্বেদ বুলি কোৱা হয়।

স্থায়ীভাববিলাক আলম্বন আৰু উদ্দীপন বস্তুৰ সান্নিধ্যত জাগ্ৰত হৈ উঠে আৰু কাব্য নাটকত ইয়ে ৰসৰূপে আস্বাদিত হয়। ন-বিধ স্থায়ীভাৱৰ পৰা অভিব্যক্ত ৰসো হ'ল ন-বিধ, যেনে—শৃঙ্গাৰ, হাঁস্য, কৰুণ, ৰৌদ্ৰ, বীৰ, ভয়ানক, বীভৎস, অদ্ভুত আৰু শান্ত।

## ১.৪.২ বিভাৱ

স্থায়ীভাববিলাক মানুহৰ অন্তৰত অৱচেতনভাৱে থাকে যদিও সেইবিলাক অনৱৰতে স্পষ্টভাৱে অনুভৱ কৰিবৰ যোগ্য হৈ নাথাকে। উদাহৰণ স্বৰূপে ক্ৰোধ এটা স্থায়ীভাৱ। কিন্তু অনৱৰতে মানুহৰ ক্ৰোধ বা খঙ উঠি নাথাকে। কোনো বিশেষ পৰিস্থিতিতহে খং উঠে। গতিকে যি পৰিস্থিতিয়ে স্থায়ীভাৱক জগাই তোলে তাকে বিভাৱ বুলি কোৱা হয়। সেইদৰে ৰতি আদি স্থায়ীভাৱবিলাকক যিবিলাকে জাগ্ৰত আৰু পৰিপুষ্ট কৰি তোলে তাৰ নাম বিভাৱ। বিভাৱ দুই প্ৰকাৰৰ—আলম্বন বিভাৱ আৰু উদ্দীপন বিভাৱ।

১।**আলম্বন বিভাৱঃ** যি ব্যক্তি বা বস্তুক আলম্বন কৰি ৰতিপ্ৰভৃতি স্থায়ীভাৱ আবিৰ্ভূত হয় তাক আলম্বন বিভাৱ বোলে। কোনো প্ৰণয়ীৰ হৃদয়ত যি ৰতি বা অনুৰাগ উৎপন্ন হয় তাৰ আলম্বন বিভাৱ প্ৰণয়িনী গৰাগী। সেইদৰে প্ৰণয়িনীৰ ক্ষেত্ৰত প্ৰণয়ীজন। উদাহৰণস্বৰূপে আশ্ৰমৰ উপবনত শকুন্তলাক দেখি ৰজা দুষ্যন্তৰ অন্তৰত প্ৰেমভাৱ জাগি উঠিছে। ৰজাৰ অন্তৰত থকা ৰতিভাৱ জাগ্ৰত হোৱাৰ কাৰণে শকুন্তলা হ'ল আলম্বন বিভাৱ।

২।**উদ্দীপনা বিভাৱঃ** স্থায়ীভাৱবিলাকক যিবিলাক বিষয়ে পুষ্টি বা উদ্দীপিত কৰে সিয়ে উদ্দীপন বিভাৱ। বিশেষ বিশেষ স্থায়ীভাৱৰ প্ৰতি একোটা বিশেষ প্ৰাকৃতিক অৱস্থা বা পাৰিপাৰ্শ্বিক অৱস্থা অনুকূল হৈ পৰে। উদাহৰণ স্বৰূপে বসন্তকাল, মলয় সমীৰণ, সন্ধ্যা সময়, নদীতীৰ, নিৰ্জনতা আদি ৰতিভাৱৰ উদ্দীপন বিভাৱ; কাৰণ, বসন্তকাল আদিয়ে নায়ক বা নায়িকাৰ অন্তৰত জাগি উঠা ৰতিভাৱক আৰু গাঢ় বা পৰিপুষ্ট কৰি তুলিব পাৰে।

## ১.৪.৩ অনুভাৱ

অন্তৰত ৰতি আদি ভাৱৰ উদ্ৰেক হ'লে শৰীৰত তাৰ কিছুমান কাৰ্য্য অভিব্যক্ত হৈ জাগ্ৰত স্থায়ীভাৱ আনৰ উপলব্ধিৰ যোগ্য কৰি তোলে। নায়কৰ প্ৰতি নায়িকাৰ

মনত ৰতিভাব উদয় হ'লে কটাক্ষ দৃষ্টিপাত, গা জিকাৰ খোৱা, ঘাম ওলায়। এইকাৰ্যবোৰ কাব্য বা নাটকত উপস্থাপিত হ'লে তাক অনুভাৱ বোলে। এই অনুভাব দুই প্ৰকাৰৰ—কৃত্ৰিম বা প্ৰযত্নসাধ্য আৰু স্বাভাবিক বা সাত্ত্বিক।

১। **কৃত্ৰিম অনুভাবঃ** পাত্ৰীৰ হৃদয়ত প্ৰেম উদ্ৰিক্ত হৈ উঠিলে পাত্ৰজনক প্ৰাণভৰি সেৱা কৰিবলৈ তীব্ৰ অভিলাষ জন্মে আৰু আগ্ৰহপূৰ্ণ দৃষ্টিপাত নাইবা কাতৰ কটাক্ষপাত নিক্ষেপ কৰি মনৰ ইচ্ছা ব্যক্ত কৰিবলৈ চেষ্টা কৰে। নায়কৰ অন্তৰত প্ৰতিনায়কৰ ওপৰত ক্ৰোধস্থায়ীভাব জাগ্ৰত হ'লে কপাল কোঁচাই হাত দাঙি খেদি যাব, দাঁত কৰচিব, তল ওঠ কামুৰি ধৰিব। আন্তৰিক ভাবব্যঞ্জক এই ইচ্ছাকৃত দৈহিক চেষ্টাবিলাকেই কৃত্ৰিম অনুভাব।

২। **সাত্ত্বিক অনুভাব ঃ** স্থায়ীভাব জাগ্ৰত হ'লে শাৰীৰিক চেষ্টাৰ বাহিৰেও এনে কিছুমান অনুভাব আছে যিবিলাক আপোনা-আপুনি প্ৰকাশ পায়। প্ৰিয়জনৰ আকস্মিক বিয়োগ বা অতৰ্কিত শুভাগমণত হৃদয় যেতিয়া উদ্বেলিত হৈ উঠে তেতিয়া অজ্ঞাতসাৰে আপোনা আপুনি ধাৰাসাৰে চকুৰপানী বৈ আহে, বাক্‌ৰুদ্ধ হৈ যায়, সমগ্ৰ শৰীৰ অবশ হৈ পৰে- ইত্যাদি ভাবোদ্ৰেক হৈছে সাত্ত্বিক বা স্বাভাবিক অনুভাব।

### ১.8.8 **ব্যভিচাৰীভাব বা সঞ্চাৰীভাব**

স্থায়ীভাবৰ আনুষঙ্গিকৰূপে আৰু কিছুমান চিত্তবৃত্তিৰ উদয় হয়, যিবিলাক স্থায়ীভাবৰ দৰে সহজাত প্ৰবৃত্তি নহয় অথচ যিকোনো এটা স্থায়ীভাবক আশ্ৰয় কৰি ইহঁতৰ সাময়িকভাৱে উদয় হয়। যেনে—নিৰ্বেদ বা নৈৰাশ্য বা অনাসক্তিৰ ভাৱ, অসূয়া, ব্ৰীড়া, লজ্জা ইত্যাদি। বিপ্ৰলম্ভ শৃঙ্গাৰ ৰসৰ প্ৰসঙ্গত নায়কৰ মনত ৰতিভাবৰ উদয় হৈছে। কিন্তু নায়িকাৰ লগত মিলন নোহোৱাৰ ফলত তেওঁৰ মন ভাগি পৰিছে আৰু মনত নৈৰাশ্য বা নিৰ্বেদৰ উদয় হৈছে। পূৰ্ণিমাৰ জোনে তেওঁৰ বিৰহ বেদনাক তীব্ৰ কৰি তুলিছে। ইত্যাদি।

ইয়াক ব্যভিচাৰীভাব বোলাৰ কাৰণ হ'ল—এই ভাববিলাকে স্থায়ীভাবক উপজীব্য কৰি আৰু স্থায়ীভাবৰ লগত নিজৰ ধৰ্মটোও যোগ দি বিচৰণ কৰে।

এই ব্যভিচাৰী বা সঞ্চাৰী ভাৱ তেত্ৰিশবিধ—যেনে—নিৰ্বেদ (বৈৰাগ্য বা নৈৰাশ্য), গ্লানি (অৱসাদ), শঙ্কা (ভয়), অসূয়া (ঈৰ্ষা), মদ (গৰ্ব), শ্ৰম (পৰিশ্ৰম), আলস্য (এলাহ), দৈন্য (দীনতা), চিন্তা (ভাৱনা), মোহ (ভ্ৰম, স্নেহ), স্মৃতি (সোঁৱৰণ), ধৃতি (ধৈৰ্য্য), ব্ৰীড়া (লাজ), চপলতা (চঞ্চলতা), হৰ্ষ (আনন্দ), আবেগ (উৎকণ্ঠা), জড়তা (অৱশতা), গৰ্ব (অহঙ্কাৰ), বিষাদ (বিষণ্ণতা), উৎসুকা (উৎসাহ), নিদ্ৰা (টোপনি), স্বপ্ন (সপোন), অপস্মাৰ (মূৰ্চ্ছাৰোগ), প্ৰবোধ (সান্ত্বনা), অমৰ্ষ (অসহন) অৱহিথ (মনৰ ভাবগোপন কৰা), উগ্ৰতা (তীক্ষ্ণভাৱ, খঙাল প্ৰকৃতি), মতি (মন, বুদ্ধি), ব্যাধি (ৰোগ), উন্মাদ (ব্যাকুলতা), মৰণ (মৃত্যু),

ত্ৰাস (অনিষ্টৰ আশঙ্কা) আৰু বিতৰ্ক (বাদানুবাদ)। স্থায়ীভাৱৰ সহচৰ ৰূপে দেখা দিয়া এই ভাৱবোৰকে সঞ্চাৰী বা ব্যভিচাৰী ভাৱ বোলে।

আত্মমূল্যায়ন **প্ৰশ্ন**

স্থায়ীভাৱ আৰু ৰসৰ মাজৰ পাৰ্থক্য নিৰূপন কৰক? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

........................................................................................................

........................................................................................................

........................................................................................................

........................................................................................................

........................................................................................................

........................................................................................................

........................................................................................................

........................................................................................................

## ১.৫ ৰসাভাস আৰু ভাবাভাস

কোনো ৰস বা ভাৱ অনৌচিত্যভাৱে প্ৰবৰ্তিত হ'লে অৰ্থাৎ সমাজৰ নৈতিক, ধাৰ্মিক, বা সাংস্কৃতিক ৰুচিৰ প্ৰতিকূলভাৱে উপস্থিত হ'লে তাক ৰসাভাস আৰু ভাবাভাস বোলা হয়। সি আচল ৰস আৰু ভাৱ নহয়। ৰস আৰু ভাৱৰ আভাসহে হয়। শৃঙ্গাৰ ৰসৰ ক্ষেত্ৰত ৰতি ভাৱটো যদি উপনায়কৰ প্ৰতি বা খলনায়কৰ প্ৰতি, মুনি পত্নী, গুৰুপত্নীৰ প্ৰতি হয় তেতিয়া অনৌচিত্য দোষ ঘটে। সাধাৰণতে আলম্ব বিভাৱ আদিৰ বিষয়তে এই অনৌচিত্য আহি পৰে।

সীতাৰ প্ৰতি ৰাৱণৰ প্ৰেম নিবেদন কোনো জনৰ বাবে ৰসৰ দৰে আস্বাদ হ'লেও ৰস নহয়। গতিকে, সি ৰসৰ আভাস স্বৰূপ। এইটোৱেই হ'ল ৰসাভাস। লজ্জা এটা ব্যভিচাৰীভাৱ। এই ভাৱটোকো প্ৰধানভাৱে ফুটাই তুলিলে ভাৱধ্বনি হয়। কিন্তু বেশ্যাৰ ক্ষেত্ৰত লাজটো অস্বাভাবিক কথা। এনেক্ষেত্ৰত বেশ্যাৰ লাজ ফুটাই তুলিলে ভাৱধ্বনিৰ সলনি সি হ'ব ভাবাভাস।

যিটো বস্তুৰ যিটো ৰূপ অধিকাংশ লোকৰ উপলব্ধিৰ বিষয় হয় সিয়ে সঁচা। তাকে যদি কেতিয়াবা কোনোজনে অনাদৰে বুজে তেন্তে সেই বোধটো মিছা। গতিকে বস্তুটোৰ সেই ৰূপটোও মিছা, সেইটো হোৱা। উচিত নহয়—এই অৰ্থতে অনৌচিত্য শব্দটো প্ৰয়োগ হয়। কাব্য বা নাটকত স্থান পোৱা ৰস আৰু ভাৱৰ এই নিচিনা অনৌচিত্যকে ৰসাভাস আৰু ভাবাভাস বোলে। যেনে—ৰুক্মিণীহৰণ কাব্যত ৰুক্মিণীৰ বিয়াত ৰুক্মিণীৰ ৰূপ দেখি দেৱতা মনুষ্য-নাগ কাম জৰ্জৰিত হৈ পৰা আৰু হোমৰ কাম কৰা ব্ৰহ্মা কামবাণত মূৰ্চ্ছা যোৱাৰ বৰ্ণনা অনৌচিত্য দোষদুষ্ট হৈছে। ইয়াত হাস্যৰস প্ৰতীয়মান হ'লেও সি ৰসাভাসহে ৰস নহয়।

## ১.৬ ৰসৰ সংখ্যা

নাট্যশাস্ত্র প্ৰণেতা ভৰতমুনিয়ে আঠবিধ ৰস স্বীকাৰ কৰিছে আৰু সিহঁতৰ আলম্বন আৰু উদ্দীপন বিভাৱ আদিৰ বিশদ বিৱৰণ দিছে। এই আঠবিধ ৰস হ'ল শৃঙ্গাৰ, হাস্য, কৰুণ, ৰৌদ্ৰ, বীৰ, ভয়ানক, বীভৎস আৰু অদ্ভুত। উদ্ভট, আনন্দবৰ্দ্ধন আৰু অভিনৱগুপ্ত আদিয়ে শান্তৰসক স্বীকৃতি দি ৰসৰ ন-টা প্ৰকাৰ দেখুৱাইছে।

ৰসৰ সংখ্যাটোক লৈ আলংকাৰিকসকল কোনো কালেই একমত হ'ব পৰা নাই। দেখা গৈছে যে কোনো কোনোৱে সকলো ৰসৰ ঠাইত কেৱল এটা ৰসক স্বীকাৰ কৰিবলৈ বিচাৰিছে। আন কিছুমান আলঙ্কাৰিকে ন-টাতকৈ অধিক ৰস স্বীকাৰ কৰিবলৈ প্ৰয়াস কৰিছে। অভিনৱগুপ্তই শান্তৰসকেই মূল ৰস বুলি কৈছে। ভোজৰাজে শৃঙ্গাৰ ৰসটোকহে ঘাইৰস বুলি দেখুৱাইছে। ভৱভূতিৰ 'উত্তৰ ৰাম চৰিত'ৰ টীকাকাৰ বীৰ ৰাঘৱাচাৰ্য্যই কৰুণ ৰসটোকে প্ৰধান বুলি দেখুৱাইছে।

বৈষ্ণৱ আলঙ্কাৰিকসকলে আকৌ নৱিধ ৰসক লৌকিক ৰস বুলি কৈ ভক্তিৰসটোকেইহে প্ৰধান ৰস বুলি কৈছে। 'মুক্তাফল গ্ৰন্থ'ত বোপদেৱে ন বিধ ৰসক মূল ভক্তিৰসৰ মাত্ৰ প্ৰকাৰভেদ বুলি কৈছে। মধুসূদন সৰস্বতীয়ে 'ভগৱদ ভক্তি ৰসায়ণ' প্ৰভৃতি গ্ৰন্থত ভক্তিকেই পৰিপূৰ্ণ ৰস বুলি কৈছে। বৈষ্ণৱ ৰসতাত্ত্বিক ৰূপ গোস্বামীৰ মতেও ভক্তিৰসেই প্ৰধান ৰস।

বিভিন্ন আলঙ্কাৰিকে বিভিন্ন প্ৰকাৰ ৰসৰ উল্লেখ কৰিলেও বৰ্ত্তমান কাব্যত প্ৰধানকৈ প্ৰয়োগ হোৱাটোৰ ফাললৈ চাই ন বিধ ৰসকেই গ্ৰহণ কৰি ল'ব পাৰোঁ।

ৰসৰ পৰিচয় ন বিধ স্থায়ীভাৱৰ পৰা উৎপন্ন হোৱা ৰসৰ সংখ্যাও ন- বিধ। এই ন- বিধ ৰসৰ নাম হ'ল—শৃঙ্গাৰ, হাস্য, কৰুণ, ৰৌদ্ৰ, বীৰ, ভয়ানক, বীভৎস, অদ্ভুত আৰু শান্ত।

### ১। শৃংগাৰ ৰস বা আদি ৰস

ৰতি নামৰ স্থায়ীভাৱটো প্ৰিয়বস্তু বা প্ৰিয়জনক আলম্বন কৰি বসন্তাদি কাল, প্ৰমোদ, উদ্যান, চন্দ্ৰ, চন্দন, ভ্ৰমৰ গুঞ্জন আদিৰ দ্বাৰা উদ্দীপিত, কটাক্ষপাত, মিচিকিয়া হাঁহি, হাত ভৰি কঁপা, বুকু ধপ-ধপোৱা আদি ভাৱৰ দ্বাৰা সঞ্চাৰিত হৈ উঠিলে যি ৰসৰ উপলব্ধি হয় সিয়ে শৃঙ্গাৰ ৰস।

**শৃংগাৰঃ** 'শৃঙ্গ' মানে উচ্চ স্থান। ন বিধ ৰসৰ ভিতৰত ইয়াৰ স্থান সৰ্বোচ্চ হোৱাৰ বাবে ইয়াক শৃংগাৰ কোৱা হয়। ইয়াক 'আদিৰস' বুলিও কোৱা হয়। শৃংগাৰ শব্দৰ বুৎপত্তি দেখুৱাই আলঙ্কাৰিকসকলে কৈছে যে 'শৃঙ্গ' মানে কামোদ্ৰেক আৰু 'আৰ' মানে আগমন। গতিকে, কামোদ্ৰেক আগমনৰ কাৰণে স্ত্ৰী-পুৰুষৰ যি অৱস্থাবিশেষ হয় তাকে শৃঙ্গাৰ বোলে। শৃঙ্গাৰ ৰসৰ দুটা ভাগ—সম্ভোগ আৰু বিপ্ৰলম্ভ।

(১) নায়ক-নায়িকাৰ পৰস্পৰৰ চুম্বন, আলিঙ্গন আদি সম্ভোগ অৱস্থাৰ বৰ্ণনাৰ পৰা যি ৰস নিষ্পত্তি হয় সিয়ে সম্ভোগ শৃঙ্গাৰ। যেনে—

*কাহাকু হৰি হসি কৰু মান।*

*কাহাকু চুম্বন চৰ্বনি দান।।*

*কাঞ্চুৰি ছোড়ি কুশ পৰকাশ।*

*হাতে ঘেৰী গোৰী কৰতু হাস।।*

*কাহাকু লেল হৰি আম্বৰি ছোড়ি।*

*ৰহল লাজে গোপী অঙ্গ মোৰি।।*

*সবহু বেকত গুপুত অঙ্গ।*

*বচন চৰপটি ৰচায়া ঢঙ্গ।।* (কেলি গোপাল)

ইয়াত গোপীসকল আলম্বন, শৰৎ কালৰ জোনাক নিশা অৰণ্যৰ মাজৰ যমুনাৰ পাৰ আদি উদ্দীপন, চুম্বন, গাৰবস্ত্ৰ আঁতৰাই দিয়াত গোপীৰ লাজ সঞ্চাৰীভাৱ আৰু ৰতি স্থায়ী ভাৱ।

**বিপ্ৰলম্ভ শৃঙ্গাৰঃ** নায়ক-নায়িকাৰ বিয়োগ অৱস্থাৰ পৰা অভিব্যক্ত শৃঙ্গাৰ ৰসৰ নাম বিপ্ৰলম্ভ শৃঙ্গাৰ। ই পাঁচ প্ৰকাৰৰ—(১) পূৰ্বৰাগ, (২) বিৰহ, (৩) ঈৰ্ষা, (৪) প্ৰবাস আৰু (৫) দৈৱদুৰ্বিপাক।

নায়ক-নায়িকাৰ মিলনৰ পূৰ্বে পৰস্পৰৰ প্ৰতি পৰস্পৰৰ যি অনুৰাগ প্ৰথম জন্মে তাৰ নাম পূৰ্বৰাগ, অভিভাৱকৰ বাধা, লাজ, ভয় আদিৰ কাৰণে প্ৰেমিক-প্ৰেমিকাৰ পৰস্পৰৰ মিলন প্ৰতিহত হ'লে তাৰ নাম বিৰহ বিপ্ৰলম্ভ শৃঙ্গাৰ।

আনৰ প্ৰতি প্ৰণয় থকা বুলি জানি নায়ক আৰু নায়িকাই ইজনে আনজনৰ ওপৰত অভিমান বা ঠেহ পতাৰ কাৰণে যি বিয়োগ বেদনা আহে তাক ঈৰ্ষা হেতুক বিপ্ৰলম্ভ শৃঙ্গাৰ বা মান বোলা হয়।

প্ৰেমিক-প্ৰেমিকাৰ এজন আঁতৰত থাকিলে ইজনৰ মনত যি মনোবেদনা আৰু মিলনাগ্ৰহ জন্মে তাৰ পৰা নিষ্পন্ন ৰসেই প্ৰবাসহেতুক বিপ্ৰলম্ভ শৃংগাৰ।

দেৱতা, ঋষি আদিৰ অভিশাপত প্ৰেমিক-প্ৰেমিকাৰ মাজত বিচ্ছেদ ঘটিলে যি শোক ওপজে তাৰ পৰা নিষ্পন্ন ৰসক দৈৱৰ্বিপাক হেতুক কৰুণ বিপ্ৰলম্ভ শৃংগাৰ বোলে।

(২) হাস্য ৰস

বিকৃত বেশভূষা, বিকৃত আকাৰ, অসংলগ্ন কথা শুনি চিত্তৰ একপ্ৰকাৰ আন্দোলিত অৱস্থা হয় আৰু হাঁহি উঠে। এই অৱস্থাটোৱেই হ'ল হাস নামৰ স্থায়ী

ভাৱ। ই বিকৃত বেশভূষা বা সাজপাৰক আলম্বন কৰি বেশ আদিৰ বিকৃতি বা অসামঞ্জস্যৰ দ্বাৰা উদ্দীপিত, দাঁত নিকটোৱা আদিৰ দ্বাৰা অনুভাবিত শ্ৰম আলস্য আদিৰ দ্বাৰা সঞ্চাৰিত হৈ ৰসসিক্ত হৈ উঠিলে তাকে হাস্যৰস বোলা হয়। যেনে—

*ভৈলন্ত উলঙ্গট ভোলানাথ।*

*হাতে অঙ্গ ঢাকি চপৰাই মাথ।*

* *  * *  **

*নচান্ত কাকো লাজে চক্ষু মুদি।*

*আগ ঢাকন্তে পাছে উদি।।*

*হাত মেলি ঢুকি নাপান্ত ছাল।*

*বোলন্ত ভৈল মৰণৰ কাল।।*

*নপাৱন্ত একো উপায় খুজি।*

*উঠিল শঙ্কৰ আসজ বুজি।।*

*দুই হাতে অঙ্গ ধৰি চাপৰি।*

*উঠি পলাইলন্ত ভিৰে লৰৰি।।* (শঙ্কৰদেৱ, অমৃত-মন্থন)

হাস্য ৰসৰ ক্ষেত্ৰত মন কৰিবলগীয়া এয়ে যে অভিনেতা বা বিকৃত বেশ আদিক আশ্ৰয় যি জনে কৰে তেওঁৰ হাস্য ভাৱৰ উদ্রেক মুঠেই নহয়, সি সহৃদয়জনৰ দেহতহে প্ৰকাশিত হয়।

গতিকে, ৰসান্তৰত দৰ্শক বা শ্ৰোতাৰ সৈতে অভিনেতা বা কবিৰ যি সমান অনুভৱ বুলি কোৱা হৈছে সেই কথা হাস্যৰসৰ ক্ষেত্ৰত নাখাটে। এই হাস্যৰস লৌকিক ভাৱেই হওক বা কাব্য নাটকাদিৰ দ্বাৰাই হওক সদায়ে আনন্দ লহৰত উদ্বেলিত চিত্তৰ বিকাশ ৰূপ।

**৩। কৰুণ ৰস**

প্ৰিয়জনৰ অনিষ্টপ্ৰাপ্তিৰ পৰা হোৱা মানসিক কাতৰতাজনক চিত্তবৃত্তিটোৱেই হ'ল স্থায়ীভাব শোক। এই স্থায়ীভাৱেটো যেতিয়া প্ৰিয়জনৰ গুণ আদিৰ দ্বাৰা উদ্দীপিত, ৰোদন আদিৰ দ্বাৰা অনুভাবিত, দৈন্য মোহ আদিৰ দ্বাৰা সঞ্চাৰিত হৈ উঠে তেতিয়া তাক কৰুণ ৰস বোলে। যেনে-

*অধোমুখে থাকিলন্ত পুত্ৰক সুমৰি।*

*দুনাই চেতন লভি কান্দন্ত সুন্দৰী।।*

*হা সুকুমাৰ পুত্ৰ সৰ্বসুলক্ষণ।*

*কেনেবা কুযোগে আৰু মিলিল মৰণ।।*

*সৰ্বাঙ্গে সুন্দৰ যেন সোনাৰ পুতলি।*

*মোক এৰি পুতাই আৰে কোন থানে গৈলি।।* (হৰিশ্চন্দ্ৰ উপাখ্যান)

ভৱভূতিৰ **'উত্তৰ-ৰাম-চৰিত'** নাটকৰ টীকাকাৰ বীৰ ৰাঘৱাচাৰ্যই কৰুণ ৰসকেই একমাত্ৰ ৰস বুলি কৈছে। তেওঁৰ মতে আনবোৰ ৰস কৰুণ ৰসৰেই বিকৃতি মাথোন। শৃঙ্গাৰৰ সম্ভোগত যি আনন্দ আছে তাৰ মাজতো সোমাই আছে এটা সময়ত সেই সম্ভোগ শেষ হৈ যোৱাৰ নিশ্চিত বেদনা। বীৰ ৰসৰ বেলিকাও সেই বীৰত্বৰ যিজন বলি হয় তেওঁৰ কাৰণে আৰু তেওঁৰ আত্মীয়স্বজনৰ কাৰণে এটা কৰুণ পৰিস্থিতি আহি পৰাটো স্বাভাৱিক। ভৱভূতিৰ 'উত্তৰ ৰামচৰিত' নাটকৰ তৃতীয় অঙ্কৰ শেষৰফালে ৰাম আৰু সীতাৰ বিৰহ বেদনাৰ মৰ্মস্পৰ্শী দৃশ্য দেখাৰ পিছত তমসাই মন্তব্য কৰিছে -

*একো ৰসঃ কৰুণ এৱ নিমিত্তভেদাত্*

*ভিন্নঃ পৃথক্ পৃথগিৱাশ্ৰয়তে ৱিৱৰ্তান্।*

*আৱৰ্তবুদবুতৰঙ্গময়ান্ ৱিকাৰান্*

*অম্ভো য়থা সলিলমেৱ তু তৎ সমগ্ৰম্।।*

(যদিও মূলতে সি সম্পূৰ্ণৰূপে পানীয়েই, তথাপি পানীয়ে যেনেকৈ পকনীয়া, ঢৌ, সোঁত আদি বেলেগ বেলেগ বিকাৰৰ ৰূপ লয়, সেইদৰে বাস্তৱিকতে একোটা কৰুণ ৰসেই বেলেগ বেলেগ কাৰণৰ ফলত বেলেগ বেলেগ বিকৃতিৰ ৰূপ লয়)।

অৰ্থাৎ বিভাৱ আদি বেলেগ হ'লেই একোটা কৰুণ ৰসেই শৃঙ্গাৰ বীৰ আদি বিভিন্ন ৰসৰূপে ধৰা দিয়ে। সেয়ে বীৰ ৰাঘৱাচাৰ্যই মন্তব্য দিছে যে 'শৃঙ্গাৰ প্ৰকাশ'কাৰে অৰ্থাৎ ভোজৰাজে শৃঙ্গাৰকেই একমাত্ৰ ৰস বুলি ক'লেও জীৱনত কৰুণ ৰসৰ প্ৰচুৰতা থকা হেতুকে আৰু সংসাৰী সংসাৰ বিৰাগী সকলো ধৰণৰ লোকৰ ক্ষেত্ৰত ই সাধাৰণভাৱে বিদ্যমান হোৱাৰ বাবে কৰুণেই হ'ল একমাত্ৰ ৰস।

৪। **ৰৌদ্ৰৰস**

প্ৰতিকূল বস্তুৰ প্ৰতি মানসিক তীক্ষ্ণতাজনক চিত্তবৃত্তিৰ নাম ক্ৰোধ। এই স্থায়ীভাবটো বৈৰী আদিক আলম্বন কৰি বৈৰীয়ে কৰা অপকাৰ আদিৰ দ্বাৰা উদ্দীপিত তৰ্জনগৰ্জন কম্পনাদিৰদ্বাৰা অনুভাবিত, গৰ্ব, অসহিষ্ণুতা আদিৰ দ্বাৰা সঞ্চাৰিত হৈ উঠিলে তাক ৰৌদ্ৰ ৰস বোলে। যেনে-

*শুনিয়া দুৰ্বাসা যেন জ্বলিল ক্ৰোধত।*

*তৰঙ্গ ৰৰঙ্গ খঙ্গে আমি আৰকত।।*

*কৰমৰ কৰি ক্ৰোধে দশন চোৱান্ত।*
*কি বুলিলি লক্ষণ কটাক্ষ কৰি চান্ত।।*

ইয়াত লক্ষণ আলম্বন, ৰামক দেখা কৰিবলৈ নিদিয়াটো উদ্দীপন, ৰক্তচক্ষুযুক্ত তৰ্জন-গৰ্জন আদি অনুভাব, আমৰ্ষ গৰ্ব আদি ব্যভিচাৰীভাব আৰু ক্ৰোধ স্থায়ীভাব।

৫। **বীৰ ৰস**

কোনো কাৰ্য কৰিবৰ কাৰণে যি প্ৰস্তুতি বা তৎপৰতা মনৰ মাজত স্থায়ীভাবে থাকে তাৰ নাম উৎসাহ। এই ভাবটো প্ৰতিপক্ষ বা মহৎ কাৰ্য আদিক আলম্বন কৰি অপকাৰ বা বিপন্ন অৱস্থা আদিৰ দ্বাৰা উদ্দীপিত, প্ৰতিশোধ গ্ৰহণ বা বিপদৰ প্ৰতিকাৰ আদিৰ দ্বাৰা অনুভাবিত গৰ্ব, বিতৰ্ক, ৰোমাঞ্চত আদিৰদ্বাৰা সঞ্চাৰিত হৈ আস্বাদিত হ'লে বীৰ বোলে। যেনে—

*খৰমাৰ বুলি সেনা কৰে কোলাহল।*
*ঘোৰায়ে হ্ৰেসনি পাৰে চিহ্ৰে দন্তাল।।*
*বাদ্যভাণ্ড আন্দোল কৰ্ণত হানে তাল।*
*নসহে পৃথিৱী ঘনে যায় ভুমিচাল।।*
*হেন চমৎকাৰে ৰুক্মবীৰ খেদি যায়।*
*চতুৰ্ভিতি বেঢ়িয়া কটকে দেই হাই।।* (ৰুক্মিণী হৰণ কাব্য)

৬। **ভয়ানক ৰস**

সম্ভৱত দুখৰ প্ৰতি উৎকট দ্বেষবশতঃ হোৱা মানসিক কাতৰতাজনিত চিত্তবৃত্তিৰ নাম ভয়। এই স্থায়ীভাবটো যেতিয়া কোনো ভীষণ বস্তুক আলম্বন কৰি বিকট অৱস্থা বা কৰ্মৰ দ্বাৰা উদ্দীপিত কম্পন, পলায়ন আদিৰ দ্বাৰা অনুভাবিত আৰু ত্ৰাস, উদ্বেগ আদিৰ দ্বাৰা সঞ্চাৰিত হয় তেতিয়া তাক ভয়ানক ৰস বোলে। যেনে—

*বিকৃত আকাৰ তাৰ দেখিতে কুৱন্ধ।*
*প্ৰহৰৰ পথত গাৱৰ পায় গন্ধ।*
*পৰ্বত আকাৰ তাৰ স্থূলতৰ কায়।*
*নাকৰ নিশ্বাসে তাৰ বাতাসে ফোকায়।।*
*কুলা যেন দেখি তাৰ দুইমান কাণ।*
*শালবৃক্ষ সমদেখি বাহু দুই খান।।*
*পৰ্বতৰ শৃঙ্গযেন দাঁত দুই পাৰি।*
*শৰীৰৰ লোমে আছে উৰ্দ্ধক শিহৰি।।*
*চক্ষুৰ কোটৰ যেন পৰ্বতৰ গহ্বৰ।*
*লহ লহ জিহ্বা তাৰ দেখি লাগে ডৰ।*
*পোৱা শিৰি হেন দেখি শৰীৰৰ কান্তি।*
*ভয়ঙ্কৰ মুখ তাৰ দৰ্শনত ভ্ৰান্তি।।* (খটাসুৰ বধ কাব্য)

৭। **বীভৎস ৰস**

দোষ দৰ্শনৰদ্বাৰা হোৱা চিত্তৰ সঙ্কোচজনক অৱস্থাৰ নাম ঘৃণা। এই স্থায়ীভাৱটো খিণ লগা বস্তুক আলম্বন কৰি দুৰ্গন্ধি আদিৰ দ্বাৰা উদ্দীপিত, নাক কোঁচোৱা আদিৰ দ্বাৰা অনুভাবিত, গ্লানি, ব্যাধি আদিৰ দ্বাৰা সঞ্চাৰিত হৈ আস্বাদিত হ'লে তাক বীভৎস ৰস বোলে।

৮। **অদ্ভুত ৰস**

কোনো বস্তুৰ মাহাত্ম্য দেখি হোৱা চিত্তৰ বিস্তাৰজনক বৃত্তিটোৰ নাম বিস্ময়। এই স্থায়ীভাৱটো যেতিয়া কোনো অস্বাভাৱিক ঘটনাৰ দ্বাৰা উদ্দীপিত, শিহৰণ, চকখোৱা আদিৰ দ্বাৰা অনুভাবিত, বিতৰ্ক, চিন্তা, আবেগ আদিৰ দ্বাৰা সঞ্চাৰিত হয়। তেতিয়া তাক কোৱা হয় অদ্ভুত ৰস। যেনে-

*বাহু ছেদ ভৈল বীৰ ক্ৰোধে গৈলা জ্বলি।*
*ইন্দ্ৰক গিলিবে যায় মুখ গোট মেলি।।*
*অধঃ ওষ্ঠগোট মেলি মাটিত হাপিল।*
*উৰ্দ্ধ ওষ্ঠগোট গই মেঘত লাগিল।।* (বৃত্ৰাসুৰ বধ কাব্য)

৯। **শান্ত ৰস**

কোনো বস্তুৰ প্ৰতি মানসিক ঔদাসীন্যৰ নাম বৈৰাগ বা নিৰ্বেদ। ইয়াকে শম বুলিও কোৱা হয়। এই স্থায়ী ভাৱটো যেতিয়া দৃশ্যমান জগতৰ বস্তুবোৰৰ অনিত্যতাক অৱলম্বন কৰি সাধুসঙ্গ আদিৰ দ্বাৰা অনুভাবিত, ধৃতি, মতি আদিৰ দ্বাৰা সঞ্চাৰিত হয় তেতিয়া তাক শান্ত ৰস বোলে। যেনে—

*এহিমতে অনুক্ষণে ভৰত নৃপতি।*
*কৃষ্ণৰ সেৱাত দৃঢ় কৰিলন্ত মতি।।*
*এৰিলন্ত ৰাজা বিষয়ৰ চিন্তা যত।*
*কৃষ্ণবিনে আনকিছু নপৰে মনত।।*
*কৃষ্ণসাৰ চৰ্ম এক কটিত বেষ্টিত।*
*ধুলি ধূসৰিত অঙ্গ নাহি সংস্কাৰ।।*
*ৰাত্ৰিদিনে চিন্তা মাত্ৰ কৃষ্ণৰ পূজাৰ।।* (অনিৰুদ্ধঃভাগৱত ৫ম)

অভিনৱগুপ্তই শান্তৰসটোকেই সকলো ৰসৰ ভিতৰত প্ৰধান আৰু ইয়েই মূলৰস বুলি কৈছে। শান্তৰসৰ স্থায়ীভাৱ শম বা তত্ত্বজ্ঞান। প্ৰকৃততে তত্ত্বজ্ঞানৰ উদয় হ'লেহে বৈৰাগ্য উদয় হ'ব পাৰে। তত্ত্বজ্ঞান মানেই হ'ল আত্মজ্ঞান বা আত্মোপলব্ধি। শম ভাৱটো সচ্চিদানন্দ আত্মাৰ স্বভাৱ। শান্তৰসৰ ক্ষেত্ৰত তত্ত্বজ্ঞান অৱগত হোৱাৰ ফলত আত্মাৰ স্বৰূপটোৰ বাহিৰে আন কোনো জ্ঞেয় বিষয় নাথাকে। সেইদৰে আন সকলোবিলাক ৰসৰে অনুভূতিৰ চৰমপৰ্যায়টোত সেই পৰমানন্দকেই পোৱা যায়।

## ১.৭ সাৰাংশ (Summing Up)

আনন্দবৰ্ধন, বিশ্বনাথ কবিৰাজ আদি আলংকাৰিকে ৰস কাব্যৰ প্ৰধান উপাদান বুলি কৈছে যদিও ভৰতমুনিয়ে ৰসৰ অস্তিত্ব স্বীকাৰ কৰি গৈছে আৰু পোন প্ৰথম বাৰৰ বাবে ৰসৰ সূত্ৰ আগবঢ়াইছে। সেইমতে বিভাৱানুভাৱব্যভিচাৰী সংযোগাদ্ ৰসনিষ্পত্তি ঃ অৰ্থাৎ বিভাৱ, অনুভাৱ আৰু ব্যভিচাৰীভাৱ একত্ৰ স্থায়ীভাৱৰ লগত সংযুক্ত হ'লে সহৃদয়ৰ হৃদয়ত ৰসৰ সঞ্চাৰ হয়। তেনে ৰস স্থায়ীভাৱৰ বিৱৰ্তিত ৰূপ। ৰতি, হাস আদি ন- বিধ স্থায়ীভাৱৰ পৰা ক্ৰমে শৃংগাৰ হাস্য আদি ন- প্ৰকাৰ ৰসৰ নিষ্পত্তি হয়। অৱশ্যে ভৰতৰ পৰৱৰ্তী কালৰ ব্যাখ্যাকাৰ সকলে এই সূত্ৰক বিভিন্ন ধৰণে ব্যাখ্যা কৰিছে।

## ১.৮ আৰ্হি প্ৰশ্ন (Sample Questions)

১। ৰসৰ সংজ্ঞা লিখক। ৰস কেইপ্ৰকাৰৰ আৰু প্ৰত্যেকৰে উদাহৰণসহ চমু পৰিচয় দি এটি নিবন্ধ যুগুত কৰক।

২। ভক্তিৰস প্ৰকৃততে কাক কোৱা হয়। এই ভক্তি কেইপ্ৰকাৰৰ বহলাই লিখক।

৩। ৰসৰ ভিতৰত কোন বিধক শ্ৰেষ্ঠ বুলি কোৱা হয়। যুক্তি দৰ্শাই আলোচনা কৰক।

## ১.৯ প্ৰসঙ্গ গ্ৰন্থ (References/ Suggested Readings)


ড° মুকুন্দ মাধৱ শৰ্মা ঃ *ধ্বনি আৰু ৰসতত্ত্ব*

যতীন বৰা ঃ *ছন্দ, ধ্বনি আৰু অলঙ্কাৰ*

তীৰ্থনাথ শৰ্মা ঃ *সাহিত্য-বিদ্যা পৰিক্ৰমা*

ত্ৰৈলোক্যনাথ গোস্বামী ঃ *নন্দনতত্ত্ব ঃ প্ৰাচ্য আৰু পাশ্চাত্য*

মনোৰঞ্জন শাস্ত্ৰী ঃ *সাহিত্য দৰ্শন*

S.K. Dey ঃ *Sanskrit Poetics*


●●●

## দ্বিতীয় বিভাগ
## ৰসবাদ

**বিভাগৰ গঠন ঃ**

২.১ ভূমিকা (Introduction)

২.২ উদ্দেশ্য (Objectives)

২.৩ ভৰতমুনিৰ ৰস-মীমাংসা

২.৪ উৎপত্তিবাদ বা ভট্টলোল্লট ব্যাখ্যা

২.৫ অনুমতিবাদ বা শ্ৰীশঙ্কুক ব্যাখ্যা

২.৬ ভূক্তিবাদ বা ভট্টনায়ক ব্যাখ্যা

২.৭ অভিব্যক্তিবাদ বা অভিনৱগুপ্তৰ ব্যাখ্যা

২.৮ সাৰাংশ (Summing Up)

২.৯ আৰ্হি প্ৰশ্ন (Sample Questions)

২.১০ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

### ২.১ ভূমিকা (Introduction)

পূৰ্বৱৰ্তী বিভাগত ৰসৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰা হৈছে। এই বিভাগটিত ৰসবাদী আচাৰ্যসকলৰ কৃতি সম্পৰ্কে আলোচনা দাঙি ধৰা হ'ব।

ভৰতৰ নাট্যশাস্ত্ৰত কাব্যৰ ৰসৰ ধাৰণা সম্পৰ্কে আৰম্ভণি হৈছিল। আচাৰ্য ভৰতে তেওঁৰ গ্ৰন্থত ৰসসূত্ৰৰ বিষয়ে কৈছে— 'তত্ৰ বিভাৱানুভাৱব্যভিচাৰিসংযোগাদ্ৰাসনিষ্পত্তিঃ' অৰ্থাৎ বিভাৱ, অনুভৱ আৰু ব্যভিচাৰী ভাৱৰ সম্বন্ধৰ ফলত সহৃদয় পাঠকৰ হৃদয়ত প্ৰকাশ পোৱা ৰতি আদি স্থায়ী ভাৱেই হ'ল ৰস। যদিও নাট্যশাস্ত্ৰত ভৰত মুনিয়ে নাটকৰ বিষয়তহে ৰসৰ কথা প্ৰত্যক্ষভাৱে এইদৰে কৈছে কিন্তু প্ৰকৃততে ভৰত মুনিৰ গ্ৰন্থত অধিকাংশ ক্ষেত্ৰতে কাব্য আৰু নাট্য সমাৰ্থক শব্দ ৰূপে ব্যৱহৃত হৈছে। পৰৱৰ্তী সময়ত এই বিষয়ে বিভিন্ন আলংকাৰিকে তেওঁলোকৰ মন্তব্য দাঙি ধৰিছে। এই বিভাগটিত এই বিষয়ে আলোচনা কৰা হ'ব।

২.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়নৰ অন্তত আপোনালোকে—

- ভৰতমুনিৰ ৰস-মীমাংসা ব্যাখ্যা কৰিব পাৰিব,
- উৎপত্তিবাদ সম্পৰ্কে জ্ঞান লাভ কৰিব পাৰিব,
- শ্ৰীশঙ্কুক ব্যাখ্যা বা অনুমতিবাদ বিচাৰ কৰিব পাৰিব,
- ভট্টনায়ক ব্যাখ্যা বা ভূক্তিবাদৰ বিষয়ে পৰ্যালোচনা কৰিব পাৰিব,
- অভিনৱ স্তুপৰ ব্যাখ্যা বা অভিব্যক্তিবাদ ফঁহিয়াই চাব পাৰিব

## ২.৩ ভৰতমুনিৰ ৰস-মীমাংসা

ভৰতৰ 'নাট্যশাস্ত্ৰ'ত ৰসৰ নিষ্পত্তি দি কোৱা হৈছে-

"বিভাৱানুভাৱ ব্যভিচাৰি সংযোগাদ্ ৰসনিষ্পত্তিঃ।"

-অৰ্থাৎ বিভাৱ, অনুভাৱ আৰু ব্যভিচাৰীভাবৰ সংযোগত ৰসৰ নিষ্পত্তি হয়। ব্যৱহাৰিক জগতত ৰতি আদি স্থায়ী ভাৱৰ যিবোৰ কাৰণ, কাৰ্য্য আৰু সহকাৰী হয় কাব্য আৰু নাটকত সেইবোৰেই যথাক্ৰমে বিভাৱ, অনুভাৱ আৰু ব্যভিচাৰী ভাৱ নামেৰে অভিহিত হয়। এনে বিভাৱ আদিৰ দ্বাৰা সামাজিকৰ হৃদয়ত স্থায়ীভাৱ আস্বাদিত হয় তেতিয়া তাক ৰস বোলা হয়। অভিনৱগুপ্তই ভৰতৰ নাট্যশাস্ত্ৰৰ ভাষ্য "অভিনৱভাৰতী"ত এনেদৰে কৈছে—ব্যক্তিগতক সাধাৰণৰূপে সহৃদয় সামাজিকৰ গোচৰীভূত কৰা ব্যাপাৰটোক কোৱা হয় সাধাৰণীকৰণ (Universalisation of Art)। অভিনয় চাই থকাৰ সময়ত দৰ্শকৰ মনৰ মাজত ভেদ ভাব নাথাকে। সেইকাৰণে নায়ক আৰু দৰ্শকৰ মন কোনো নাটক উপভোগৰ সময়ত একেস্তৰত থাকিলে তাক সাধাৰণীকৰণ বোলা হয়। নাটক সৃষ্টিৰ সময়ত নাট্যকাৰৰ যিদৰে ৰসোপলব্ধি হয়, সেইদৰে অভিনেতাৰো হয়। যেতিয়া দৰ্শকৰ মন সেইস্তৰলৈ উন্নীত হয় তেতিয়া তেওঁৰ মনলৈ আহে তন্ময়তা। এনেদৰে সাধাৰণীকৰণ হ'লে সামাজিক (দৰ্শক) মাত্ৰৰে হৃদয়স্থ স্থায়ী ভাৱটো অভিব্যক্ত হৈ চিদানন্দ দান কৰে। স্থায়ীভাৱৰ এনে অভিব্যক্তিয়েই ৰস নিষ্পত্তি।

অভিনৱ গুপ্তই তেওঁৰ 'অভিনৱভাৰতী'ত দিয়া ৰসৰ সংজ্ঞাকেই কাব্যতত্ত্ব বিচাৰৰ ক্ষেত্ৰত পৰৱৰ্তী কালত গ্ৰহণ কৰা হৈছে। সকলোৱে ইয়াক স্বীকাৰ কৰি

লৈছে যে ৰসেই কাব্যৰ জনক। অভিনৱগুপ্তই উল্লেখ কৰা মতে ৰসোপলব্ধি কেনেকৈ হয় এই বিষয়লৈ পণ্ডিতসকলৰ মাজত যি মতানৈক্যই দেখা দিছিল তাতেই চাৰিটা মতবাদৰ সৃষ্টি হৈছিল। যেনে—উৎপত্তিবাদ, অনুমিতিবাদ, ভুক্তিবাদ আৰু অভিব্যক্তিবাদ। লোল্লটে উৎপত্তিবাদ, শঙ্কুকে অনুমিতিবাদ আৰু ভট্টনায়কে ভুক্তিবাদৰ অৱতাৰণা কৰা বুলি অভিনৱ গুপ্তই জানিবলৈ দিছে আৰু সেই মতবাদবোৰ তেওঁৰেই 'অভিনৱভাৰতী'ত আলোচনা কৰিছে। অভিনৱ গুপ্তই নিজেই অভিব্যক্তিবাদৰ অৱতাৰণা কৰিছে।

## ২.৪ উৎপত্তিবাদ বা ভট্টলোল্লট ব্যাখ্যা

উৎপত্তিবাদৰ উদ্ভাৱক লোল্লট এজন মীমাংসক আছিল। লোল্লটৰ ৰসনিষ্পত্তিৰ ব্যাখ্যা হৈছে—ৰসে অভিনেতাকেই আলম্বন কৰি অৱস্থান কৰে। লোল্লটৰ ব্যাখ্যা মতে তিৰোতা, উদ্যান আদি আলম্বন আৰু উদ্দীপন কাৰণৰ দ্বাৰা ৰতি আদি ভাৱবোৰ উৎপাদিত হয়। কটাক্ষ আদিৰদ্বাৰা সি আনৰ প্ৰতীতিযোগ্য হয় আৰু নিৰ্বেদ, হৰ্ষ-বিষাদ আদি সহকাৰী কাৰণবিলাকৰ দ্বাৰা পৰিপুষ্ট হয়। এই ৰতি যদি ভাব ৰাম আদি নায়ক-নায়িকাত থাকে যদিও ৰামৰ ভাও দিয়া সেই ভাৱৰীয়াজনেই ৰাম—এনেৰূপ প্ৰতিভাত হয় এই কাৰণেই অভিনেতাতো ৰতি আদি ভাব আৰোপিত হয় আৰু সি ৰস নাম পায়। মুঠতে, ভট্টলোল্লটৰ ৰসটো সহৃদয়ৰ নিজা অনুভূতি নহয়। ই নায়কজনৰহে মনৰ বস্তু। তাৰ বিষয়ে জানিব পাৰি মনত এটা আনন্দ হয় যদিও তাৰ পৰা সহৃদয়ৰ ৰসৰ অনুভূতি পোনপটীয়াকৈ নহয়। লোল্লটৰ মতে বিভাৱাদিৰ বলত স্থায়ীভাৱটো উৎপাদিত হয়। সেয়ে এওঁৰ মতটোক উৎপত্তিবাদ বোলা হয়।

লোল্লটৰ এই ৰসনিষ্পত্তি সূত্ৰ ভ্ৰমাত্মক। ইয়াৰ অভিনেতাত ৰামত্ব আৰোপ আৰু ৰাম সম্বন্ধে ৰতি আদি ভাবৰ আৰোপ ভ্ৰমমূলক। এডাল জৰীক সাপ বুলি ভ্ৰম হ'লেও সেই ভ্ৰমৰ পৰা প্ৰকৃত ভয় উৎপত্তি হয়। মিছা সাপৰ পৰা যিদৰে প্ৰকৃত উৎপত্তি হয় তেনেকৈ ভ্ৰমমূলক ৰতিভাৱৰ পৰাও সামাজিকৰ প্ৰত্যক্ষ আনন্দোপলব্ধি সম্ভৱ হয়। কিন্তু লোল্লটে কোৱা মতে বেশভূষাৰ দ্বাৰা নায়ক নায়িকাৰ ভাৱ অনুকৰণ কৰা সহজসাধ্য নহয়। আনহাতে ইয়াত ৰতি আদি ভাৱৰ উৎপত্তিৰ কথাহে কোৱা হৈছে, ৰস উপত্তিৰ কথা কোৱা নাই। স্থায়ীভাৱ আৰু ৰসভিন্ন বস্তু। গতিকে, ভাৱৰ উৎপত্তিয়েই ৰসৰ উৎপত্তি হ'ব নোৱাৰে। লোল্লটৰ উৎপত্তিবাদৰ ৰূপটো সেয়ে যথাযথভাবে বুজা নাযায়।

## ২.৫ অনুমিতিবাদ বা শ্রীশঙ্কুক ব্যাখ্যা

ৰসনিষ্পত্তিৰ সন্দৰ্ভত অনুমিতিবাদৰ পৃষ্ঠপোষকতা কৰে শঙ্কুক নামৰ এজন নৈয়ায়িকে। এওঁ ভৰতৰ 'নাট্যশাস্ত্ৰ'ৰ ওপৰত এখন টীকাগ্ৰন্থ ৰচনা কৰে বুলি 'অভিনৱ ভাৰতী'ত অভিনৱগুপ্তই উল্লেখ কৰে।

অভিনৱগুপ্তই উল্লেখ কৰা মতে শঙ্কুকে ৰস নিষ্পত্তিৰ বিষয়টো ন্যায়মতানুযায়ী ব্যাখ্যা কৰিছিল। শঙ্কুকৰ এই ব্যাখ্যাত কোৱা হৈছে যে-অভিনেতাৰ নিপুন অভিনয়ৰ ফলত বিভাৱাদি কাৰণবোৰ কৃত্ৰিম হ'লেও সেইবোৰক অকৃত্ৰিম আৰু সত্য যেন লাগে। সেই বিভাৱাদিৰ সৈতে অভিনেতাৰ সম্বন্ধ থকাৰ কাৰণে তাত ৰতি আদি স্থায়ী ভাৱ নথকা সত্ত্বেও থকা বুলি অনুমান হয়। ধোঁৱা নহ'লেও ভুলতে ধোঁৱা বুলি প্ৰতীত কুঁৱলীৰ দ্বাৰাও যিদৰে জুইৰ অনুমান হয়, সেইদৰে (অভিনেতা) ৰামৰ এই (অভিনেত্ৰী) সীতা বিষয়ক ৰতি আছে, যিহেতু ৰতিৰ কাৰ্য্য-কাৰণ আৰু সহকাৰীবোৰ তাত দেখা গৈছে। এনেকুৱা অনুমানজনিত জ্ঞান হয়। যিদৰে চিত্ৰত ঘোঁৰা এটা দেখিলে এইটো ঘোঁৰা হয়নে নহয়, এই সন্দেহ নহয়। চিত্ৰটোকে ঘোঁৰা বুলি গ্ৰহণ কৰা হয়। সেইদৰে অভিনেতাক অভিনয়ৰ সময়ত সামাজিকে ৰাম বুলি গ্ৰহণ কৰে আৰু ৰতি আদি স্থায়ীভাৱৰ অনুমান হয়। ইয়াকে 'চিত্ৰতুৰগ প্ৰতীত' আখ্যা দিয়া হৈছে। ই যথাৰ্থ প্ৰতীতি (যেনে—এৱেঁই ৰাম) মিথ্যা প্ৰতীতি (এওঁ ৰাম নহয়), সাদৃশ্য প্ৰতীতি (এওঁ ৰামৰ নিচিনা), আৰু সংশয় প্ৰতীতি (এওঁ ৰাম হ'বও পাৰে, নহ'বও পাৰে)—এই চাৰিপ্ৰকাৰ প্ৰতীতিতকৈ ভিন্ন। ছবি দেখিলে যেনেকুৱা জ্ঞান হয় তেনেধৰণৰ একপ্ৰকাৰ অভেদ জ্ঞান। এই অনুমানত অনুমেয় ৰতি আদি স্থায়ীভাৱে নিজ সৌন্দৰ্যৰ কাৰণে আলৌকিক আনন্দময়ৰূপে আস্বাদিত হৈ ৰস নাম পায়। এনেকুৱা ৰতি আদি ভাৱৰ অনুমানেই ৰস নিষ্পত্তি। অৰ্থাৎ অভিনেতাই নিপুনভাৱে উপস্থাপিত কৰা বিভাৱাদিৰ সহায়ত স্থায়ীভাৱটো অভিনেতাৰ হৃদয়ত জাগি উঠিছে বুলি অনুমান কৰি লোৱা হয়।

শঙ্কুকৰ এই ব্যাখ্যা ভ্ৰান্তিমূলক। অনুকৰণ কৰা কাৰণেই স্থায়ীভাৱটোকেই তেওঁ ৰস বুলি কৈছে। কিন্তু স্থায়ী ভাৱটো আন এজন লোকৰ অন্তৰত উদয় হৈছে বুলি কেৱল অনুমান কৰি ল'লে সি অন্য লৌকিক অনুমানতকৈ বেলেগ একো নহ'ব। কোনো নায়ক বা নায়িকাৰ ঘনিষ্ঠতা দেখি তেওঁলোকৰ মাজত যদি ভাল পোৱা আছে বুলি অনুমান কৰা হয় তেন্তে তাৰ পৰা কোনো ৰসানুভূতিৰ আস্বাদ পোৱা নাযাব। ৰসানুভূতিৰ ক্ষেত্ৰত সহৃদয়জন সমগ্ৰ পৰিস্থিতিটোৰ মাজত নিজেই সোমাই পৰে। গতিকে, যেতিয়ালৈকে স্থায়ী ভাৱটোৰ অনুভূতিটোৱে সহৃদয়ৰ হৃদয় স্পৰ্শ কৰিব নোৱাৰে তেতিয়ালৈকে ৰসানুভূতি হ'ব নোৱাৰে।

## ২.৬ ভুক্তিবাদ বা ভট্টনায়ক ব্যাখ্যা

ভুক্তিবাদৰ প্ৰবৰ্তক ভট্টনায়ক। ভুক্তিবাদৰ লগতে এওঁক সাধাৰণীকৰণ সিদ্ধান্তৰ প্ৰবৰ্তক বুলিও জনা যায়। অভিনৱগুপ্তই উল্লেখ কৰা মতে ভট্টনায়কে সাংখ্য দৰ্শনৰ গৃহীত সিদ্ধান্ত অনুসৰি ৰসবাদৰ ব্যাখ্যা কৰিছিল। ভট্টনায়কে কৈছে যে ৰসৰ উৎপত্তি, অনুমান বা অভিব্যক্তি একোৱেই নহয়। স্থায়ীভাবটো দৰ্শকৰ নিজা হোৱাটো সম্ভৱ নহয়। ৰুক্মিণীৰ প্ৰতি কৃষ্ণৰ যি ৰতি আছিল দৰ্শকৰ ৰুক্মিণীৰ প্ৰতি সেই একে ৰতি থাকিব নোৱাৰে। কাৰণ, কৃষ্ণৰ লগত ৰুক্মিণীৰ যি সম্বন্ধ দৰ্শকৰ লগত সেই একেটা সম্বন্ধ হ'ব নোৱাৰে। সেইদৰে ৰুক্মিণীক মঞ্চত দেখি দৰ্শকৰো নিজৰ প্ৰেয়সীলৈ মনত পৰে আৰু ৰসানুভূতিৰ সময়ত নিজৰ প্ৰেয়সীৰ প্ৰতি থকা ৰতিকে অনুভৱ কৰে বুলি ক'বলৈ গ'লেও সেইটোও সম্ভৱ নহয়। দৰ্শকৰ অন্তৰত ৰসৰ উৎপত্তি হয় বুলি ক'বলৈ গ'লে শৃঙ্গাৰ ৰসৰ ক্ষেত্ৰত দৰ্শকৰ কেৱল কাম ভাৱটোৰহে অনুভূতি হ'ব, আনন্দৰ নহয়। তদুপৰি ভট্টনায়কৰ মতে ব্যঞ্জনাৰ দ্বাৰাও ৰসৰ অনুভূতি হ'ব নোৱাৰে। কাৰণ, পূৰ্বৰে পৰা সিদ্ধ হৈ থকা বস্তু এটাৰহে ব্যঞ্জনা হ'ব পাৰে। কিন্তু ৰস পূৰ্বৰে পৰা দৰ্শকৰ হৃদয়ত সিদ্ধ হৈ নাথাকে।

ভুক্তিবাদৰ মতে কাব্যত অভিধা লক্ষণাৰ বাহিৰেও ভাৱকত্ব আৰু ভোজকত্ব নামৰ দুটা শক্তি আছে। ভাৱকত্ব ক্ৰিয়াৰ দ্বাৰা নায়ক-নায়িকা শ্ৰীকৃষ্ণ, গোপী আদিত সাধাৰণ পুৰুষ আৰু স্ত্ৰীভাৱ উৎপন্ন হয়। গতিকে, গোপী কৃষ্ণৰ ৰতি আদিভাৱ ব্যক্তি বিশেষৰ নহৈ সৰ্বসাধাৰণ অৰ্থাৎ সাধাৰণভাৱে কামুকৰ কামিনী বা তেনে বিষয়ক ৰতি আদি স্থায়ী ভাৱৰূপে উপস্থাপিত কৰা হয়। আকৌ তাৰ লগে লগে ভোজকত্ব ক্ৰিয়াৰ দ্বাৰা সামাজিকৰ ৰজঃ আৰু তমোঃ গুণক আক্ৰান্ত কৰি সুখাত্মক অনুভূতি স্বৰূপে সত্বগুণক উদ্ৰেক কৰে আৰু ৰতি আদি স্থায়ী ভাৱ আস্বাদিত হৈ মনত এক আনন্দময় অনুভূতি জগাই তোলে। এই আনন্দময় অনুভূতিটোৱেই ৰস আৰু ইয়াৰ স্বৰূপ হৈছে স্ফুৰণৰূপ ভুক্তিয়েই হৈছে ৰসনিষ্পত্তি।

ভাৱকত্ব শক্তিয়ে যি ভাৱাদিক সাধাৰণীকৰণ কৰে। ইয়াৰ ফলত আলম্বন বিভাৱ, উদ্দীপন বিভাৱাদিৰ স্থান-কালগত সংকীৰ্ণতা যি থাকে তাৰ পৰা সেইবোৰক মুক্ত কৰি তোলে। সেয়ে ৰতি আদি ভাৱবিলাক আনৰ বুলি ভাবিবলৈ তাৰ প্ৰতি উদাসীন হৈ থাকিবলগীয়া নহয়।

এই ৰসবাদৰ মতে নাটক বা কাব্যৰ সমগ্ৰ পৰিস্থিতিটোৱেই উপভোগ্য হৈ পৰে। আনকি কৰুণ বা বীভৎস আদি ৰসবিলাকো উপভোগ্য হৈ পৰে। এক কথাত ক'বলৈ গ'লে সত্ব প্ৰধান অন্তৰৰ দ্বাৰা সাধাৰণতে ৰতি প্ৰভৃতি স্থায়ীভাৱৰ অনুভূতিৰ ফলত যি অনাবিল আনন্দৰ উপলব্ধি হয় সিয়ে ৰস। ৰস নিষ্পত্তি মানে হ'ল ৰসৰ আস্বাদন বা ভোগ। সেয়ে ভট্টনায়কৰ এই মতটোক ভুক্তিবাদ বোলা

হয়। কিন্তু ভূক্তিবাদত যি ভাবকত্বৰ কথা কোৱা হৈছে সি ব্যঞ্জনাৰ দ্বাৰাও সিদ্ধ হ'ব পাৰে। কাব্যৰ অৰ্থই ৰসৰ ভাবক। আনহাতে ৰসৰ স্বৰূপটোতে ভোগৰ ভাব নিহিত আছে। এনেস্থলত দুটা নতুন ব্যাপাৰ কল্পনাৰ বিশেষ আৱশ্যকতা দেখা নাযায়।

## ২.৭ অভিব্যক্তিবাদ বা অভিনৱগুপ্তৰ ব্যাখ্যা

অভিব্যক্তিবাদৰ প্ৰবৰ্ত্তক অভিনৱগুপ্ত। প্ৰসিদ্ধ শৈৱ দাৰ্শনিক কাশ্মীৰ অধিবাসী অভিনৱগুপ্ত দশম শতাব্দীৰ লোক। অভিনৱগুপ্তই ভৰতৰ নাট্যশাস্ত্ৰৰ সূত্ৰাদিৰ পৰিচয় দাঙি ধৰিছে। অভিনৱ গুপ্তই ৰসনিষ্পত্তিৰ প্ৰণালীটো অতি স্পষ্টকৈ বৰ্ণনা কৰিছে।

যুৱক-যুৱতী, উদ্যান, কটাক্ষ, নিৰ্বেদ আদি দেখিলে তাৰ পৰা যিকোনো লোকৰে ৰতি বা ভালপোৱা ৰূপে স্থায়ীভাৱৰ অনুমান হয়। তেনে অৱস্থাত কাব্য, নাটক আদিৰ দ্বাৰা কোনো অৰ্থ সমৰ্পিত হ'লে তেওঁৰ চিত্ত তাতেই একাগ্ৰভাৱে আবিষ্ট হয় আৰু যুৱক-যুৱতী আদি স্থায়ীভাৱৰ কাৰণ কাৰ্যাদি বিভাৱ আদিয়ে ব্যক্তিবিশেষৰ সংকীৰ্ণতা ত্যাগ কৰি সাধাৰণ আৰু ব্যাপক হৈ উঠে। এনেকৈ সাধাৰণৰূপে প্ৰতীত বিভাৱাদিৰ দ্বাৰা সামাজিকৰ হৃদয়ত সূক্ষ্মৰূপে থকা ৰতি আদি স্থায়ী ভাৱ ৰসৰূপে অভিব্যক্তি হয়। ৰতি আদি ভাব বিভাৱাদিৰ সৈতে মিলিত হ'লে সি অনিৰ্বচনীয় আনন্দৰূপে অনুভূত হয় আৰু সিয়েই শৃঙ্গাৰাদি ৰস নামেৰে অভিহিত হয়।

যিদৰে শকুন্তলা নাটকত দুষ্যন্তই শৰবিদ্ধ কৰিবলৈ খেদি যোৱা হৰিণাটোৰ বৰ্ণনা দিয়া যিটো শ্লোক আছে সি বাচ্য অৰ্থৰূপে কেৱল ভয় খোৱা হৰিণাটোৰহে অৰ্থ দিয়ে। সেই অৰ্থৰ পৰা দৰ্শক পাঠকৰ মনত যিটো ভয়ৰ বোধ জন্মে সেই ভয়টোৰ সৈতে হৰিণাৰ বা হৰিণাটোৰ স্থান আৰু কালৰ কোনো সমন্ধ নাথাকে। সেই ভয় নামৰ স্থায়ীভাৱটো মূলতে হৰিণাৰ, কিন্তু সাধাৰণীকৰণ হোৱাৰ ফলত সহৃদয়জনেও তাক সমানে অনুভৱ কৰে। স্থান-কাল আৰু পাত্ৰ সংকীৰ্ণতাই স্পৰ্শ নকৰা এই ভয়টোক যেতিয়া একাগ্ৰচিত্তেৰে অনুভৱ কৰা হয় তেতিয়াই সি দৰ্শকৰ হৃদয়ক অভিভূত কৰি তুলি "ভয়ানক ৰস" নাম পায়। ইয়াকে ৰস চৰ্বণা বা পাগুলা বোলে। এই কাৰ্যটো এনে আনন্দদায়ক যে এটা সময়ত স্থায়ীভাৱটোৰ স্বকীয় পৰিচয়টোৱেই নোহোৱা হৈ যায় আৰু সেই আনন্দটোৰ মাত্ৰ জ্ঞানটোহে বাকী থাকেগৈ। এইদৰে ৰসানুভূতিৰ চৰম পৰ্যায়ত কেৱল এটা অখণ্ড আনন্দৰহে জ্ঞান হয়। জ্ঞান হ'ল আনন্দস্বৰূপ। সেই জ্ঞানৰ যিজন জ্ঞাতা অৰ্থাৎ সহৃদয়ৰ যি আত্মা সিও আনন্দস্বৰূপ। যিটো জ্ঞান স্বৰূপ সিয়ে আনন্দস্বৰূপ আৰু সিয়েই সত্যস্বৰূপো। সেই সৎ চিৎ আনন্দ বা সচ্চিদানন্দই হ'ল ৰস স্বৰূপ। তৈত্তিৰীয় উপনিষদত কোৱা হৈছে—"ৰসো বৈ সঃ ৰসং হ্যেবায়ং লব্ধানন্দী ভবতি।" (তৈ.উ.—২।৭)

ৰসানুভূতিৰ চৰম পৰ্যায়টোত আত্মাই আনন্দ স্বৰূপ নিজকে নিজেই উপলব্ধি কৰিব পাৰে। সেইটো পৰ্যায়ত জ্ঞাতা জ্ঞেয় আৰু জ্ঞানৰ কোনো ভেদ নাথাকে। যোগীয়ে যোগৰ বলেৰে আত্মাক উপলব্ধি কৰি যি আনন্দ পায় ৰসৰ অনুভূতিটোও সেইটো পৰ্যায়ৰ আনন্দ। ৰসোপলব্ধিৰ সময়ত যি অনুভূতি বা উপলব্ধি হয় সেই উপলব্ধিটোৱেই আনন্দ আৰু সেই আনন্দটোৱেই হ'ল ৰস।

অভিনৱগুপ্তৰ অভিব্যক্তিবাদটোক পৰৱৰ্তী আলঙ্কাৰিক জগন্নাথে তেওঁৰ "ৰসগঙ্গাধৰ" গ্ৰন্থত আৰু সুস্পষ্ট কৰি তুলিছে। তেওঁ কৈছে যে ৰতি আদি ভাৱৰ দ্বাৰা অৱচ্ছিন্ন চিদানন্দই হ'ল ৰস।

মম্মট, বিশ্বনাথ, জগন্নাথ প্ৰভৃতি পৰৱৰ্তীকালৰ অধিকাংশ আলঙ্কাৰিকে অভিনৱগুপ্তৰ অভিব্যক্তিবাদ মতটোক অনুসৰণ কৰিছে।

## ২.৮ সাৰাংশ (Summing Up)

ৰসৰ সৰ্বপ্ৰথম ধাৰণা দিয়ে ভৰত মুনিয়ে তেওঁৰ নাট্যশাস্ত্ৰৰ জৰিয়তে। এই ৰসসম্প্ৰদায়ৰ মতে ৰসেই হ'ল কাব্যৰ প্ৰধান, কাব্যৰ মূল, আত্মা। নাট্যশাস্ত্ৰত ৰসৰ প্ৰধান্য ব্যাখ্যা কৰি কোৱা হৈছে— 'ন হি ৰসাদৃতে কশ্চিদৰ্থঃ প্ৰৱৰ্ত্ততে'— অৰ্থাৎ ৰস অবিহনে কোনো অৰ্থই প্ৰযুক্ত নহয়। নাট্যশাস্ত্ৰত থকা ৰসৰ বিষয়ে এই ধাৰণাক কেন্দ্ৰ কৰি পৰৱৰ্তী কালত বিভিন্ন আলঙ্কাৰিকে কাব্যৰ প্ৰসঙ্গত ৰসৰ চৰ্তবিহীন প্ৰাধান্য মানি লৈছে। এই ক্ষেত্ৰত আচৰ্য মম্মটভট্ট, ভোজ, ধনঞ্জয়, বিশ্বনাথ কবিৰাজ আদিৰ নাম উল্লেখ কৰিব পাৰি। বিশ্বনাথ কবিৰাজে তেওঁৰ 'সাহিত্য দৰ্পন' গ্ৰন্থত কাব্যৰ লক্ষণ প্ৰসঙ্গত কৈছে— 'বাক্যং ৰসাত্মকং কাব্যং' অৰ্থাৎ 'ৰস আত্মা সাৰ'— তেনেকুৱা বাক্যই হ'ল কাব্য। এইদৰে ৰস সম্প্ৰদায়ে ৰসকেই কাব্যৰ আত্মা বুলি স্বীকাৰ কৰিছে। ইয়াত ৰস বুলি ক'লে ভাৱ-ৰসাভাৱ-ভাৱাভাস আদিও অন্তৰ্ভূক্ত হয়। কাব্য ৰস ন বিধ। এই সম্প্ৰদায় মতে কাব্য পাছৰ মাজেদি পাঠকে যি আনন্দ লাভ কৰে সেইটো 'ব্ৰহ্মাস্বাদসহোদৰঃ' অৰ্থাৎ ব্ৰহ্মপ্ৰাপ্তিৰ আনন্দৰ দৰে। পণ্ডিতৰাজ জগন্নাথেও এই মতবাদৰ অনুগামী।

## ২.৯ আৰ্হি প্ৰশ্ন (Sample Questions)

১। ভৰত মুনিৰ ৰস-মীমাংসা বুলিলে কি বুজা?

২। ৰস সম্প্ৰদায়ৰ বিভিন্ন বক্তাসকলৰ বিষয়ে চমুকৈ আলোচনা কৰক।

৩। সাহিত্যত ৰস সম্পৰ্কে কি কি মতবাদৰ সৃষ্টি হৈছিল? বহলাই আলোচনা কৰক।

২.১০ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)


| | | |
|---|---|---|
| ড° মুকুন্দ মাধৱ শৰ্মা | ঃ | *ধ্বনি আৰু ৰসতত্ত্ব* |
| যতীন বৰা | ঃ | *ছন্দ, ধ্বনি আৰু অলঙ্কাৰ* |
| তীৰ্থনাথ শৰ্মা | ঃ | *সাহিত্য-বিদ্যা পৰিক্ৰমা* |
| ত্ৰৈলোক্যনাথ গোস্বামী | ঃ | *নন্দনতত্ত্ব ঃ প্ৰাচ্য আৰু পাশ্চাত্য* |
| মনোৰঞ্জন শাস্ত্ৰী | ঃ | *সাহিত্য দৰ্শন* |
| S.K. Dey | ঃ | *Sanskrit Poetics* |

## তৃতীয় বিভাগ

## সাহিত্যৰ গুণ ঃ ধাৰণা আৰু প্ৰয়োগ

**বিভাগৰ গঠনঃ**

৩.১ ভূমিকা (Introduction)
৩.২ উদ্দেশ্য (Objectives)
৩.৩ সাহিত্যৰ প্ৰয়োজন
৩.৪ সাহিত্য বা কাব্যৰ হেতু
৩.৫ সাহিত্যৰ গুণ-দোষ
৩.৬ সাৰাংশ (Summing Up)
৩.৭ আৰ্হি প্ৰশ্ন (Sample Questions)
৩.৮ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

### ৩.১ ভূমিকা (Introduction)

পূৰ্বৱৰ্তী বিভাগটিত ৰসবাদী আচাৰ্যসকলৰ কৃতি সম্পৰ্কে আলোচনা কৰি অহা হৈছে। এই বিভাগটিত সাহিত্যৰ গুণ আৰু দোষ সম্পৰ্কে অলোচনা কৰা হ'ব।

সাহিত্য অথবা কাব্যৰ স্বৰূপ সম্পৰ্কত বিভিন্ন আলঙ্কাৰিক সকলে বিভিন্ন মতবাদ আগবঢ়াই গৈছে। সাহিত্যৰ প্ৰয়োজনীয়তা, সৃষ্টিৰ হেতু, গুণ অথবা দোষ সম্পৰ্কেও নানা মতবাদৰ সৃষ্টি হৈছে। এই বিভাগটিত এই সকলোবোৰ দিশ চমুকৈ আলোচনা কৰা হ'ব।

### ৩.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়নৰ অন্তত আপোনালোকে—

- সাহিত্যৰ প্ৰয়োজন সম্পৰ্কে জ্ঞাত হ'ব পাৰিব,
- সাহিত্য বা কাব্যৰ হেতু বিচাৰ কৰিব পাৰিব,
- সাহিত্যৰ গুণ-দোষৰ বিষয়ে পৰ্যালোচনা কৰিব পাৰিব।

### ৩.৩ সাহিত্যৰ প্ৰয়োজন

কাব্য অথবা সাহিত্য হৈছে এবিধ কলা আৰু কলা হিচাপে ইয়াৰ উদ্দেশ্য হৈছে ঘাত-প্ৰতিঘাতত নিমজ্জিত হৈ থকা মানুহক নন্দনতাত্ত্বিক আনন্দ প্ৰদান কৰা। সংস্কৃত আলংকাৰিকসকলে কাব্যৰ আনন্দৰ বৈশিষ্ট্যৰ কথা বিভিন্ন গ্ৰন্থত উল্লেখ কৰিছে।

আচাৰ্য্য ভৰতে তেওঁৰ '*নাট্যশাস্ত্ৰ*'ত নাটকৰ উপযোগিতা সম্বন্ধে কৈছে যে, বেদবিদ্যা, ইতিহাস, আখ্যান, স্মৃতি, সদাচাৰ আৰু অৱশিষ্ট বিষয়ৰ সহায়ত পৰিকল্পিত এই নাটকে জগতক আনন্দ প্ৰদান কৰিব— "বেদবিদ্যেতিহাসানামাখ্যানস্পৰিকল্পনম্। শ্ৰুতিস্মৃতি সদাচাৰ পৰিশেষাৰ্থ কল্পনম্। বিনোদজননং লোকে নাট্যমেতদ্ ভৱিষ্যতি"। কেৱল নাটকেই নহয় সকলো সৃষ্টিশীল সাহিত্যই আনন্দ প্ৰদান কৰে। আনন্দবৰ্দ্ধনে স্পষ্টভাৱেই উল্লেখ কৰিছে যে অন্য প্ৰয়োজন থাকিলেও আনন্দদানেই হৈছে কাব্যৰ মুখ্য উদ্দেশ্য। ৰসেই হৈছে কাব্যৰ সুখানুভূতিৰ মৌলিক ৰূপ। মম্মট ভট্টৰ মতে, কাব্যৰ সকলো প্ৰয়োজনৰ মূল উদ্দেশ্যই হৈছে ৰসস্বাদনৰ পৰা উদ্ভৱ হোৱা এক প্ৰকাৰৰ আনন্দ। পৃথিৱীৰ সকলো দেশৰ সকলো কাব্য সমালোচকৰ মতে আনন্দ দানেই হৈছে কাব্যৰ ধৰ্ম বা প্ৰয়োজন। সংস্কৃত আলংকাৰিকসকলেও কাব্যৰ প্ৰয়োজন বা উদ্দেশ্য যে আনন্দানুভূতি জগাই তোলা—সেইটো স্বীকাৰ কৰিছে তথা কিছুমান উদ্দেশ্যৰো উল্লেখ কৰিছে।

আলংকাৰিক ভামহে কৈছে যে, কাব্যানুশীলন বা উৎকৃষ্ট কাব্য অধ্যয়নে ধৰ্ম, অৰ্থ, কাম অথবা মোক্ষ লাভত সহায় কৰে। সংস্কৃত আলংকাৰিকসকলে তেওঁলোকৰ গ্ৰন্থসমূহত সাহিত্যৰ উদ্দেশ্য সম্বন্ধে ক'বলৈ গৈ চতুৰ্বৰ্গ লাভৰ কথা উল্লেখ কৰাৰ লগতে প্ৰসঙ্গক্ৰমে বেদাদিশাস্ত্ৰ থাকোতে কাব্যৰ অনুশীলনৰ পৰা কেনেকৈ এই চতুৰ্বৰ্গ সম্ভৱ হয় তাৰো আলোচনা দাঙি ধৰিছে। সাধাৰণতে বেদাদি শাস্ত্ৰ নীৰস তথা ইয়াৰ অধ্যয়নো কষ্টসাধ্য। আনপক্ষে কাব্যশাস্ত্ৰ সৰস আৰু ৰস-বুদ্ধি সম্পন্ন ব্যক্তিসকলেও ইয়াক সহজতে আয়ত্ব কৰিব পাৰে।

সংস্কৃত আলংকাৰিকসকলে সাহিত্যক কেতিয়াও জীৱনৰ পৰা বিচ্ছিন্ন হিচাপে গ্ৰহণ কৰিব বিচৰা নাছিল। জীৱনেই হৈছে সাহিত্যৰ বিষয়বস্তু। জীৱনক বাদ দি সাহিত্য সৃষ্টি হ'ব নোৱাৰে। কাব্যিক জগতৰ ঘটনা প্ৰবাহক চলাই নিবলৈ যিবোৰ চৰিত্ৰৰ কল্পনা কৰা হয়, সেইবোৰৰ প্ৰতি কেতিয়াবা দৰ্শকৰ সহানুভূতি জাগে আৰু কেতিয়াবা বিৰাগো জন্মে। দৰ্শকে আদৰ্শ চৰিত্ৰটোকে গ্ৰহণ কৰে। সেইকাৰণে '*সাহিত্য দৰ্পণ*'ৰ কৰ্তা বিশ্বনাথ কবিৰাজে কৈছে যে, বেদাদিবিমুখ সুকুমাৰমতি ৰাজপুত্ৰসকলে যদি কাব্যৰ পৰা শিক্ষা গ্ৰহণ কৰে, তেন্তে ৰামৰ চৰিত্ৰই অনুকৰণ কৰিব ৰাৱণৰ নহয়।

ভাৰতীয় আদৰ্শত জীৱনবোধ সম্পৰ্কে যি ধাৰণা পোষণ কৰা হয়, তাত এক গভীৰ সমন্বয়বোধ দেখা যায়। পুৰুষাৰ্থ চতুষ্টয় অৰ্থাৎ ধৰ্ম, অৰ্থ, কাম আৰু মোক্ষৰ সমভাৱে চৰ্চা কৰিবলৈ শাস্ত্ৰই উপদেশ দিছে। এই চতুৰ্বৰ্গৰ যেতিয়া কোনোবা এটিক প্ৰাধান্য দি আন কেইটিক উপেক্ষা কৰা হয়, তেতিয়াই বিসঙ্গতিৰ সৃষ্টি হয় আৰু এই বিসঙ্গতিয়ে জীৱনত দ্বন্দ্বৰ উৎপত্তি ঘটায়। ভাৰতীয় ঋষিসকলে যি সুন্দৰৰ ধাৰণা কৰিছিল, তাতো মঙ্গলময় ৰূপৰ আৰাধনা দেখিবলৈ পাইছিল।

আত্মমূল্যায়ন প্ৰশ্ন ঃ

১। কাব্যৰ প্ৰয়োজনীয়তাৰ মূল দিশ কি? (৩৫টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

## ৩.৪ সাহিত্য বা কাব্যৰ হেতু

আলংকাৰিক ভামহে '*কাব্যলংকাৰ*ৰ আদিতে এটি প্ৰশ্ন উত্থাপন কৰিছিল— 'কবিত্ববিহীন কোন লোকে বাক্‌পটুতাৰ দাবী কৰিব পাৰে?' এই প্ৰশ্নটোৰ এয়ে অভিপ্ৰায় যে যি সকল লোকে কবি প্ৰতিভাৰ অধিকাৰী, তেওঁলোকেহে বাক্‌বৈচিত্ৰৰে পাঠকৰ মন জয় কৰিব পাৰে। এওঁৰ মতে গুৰুৰ উপদেশ অনুসৰি এজন মুৰ্খই শাস্ত্ৰ অধ্যয়ন কৰিলেও, কাব্য ৰচনা এজন প্ৰতিভাবান লোকৰ দ্বাৰাহে সম্ভৱ হ'ব পাৰে। ইয়াৰ পৰা বুজা যায় যে, ভামহে কেৱল 'প্ৰতিভা'কেই কাব্যৰ হেতু বুলি গ্ৰহণ কৰিছিল। তথাপিও তেওঁ কৈছে যে, যিসকলে কাব্য ৰচনাত মনোনিৱেশ কৰিব খোজে, তেওঁলোকে ব্যাকৰণ, ছন্দ, আভিধানিক অৰ্থ, ঐতিহাসিক গল্প, লোক ব্যৱহাৰ, তৰ্কশাস্ত্ৰ আৰু কলা অধ্যয়ন কৰা উচিত।

আলংকাৰিক দণ্ডীয়ে 'সহজাত প্ৰতিভাক' কাব্যৰ হেতু বুলি স্বীকাৰ কৰিও গভীৰ অধ্যয়ন আৰু ঐকান্তিক কাব্যিক প্ৰচেষ্টাৰে কবিত্বৰ অধিকাৰী হ'ব পৰাটো সম্ভৱ বুলি বিশ্বাস কৰিছিল। তেওঁৰ মতে— "যদিও পূৰ্বজন্মৰ বাসনাজাত প্ৰতিভাৰ অভাৱ হয়, তথাপিও বাগ্‌দেৱীক জ্ঞান আৰু যত্নেৰে উপাসনা কৰিলে নিশ্চয় তেওঁ কাৰোবাক অনুগ্ৰহ কৰিব পাৰে।" কবিত্ব গুণত কিছু হীন হ'লেও পৰিশ্ৰমী লোকেহে বিদগ্ধ গোষ্ঠীত বিচৰণ কৰিবলৈ সমৰ্থ হয়। অন্যতম আলংকাৰিক বামণে কাব্য হেতুক কাব্যাঙ্গৰূপে অভিহিত কৰি ইয়াক তিনিটা ভাগত বিভক্ত কৰিছে। এই তিনিটা ভাগ হৈছে ক্ৰমে—লোক, বিদ্যা আৰু প্ৰকীৰ্ণ। লোক মানে হৈছে লোক ব্যৱহাৰ; বিদ্যা বুলিলে শব্দ-শাস্ত্ৰ, কোশশাস্ত্ৰ, ছন্দশাস্ত্ৰ, কলা, দণ্ডনীতি আদিকেই সামৰা হৈছে। প্ৰকীৰ্ণ হৈছে লক্ষ্যজ্ঞান আৰু অভিযোগ। কবি হ'বলৈ হ'লে কাব্য ৰচনাৰ উদ্যম থাকিব লাগিব। তদুপৰি বৃদ্ধসেৱা, সূক্ষ্ম বিচাৰ, প্ৰতিভা অৱধাৰন বা একাগ্ৰতা আদিৰো যথেষ্ট অৱদান আছে। বামণৰ মতে প্ৰতিভাই কবিত্বৰ বীজ (কবিত্ব বীজং প্ৰতিভানম্)। ই এক প্ৰকাৰ জন্মজন্মান্তৰগত সংস্কাৰ বিশেষ। ইয়াৰ অবিহনে কাব্য সৃষ্টি সম্ভৱ নহয়।

আন এজন আলংকাৰিক ৰুদ্ৰটৰ মতে, শক্তি, ব্যুৎপত্তি আৰু অভ্যাস—এই তিনিওটাই কাব্যৰ কাৰণ। ইয়াত শক্তি হৈছে প্ৰতিভা, যাৰ ফলত শব্দ আৰু অৰ্থই কবিৰ মনত আপোনা আপুনি ভূমুকি মাৰেহি। বুৎপত্তি হৈছে শিক্ষা আৰু এই শিক্ষাই শব্দাৰ্থৰ সাৰ আৰু অসাৰ বিবেচনা কৰিবলৈ কবিক সমৰ্থ দান কৰে। আনহাতে অভ্যাসে শক্তি বা প্ৰতিভাৰ উৎকৰ্ষ সাধন কৰে। ৰুদ্ৰটে প্ৰতিভাক সাহস আৰু বুৎপাদ্য এই দুই ভাগত বিভক্ত কৰিছে।

আলংকাৰিক ভট্টললৌত্তৰ মতে, প্ৰতিভা হৈছে এক মানসিক শক্তি, যাৰ সহায়ত কবিয়ে সকলো বস্তুকেই এক অভিনৱ ৰূপত দেখিবলৈ পায়। এই শক্তিৰ যিসকল অধিকাৰী, তেওঁলোকেহে কবিত্বৰ অধিকাৰী হ'ব পাৰে। লৌকিক জীৱনত যাৰ অন্তৰ্দৃষ্টি আৰু কাল্পনিক বৰ্ণনা সামৰ্থ্য আছে তেওঁকেই কবি হিচাপে আখ্যা দিয়া হয়। সেইকাৰণে যদিও আদিকবি বাল্মীকি অন্তৰ্দৃষ্টিসম্পন্ন ঋষি আছিল, যেতিয়ালৈকে তেওঁ বৰ্ণনাত্মক ৰচনা সৃষ্টি কৰা নাছিল, তেতিয়ালৈকে তেওঁক কবি আখ্যা দিয়া হোৱা নাছিল। অভিনভগুপ্তয়ো 'প্ৰতিভাই' এক অসাধাৰণ কাব্যিক সৃষ্টিধৰ্মিতা ৰূপে গ্ৰহণ কৰিছিল, যাৰ দ্বাৰা অপৰূপ সৌন্দৰ্য সম্ভূত কাব্যৰাজিৰ ৰচনা সম্ভৱ হয়। ধ্বনিকাৰ আনন্দবৰ্দ্ধনেও কাব্য সৃষ্টিৰ কাৰণ হিচাপে 'প্ৰতিভা'কেই সমৰ্থন কৰিছিল। তেওঁৰ মতে কবিয়েই হ'ল সাহিত্যৰ জগতখনৰ স্ৰষ্টা (অপাৰ কাব্য সংসাৰে কবিৰেক প্ৰজাপতিঃ)। কবিৰ দৃষ্টিত যাক যেনেকৈ লাগে, তেনেভাৱেই বিশ্বই পৰিৱৰ্তন লাভ কৰে। যদি কবি শৃঙ্গাৰী হয়, তেন্তে গোটেই জগত ৰসময় হৈ পৰে। আনহাতে যদি তেওঁ বেৰসিক হয়, তেনেহ'লে সকলোবোৰ নীৰস হৈ পৰে। কবিয়ে কল্পনা শক্তিৰ বলত কাব্য-জগতত এক স্বতন্ত্ৰতা আনে। তেওঁ অচেতন বস্তুকো চৈতন্যশীল হিচাপে আৰু চৈতন্যশীল বস্তুকো অচেতন হিচাপে অংকিত কৰিব পাৰে।

> **আত্মমূল্যায়ন প্ৰশ্ন ঃ**
> **কাব্য আৰু ৰচনাৰ হেতু বুলিলে কোনটো গুৰুত্বপূৰ্ণ দিশক বুজোৱা হয়? (৩৫টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)**
>
> ..........................................................................................................
> ..........................................................................................................
> ..........................................................................................................
> ..........................................................................................................
> ..........................................................................................................

### ৩.৫ কাব্যৰ গুণ-দোষ

**গুণ ঃ** কাব্যৰ অলংকাৰে বাহিৰৰ শোভা বঢ়োৱাত সহায় কৰিলেও কাব্যৰ স্বৰূপ প্ৰকাশ কৰিব নোৱাৰে। কাব্যৰ স্বৰূপ প্ৰকাশক হ'ল কাব্যৰ গুণ। গুণ কাব্যৰ নিত্য

ধৰ্ম। গুণ নোহোৱাকৈ কাব্যই নিজৰ মহিমা পাব নোৱাৰে। ভৰতৰ পৰা আৰম্ভ কৰি দণ্ডী-বামণ আদি আচাৰ্যসকলে গুণক শব্দাৰ্থৰ সম্পত্তি বুলি স্বীকাৰ কৰিছে। আচাৰ্য বামণে শব্দৰ দহোটা আৰু অৰ্থৰ দহোটা গুণৰ বৰ্ণনা দিছে।

আচাৰ্য দণ্ডীৰ মতে, দহটা গুণ হ'ল—শ্লেষ, প্ৰসাদ, সমতা, মাধুৰ্য, সুকুমাৰতা, অৰ্থব্যক্তি, উদাৰতা, ওজঃ, কান্তি আৰু সমাধি—

"শ্লেষ প্ৰসাদসমতামাধুৰ্যসুকুমাৰতা।
অৰ্থব্যক্তিৰুদাৰত্বমোজঃ কান্তিসমাধয়ঃ।।"

শ্লেষ মানে হৈছে শিথিলতা নোহোৱা। উচ্চাৰণ কৰোঁতে যাতে জিভাই পিছল নাখায়, তেনেভাৱে শব্দৰ বান্ধনি থকাই শ্লেষ। যিবোৰ শব্দ শুনা মাত্ৰকে তাৰ অৰ্থ তৎক্ষণাৎ মনলৈ আহে, তেনে শব্দৰ প্ৰয়োগ কৰিলে বাক্যত প্ৰসাদ গুণ থকা বুলি কোৱা হয়। সমতা মানে হৈছে, বাক্য যেনে ধৰণৰ গাঁথনিৰে আৰম্ভ কৰা হয়, ঠিক তেনেদৰে বন্ধযুক্ত গাঁথনিৰে শেষ কৰাকে সমতা গুণ বুলি কোৱা হয়।

বাক্য ৰসাল হোৱাকে মাধুৰ্য গুণ বুলি কোৱা হৈছে। যি ৰচনাত প্ৰায়ে অকঠোৰ আৰু শ্ৰুতিকটু দোষ নথকা অক্ষৰ থাকে অৰ্থাৎ কোমল বৰ্ণযুক্ত শব্দ বেছিকৈ ব্যৱহাৰ কৰি যি বাক্য ৰচনা কৰা হয়, তেনে বাক্যৰ সুকুমাৰতা গুণ থাকে। অৰ্থব্যক্তি হৈছে কবিয়ে ক'ব খোজা কথাখিনি যদি বাক্যত ব্যৱহৃত শব্দখিনিৰেই স্পষ্টভাৱে প্ৰকাশিত হয়, অন্য কোনো শব্দ জোৰাই অৰ্থ উলিয়াব লগা নহয়, তেতিয়া তাক অৰ্থব্যক্তি গুণ থকা বুলি কোৱা হয়। যি বাক্যই মনলৈ এটা চমৎকৃতি আনি দিয়ে, তেনে অৰ্থগুণক উদাৰতা বোলে। ওজঃ হৈছে সমাসবহুল তেজঃপূৰ্ণ বাক্য। সাধাৰণ লৌকিক বৰ্ণনাৰেই মানুহৰ মনোৰঞ্জন কৰিব পৰা ৰচনাৰ গুণটোক কান্তি বোলে। আনহাতে, এটা বস্তুৰ বৰ্ণনাই যেতিয়া আন এটা বিষয়ত চিত্ত নিৰূপণ কৰে, তেতিয়া তাক সমাধি গুণযুক্ত বুলি কোৱা হয়।

**দোষ :** কাব্য সদায়ে নিৰ্দোষ হোৱাটো উচিত। তথাপিও কাব্যত কিছুমান দোষ দেখিবলৈ পোৱা যায়। যিবিলাক উপাদানৰ জৰিয়তে কাব্যৰ প্ৰাণস্বৰূপ ৰসৰ ব্যাঘাত ঘটে, সেই উপাদানবোৰক সাধাৰণতে কাব্যৰ দোষ বুলি কোৱা যায়। এই কাব্যৰ দোষবোৰৰ কিছুমানে ৰসৰ উপলব্ধিত ব্যাঘাত জন্মায়। কিছুমান দোষে ৰস আদিৰ অতিশয় চমৎকাৰিতাৰ হানি ঘটায়, আনহাতে আন কিছুমানে ৰস আদিৰ অনুভৱত বিলম্ব ঘটায়।

সাধাৰণতে দোষক তিনি শ্ৰেণীৰ বুলি ধৰা হৈছে—শব্দগত, অৰ্থগত আৰু ৰসগত। শব্দ এটা শুনাৰ লগে লগে, বাক্যাৰ্থ পূৰ্বে, যি দোষৰ আভাস ঘটে, সেইবিলাক দোষেই হৈছে শব্দগত। যিবিলাক দোষ পৰোক্ষভাৱে ৰসত হানিকাৰক আৰু যাৰ প্ৰতীতি বাক্যাৰ্থবোধৰ পিছত হয়, সেয়াই অৰ্থগত দোষ। আনহাতে যিবিলাক দোষ প্ৰত্যক্ষভাৱেই ৰসৰ হানিকাৰক সেয়াই ৰসদোষ।

শব্দগত দোষ আকৌ দুই প্ৰকাৰৰ—পদগত আৰু বাক্যগত। পদগত দোষ যেনে—১। শ্ৰুতিকটুতা, ২। চ্যুতসংস্কৃতি, ৩। অসমৰ্থতা, ৪। অপ্ৰযুক্ততা,

৫। নিহতাৰ্থতা, ৬। অহচিতাৰ্থতা, ৭। নিৰৰ্থতা, ৮। অশ্লীলতা, ৯। সন্দিগ্ধাৰ্থতা, ১০। গ্ৰাম্যতা, ১১। ক্লিষ্টাৰ্থতা, ১২। বিধেয়াবিমৰ্শ।

বাক্যগত দোষবোৰ হৈছে— ১। প্ৰতিকূলবৰ্ণতা, ২। ন্যূনপদতা, ৩। অধিকপদতা, ৪। পতৎপ্ৰকৰ্ষতা, ৫। সমাপ্তপুনৰাত্ততা, ৬। অভৱন্মতযোগ, ৭। অস্থানস্থপদতা, ৮। গৰ্ভিত, ৯। ভগ্নপ্ৰক্ৰমতা।

অৰ্থগত দোষসমূহ হৈছে,—১। ব্যাহততা, ২। পুনৰুক্ততা, ৩। দুষ্ক্ৰমতা, ৪। গ্ৰাম্যতা, ৫। সন্দিগ্ধতা, ৬। নিৰ্হেতুতা, ৭। প্ৰসিদ্ধিবিদ্যাবিৰুদ্ধতা, ৮। অনবীকৃততা, ৯। ব্যঞ্জিতবিৰুদ্ধ, ১০। অশ্লীল।

ৰসগত দোষ হিচাপে—১। ৰসৰ, স্থায়ীভাৱৰ অথবা সঞ্চাৰী ভাৱৰ বাচক শব্দৰ দ্বাৰা উক্তি, ২। বিৰোধী ৰসৰ বিভাৱ আদি অঙ্গৰ উপস্থাপন, ৩। অনুভাৱ আৰু বিভাৱৰ কষ্ট-বোধ্যতা, ৪। অস্থানত বিস্তৃতি, ৫। অস্থানত ছেদ, ৬। অঙ্গৰসৰ পুনঃ পুনঃ দীপ্তিৰ দ্বাৰা অঙ্গী বা প্ৰধান ৰসৰ আবৰণ, ইত্যাদি।

আত্মমূল্যায়ন প্ৰশ্ন :

কাব্যৰ সৰ্বোত্তম গুণ বুলি কোনটো গুণক বিবেচনা কৰা হয়? (৩০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

## ৩.৬ সাৰাংশ (Summing Up)

সাহিত্যৰ চিন্তা-চৰ্চাৰ লগতে সাহিত্য সমালোচনাৰ ইতিহাসো ভাৰতবৰ্ষত অতি প্ৰাচীন। ভৰতমুনিৰ নাট্যশাস্ত্ৰতে সমালোচনাৰ বীজ অংকুৰিত হয়। ভাৰতীয় কাব্যতত্ত্ব বা সাহিত্য শব্দৰ প্ৰয়োগ অৱশ্যে অৰ্বাচীন। সাহিত্য শব্দৰ ঠাইত দৰাচলতে কাব্য অভিধাটিৰহে বহুল প্ৰয়োগ হৈছিল। পৰৱৰ্তী সময়তহে সাহিত্য শব্দৰ প্ৰয়োগ হ'বলৈ আৰম্ভ কৰে। এই কাব্যৰ স্বৰূপ সম্পৰ্কে বিভিন্ন আলংকাৰিকসকলে বিভিন্ন ধৰণে মতামত আগবঢ়াই গৈছে। ধ্বনি, ৰীতি, বক্ৰোক্তি, ৰস আদি বিভিন্ন দিশসমূহে বিভিন্ন আলংকাৰিকসকলৰ বাবে কাব্যৰ সাৰবস্তু হিচাপে সময়ে সময়ে গুৰুত্ব লাভ কৰিছিল। কাব্যৰ সাৰবস্তু সম্পৰ্কে মতাদৰ্শ থাকিলেও কাব্যৰ উদ্দেশ্য আনন্দ প্ৰদান বুলি সকলোৱে মানি লৈছিল। কাব্যকাৰৰ প্ৰতিভাক কাব্য ৰচনাৰ হেতু বুলি ভামহ আদি

আলংকাৰিকে মতপোষণ কৰিছিল। কাব্যৰ স্বৰূপ প্ৰকাশক হ'ল কাব্যৰ গুণ। গুণ কাব্যৰ নিত্য ধৰ্ম। তবে, দণ্ডী, বামন আদি আলংকাৰিকসকলে গুণৰ শব্দাৰ্থৰ সমাপ্তি বুলি স্বীকাৰ কৰিছিল।

## ৩.৭ আৰ্হি প্ৰশ্ন (Sample Question)

১। প্ৰাচ্য সাহিত্য সমালোচনাৰ ইতিহাস দাঙি ধৰিবলৈ যত্ন কৰক।

২। সাহিত্য মানে কি? ভাৰতীয় কাব্যতত্ত্ব অনুসৰি সাহিত্যৰ স্বৰূপ নিৰ্ণয় কৰিবলৈ চেষ্টা কৰক।

৩। কাব্যৰ স্বৰূপ নিৰ্ণয় কৰি, ইয়াৰ প্ৰয়োজনীয়তা সম্পৰ্কে ব্যাখ্যা কৰক।

৪। কাব্যৰ হেতু মানে কি? বহলাই আলোচনা কৰক।

৫। কাব্যৰ গুণ আৰু দোষ মানে কি? ব্যাখ্যা কৰক।

৬। সাহিত্যৰ স্বৰূপ সম্পৰ্কে বিভিন্ন আলংকাৰিকসকলে আগবঢ়োৱা মতবাদসমূহ উল্লেখ কৰক।

## ৩.৮ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


| | | |
|---|---|---|
| তীৰ্থনাথ শৰ্মা | : | *সাহিত্য-বিদ্যা পৰিক্ৰমা* |
| ড° নবেন্দ্ৰ নাথ শৰ্মা | : | *সংস্কৃত সমালোচনা শাস্ত্ৰৰ বিৱৰ্তন আৰু ধাৰা* |
| | : | *পণ্ডিতৰাজ জগন্নাথ আৰু ভাৰতীয় নন্দনতত্ত্ব* |
| ত্ৰৈলোক্যনাথ গোস্বামী | : | *নন্দনতত্ত্ব : প্ৰাচ্য আৰু পাশ্চাত্য* |
| মনোৰঞ্জন শাস্ত্ৰী | : | *সাহিত্য দৰ্পণ* |
| বিশ্বনাৰায়ণ শাস্ত্ৰী (অনুদিত) | : | *বিশ্বনাথ কবিৰাজৰ সাহিত্য দৰ্পণ* |
| ড° মুকুন্দ মাধৱ শৰ্মা | : | *সাহিত্য তত্ত্ব আৰু সমালোচনা* |
| P.V. Kane | : | *History of India Poetics.* |


●●●

# চতুৰ্থ বিভাগ
# ৰীতি ঃ ধাৰণা আৰু প্ৰয়োগ

**বিভাগৰ গঠন ঃ**


৪.১ ভূমিকা (Introduction)
৪.২ উদ্দেশ্য (Objectives)
৪.৩ অলঙ্কাৰ শাস্ত্ৰৰ স্বৰূপ
৪.৪ অলঙ্কাৰ শাস্ত্ৰৰ বিভিন্ন সম্প্ৰদায়
৪.৫ ৰীতি পদটিৰ অৰ্থ, প্ৰকাৰভেদ
৪.৬ ঔচিত্যৰ অৰ্থ
৪.৭ ৰীতিবাদ
৪.৮ ঔচিত্যবাদ
৪.৯ সাৰাংশ (Summing Up)
৪.১০ আৰ্হি প্ৰশ্ন (Sample Questions)
৪.১১ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


## ৪.১ ভূমিকা (Introduction)

ভাৰতীয় অলঙ্কাৰ শাস্ত্ৰৰ পৰিধি বিস্তৃত। প্ৰাচীন কালত মানুহৰ সমাজত খাদ্য, বস্ত্ৰ আৰু বাসস্থানৰ প্ৰয়োজনীয়তা পূৰণ হোৱাৰ পাছতেই সাত্ত্বিক আনন্দ লাভৰ বাবে সাহিত্যৰ সূচনা হয়। বেদ-বেদান্ত-বেদাঙ্গসমূহে এই কথাকেই প্ৰমাণিত কৰে। সাহিত্যৰ লগে লগে সমাজত অলঙ্কাৰ শাস্ত্ৰৰ প্ৰয়োজনীয়তা অনুভূত হয় আৰু ইয়াৰ ফলস্বৰূপে অলঙ্কাৰ শাস্ত্ৰৰ আৰম্ভণি হোৱা দেখা যায়। সাহিত্যৰ গুণাগুণ তথা লক্ষণ আদি যি শাস্ত্ৰত আলোচনা কৰা হয় সেয়াই হ'ল অলঙ্কাৰ শাস্ত্ৰ। ভাৰতবৰ্ষত অলঙ্কাৰ শাস্ত্ৰৰ আৰম্ভণি কেতিয়া হৈছিল সেই বিষয়ে প্ৰমাণিত তথ্য দিয়াটো সম্ভৱ নহয় যদিও যাস্কপ্ৰণীত নিৰুক্ত গ্ৰন্থত পোৱা উপমাৰ কথা, আদিকাব্য ৰামায়ণত পোৱা বিভিন্ন ৰসৰ কথা আদিয়ে এইটোকে প্ৰমাণ কৰে যে ভাৰতবৰ্ষত অলঙ্কাৰ শাস্ত্ৰৰ অস্তিত্ব বহু প্ৰাচীন। পৰৱৰ্তী কালত পণ্ডিতসকলে অলঙ্কাৰ শাস্ত্ৰৰ বিষয়ে বিভিন্ন ধৰণৰ চিন্তা-চৰ্চা আৰম্ভ হয়। প্ৰথম অৱস্থাত অলঙ্কাৰ শাস্ত্ৰৰ এটি সীমিত পৰিধি আছিল যদিও সময়ৰ লগে লগে এই শাস্ত্ৰই বিস্তৃত পৰিধি লাভ কৰে আৰু বিভিন্ন সময়ত পৃথক পৃথক পণ্ডিতৰ গৱেষণাসমৃদ্ধ দৃষ্টিভংগীৰে আলোকিত হৈ এই শাস্ত্ৰই এটি বিশেষ ৰূপ লাভ কৰে। ইয়াৰ লগে লগে সৃষ্টি হয় অলঙ্কাৰ শাস্ত্ৰৰ বিভিন্ন সম্প্ৰদায়। আচাৰ্য্য ভৰতৰ নাট্যশাস্ত্ৰৰে যি শাস্ত্ৰৰ আনুষ্ঠানিকভাৱে সূচনা হয় পৰৱৰ্তী কালত সেই অলঙ্কাৰ শাস্ত্ৰই এটি বৃহৎ আকাৰ ধাৰণ কৰে।

বৰ্তমান যুগত অলঙ্কাৰ শাস্ত্ৰ বুলি ক'লে সাহিত্যৰ লগত জড়িত বিভিন্ন ধ্যান-ধাৰণাক সামৰি লোৱা শাস্ত্ৰকেই বুজায়। এই অধ্যায়টিত অলংকাৰ শাস্ত্ৰৰ অৰ্ন্তগত ৰীতিবাদ আৰু ঔচিত্যবাদৰ বিষয়ে অলোচনা কৰা হৈছে ।

## ৪.২ উদ্দেশ্য (Objectives)

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অলঙ্কাৰ শাস্ত্ৰৰ বিষয়ে এটি ধাৰণা লাভ কৰিব পাৰিব,
- অলঙ্কাৰ শাস্ত্ৰৰ বিভিন্ন সম্প্ৰদায়ৰ লগত পৰিচিত হ'ব পাৰিব,
- অলঙ্কাৰ শাস্ত্ৰত থকা ৰীতিৰ লক্ষণৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব,
- অলঙ্কাৰ শাস্ত্ৰত আলোচনা কৰা ঔচিত্যৰ স্বৰূপ বিচাৰ কৰিব পাৰিব।

## ৪.৩ অলঙ্কাৰ শাস্ত্ৰৰ স্বৰূপ

সমাজত গঢ় লোৱা প্ৰত্যেক শাস্ত্ৰৰে এটি নিজা ইতিহাস থাকে। আন আন শাস্ত্ৰৰ নিচিনাকৈ অলঙ্কাৰ শাস্ত্ৰৰো এটি ইতিহাস আছে। এই ইতিহাস অধ্যয়ন কৰিলে জনা যায় যে এদিনতে অলঙ্কাৰ শাস্ত্ৰৰ আৰম্ভণি আৰু বিকাশ হোৱা নাছিল। সাহিত্যৰ সৃষ্টি আৰু সাহিত্য বিষয়ৰ অধ্যয়ন তথা আলোচনাৰ ফলেই হ'ল অলঙ্কাৰ শাস্ত্ৰ। ভাৰতীয় অলঙ্কাৰ শাস্ত্ৰক সাহিত্য শাস্ত্ৰ বুলিও কোৱা হৈছিল। সাহিত্য পদটোৱে শব্দ আৰু অৰ্থৰ সাহচৰ্য্যত প্ৰকাশ পোৱা এটি সম্মিলিত ৰূপক বুজায়। 'সহিতস্য ভাৱঃ সাহিত্যম্'—এই ব্যুৎপত্তি অনুসৰি সাহিত্যক সামগ্ৰিকভাৱে শব্দ আৰু অৰ্থৰ যথোপযুক্ত সম্মিলনৰ বিষয় হিচাপে গণ্য কৰা হয়। *কাব্যমীমাংসা* গ্ৰন্থত আচাৰ্য ৰাজশেখৰে সাহিত্যবিদ্যা প্ৰসঙ্গত কৈছে—'শব্দাৰ্থয়োৰ্যথা বৎ সহভাবেন বিদ্যা সাহিত্যবিদ্যা'। এই ব্যুৎপত্তিয়ে সাহিত্য পদৰ জৰিয়তে কাব্যকেই সূচায়। ভাৰতীয় অলঙ্কাৰশাস্ত্ৰত কাব্য শব্দটোৱে সকলো ধৰণৰ সাহিত্যক বুজায়। আচাৰ্য ভামহৰ কথাই ইয়াকে প্ৰমাণ কৰে। ভামহে কাব্যৰ স্বৰূপ প্ৰসঙ্গত কৈছে—'শব্দাৰ্থৌ সহিতৌ কাব্যম্'। কাব্য বা সাহিত্যৰ বিভিন্ন অঙ্গ বা উপাদান থাকে। যেনে—গুণ, দোষ, ৰীতি, ৰস, ভাব আদি। কাব্য বা সাহিত্যৰ বিষয়ে আলোচনা কৰিবলৈ গ'লে স্বাভাৱিকভাৱে এই অঙ্গ বা উপাদানসমূহৰ আলোচনা আহি পৰে। বিভিন্ন পণ্ডিতে বিভিন্ন ধৰণে তেওঁলোকৰ গ্ৰন্থত এই উপাদানসমূহৰ বিষয়ে আলোচনা কৰিছে। প্ৰকৃততে যি শাস্ত্ৰত কাব্যৰ লক্ষণ, কাব্যৰ বিভাগ, গুণ-অলঙ্কাৰ-ৰীতি আদি কাব্যৰ উপাদানসমূহৰ বিষয়ে আলোচনা কৰা হয় তাকেই অলঙ্কাৰ শাস্ত্ৰ বোলে। এইখিনিতে মনকৰিবলগীয়া কথাটো হ'ল যে অলঙ্কাৰ শাস্ত্ৰ বুলি ক'লে যে কেৱল মাত্ৰ অলঙ্কাৰ বিষয়ক গ্ৰন্থকে বুজাব সেইটো নহয়। অলঙ্কাৰ শাস্ত্ৰত কাব্যৰ স্বৰূপ, ৰস, ধ্বনি, বক্ৰোক্তি, ৰীতি, গুণ তথা অলঙ্কাৰ আদি কাব্যৰ লগত নিবিড়ভাৱে জড়িত বিষয়বোৰৰ আলোচনা কৰা

হয়। অলঙ্কাৰ শব্দটোৰ অৰ্থ হ'ল *ভূষণ*—অৰ্থাৎ যিটোৱে সৌন্দৰ্য বৃদ্ধি কৰে। *কাব্যালঙ্কাৰসূত্ৰবৃত্তিত* আচাৰ্য বামনে কৈছে—'*সৌন্দৰ্যমলংকাৰঃ*'। অৰ্থাৎ বামনৰ মতে সৌন্দৰ্যই হ'ল অলঙ্কাৰ। গতিকে সৌন্দৰ্যৰ লগত অলঙ্কাৰ গভীৰভাৱে জড়িত। কাব্যতো অলঙ্কাৰে সৌন্দৰ্য বৃদ্ধি কৰে। সেইকাৰণে অলঙ্কাৰক কটক-কুণ্ডলৰ লগত তুলনা কৰা হয়। *সাহিত্য-দৰ্পণত* কোৱা হৈছে—'অলঙ্কাৰাঃ কটককুণ্ডলাদিবৎ'। কিন্তু অলঙ্কাৰ শাস্ত্ৰত থকা অলঙ্কাৰ পদটোত 'ভূষণ' বা 'সৌন্দৰ্যকাৰক'—অৰ্থ গ্ৰহণ কৰিলে দোষ আদি কাব্যৰ উপাদান এই শাস্ত্ৰৰ অন্তৰ্ভুক্ত হ'ব নোৱাৰে। সেই কাৰণে কোৱা যায় যে এই ক্ষেত্ৰত অলঙ্কাৰ পদটো উপলক্ষণত ব্যৱহাৰ হৈছে। ইয়াত অলঙ্কাৰ শব্দটোৱে কাব্যৰ সকলো উপাদান তথা কাব্যৰ লক্ষণ আদিকে সামৰি লৈছে। তদুপৰি 'অলং' পদটো সংস্কৃতত যথেষ্ট অৰ্থতো ব্যৱহাৰ হয়। এই অৰ্থগ্ৰহণ কৰিলে অলঙ্কাৰ শাস্ত্ৰৰ অৰ্থ হয় যি শাস্ত্ৰৰ দ্বাৰা যথেষ্ট বা পৰ্যাপ্ত কৰা হয়। এই ক্ষেত্ৰত সামগ্ৰিক অৰ্থ হ'ব যি শাস্ত্ৰৰ দ্বাৰা কাব্যক বা সাহিত্যক পৰ্যাপ্ত কৰা হয় তাকেই অলঙ্কাৰ শাস্ত্ৰ বোলে। অলঙ্কাৰ শাস্ত্ৰত থকা আলোচনাৰ মাজেদি কাব্য বা সাহিত্যক সম্পূৰ্ণভাৱে জনা যায়। কাব্য বা সাহিত্যৰ সামগ্ৰিক ৰূপটো দাঙি ধৰাই হ'ল অলঙ্কাৰ গ্ৰন্থ, সেইদৰে ধ্বনিৰ বিষয়ে আলোচনা কৰা গ্ৰন্থখনো অলঙ্কাৰ গ্ৰন্থ। ৰাজশেখৰৰ *কাব্যমীমাংসা*, ধনঞ্জয়ৰ *দশৰূপক*, ক্ষেমেন্দ্ৰৰ *ঔচিত্যবিচাৰচৰ্চা*, ভোজৰ *সৰস্বতীকণ্ঠাভৰণ*, মম্মট ভট্টৰ *কাব্যপ্ৰকাশ*, বিশ্বনাথ কবিৰাজৰ *সাহিত্যদৰ্পণ*, আনন্দবৰ্ধনৰ *ধ্বন্যালোক*, দণ্ডীৰ *কাব্যাদৰ্শ*, ভামহৰ *কাব্যালঙ্কাৰ*, বামণৰ *কাব্যালঙ্কাৰসূত্ৰবৃত্তি* আদি সংস্কৃত অলঙ্কাৰ শাস্ত্ৰৰ মূল্যবান গ্ৰন্থ। ভৰত মুনিক ভাৰতীয় অলঙ্কাৰ শাস্ত্ৰৰ প্ৰৱৰ্তক হিচাপে স্বীকাৰ কৰা হয় আৰু তেওঁৰ নাট্যশাস্ত্ৰক এতিয়ালৈকে প্ৰাপ্ত অলঙ্কাৰ গ্ৰন্থসমূহৰ ভিতৰত প্ৰাচীনতম বুলি স্বীকৃতি দিয়া হয়।

**আত্মমূল্যায়ণৰ প্ৰশ্ন ঃ**

অলংকাৰ শাস্ত্ৰৰ মূল প্ৰাতিপদ্য বিষয় কি? (৪০ টামান শব্দৰ ভিতৰত উত্তৰ লিখক।)

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

## ৪.৪ অলঙ্কাৰ শাস্ত্ৰৰ বিভিন্ন সম্প্ৰদায়

ইতিমধ্যে পূৰ্বোক্ত অধ্যায় সমূহত অলংকাৰ শাস্ত্ৰৰ বিভিন্ন সম্প্ৰদায়ৰ বিষয়ে আলোচনা কৰা হৈছে । এই বিষয়ে ভালদৰে জানিবলৈ ইয়াতো সংক্ষেপে আলোচনা কৰা হৈছে । আন আন শাস্ত্ৰৰ দৰে অলঙ্কাৰ শাস্ত্ৰতো বিভিন্ন সময়ত বিভিন্ন ধৰণৰ মতবাদৰ সংযোজন হৈছে। বিভিন্ন পণ্ডিতে আগবঢ়োৱা এই মতামতৰ ওপৰত নির্ভৰ কৰি ভাৰতীয় অলঙ্কাৰ শাস্ত্ৰত কিছুমান সম্প্ৰদায় গঢ় লৈছে। একো একোটা সম্প্ৰদায়ত একাধিক পণ্ডিতে নিজৰ গ্ৰন্থ বা আলোচনাৰ মাধ্যমেৰে মতামত আগবঢ়াইছে। এই প্ৰথা এতিয়াও চলি আছে আৰু ইয়াৰ মাজেৰে ভাৰতীয় অলঙ্কাৰ শাস্ত্ৰৰ প্ৰসাৰ বৃদ্ধি পাই আহিছে। বেলেগ বেলেগ সময়ত লাভ কৰা তথ্যসমূহৰ ভিত্তিত ভাৰতীয় অলঙ্কাৰ শাস্ত্ৰত মূলতঃ পাঁচ প্ৰকাৰৰ সম্প্ৰদায় নিৰ্দ্ধাৰণ কৰা হৈছে। সেইবোৰ হ'ল—ৰস সম্প্ৰদায়, অলঙ্কাৰ সম্প্ৰদায়, ৰীতি সম্প্ৰদায়, ধ্বনি সম্প্ৰদায় আৰু বক্ৰোক্তি সম্প্ৰদায়। ইয়াৰ উপৰি কিছুমান পণ্ডিতে ঔচিত্যক পৃথক সম্প্ৰদায় বুলি ক'ব খোজে কিন্তু এইটো সৰ্বজন স্বীকৃত সিদ্ধান্ত নহয়। তদুপৰি বহু পণ্ডিতে বক্ৰোক্তি আৰু ঔচিত্যক সম্প্ৰদায় বুলি নকৈ সিদ্ধান্ত বা বাদ হিচাপেহে গ্ৰহণ কৰিব খোজে। কিন্তু সম্প্ৰদায়ৰ সংখ্যা যিমানেই নহওক কিয় ৰস-অলঙ্কাৰ-ৰীতি-ধ্বনি-বক্ৰোক্তি আৰু ঔচিত্যক লৈ সংস্কৃত অলঙ্কাৰ শাস্ত্ৰত বেলেগ বেলেগ আলোচনা দেখিবলৈ পোৱা যায়। তলত এই সম্প্ৰদায়সমূহৰ বিষয়ে চমুকৈ আলোচনা কৰা হ'ল।

**ৰস সম্প্ৰদায় ঃ** ভৰতৰ নাট্যশাস্ত্ৰৰে এই সম্প্ৰদায়ৰ আৰম্ভণি বুলি কোৱা হয়। আচাৰ্য ভৰতে তেওঁৰ গ্ৰন্থত ৰসসূত্ৰৰ বিষয়ে কৈছে— 'তত্ৰ বিভাবানুভাৱব্যভিচাৰিসংযোগাদ্ৰসনিষ্পত্তিঃ' অৰ্থাৎ বিভাৱ, অনুভাৱ আৰু ব্যভিচাৰী ভাৱৰ সম্বন্ধৰ ফলত সহৃদয় পাঠকৰ হৃদয়ত প্ৰকাশ পোৱা ৰতি আদি স্থায়ী ভাৱেই হ'ল ৰস। যদিও *নাট্যশাস্ত্ৰত* ভৰত মুনিয়ে নাটকৰ বিষয়তহে ৰসৰ কথা প্ৰত্যক্ষভাৱে এইদৰে কৈছে কিন্তু প্ৰকৃততে ভৰত মুনিৰ গ্ৰন্থত অধিকাংশ ক্ষেত্ৰতে কাব্য আৰু নাট্য সমাৰ্থক শব্দ ৰূপে ব্যৱহৃত হৈছে। অভিনৱগুপ্তই স্পষ্টকৈ কৈছে—'কাব্যং চ নাট্যমেৱ' অৰ্থাৎ 'কাব্য হ'ল নাটক'। এই সম্প্ৰদায়ৰ মতে ৰসেই হ'ল কাব্যৰ প্ৰধান, কাব্যৰ মূল, আত্মা। *নাট্যশাস্ত্ৰত* ৰসৰ প্ৰাধান্য ব্যাখ্যা কৰি কোৱা হৈছে—'ন হি ৰসাদৃতে কশ্চিদৰ্থঃ প্ৰবৰ্ত্ততে' —অৰ্থাৎ ৰস অবিহনে কোনো অৰ্থই প্ৰযুক্ত নহয়। *নাট্যশাস্ত্ৰত* থকা ৰসৰ বিষয়ে এই ধাৰণাক কেন্দ্ৰ কৰি পৰৱৰ্তী কালত বিভিন্ন আলঙ্কাৰিকে কাব্যৰ প্ৰসঙ্গত ৰসৰ চৰ্তবিহীন প্ৰাধান্য মানি লৈছে। এই ক্ষেত্ৰত আচাৰ্য মম্মটভট্ট, ভোজ, ধনঞ্জয়, বিশ্বনাথ কবিৰাজ আদিৰ নাম উল্লেখ কৰিব পাৰি। বিশ্বনাথ কবিৰাজে তেওঁৰ *'সাহিত্য দৰ্পণ'* গ্ৰন্থত কাব্যৰ লক্ষণ প্ৰসঙ্গত কৈছে— 'বাক্যং ৰসাত্মকং কাব্যং' অৰ্থাৎ 'ৰস আত্মা সাৰ'—তেনেকুৱা বাক্যই হ'ল কাব্য। এইদৰে ৰস সম্প্ৰদায়ে ৰসকেই কাব্যৰ আত্মা বুলি স্বীকাৰ কৰিছে। ইয়াত ৰস বুলি ক'লে ভাব-ৰসাভাৱ-ভাৱাভাস আদিও অন্তৰ্ভুক্ত হয়। কাব্য ৰস ন বিধ। এই সম্প্ৰদায় মতে কাব্য

পাঠৰ মাজেদি পাঠকে যি আনন্দ লাভ কৰে সেইটো 'ব্ৰহ্মাস্বাদসহোদৰঃ' অৰ্থাৎ ব্ৰহ্মপ্ৰাপ্তিৰ আনন্দৰ দৰে।' পণ্ডিতৰাজ জগন্নাথেও এই মতবাদৰ অনুগামী।

**অলঙ্কাৰ সম্প্ৰদায় ঃ** আচাৰ্য ভামহক কেন্দ্ৰ কৰি এই সম্প্ৰদায় গঢ় লয় আৰু উদ্ভট, দণ্ডী, ৰুদ্ৰট আৰু প্ৰতীহাৰেন্দুৰাজক এই সম্প্ৰদায়ৰ আলঙ্কাৰিক বুলি স্বীকাৰ কৰা হয়। এইখিনিতে উল্লেখযোগ্য কথাটো হ'ল যে অলঙ্কাৰ সম্প্ৰদায়ৰ পণ্ডিতসকলে যে ৰসৰ বিষয়ে জনা নাছিল এইটো নহয় কিন্তু তেওঁলোকে ৰসক কাব্যৰ আত্মা হিচাপে স্বীকাৰ নকৰি কাব্যত অলঙ্কাৰবেই প্ৰাধান্য থকা বুলি মত পোষণ কৰিছে। তদুপৰি এই আলঙ্কাৰিকসকলে বহুতো ক্ষেত্ৰত ৰসক অলঙ্কাৰৰ অধীন কৰি সেই প্ৰসঙ্গত 'ৰসবৎ' অলঙ্কাৰৰ অৱস্থিতি স্বীকাৰ কৰিছে। অৱশ্যে সকলো আলঙ্কাৰিকে একে সংখ্যক অলঙ্কাৰৰ অৱস্থিতি স্বীকাৰ কৰা নাই। আকৌ বহুতো ক্ষেত্ৰত এই সম্প্ৰদায়ৰ আলঙ্কাৰিকে গুণ আৰু অলঙ্কাৰৰ মাজত থকা প্ৰভেদক মানি লোৱা নাই। এই ক্ষেত্ৰত ভামহ আৰু দণ্ডীৰ নাম উল্লেখযোগ্য। অন্যান্য আলঙ্কাৰিকে অলঙ্কাৰ হিচাপে স্বীকাৰ কৰা 'ভাৱিক'ক আচাৰ্য ভামহ আৰু দণ্ডীয়ে গুণ হিচাপে গ্ৰহণ কৰিছে। আকৌ দণ্ডীয়ে ব্যাপক অৰ্থত গুণক অলঙ্কাৰৰ ভিতৰতেই সামৰি লৈছে। এনেদৰে বিশ্লেষণ কৰিলে দেখা যায় যে অলঙ্কাৰৰ সংখ্যা বা বৈশিষ্ট্যৰ ক্ষেত্ৰত এই সম্প্ৰদায়ৰ আলঙ্কাৰিকসকলে সকলো ক্ষেত্ৰত সহমত নহয়। কিন্তু তেওঁলোক সকলোৱে কাব্যত অলঙ্কাৰৰ প্ৰাধান্য স্বীকাৰ কৰি লৈছে। ইয়াতেই মনকৰিবলগীয়া বিষয়টো হ'ল যে আচাৰ্য ভামহ আৰু দণ্ডীয়ে যদিও তেওঁলোকৰ গ্ৰন্থত ধ্বনিৰ বিষয়ে প্ৰত্যক্ষভাৱে একো কোৱা নাই তথাপি তেওঁলোকে অলঙ্কাৰৰ মূল হিচাপে বক্ৰোক্তি বা অতিশয়োক্তিক গ্ৰহণ কৰিছে য'ত ব্যঙ্গ্যৰ অস্তিত্ব বিৰাজমান।

**ৰীতি সম্প্ৰদায় ঃ** আচাৰ্য বামণক কেন্দ্ৰ কৰি এই সম্প্ৰদায়ৰ উদ্ভৱ হয়। বামণে ৰীতিক কাব্যৰ আত্মা বুলি স্বীকাৰ কৰি কৈছে—'ৰীতিৰাত্মা কাব্যস্য' আচাৰ্য দণ্ডীয়ে অৱশ্যে তেওঁৰ গ্ৰন্থত ৰীতিৰ বিষয়ে বহুবিস্তৃত আলোচনা আগবঢ়োৱা দেখা যায়। বিশ্বনাথ কবিৰাজেও তেওঁৰ *'সাহিত্য-দৰ্পণ'*ত ৰীতিৰ বিষয়ে আলোচনা কৰিছে। এইখিনিতে মনকৰিবলগীয়া কথাটো হ'ল যে বহুসংখ্যক আলঙ্কাৰিকে ৰীতিৰ অস্তিত্ব মানি লৈছে যদিও তেওঁলোকে ৰীতিকেই কাব্যৰ আত্মা বুলি স্বীকৃতি দিয়া নাই। এই সম্প্ৰদায়ৰ বিষয়ে পৰৱৰ্তী অংশত বিস্তৃত আলোচনা দাঙি ধৰা হ'ব।

**ধ্বনি সম্প্ৰদায় ঃ** ধ্বনি বা ব্যঙ্গাৰ্থকেই কাব্যৰ আত্মা বুলি স্বীকাৰ কৰি লোৱা আলঙ্কাৰিকসকলক লৈ এই সম্প্ৰদায় গঠিত। আনন্দবৰ্ধনকেই এই সম্প্ৰদায়ৰ মূল প্ৰবক্তা হিচাপে মানিলেও ধ্বনিৰ অস্তিত্ব বহু প্ৰাচীন। আনন্দবৰ্ধনে স্বয়ং তেওঁৰ *'ধ্বন্যালোক'* গ্ৰন্থৰ আৰম্ভণিতে কৈছে— 'কাব্যস্যাত্মা ধ্বনিৰিতি বুধৈঃ যঃ সমাম্নাতপূৰ্বঃ'। অৰ্থাৎ 'প্ৰাচীন বৈয়াকৰণ আদিয়ে যি ধ্বনিক কাব্যৰ আত্মা হিচাপে

স্বীকাৰ কৰিছে সেই ধ্বনিৰ বিষয়েহে তেওঁ আলোচনা আগবঢ়াব লৈছে।' আনন্দবৰ্ধনৰ এই উক্তিয়ে প্ৰমাণ কৰে যে তেওঁৰ আগতেই পণ্ডিতসকলৰ মাজত ধ্বনিৰ বিষয়ে আলোচনা যথেষ্ট পৰিমাণে আছিল। এই কথা অনস্বীকাৰ্য যে আনন্দবৰ্ধনে তেওঁৰ '*ধ্বন্যালোক*'ত ধ্বনিৰ বিস্তৃত ব্যাখ্যা আগবঢ়াইছে আৰু তেওঁ ইয়াকে দেখুৱাইছে কেনেদৰে ধ্বনিয়ে কাব্যৰ আত্মা হ'ব পাৰে। যি নহওক ধ্বনিতত্ত্বটো ৰসতত্ত্বৰ পৰাই সম্ভূত। কাৰণ আনন্দবৰ্ধনে আন ধ্বনিসমূহৰ বিষয়ে আলোচনা কৰি ৰসধ্বনিৰেই প্ৰাধান্য প্ৰদান কৰিছে। এই সম্প্ৰদায় মতে অপূৰ্ব ব্যঙ্গ্যাৰ্থ থকা কাব্যই হ'ল উত্তমকাব্য। যি কাব্যত ব্যঙ্গ্যাৰ্থ বাচ্যাৰ্থক অতিক্ৰম কৰি গৈ হৃদয় সংযোগী হয় তাকেই শ্ৰেষ্ঠ কাব্য বুলি স্বীকৃতি দিয়া হয়। এই সম্প্ৰদায়ৰ আলঙ্কাৰিকসকলৰ মতে বৰ্ণ, পদ, বাক্য, মহাকাব্য, পদ আদিয়ে ধ্বনিৰ আশ্ৰয়ত হয়। তদুপৰি গুণ, অলঙ্কাৰ আদিয়ে ৰসধ্বনিকে আশ্ৰয় কৰি ইয়াৰেই সৌন্দৰ্য বৃদ্ধি কৰে। আনন্দবৰ্ধনে ধ্বনিৰ লক্ষণ এনেদৰে প্ৰকাশ কৰিছে—

> "যত্ৰাৰ্থঃ শব্দো বা তমৰ্থমুপসৰ্জনীকৃতস্বাৰ্থৌ।
> ব্যঙ্‌ক্তঃ কাব্যবিশেষঃ স ধ্বনিৰিতি সূৰিভিঃ কথিতঃ।।"

অৰ্থাৎ 'য'ত শব্দ আৰু বাচ্যাৰ্থ গৌণ থাকি ব্যঙ্গ্যাৰ্থ প্ৰকাশ কৰে অৰ্থাৎ য'ত শব্দ আৰু বাচ্যাৰ্থ গৌণ থাকি ব্যঙ্গ্যাৰ্থ প্ৰকাশ কৰে তাকেই ধ্বনি বুলি কোৱা হয়।' গতিকে ধ্বনি বুলি ক'লে এক বিশেষ ধৰণৰ কাব্যক বুজোৱা হয়। ধ্বনিৰ অস্তিত্ব আৰু প্ৰাধান্য এতিয়া সৰ্বজনস্বীকৃত যদিও প্ৰথম অৱস্থাত প্ৰতীহাৰেন্দুৰাজ, ভট্টনায়ক, মহিমভট্ট আদি পণ্ডিতে এই সম্প্ৰদায়ৰ যথেষ্ট বিৰোধিতা কৰিছিল।

**বক্ৰোক্তি সম্প্ৰদায় ঃ** বক্ৰোক্তি শব্দটো বহু প্ৰাচীন। ভাৰতীয় সাহিত্যত বিভিন্ন প্ৰসঙ্গত বক্ৰোক্তি পদটিৰ ব্যৱহাৰ দেখা যায়। আচাৰ্য ভামহ আৰু দণ্ডীৰ মতে বক্ৰোক্তি হ'ল কাব্যৰ আৱশ্যকীয় ধৰ্ম। ভামহৰ মতে বক্ৰোক্তি সকলো অলঙ্কাৰৰ মূল। বক্ৰোক্তি হ'ল এটি বিশেষ ধৰণৰ অৰ্থপ্ৰকাশ ভঙ্গী যাৰ মূলত আছে শ্লেষ আৰু এই ভঙ্গী সাধাৰণভাৱে বাক্য প্ৰকাশৰ ভঙ্গীৰপৰা সম্পূৰ্ণ পৃথক। ভামহ প্ৰভৃতি আচাৰ্যৰ গ্ৰন্থত বক্ৰোক্তিৰ বিষয়ে আলোচনা থাকিলেও বক্ৰোক্তি সম্প্ৰদায়ৰ গুড়ি ধৰোতা হ'ল কুন্তক। কুন্তকে তেওঁৰ '*বক্ৰোক্তিজীৱিত*' নামৰ গ্ৰন্থত এই বিষয়ে গভীৰ আলোচনা আগবঢ়াইছে। আচাৰ্য কুন্তকে ভামহৰ অভিমতক পৰিস্ফুট কৰি বক্ৰোক্তিকেই কাব্যৰ আত্মা হিচাপে প্ৰতিপাদিত কৰিছে, 'বক্ৰোক্তিঃ কাব্য-জীৱিতম্'। বক্ৰোক্তিৰ প্ৰসঙ্গত কুন্তকে কৈছে- 'শাস্ত্ৰাদিপ্ৰসিদ্ধপ্ৰস্থানব্যতৰেকিবৈচিত্ৰ্যবিশেষঃ'। অৰ্থাৎ 'শাস্ত্ৰ আদিত প্ৰসিদ্ধ গাঁথনিৰ পৰা বেলেগ এটি বৈচিত্ৰ্য বিশেষেই হ'ল বক্ৰোক্তি।' কবি প্ৰতিভাৰ ফলস্বৰূপে প্ৰচলিত শব্দবোৰেই যি অৰ্থক নতুন ৰূপে প্ৰকাশ কৰাব পাৰে-সেই নতুন ৰূপায়ণ প্ৰক্ৰিয়াই হ'ল বক্ৰতা বা বক্ৰোক্তি। আচাৰ্য কুন্তকে বক্ৰোক্তিৰ প্ৰকাৰভেদ

সম্বন্ধেও তেওঁৰ গ্ৰন্থত বিস্তৃত আলোচনা আগবঢ়াইছে। ৰুদ্ৰট আৰু ৰুয্যকেও তেওঁলোকৰ গ্ৰন্থত বক্ৰোক্তি বিষয়ক ধাৰণা আগবঢ়াইছে। কিন্তু উল্লেখনীয় কথাটো হ'ল যে ৰুদ্ৰটে আৰু ৰুয্যকে বক্ৰোক্তি সম্বন্ধে যি ধাৰণা আগবঢ়াইছে সেয়া ভামহ, দণ্ডী আৰু কুন্তকৰ বক্ৰোক্তি বিষয়ক ধাৰণাতকৈ অলপ বেলেগ আৰু সীমিত পৰিধিৰ। বক্ৰোক্তিবাদক বহু পণ্ডিতে অলঙ্কাৰ সম্প্ৰদায়ৰ অন্তৰ্ভুক্ত ধাৰণা বুলি অভিমত প্ৰকাশ কৰে।

**আত্মমূল্যায়ন প্ৰশ্ন**

অলংকাৰ শাস্ত্ৰৰ বিভিন্ন সম্প্ৰদায় গঢ় লৈ উঠাৰ কাৰণ কি? (৫০ টা মান শব্দৰ ভিতৰত উত্তৰ লিখক।)

.................................................................................................

.................................................................................................

.................................................................................................

.................................................................................................

.................................................................................................

.................................................................................................

### ৪.৫ ৰীতি পদটিৰ অৰ্থ আৰু প্ৰকাৰভেদ

সংস্কৃত অলঙ্কাৰ শাস্ত্ৰত ৰীতিৰ বিষয়ে বিস্তৃত আলোচনা থকা দেখিবলৈ পোৱা যায়। ৰীতি শব্দটিৰ ব্যুৎপত্তিৰ বিষয়ে *'সৰস্বতীকণ্ঠাভৰণ'* গ্ৰন্থত ভোজৰাজে কৈছে—'ৰীঙ্গতাবিতিধাতোঃ সা ব্যুৎপত্ত্যাক ৰীতিৰুচ্যতে'। ইয়াৰ অৰ্থ হ'ল 'গত্যৰ্থক ৰীঙ্ ধাতুৰ পৰা ৰীতি শব্দৰ উৎপত্তি হৈছে।' অৰ্থাৎ যাৰ দ্বাৰা গতি কৰা হয় তাকে ৰীতি বোলে। ভোজৰাজে ৰীতি বিষয়ত মাৰ্গ পদটোৰ ব্যৱহাৰ কৰিছে আৰু এই ক্ষেত্ৰত তেওঁ স্পষ্টকৈ কৈছে—'বৈদৰ্ভাদিকৃতঃ পন্থাঃ কাব্যে মাৰ্গ ইতি স্মৃতঃ'। অৰ্থাৎ 'বিদৰ্ভ আদি দেশত প্ৰচলিত কাব্য গতিৰ পন্থাক মাৰ্গ বুলি কোৱা হয়'। এই ধাৰণা অনুসৰি ৰীতি পদটোৱে কাব্য ৰচনাৰ ধৰণ বা পন্থাকেই বুজায়। *'সাহিত্য দৰ্পণ'* গ্ৰন্থৰ নৱম পৰিচ্ছেদত বিশ্বনাথ কবিৰাজে ৰীতিৰ লক্ষণ প্ৰসঙ্গত কৈছে—'পদসংঘটনা ৰীতিৰঙ্গসংস্থাবিশেষবৎ। উপকৰ্ত্ৰী ৰসাদীনাম্ সা পুনঃ স্যাচ্চতুৰ্বিধ'। ইয়াৰ অৰ্থ হ'ল 'মানুহৰ শৰীৰত যথাস্থানত হাত-ভৰি আদি অৱয়বৰ সন্নিৱেশৰ দৰে শব্দাৰ্থ শৰীৰযুক্ত কাব্যত যথাস্থানত পদসমূহৰ যোজনেই হ'ল ৰীতি'। ৰীতি কাব্যৰ আত্মৰূপী ৰসৰ উপকাৰ সাধন কৰে। বিশ্বনাথ কবিৰাজৰ মতে ৰীতি চাৰিবিধ—বৈদৰ্ভী, গৌড়ী, পাঞ্চালী আৰু লাটী। আচাৰ্য মনোৰঞ্জন

শাস্ত্রীদেৱে তেওঁৰ *'সাহিত্য-দৰ্শন'* গ্ৰন্থত ৰীতিৰ বিষয়ে এটি যৌগিক অৰ্থ গ্ৰহণ কৰিছে। তেওঁৰ মতে, ৰীতি শব্দটো যোগৰূঢ় আৰু ইয়াৰ অৰ্থ হ'ল অন্তৰৰ শৌৰ্য বীৰ্য আদি গুণসমূহ ফুটি উঠোৱা যাৰ দ্বাৰা, কাব্যৰ তেনে অঙ্গসংস্থান বা গঠনেই হ'ল ৰীতি। ৰীতিৰ প্ৰকাৰভেদ লৈ আলঙ্কাৰিকসকলৰ মাজত মতভেদ দেখা যায়। এই প্ৰসঙ্গত কোৱা যায় যে দণ্ডীয়ে তেওঁৰ 'কাব্যাদৰ্শ'ত নানা প্ৰকাৰৰ ৰীতি বা মাৰ্গৰ কথা স্বীকাৰ কৰিলেও এই গ্ৰন্থত কেৱল বৈদৰ্ভী আৰু গৌড়ী ৰীতিৰহে লক্ষণ আদি আলোচনা কৰিছে। বিশ্বনাথ কবিৰাজে চাৰি প্ৰকাৰৰ ৰীতিক স্বীকাৰ কৰিছে। ভোজে আকৌ এই চাৰিবিধ ৰীতিৰ লগত অৱন্তিকা আৰু মাগধী ৰীতিৰ সংযোজন আনিছে। বিভিন্ন প্ৰকাৰৰ ৰীতিৰ স্বৰূপৰ বিষয়েও আলঙ্কাৰিকসকলে বেলেগ বেলেগ অভিমত প্ৰকাশ কৰা দেখা যায়। বিশ্বনাথ কবিৰাজে বৈদৰ্ভী ৰীতি প্ৰসঙ্গত কৈছে—

"মাধুৰ্য্যব্যঞ্জকৈৰ্বৰ্ণৈ ৰচনা ললিতাত্মিকা।
অবৃত্তিৰল্পবৃত্তিৰ্বা বৈদৰ্ভী ৰীতিৰিষ্যতে।।"

মাধুৰ্যগুণ প্ৰকাশক বৰ্ণৰ সহায়ত সুন্দৰ, সমাসহীন বা অলপ সমাস বিশিষ্ট ৰচনাকেই বৈদৰ্ভী ৰীতি বোলে। বামনাচাৰ্যৰ মতে কাব্যগুণসমূহ য'ত থাকে আৰু কোনো এটা শব্দগুণৰো অভাৱ য'ত পোৱা নাযায় তাকে বৈদৰ্ভী ৰীতি বোলে। গৌড়ী ৰীতিৰ প্ৰসঙ্গত বিশ্বনাথ কবিৰাজে কৈছে—

"ওজঃপ্ৰকাশকৈৰ্বৰ্ণৈৰ্বন্ধ আড়ম্বৰঃ পুনঃ।
সমাসবহুলা গৌড়ী—।।"

'ওজঃ প্ৰকাশক বৰ্ণেৰে উৎকট ৰচনাসমৃদ্ধ, সমাসৰ বাহুল্যযুক্ত ৰীতিয়েই হ'ল গৌড়ী ৰীতি'। সমাসৰ বাহুল্য গৌড়ী ৰীতিৰ সুস্পষ্ট লক্ষণ। পাঞ্চালী ৰীতিৰ লক্ষণ প্ৰসঙ্গত বিশ্বনাথ কবিৰাজে কৈছে—

"বৰ্ণৈঃ শেষৈঃ পুনৰ্দ্বয়োঃ।
সমস্ত-পঞ্চম-পদো বন্ধঃ পাঞ্চালিকা মতা।।"

মাধুৰ্য্য গুণ প্ৰকাশ নকৰা, ওজঃ গুণ প্ৰকাশ নকৰা, মধ্যম পৰিমাণৰ সমাস বিশিষ্ট ৰচনাকে পাঞ্চালী ৰীতি বোলে। কিন্তু ভোজৰাজে পাঞ্চালী ৰীতিৰ বিষয়ে অলপ বেলেগ ধৰণে কৈছে—

"সমস্তপঞ্চষপদামোজঃ কান্তিসমন্বিতাম্।
মধুৰাং সুকুমাৰাঞ্চ পাঞ্চালীং কৱয়ো বিদুঃ।।"

এই লক্ষণ অনুসৰি পাঁচ-ছয় সংখ্যক সমাসবদ্ধ পদযুক্ত, ওজঃ আৰু কান্তি গুণযুক্ত, মধুৰ আৰু সুকুমাৰ ৰচনাকেই পাঞ্চালী বুলি কোৱা হয়। গতিকে দেখা গ'ল পাঞ্চালী ৰীতিৰ লক্ষণ প্ৰসঙ্গত আলঙ্কাৰিকসকলৰ মাজত মতভেদ আছে। লাটী

ৰীতিৰ লক্ষণ প্ৰসঙ্গত বিশ্বনাথ কবিৰাজে কৈছে—

"লাটী তু ৰীতিৰ্বৈদৰ্ভীপাঞ্চাল্যোৰন্তৰা স্থিতা।"

বৈদৰ্ভী আৰু পাঞ্চালী ৰীতিৰ মাজত থকা ৰীতিক লাটী ৰীতি বোলে। আকৌ এই চাৰিবিধ ৰীতিৰ বিষয়ে কোৱা হৈছে—

"গৌড়ী ডম্বৰবন্ধা স্যাদ্বৈদৰ্ভী ললিতক্ৰমা।
পাঞ্চালী মিশ্ৰভাবেন লাটী তু মৃদুভিঃ পদৈঃ।।"

অৰ্থাৎ 'উৎকট ৰচনা ৰীতি হ'ল গৌড়ী, মধুৰ শব্দবিন্যাসৰ দ্বাৰা প্ৰকাশিত ৰচনাৰীতি হ'ল বৈদৰ্ভী, গৌড়ী আৰু বৈদৰ্ভীৰ মিশ্ৰ ৰীতিয়েই হ'ল পাঞ্চালী আৰু মৃদু পদ সংযোগেৰে প্ৰকাশিত ৰচনাৰীতি হ'ল লাটী। ভোজৰাজৰ মতে 'অৱন্তিকা' আৰু 'মাগধী' নামৰ ৰীতি দুটা উক্ত চাৰিবিধ ৰীতিৰেই বিভিন্ন ধৰণৰ মিশ্ৰণত প্ৰকাশ পায়। এই আলোচনাৰ পৰা এই কথাটো স্পষ্ট যে সংস্কৃত আলঙ্কাৰিকসকলে ৰীতিৰ বিষয়ে সদায় একেধৰণৰ ব্যাখ্যা আগবঢ়োৱা নাই।

**আত্মমূল্যায়ন প্ৰশ্ন ঃ**

ৰীতিৰ বিভিন্ন বিভাজন কিহৰ ওপৰত নিৰ্ভৰ কৰি হৈছে? (৪৫টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.................................................................................................
.................................................................................................
.................................................................................................
.................................................................................................
.................................................................................................
.................................................................................................

### ৪.৬ ঔচিত্য পদটিৰ অৰ্থ

বিখ্যাত আলঙ্কাৰিক ক্ষেমেন্দ্ৰৰ *'ঔচিত্যবিচাৰচৰ্চা'* নামৰ গ্ৰন্থখনত ঔচিত্যৰ বিষয়ে বিস্তৃত ব্যাখ্যা আগবঢ়োৱা হৈছে। উচিতৰ ভাবকেই ঔচিত্য বুলি কোৱা হয়। কাব্যত কৰণীয় পদাৰ্থৰ ভাবেই ঔচিত্য। এই প্ৰসঙ্গত ক্ষেমেন্দ্ৰই তেওঁৰ *'ঔচিত্য বিচাৰচৰ্চা'* গ্ৰন্থত কৈছে—

"উচিতং প্ৰাহুৰাচাৰ্য্যাঃ সদৃশং কিল যস্য যৎ।
উচিতস্য চ যো ভাৱঃ তদৌচিত্যং প্ৰচক্ষতে।।"

'য'ত যিটো সদৃশ সেইটোৱে উচিত, এই উচিতৰ ভাবকেই ঔচিত্য বুলি কোৱা হয়।

এই কথা অনস্বীকাৰ্য যে কাব্যত যিবোৰ দোষ সৃষ্টি হয় সেইবোৰৰ মূলতেই আছে অনৌচিত্য। কাৰণ আলঙ্কাৰিকসকলৰ অভিমত অধ্যয়ন কৰিলে দেখা যায় যে বিভিন্ন আলঙ্কাৰিকে বিভিন্ন বৰ্ণনাত দোষৰ গুণ প্ৰয়োজকত্বৰ বিষয়ে কৈছে। উদাহৰণস্বৰূপে কোৱা যায় যে বিশ্বনাথ কবিৰাজ আদি আলঙ্কাৰিকে দুঃশ্ৰৱত্বক, শৃঙ্গাৰ আদি ৰসৰ বৰ্ণনা দোষ হিচাপে স্বীকাৰ কৰিছে কিন্তু সেই একে ধৰণৰ বৰ্ণনাকেই আকৌ বীৰ আদি ৰসৰ বিষয়ে গুণ প্ৰয়োজক বুলি গ্ৰহণ কৰিছে। ইয়াৰ অন্তৰ্নিহিত কাৰণেই হ'ল ঔচিত্য-অনৌচিত্য প্ৰসঙ্গ। শৃঙ্গাৰ ৰসৰ বৰ্ণনাত কঠিন বৰ্ণ প্ৰয়োগ উচিত নহয় কাৰণ ই ৰসাস্বাদনত বাধাৰ সৃষ্টি কৰে। আনহাতে বীৰ আদি আদি ৰসৰ ক্ষেত্ৰত কঠিন বৰ্ণৰ প্ৰয়োগ উচিত কাৰণ এনেকুৱা বৰ্ণইহে এই ৰসৰ বাহক হয়। গতিকে ঔচিত্যৰ ওপৰতে ৰসৰ গতি নিৰ্ভৰ কৰে। উপযুক্তভাৱে, ৰসৰ চাহিদা অনুসৰি, পাঠকৰ হৃদয় স্পৰ্শ কৰিব পৰা শব্দ আৰু অৰ্থৰ সন্নিৱেশেই হ'ল ঔচিত্য। ঔচিত্যৰ অভাৱত আপাত দৃষ্টিত ধুনীয়া বুলি ভবা বৰ্ণনাৰো প্ৰকৃততে কোনো মূল্য নাথাকে।

**আত্মমূল্যায়ন প্ৰশ্ন :**

ঔচিত্য মানে কি? (৩০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.............................................................................................................

.............................................................................................................

.............................................................................................................

.............................................................................................................

.............................................................................................................

.............................................................................................................

## ৪.৭ ভাৰতীয় অলঙ্কাৰ শাস্ত্ৰত ৰীতিবাদ

ৰীতিকেই কাব্যৰ মূল হিচাপে স্বীকাৰ কৰা আলঙ্কাৰিকসকলৰ ধাৰণাকেই সংস্কৃত অলঙ্কাৰ শাস্ত্ৰত ৰীতিবাদ বুলি কোৱা হয়। এই বাদ বা সম্প্ৰদায় অনুসৰি ৰীতিয়েই হ'ল কাব্যৰ আত্মা—'ৰীতিৰাত্মা কাব্যস্য।' আচাৰ্য বামনে তেওঁৰ 'কাব্যালঙ্কাৰসূত্ৰ'ৰ প্ৰথম অধিকৰণত ৰীতিকেই কাব্যৰ আত্মা বুলি স্বীকাৰ কৰি ৰীতিবাদৰ পুৰোধা হিচাপে স্বীকৃতি লাভ কৰিছে। দণ্ডীয়ে তেওঁৰ গ্ৰন্থত ৰীতিৰ বিষয়ে যথেষ্ট আলোচনা আগবঢ়াইছে। বিশ্বনাথ কবিৰাজ আদি আলঙ্কাৰিকেও তেওঁলোকৰ গ্ৰন্থত ৰীতিৰ বিষয়ে বিস্তৃত আলোচনা কৰিছে। বামণাচাৰ্যৰ গ্ৰন্থত গুণ আৰু অলঙ্কাৰৰ মাজত থকা প্ৰভেদ সুস্পষ্টভাৱে দেখুৱাই দিয়া হৈছে। গুণৰ লগত ৰীতি নিবিড়ভাৱে

জড়িত। কাৰণ প্ৰায় প্ৰত্যেকজন আলঙ্কাৰিকেই গুণ প্ৰকাশক বৰ্ণৰ সমাবেশৰ ভিত্তিত ৰীতি নিৰ্ণয় কৰিছে। এইখিনিতেই উল্লেখযোগ্য কথাটো হ'ল আচাৰ্য দণ্ডীৰ গ্ৰন্থত যদিও ৰীতিৰ বিষয়ে আলোচনা পোৱা যায় কিন্তু দণ্ডীয়ে কেতিয়াও তেওঁৰ গ্ৰন্থত ৰীতি শব্দটোৰ ব্যৱহাৰ কৰা নাই। ৰীতি শব্দৰ পৰিবৰ্তে তেওঁ সম্পূৰ্ণ 'কাব্যাদৰ্শত' মাৰ্গ পদটোৰ ব্যৱহাৰ কৰিছে। আচাৰ্য দণ্ডীয়ে স্পষ্টকৈ তেওঁৰ গ্ৰন্থত বৈদৰ্ভী আৰু গৌড়ী ৰীতিৰ মাজত থকা প্ৰভেদসমূহ উপস্থাপন কৰিছে। তেওঁৰ গ্ৰন্থত গৌড়ীয় মাৰ্গক পৌৰস্ত্য আৰু বৈদৰ্ভ মাৰ্গক দাক্ষিণাত্য—এই দুটা শব্দেৰে সংযুক্ত কৰা হৈছে। দণ্ডীয়ে কৈছে— 'অবেক্ষমাৰ্ণা ববৃধে পৌৰস্ত্যা কাব্যপদ্ধতিঃ'। এই ক্ষেত্ৰত সূচনা কৰা 'পৌৰস্ত্যা কাব্যপদ্ধতিঃ' পদ দুটাই গৌড়ীয় ৰীতিক বুজাইছে। তেওঁ আকৌ কৈছে— 'অতো নৈবমনুপ্ৰাসং দাক্ষিণাত্যাঃ প্ৰযুঞ্জতে'— এইখিনিতে দাক্ষিণাত্য পদটোৱে বৈদৰ্ভী ৰীতি সমৃদ্ধ কাব্য পদ্ধতিক ইঙ্গিত কৰিছে। আচাৰ্য দণ্ডীয়ে দহটা কাব্য গুণকেই বৈদৰ্ভ মাৰ্গৰ মূল বুলি কৈছে। আচাৰ্য মম্মটৰ মতে বামণাচাৰ্য আদিয়ে উপনাগৰিকা বৃত্তিক বৈদৰ্ভী, পৰুষ বৃত্তিক গৌড়ী আৰু কোমলাবৃত্তিক পাঞ্চালী ৰীতি হিচাপে গ্ৰহণ কৰিছে। 'ত্ৰতাস্তিস্ৰো বৃত্তয়ো বামনাদীনাং মতে বৈদৰ্ভী-গৌড়ী-পাঞ্চালাখ্যা ৰীতয়ো মতাঃ' (*কাব্যপ্ৰকাশ* ১০ উল্লাস)। ভোজে ৰীতি আৰু বৃত্তিক শব্দালংকাৰৰ ভিতৰত সামৰি লৈ ছয়বিধ ৰীতিক স্বীকাৰ কৰিছে। '*ধ্বন্যালোক*' গ্ৰন্থত সংঘটনা শব্দটো বহুবাৰ ব্যৱহৃত হৈছে আৰু বিশ্বনাথ কবিৰাজৰ ৰীতি লক্ষণত এই পদটোৰ ব্যৱহাৰ হোৱা দেখা যায়।

ৰীতিৰ বিষয়ে বিভিন্ন আলঙ্কাৰিকে বেলেগ বেলেগ কথা ক'লেও ৰীতি সম্প্ৰদায়ে কিন্তু কাব্যৰ আত্মা বা মূল হিচাপে ৰীতিকেই স্বীকাৰ কৰে।

**আত্মমূল্যায়ন প্ৰশ্ন ঃ**

ৰীতি আৰু মাৰ্গৰ সম্পৰ্ক কি? (৪০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

..............................................................................................

..............................................................................................

..............................................................................................

..............................................................................................

..............................................................................................

..............................................................................................

### ৪.৮ ভাৰতীয় অলঙ্কাৰ শাস্ত্ৰত ঔচিত্যবাদ

ভাৰতীয় অলঙ্কাৰ শাস্ত্ৰ অৰ্থাৎ সংস্কৃত অলঙ্কাৰ শাস্ত্ৰত ঔচিত্যৰ গুৰুত্ব লৈ বহু পণ্ডিতে বিভিন্ন ধৰণে মতামত আগবঢ়াইছে। কিছুমান আলঙ্কাৰিকে ঔচিত্যৰ গুৰুত্ব

কাব্যত অনুভৱ কৰি ইয়াক অলঙ্কাৰ শাস্ত্ৰৰ এটি অতি প্ৰয়োজনীয় সম্প্ৰদায় বুলি অভিমত ব্যক্ত কৰিছে। আকৌ কিছুমান পণ্ডিতে ইয়াক পৃথক সম্প্ৰদায় হিচাপে স্বীকাৰ নকৰি এটি তত্ত্ব হিচাপে মানি ল'ব খোজে। ঔচিত্য এটি সম্প্ৰদায় নে তত্ত্ব— এই বিষয়ে মতানৈক্য থাকিলেও কাব্যত ঔচিত্যৰ গুৰুত্ব সকলো আলঙ্কাৰিকেই কোনোবা এটা দিশত হ'লেও স্বীকাৰ কৰিছে। এই ক্ষেত্ৰত অবিসংবাদিতভাবে ক্ষেমেন্দ্ৰৰ *'ঔচিত্যবিচাৰচৰ্চা'*ৰ কথা আহি পৰে। আচাৰ্য ক্ষেমেন্দ্ৰই এই গ্ৰন্থত ঔচিত্যক ৰসৰো মূল বা আশ্ৰয় বুলি কৈছে। তেওঁৰ মতে—'ঔচিত্যস্য চমৎকাৰকাৰিণশ্চাৰুচৰ্বণে। ৰসজীৱিতভূতস্য বিচাৰং কুৰুতেধুনঃ' ক্ষেমেন্দ্ৰই এইখন গ্ৰন্থত পদং বাক্যং, প্ৰবন্ধাৰ্থ, গুণ, অলঙ্কাৰ, ৰস, ক্ৰিয়া, কাৰক, লিঙ্গ, বচনং, উপসৰ্গ, কাল, দেশ আদিৰ প্ৰসঙ্গত ঔচিত্যৰ অৱস্থিতিৰ বিষয়ে আলোচনা কৰিছে। এইখিনিতেই মন কৰিবলগীয়া কথাটো হ'ল 'ধ্বন্যালোক' গ্ৰন্থত আনন্দবৰ্ধনাচাৰ্যই ঔচিত্যৰ অভাৱ বা অনৌচিত্যকেই ৰস হানিৰ কাৰণ বুলি ব্যাখ্যা কৰিছে—

অনৌচিত্যাদৃতে নান্যদ্ৰসভঙ্গস্য কাৰণম্। প্ৰসিদ্ধৌচিত্যবন্ধস্তু ৰসস্যোপনি ষৎপৰা।

কুন্তকৰ *'বক্ৰোক্তিজীৱিত'*নামৰ গ্ৰন্থখনতো ঔচিত্যক সকলো মাৰ্গৰেই গুণ বুলি স্বীকাৰ কৰা হৈছে। ইয়াত ঔচিত্য প্ৰসঙ্গত কোৱা হৈছে—

"যত্ৰ বক্তুঃ প্ৰমাতুৰ্বা বাচ্যং শোভাতিশায়িনা। আচ্ছাদ্যতে স্বভাবেন তদপ্যৌচিত্যমুচ্যতে।।"

গতিকে সংস্কৃত অলঙ্কাৰ শাস্ত্ৰৰ ইতিহাস অধ্যয়ন কৰিলে জনা যায় যে ঔচিত্যক প্ৰায় সকলো আলঙ্কাৰিকেই যথাযোগ্য গুৰুত্ব দিছে। কিন্তু ক্ষেমেন্দ্ৰই এখোপ আগুৱাই গৈ ঔচিত্যক 'কাব্যজীৱিত' বুলি কোৱা কাৰণে এই বাদৰ মুখ্য প্ৰৱক্তা হিচাপে তেওঁকেই গণ্য কৰা হয়। ক্ষেমেন্দ্ৰৰ ঔচিত্যৰ উদ্দেশ্যে কৰা এই গভীৰ মন্তব্যই সংস্কৃত অলঙ্কাৰ শাস্ত্ৰত এটি নতুন দিশ উন্মোচন কৰিলে। ক্ষেমেন্দ্ৰৰ মতে অলঙ্কাৰ, গুণ, ৰস আদিয়ে ঔচিত্যক মানি লৈছে কাব্যত নিজৰ নিজৰ উদ্দেশ্য সাধন কৰিব পাৰে ঔচিত্য শূন্য অলঙ্কাৰে কাব্যৰ শোভা বৃদ্ধি কৰিব নোৱাৰে, ঔচিতহীন গুণ কাব্যগুণ হিচাপে স্বীকৃত নহয়। আনফালে ঔচিত্যযুক্ত হ'লে আপাত দৃষ্টিত যিটো কাব্য দোষ ৰূপে প্ৰতিভাত হয় প্ৰকৃততে সেইটো কাব্য গুণলৈ উন্নীত হয়। এই প্ৰসঙ্গত ক্ষেমেন্দ্ৰই কৈছে—

"উচিতস্থানবিন্যাসাদলঙ্কৃতিৰলঙ্কৃতিঃ।
ঔচিত্যাদচ্যুতা নিত্যং ভৱন্ত্যেৱ গুণা গুণাঃ।।"

এনেদৰে ঔচিত্যৰ ধাৰণাই ভাৰতীয় তথা সংস্কৃত অলঙ্কাৰ শাস্ত্ৰত এটি গুৰুত্বপূৰ্ণ মতবাদৰ বীজ ৰোপন কৰিছে।

**আত্মমূল্যায়ন প্ৰশ্ন ঃ**

ঔচিত্যবাদৰ হোতা হিচাপে কাক আৰু কিয় স্বীকৃতি দিয়া হয়? (৪০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

........................................................................................................

........................................................................................................

........................................................................................................

........................................................................................................

........................................................................................................

........................................................................................................

## ৪.৯ সাৰাংশ (Summing Up)

এই অধ্যায়টিত আপুনি অলঙ্কাৰ শাস্ত্ৰৰ বিষয়ে অধ্যয়ন কৰিলে। ভাৰতীয় অলঙ্কাৰ শাস্ত্ৰ বুলিলে সাধাৰণতে সংস্কৃত অলঙ্কাৰ শাস্ত্ৰক বুজায়। এই অধ্যায়টো অধ্যয়ন কৰি সংস্কৃত অলঙ্কাৰ শাস্ত্ৰৰ স্বৰূপ তথা ইয়াৰ বিশাল পৰিধিৰ বিষয়ে জানিলে। সংস্কৃত অলঙ্কাৰ শাস্ত্ৰত বিভিন্ন সময়ত বিভিন্ন ধাৰা উন্মেষ হৈছে। আৰু এই ধাৰাবোৰৰ লগত সামঞ্জস্য ৰাখি সংস্কৃত অলঙ্কাৰ শাস্ত্ৰৰ বিশাল জগতত একো একোটা বেলেগ বেলেগ সম্প্ৰদায় গঢ়ি উঠিছে। প্ৰত্যেকটো সম্প্ৰদায়ে কাব্যৰ লক্ষণ, গুণ, দোষ, অলঙ্কাৰ আদিৰ বিষয়ে আলোচনা আগবঢ়ালেও একো একোটা বিশেষ ধাৰণাক কেন্দ্ৰ কৰি গঢ় লোৱা এই সম্প্ৰদায়সমূহে স্বকীয় বৈশিষ্ট্য বজায় ৰাখিছে। এই অধ্যায়টো অধ্যয়ন কৰি আপুনি জানিলে যে সংস্কৃত অলঙ্কাৰ শাস্ত্ৰত ৰস সম্প্ৰদায়, ধ্বনি সম্প্ৰদায়, অলঙ্কাৰ সম্প্ৰদায়, ৰীতি সম্প্ৰদায় আৰু বক্ৰোক্তি সম্প্ৰদায় আছে। ইংৰাজীত এইবোৰক এটা এটা স্কুল (school) বুলি কোৱা হৈছে। সম্প্ৰদায়ৰ সংখ্যা লৈ আলঙ্কাৰিকসকলৰ মাজত মত বিৰোধ আছে। বক্ৰোক্তিক বহুতে সম্প্ৰদায় বুলি মানি নলয়। আকৌ ঔচিত্যৰ বিষয়েও আলঙ্কাৰিকসকলৰ মত এক আৰু অভিন্ন নহয়। এই অধ্যায়টি অধ্যয়ন কৰি আপুনি ৰীতিপদৰ অৰ্থ বিষয়ত বিভিন্ন আলঙ্কাৰিকৰ অভিমত তথা ৰীতিৰ প্ৰকাৰভেদৰ বিষয়ে সবিশেষ জানিব পাৰিলে। ৰীতিৰ লক্ষণ প্ৰসঙ্গত বিভিন্ন আলঙ্কাৰিকে পৃথক পৃথক ধাৰণা পোষণ কৰে আৰু কাব্যত ৰীতিৰ গুৰুত্বৰ বিষয়েও আলঙ্কাৰিকসকলৰ সিদ্ধান্ত একে নহয়। কিছুমান অলঙ্কাৰ শাস্ত্ৰ গ্ৰন্থত ৰীতিৰ ঠাইত মাৰ্গপদটোৰ ব্যৱহাৰ হোৱা দেখা যায়। মানুহৰ শৰীৰত উপযুক্ত ঠাইত অঙ্গ-প্ৰত্যঙ্গসমূহৰ অৱস্থানৰ নিচিনা কাব্যত উপযুক্ত ঠাইত উপযুক্ত পদৰ ব্যৱহাৰেই ৰীতি পদৰ অৰ্থ। ৰীতিক কাব্য ৰচনাৰ কৌশল বুলিও ধৰা যায়। কাব্য ৰচনা কৰোতে কবিয়ে বিভিন্ন ধৰণৰ বৰ্ণৰ সহযোগত যি কাব্য পদ্ধতি ব্যৱহাৰ কৰে তাকেই ৰীতি বুলি কোৱা হয়। সংস্কৃত অলঙ্কাৰ শাস্ত্ৰত চাৰিবিধ

মূল ৰীতি পোৱা যায়। সেইবোৰ হ'ল—বৈদৰ্ভী, গৌড়ী, পাঞ্চালী আৰু লাটী। এইবোৰৰ সংমিশ্ৰণত আকৌ অৱন্তিকা আৰু মাগধী ৰীতি পোৱা বুলি কিছুমান আলঙ্কাৰিকে অভিমত প্ৰকাশ কৰিছে। এই অধ্যায়টিত সংস্কৃত অলঙ্কাৰ শাস্ত্ৰত বহুলভাৱে চৰ্চিত ৰীতিবাদৰ বিষয়ে আলোচনা কৰা হৈছে। সেইদৰে এই অধ্যায়টি অধ্যয়ন কৰি আপুনি ঔচিত্যৰ বিষয়েও ধাৰণা লাভ কৰিলে। ঔচিত্যক সম্পূৰ্ণ পৃথক সম্প্ৰদায় হিচাপে সকলো আলঙ্কাৰিকে প্ৰত্যক্ষভাৱে স্বীকাৰ নকৰিলেও ইয়াৰ প্ৰাধান্য কাব্যত অনস্বীকাৰ্য। প্ৰকৃততে ঔচিত্য অবিহনে কাব্যৰ ৰসাস্বাদন প্ৰক্ৰিয়া বিঘ্নিত হয়। আচাৰ্য ক্ষেমেন্দ্ৰৰ *'ঔচিত্যবিচাৰচৰ্চা'* নামৰ গ্ৰন্থখনত ঔচিত্যক ৰসৰো মূল বুলি কোৱা হৈছে। আনন্দবৰ্ধনে তেওঁৰ বিখ্যাত গ্ৰন্থ *'ধ্বন্যালোক'*ত ঔচিত্যৰ অনৱস্থাকেই ৰসভঙ্গৰ কাৰণ হিচাপে দেখুৱাইছে। এইবোৰ আলোচনাই সংস্কৃত অলঙ্কাৰ শাস্ত্ৰত ঔচিত্যৰ গুৰুত্ব নিৰ্দ্ধাৰণ কৰিছে।

### ৪.১০ আৰ্হি প্ৰশ্ন (Sample Questions)

১। সংস্কৃত অলঙ্কাৰ শাস্ত্ৰৰ বিষয়ে এটি চমু টোকা লিখা।

২। সংস্কৃত অলঙ্কাৰ শাস্ত্ৰত থকা বিভিন্ন সম্প্ৰদায়সমূহ কি কি? প্ৰত্যেকটোৰ বিষয়ে আলোচনা দাঙি ধৰা।

৩। ৰীতি পদৰ অৰ্থ কি? সংস্কৃত অলঙ্কাৰ শাস্ত্ৰত ৰীতিবাদৰ স্থান সম্পৰ্কে আলোচনা কৰা।

৪। ঔচিত্য পদটোৱে কি বুজায়। ঔচিত্যবাদৰ প্ৰবক্তা কোন? ঔচিত্যবাদ সম্পৰ্কে এটি চমু টোকা লিখা।

৫। চমু টোকা লিখা ঃ

ৰস, অলঙ্কাৰ, ৰীতি, ঔচিত্য, বক্ৰোক্তি, বৈদৰ্ভী ৰীতি, পাঞ্চালী ৰীতি, অলঙ্কাৰ শাস্ত্ৰ, ধ্বন্যালোক, সাহিত্য দৰ্পণ।

### ৪.১১ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


বিশ্বনাথ কবিৰাজ, অনু.—বিশ্বনাৰায়ণ শাস্ত্ৰী ঃ *সাহিত্যদৰ্পণ*

আনন্দবৰ্ধন, সম্পা.—বিষ্ণুপদ ভট্টাচাৰ্য ঃ *ধ্বন্যালোক*

মম্মটভট্ট, সম্পা.—শ্ৰীহৰিশঙ্কৰ শৰ্মা ঃ *কাব্যপ্ৰকাশ*

শ্ৰীমনোৰঞ্জন শাস্ত্ৰী ঃ *সাহিত্যদৰ্শন*

পি. ভি. কানে ঃ *হিষ্টৰি অব সংস্কৃত পোৱেটিক্স*

ভৰত, সম্পা.—ব্ৰজমোহন চতুৰ্বেদী ঃ *নাট্যশাস্ত্ৰম*

ধনঞ্জয়, শ্ৰীভোলাশঙ্কৰ ব্যাস ঃ *দশৰূপক*


●●●

## প্ৰথম বিভাগ
## ভক্তিৰ স্বৰূপ

**বিভাগৰ গঠন**

১.১ ভূমিকা (Introduction)
১.২ উদ্দেশ্য (Objectives)
১.৩ ভক্তিৰ সংজ্ঞা
১.৪ ভক্তিমাৰ্গৰ পৰিচয়
১.৫ ভক্তিৰ প্ৰকাৰ
১.৫.১ নৱধা ভক্তি
১.৫.২ শ্ৰৱণ কীৰ্ত্তনৰ শ্ৰেষ্ঠত্ব
১.৫.৩ সকাম-নিষ্কাম ভক্তি
১.৫.৪ অন্তৰঙ্গা, উত্তমা, সপ্ৰেমা ভক্তি
১.৬ ভক্তিৰ উৎস
১.৭ সাৰাংশ (Summing up)
১.৮ আৰ্হি প্ৰশ্ন (Sample Questions)
১.৯ প্ৰসঙ্গ-গ্ৰন্থ (References/Suggested Readings)

### ১.১ ভূমিকা (Introduction)

কোনো এটা জাতি বা কোনো এখন সমাজৰ সংস্কৃতিৰ বিষয়ে বিচাৰ-বিশ্লেষণ কৰিব লগা হ'লে সেই জাতি বা সমাজৰ ধৰ্মীয় সাহিত্য অধ্যয়ন কৰিব লাগিব। ভাৰতীয় সাহিত্যৰ এক বিশাল অংশ ধৰ্মীয় তথা ভক্তি সাহিত্যই অধিকাৰ কৰি আছে। সেই সাহিত্যসমূহৰ বিষয়ে অধ্যয়ন কৰিব লাগিলে ভক্তিবাদ বা ভক্তিৰ স্বৰূপ সম্বন্ধে সাধাৰণভাৱে হ'লেও অৱগত হ'ব লাগিব। বৈদিক কালৰেপৰা বৰ্তমানলৈকে ভক্তিৰ ক্ৰমবিকাশৰ ইতিহাস পোৱা যায়। ভক্তিবাদ বা ভক্তিমাৰ্গ বুলিলে ভাৰতত আমি ঘাইকৈ বৈষ্ণৱ মাৰ্গকেই বুজোঁ তথাপি আন মাৰ্গ বা ধৰ্মৰ যে ভক্তি সাহিত্য নাই তেনে নহয়। যেনে, শৈৱ ভক্তি সাহিত্য আৰু শাক্ত ভক্তি সাহিত্য। হিন্দু ধৰ্মত তিনিগৰাকী দেৱতা ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰৰ ভিতৰত বিষ্ণুকেই উপাস্য দেৱতা হিচাপে লোৱাৰ পৰাই বৈষ্ণৱ (বিষ্ণু + ষ্ণ) ধৰ্মৰ উৎপত্তি আৰু ক্ৰমবিকাশ ঘটিছে। এই বিষ্ণুৰ স্থিতিও বেদতেই পোৱা যায়। কিন্তু ভক্তি বুলিলে অকল বিষ্ণু ভক্তিকহে বুজায়, এনে নহয়। শিৱভক্তি, দুৰ্গাভক্তি বা গণেশভক্তিও ভক্তিমাৰ্গৰ ভিতৰতে পৰে। উপাস্য দেৱতা যিয়েই নহওঁক সাধন প্ৰণালীটোত যদি ভক্তিযোগ হয়, তেনেহ'লে সেই দেৱতাৰ উপাসকজনকো ভক্তিপন্থী বুলি ক'ব লাগিব। তথাপি সাধাৰণভাৱে বিষ্ণু বা বিষ্ণুৰ কোনো অৱতাৰ বিশেষ উপাস্য দেৱতা বুলি গ্ৰহণ কৰা সকলোকে ভক্তিবাদী বা বৈষ্ণৱপন্থী বুলি কোৱা হয়। এনে অৰ্থত ভক্তিপন্থীৰ সংখ্যাই ভাৰতবৰ্ষত সৰ্বাধিক। এই ভক্তিনো কি, ইয়াৰ কেনেদৰে উৎপত্তি হ'ল, কেনেদৰে ইয়াক শ্ৰেণীবিভাজন কৰিব পাৰি, ইয়াৰ দাৰ্শনিক পটভূমি কেনে ধৰণৰ, এই সকলোবোৰ দিশ এই অধ্যায়টিত আলোচনা কৰিবলৈ প্ৰয়াস কৰা হৈছে।

### ১.২ উদ্দেশ্য (Objectives)

এই অধ্যায়টিত ভক্তিৰ বিভিন্ন দিশৰ বিষয়ে আলোচনা কৰি ভক্তিৰ স্বৰূপ নিৰ্ণয় কৰিবলৈ প্ৰয়াস কৰা হ'ব। অধ্যায়টি অধ্যয়ন কৰাৰ অন্তত আপোনালোকে ঃ—

- ভক্তি সম্পৰ্কে ধাৰণা লাভ কৰি তাৰ যথোচিত সংজ্ঞা নিৰূপণ কৰিবৰলৈ সমৰ্থ হ'ব,
- ঈশ্বৰ প্ৰাপ্তিৰ চাৰিটা মাৰ্গ জ্ঞান, কৰ্ম, যোগ আৰু ভক্তিৰ লগত পৰিচিত হৈ সেই বিষয়ে বৰ্ণনা কৰিব পাৰিব,
- ভক্তিক কেই ভাগত ভগাব পাৰি, প্ৰতিটো ভাগৰ বিষয়ে অৱগত হৈ প্ৰয়োজন অনুসৰি সেইবোৰৰ বিষয়ে বিস্তৃত বিৱৰণ দাঙি ধৰিব পাৰিব,
- ভক্তিবাদ বা ভক্তিধৰ্ম কি পটভূমি বা দৰ্শনৰ আধাৰত গঢ় লৈ উঠিছে সেই সম্পৰ্কে ব্যাখ্যা আগবঢ়াব পাৰিব,
- সৰ্বোপৰি সামগ্ৰিকভাৱে ভক্তিৰ স্বৰূপ সম্পৰ্কে জ্ঞাত হৈ অসমীয়া ভক্তিধৰ্ম আৰু সাহিত্যৰ ক্ষেত্ৰত ইয়াৰ কেনেদৰে বিকাশ ঘটিছে, সেই বিষয়ে বিচাৰ-বিশ্লেষণ আগবঢ়াব পাৰিব।

## ১.৩ ভক্তিৰ সংজ্ঞা

ভক্তি কাক বোলে বা ইয়াৰ সংজ্ঞা একেষাৰতে দিয়া সম্ভৱ নহয়। কাৰণ ভক্তি সম্পৰ্কে বিভিন্নজনে বিভিন্ন সংজ্ঞা আগবঢ়াই আহিছে। আটাইবোৰ সংজ্ঞা উল্লেখ কৰাৰ পিছতহে ভক্তি সম্পৰ্কে এটি সামগ্ৰিক ধাৰণা গ্ৰহণ কৰিব পাৰি। ভক্তি সম্পৰ্কে বিভিন্ন দৃষ্টিকোণৰ পৰা বিভিন্ন বিচাৰ বিশ্লেষণ মন কৰিব লগীয়া। সাধাৰণভাৱে ভক্তি শব্দই ঈশ্বৰক কৰা সেৱা উপাসনাকে বুজায়। ভক্তি মানে ঈশ্বৰৰ প্ৰতি একান্ত অনুৰাগ, প্ৰগাঢ় প্ৰেম। মহৰ্ষি শাণ্ডিল্যই ভক্তিৰ স্বৰূপ নিৰ্ণয় কৰিবৰলৈ গৈ ইয়াৰ সূত্ৰ দিছে এনেদৰে- "সা পৰানুৰক্তিৰীশ্বৰে"। অৰ্থাৎ ভক্তি হৈছে ঈশ্বৰত পৰম অনুৰক্তি। অনুৰক্তি; অসমীয়াত যাক ধাউতি বোলে। মনৰ ঘনে ঘনে ভাল লগা অৱস্থাটো যি বস্তু দেখিলে বা শুনিলে বা ভাবিলে উপস্থিত হয়, সেই বস্তুটোত বা বস্তুটোৰ প্ৰতি অনুৰক্তি বা অনুৰাগ হৈছে বুলি কোৱা হয়। কোনো এটা বস্তুত বা বিষয়ত যেতিয়া অনুৰক্তি সুগভীৰ হয়, আন সকলো অনুৰুক্তি তল পৰে। কোনো বিষয়ত পৰম অনুৰক্তি হয়, সেই বিষয়ৰ বাহিৰে আন কোনো বস্তু বা বিষয়ে মনত সন্তোষ লগাব নোৱাৰে। সকলো অনুৰক্তিক চেৰ পেলাই যি অনুৰক্তিয়ে স্থিতি লাভ কৰে শাণ্ডিল্য সূত্ৰত তাকেই পৰানুৰক্তি আখ্যা দিয়া হৈছে। কিন্তু ভক্তি হ'বলৈ হ'লে এই পৰাণুৰক্তি কেৱল ঈশ্বৰতহে হ'ব লাগিব (পৰাণুৰক্তি ঃ ঈশ্বৰ)। ঈশ্বৰৰ বাহিৰে আন বিষয়ত পৰানুৰক্তি হ'লে তাক ভক্তি আখ্যা দিয়া নহয়।

মহৰ্ষি শাণ্ডিল্যই ভক্তি সম্পৰ্কে যি সংজ্ঞা আগবঢ়ালে নাৰদ যেন তাত সম্পূৰ্ণৰূপে সন্তুষ্ট হ'ব নোৱাৰিলে। সেইবাবে তেওঁ 'পৰানুৰক্তিৰ' ঠাইত ক'লে 'পৰম প্ৰেমৰূপা- 'সা ত্বস্মিন্ পৰম প্ৰেমৰূপা'। অৰ্থাৎ ঈশ্বৰৰ প্ৰতি পৰম প্ৰেমেই ভক্তি। এই 'পৰম প্ৰেম' হ'ল সবাৰো ওপৰত, যাক পালে মানুহে আন একোকে বাঞ্ছা নকৰে। কোনো বস্তুৰ প্ৰতি অভিলাষ নাথাকে, সেই প্ৰেমকেই কোৱা হৈছে পৰম প্ৰেম। নাৰদীয় ভক্তিসূত্ৰৰ মতে, সেই পৰম প্ৰেমেই ভক্তি। এই ভক্তিসূত্ৰই আন এঠাইত অনিৰ্বচনীয় প্ৰেমৰ স্বৰূপকেই ভক্তি বুলিছে-"অনিৰ্বচনীয়ং প্ৰেম স্বৰূপম্।" কোনো কোনো শাস্ত্ৰত মনটো ভগৱানত সম্পূৰ্ণৰূপে নিৱিষ্ট কৰি কোনো ফলৰ আশা নকৰাকৈ তেওঁক নিৰন্তৰ ভজনা কৰাকে ভক্তি আখ্যা দিয়া হৈছে। নাৰদৰ পঞ্চৰাত্ৰ অনুসৰি প্ৰেম পৰিপ্লুত মন হৰিৰ প্ৰতি স্বাৰ্থশূন্য হৈ সদায় প্ৰবাহিত হৈ থকা অৱস্থাই ভক্তি- "মনোগতিৰৱিচ্ছিন্না হৰৌ প্ৰেম পৰিপ্লুতা। অভিসন্ধিৰিনিৰ্মুক্তা ভক্তি বিষ্ণুৱশংকৰা।" আন এক সংজ্ঞা মতে, ভক্তি হৈছে এনে এক সূক্ষ্ম আৰু গভীৰ অনুভূতি, যাক ভাষাৰে প্ৰকাশ কৰিব নোৱাৰি- "সূক্ষ্মতৰম্ অনুভৱ ৰূপম।" কোনো কোনোৰ মতে ভক্তি হ'ল সীমাহীন প্ৰাপ্তিৰ অবিৰত প্ৰয়াস। এনেদৰে আলোচনা কৰিলে দেখা যায় যে, ভক্তি সম্পৰ্কে বিভিন্নজনৰ বিভিন্ন সংজ্ঞাৰ প্ৰচলন আছে। প্ৰত্যেকটো সংজ্ঞাতে ভক্তিক বিভিন্ন দিশৰপৰা বিশ্লেষণ কৰি চোৱাৰ প্ৰয়াস কৰিছে। প্ৰকৃততে ভক্তি হ'ল

এটা মানসিক অৱস্থা। মানুহৰ খং, দুখ, শোক, আনন্দ আদি যেনেদৰে বিভিন্ন মানসিক অৱস্থা আছে, তেনেদৰে ভক্তিও এটা মানসিক অৱস্থা। যাক কোৱা হয় ভক্তি উপাসকৰ পমি যাব খোজা এটা মনৰ অৱস্থা। আনহাতে, ভক্তি এক গভীৰ অনুভৱ আৰু ই সদায় ধৰ্ম তথা ঈশ্বৰৰ দ্বাৰা সিক্ত।

ভক্তি মধুৰতকৈও সুমধুৰ। ভক্ত আৰু ভগৱানৰ মাজত সম্পৰ্ক স্থাপন হয় ভক্তিৰ যোগেদি। এই ভক্তিৰ যোগেদিয়েই ভক্তই ঈশ্বৰ প্ৰাপ্তি বা মোক্ষ প্ৰাপ্তিৰ বাবে অগ্ৰসৰ হয়। সেইবাবে এই ধৰ্মত ভক্তিৰ গুৰুত্ব সৰ্বাধিক। ভক্তি দুই প্ৰকাৰে সৃষ্টি হয়- ভয়ৰপৰা আৰু শ্ৰদ্ধাৰপৰা। বৈষ্ণৱ ধৰ্মৰ ভক্তি হ'ল শ্ৰদ্ধাৰপৰা সৃষ্টি হোৱা ভক্তি।

## ১.৪ ভক্তিমাৰ্গৰ পৰিচয়

হিন্দুধৰ্ম অনুসৰি চৰম উদ্দেশ্য হৈছে ঈশ্বৰ প্ৰাপ্তি বা মোক্ষ লাভ কৰা। এই উদ্দেশ্য পূৰণৰ পথ চাৰিটা- **কৰ্ম, জ্ঞান, যোগ** আৰু **ভক্তি**। এই চাৰিটাক একো একোটা 'মাৰ্গ' বা 'যোগ' বুলিও কোৱা হয়। ইয়াত 'যোগ' শব্দৰ অৰ্থ হ'ল কৌশল বা প্ৰয়োগ। গীতাতো "যোগঃ কৰ্মসু কৌশলম্" বুলি কৰ্ম কৰাৰ কৌশলকে যোগ বোলা হৈছে। সেইবাবে বহুতে ওপৰত উল্লেখ কৰা চাৰিটা মাৰ্গৰ ভিতৰত 'যোগমাৰ্গ' বুলি এটা সুকীয়া মাৰ্গৰ আলোচনা কৰা দেখা নেযায়। এইফালৰপৰা মাৰ্গ বা যোগ প্ৰধানকৈ তিনিটা কৰ্মযোগ, জ্ঞানযোগ আৰু ভক্তিযোগ। এই তিনিটাৰ যিকোনো এটা পথ বা মাৰ্গৰে অগ্ৰসৰ হৈ ভক্তই ঈশ্বৰ প্ৰাপ্তিৰ দিশে স্তৰে স্তৰে আগবাঢ়িব পাৰে। নাইবা একাধিক বা তিনিওটা মাৰ্গৰ পৰস্পৰ সমন্বয় ৰক্ষা কৰিও আগবাঢ়িব পাৰে। সেইবাবে এই যোগএয় পৰস্পৰ বিৰোধী নহয়। সকলো জান,জুৰি,নৈ বৈ গৈ শেষত সাগৰত পৰাৰ দৰে সকলো মাৰ্গেই ভক্তক ভেদহীন একে পৰমানন্দৰূপ সাগৰক পোৱায়গৈ-

*ৰুচিনাং বৈচিত্ৰাদ্ ঋজুকুটিলনানাপথজুৰাং*
*নৃপামেকো গম্যস্তমসি পয়সামৰ্ণৱ ইব।*

অৰ্থাৎ ৰুচি বেলেগ বেলেগ। সেইদেখি কোনোৱে পোন বাটে গৈ ভাল পায়, কোনোৱে অকোৰা-পকোৰা বাটেদি গৈহে ভাল পায়। সেই বাটবোৰেদি যোৱা যাত্ৰীসকলৰ জান, জুৰি,নৈৰ পানীবোৰ সাগৰত পৰাৰ দৰে তুমিয়েই একমাত্ৰ গম্যস্থল।

গন্তব্যস্থান একে হ'লেও যোৱা বাটকেইটাৰ নিজ নিজ বিশেষত্ব আছে। প্ৰথমটো বাট **কৰ্ম**। কৰ্মক সাধনৰূপে লৈ পৰম গতি পোৱাৰ কৌশলটো হ'ল কৰ্মযোগ। মানুহ কৰ্মত প্ৰবৃত্ত হয় সাংসাৰিক আৰু ইন্দ্ৰিয় সুখাদি লাভৰ প্ৰেৰণাত। ইয়াতকৈ ওখ প্ৰেৰণাত মানুহে কৰ্ম কৰে ইহলোকৰ সুখ বিচাৰি নহয়, পৰলোকৰ সুখ বিচাৰিহে। তেতিয়া কৰ্মৰ ফল ভোগৰ আকাংক্ষাৎ হয় পৰলোকত। কৰ্মৰ চূড়ান্ত অৱস্থাত কৰ্মকৰ্তাই ফলৰ আকাংক্ষা নকৰি কৰ্ম কৰি যায়, আৰু তাৰ ফল ঈশ্বৰক সমৰ্পিত হয়- "কৃষ্ণাৰ্পনমস্তু'। ইয়াকে গীতাত কোৱা হৈছে নিষ্কাম কৰ্ম। শ্ৰীকৃষ্ণই কৰ্মযোগ সৰ্বজনবোধগম্য কৰি গীতাত উপদেশ দি গৈছে। বস্তুতঃ কৰ্মযোগ উপনিষদৰ 'তেন ত্যক্তেন ভূঞ্জীথাঃ' ৰূপৰেই সম্প্ৰসাৰণ।

মুক্তিলাভ বা ঈশ্বৰ প্ৰাপ্তিৰ দ্বিতীয়টো পথ হ'ল **জ্ঞানযোগ** বা **জ্ঞানমাৰ্গ**। *শ্ৰীমদ্ভগৱতগীতা*ৰ চতুৰ্থ অধ্যায়ত এই জ্ঞানযোগৰ কথা বিশদভাৱে উল্লিখিত হৈছে। জ্ঞানৰ সীমা নাই, কিবা এটা জানিলে আকৌ আন কিবা এটা জানিবলৈ ইচ্ছা হয়। এনে এটা বস্তুক জানিব লাগিব যিটো জানিলে আৰু একো জানিবলৈ বাকী নাথাকে- 'যস্মিন্ ৱিজ্ঞাতে সৰ্বমিদং ৱিজ্ঞাতং ভৱতি'। সেই চৰম জ্ঞানৰ যোগ বা জ্ঞানে জ্ঞান যোগ। 'যোগ' শব্দৰ অৰ্থ হৈছে মিলন বা এক হোৱা। এক হ'বলৈ বা মিলিত হ'বলৈ দুটা জ্ঞান লাগিব- এটা হ'ল অহং জ্ঞান আৰু

আনটো হ'ল ব্ৰহ্মৰূপী জ্ঞান। এই দুই জ্ঞানৰ একাকাৰ হোৱাই অৰ্থাৎ অহং জ্ঞান লয় হৈ ব্ৰহ্মজ্ঞানৰূপে প্ৰকাশ হোৱাকে জ্ঞানযোগ বোলে। পানীত লোণ মিহলালে লোণ নোহোৱা হৈ পানী মাত্ৰ থাকে, অৰ্থাৎ লোণৰ জ্ঞান লুপ্ত হৈ পানীৰ জ্ঞানহে প্ৰকাশিত হয়। এই অৱস্থাত অহং জ্ঞান লুপ্ত হৈ এক ব্ৰহ্মজ্ঞানত লীন যায়। এয়েই জ্ঞানযোগ।

মুক্তি লাভৰ তৃতীয় পথ **যোগমাৰ্গ**। এই যোগ হঠযোগ নহয়, ৰাজযোগ । পতঞ্জলিত এই যোগৰ বিশদ শিক্ষা আছে। গীতাৰ ষষ্ঠ অধ্যায়তো ভগৱন্তই যোগমাৰ্গৰ বিষয়ে বিবৃতি দিছে। ইয়াত বুজাই দিয়া হৈছে যে যোগী আৰু সন্ন্যাসী একে। তেওঁ যোগীৰ স্থান, আসন, উপবেশনৰ নিয়ম আৰু প্ৰাণ-মন-বুদ্ধিৰ সংযম সাধন কৰি যোগপ্ৰাপ্তিৰ সুগম পথ দেখুৱাই দিলে আৰু যোগীৰ আহাৰ বিহাৰাদিৰ বিষয়েও উপদেশ দিছে। যোগমাৰ্গ সম্পৰ্কত শ্ৰীকৃষ্ণই অৰ্জুনক কৈছে ঃ

*যোগিনামপি সৰ্ব্বেষাং মদগতেনান্তৰাত্মনা।*
*শ্ৰদ্ধাৱান্ ভজতে যো মাং স মে যুক্ততমো মতঃ।।*

অৰ্থাৎ হে অৰ্জুন! মোৰ মতে যোগী হোৱা। যি শ্ৰদ্ধাবান মানুহে মদ্‌গত চিত্তেৰে মোক ভজনা কৰে, তেওঁ সকলো যোগীতকৈ শ্ৰেষ্ঠ।

কৰ্ম, জ্ঞান, যোগ, ভক্তি- এই আটাইকেইটা পথেৰেই মুক্তি বা ঈশ্বৰ প্ৰাপ্তিৰ বাবে প্ৰয়াস কৰিব পাৰি। কিন্তু আটাইকেইটা মাৰ্গেৰে ঈশ্বৰ প্ৰাপ্তিৰ ক্ষেত্ৰত দুষ্কৰ কাৰ্য সাধন কৰিবলগীয়াত পৰে। তুলনামূলভাৱে ভক্তি মাৰ্গ সহজ, যাক কোৱা হয় সুগম পন্থ। ঈশ্বৰৰ কৰুণা পাবলৈ হ'লে একমাত্ৰ সহজ উপায় হৈছে ভক্তি। এই ভক্তি হৃদয়ৰ বস্তু, মগজুৰ লগত তাৰ সম্পৰ্ক নাই। 'গীতা'ৰ মতেও জ্ঞান, কৰ্ম, যোগ প্ৰত্যেকটো পথেই মুক্তিদায়ক যদিও, ভক্তিপথ সহজ আৰু শ্ৰেষ্ঠ । বাস্তবিকতে 'গীতা'ত ভক্তিৰ ধাৰাটোৱেই মুখ্য; কৰ্ম আৰু জ্ঞান তাৰ শাখানদী মাথোন। প্ৰকৃত জ্ঞান আৰু প্ৰকৃত কৰ্মই ভক্তিলৈকেহে টানি নিয়ে। ভক্তিয়েই হৈছে ঈশ্বৰক পাবৰ প্ৰধান উপায়। নিভাঁজ প্ৰেম-ভক্তিয়ে জ্ঞান বা কৰ্ম-কাৰো সহায় নিবিচাৰে। সি নিজেই শক্তিশালী। কিন্তু ভক্তি মানে অন্ধ ভক্তি নহয়। ভক্তিয়ে জ্ঞানৰ সহায় বিচাৰক বা নিবিচাৰক, জ্ঞানে ভক্তিৰ দাসত্ব আপোন ইচ্ছাতে কৰিবই কৰিব। অনন্ত জ্ঞানময় ঈশ্বৰৰ জ্ঞান ক্ষুদ্ৰাতিক্ষুদ্ৰ মনুষ্যই কিমানখিনিয়েই বা লাভ কৰিব পাৰে? একেদৰে কৰ্ম বা যোগ সাধনা সকলো শ্ৰেণীৰ মানুহৰ বাবে সম্ভৱপৰ নহ'বও পাৰে। সেইবাবে ঈশ্বৰৰ কৰুণা পাবলৈ হ'লে একমাত্ৰ উপায় হ'ল ভক্তি। আশাশুধীয়া ভক্তিৰ বাহিৰে আন প্ৰকৃষ্ট উপায় নাই আৰু কলিকালত শ্ৰৱণ-কীৰ্ত্তন ভক্তিয়েই শ্ৰেষ্ঠ ভক্তি-ধৰ্ম, নাম-ধৰ্ম। ভক্তিবাদ সম্পৰ্কত ৰামকৃষ্ণ পৰমহংসদেৱে কৈছে- ভক্তি অন্দৰমহললৈকে যাব পৰা তিৰোতা মানুহৰ নিচিনা। জ্ঞান বাহিৰত বৰচ'ৰাত বহা বিজ্ঞ সভাসদ। অন্তেষপুৰলৈ যাব পৰা ভক্তি নিশ্চয় ঈশ্বৰৰ অন্তেষপুৰ বৰ্ত্তিনী। এই ভক্তিৰ প্ৰসঙ্গতে পৰমহংসদেৱৰ দৰে লক্ষ্মীনাথ বেজবৰুৱাইও কৈছে- ভক্তি হৃদয়ৰ বস্তু, মগজুৰ লগত তাৰ সম্পৰ্ক নাই। গতিকে দেখা যায় যে জ্ঞান, কৰ্ম, যোগ আৰু ভক্তি এই চাৰি মাৰ্গৰ ভিতৰত ভক্তিমাৰ্গেই শ্ৰেষ্ঠ।

**আত্মমূল্যায়ন প্ৰশ্ন ঃ**

ভক্তি কাক বোলে? (৩৫ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................

..........................................................

..........................................................

### ১.৫ ভক্তিৰ প্ৰকাৰ

#### ১.৫.১ নৱধা ভক্তি

ভাগৱত-পুৰাণকে আদি কৰি আন আন ভক্তি শাস্ত্ৰত ন-বিধ বা নৱধা ভক্তিৰ কথা আলোচনা কৰা হৈছে। সেই নবিধ ভক্তি হ'ল- শ্ৰৱণ, কীৰ্ত্তন, স্মৰণ, পাদসেৱন, অৰ্চন, বন্দন, দাস্য, সখ্য আৰু আত্মনিবেদন। এই নবিধ ভক্তি যদিও দেখাত বিভিন্ন প্ৰণালীৰ, তথাপি পৰস্পৰ পৰিপূৰকহে। তলত আটাইকেইবিধ ভক্তিৰ বিষয়ে পৃথকে আলোচনা কৰা হ'ল ঃ

১) শ্ৰৱণ ঃ ভগৱান বিষ্ণু বা তেওঁৰ অৱতাৰসমূহৰ নাম আৰু চাৰিবিধ লীলাৰ কথা আনৰপৰা শুনাই শ্ৰৱণ। এই চাৰিবিধ লীলা হৈছে ঃ সৃষ্টি, স্থিতি, লয় আৰু অৱতাৰ কৰ্ম। এইবিলাক নিজেই শুনাকৈ উচ্চাৰণ কৰিলেও শ্ৰৱণ হয় আৰু আনে কোৱা বা গোৱা শুনিলেও শ্ৰৱণ হয়। 'ভক্তি ৰত্নাৱলী'ত কোৱা হৈছে- "শ্ৰৱণং নাম তন্নমাদিশব্দানাং পৰোক্তানাং স্বোক্তানাং শ্ৰোত্ৰেণ গ্ৰহণম্ ।" ভক্তিবাদীৰ বিশ্বাস যে, কৃষ্ণ কথা শ্ৰৱণত যদি ৰতি জন্মে তেতিয়া অসৎ প্ৰবৃত্তিৰ তেজ কমি আহে আৰু আন কথাত ৰতি নবহে। শ্ৰৱণৰ দ্বিতীয় কাম হৈছে মনৰ সংশয় দূৰ কৰা "কথা শুনিলেহে গুচে মনৰ সংশয়। কৃষ্ণ সেৱাত ৰতি তেবেসে বাঢ়য়" (মাধৱদেৱ)। ভগৱানৰ যশ, গুণ, মহত্ত্ব শুনা, ভক্ত সমাজৰ আলোচনালৈ কাণ দিয়া, গীতা-ভাগৱত আদি পাঠত মনোযোগ দিয়া- এই সকলোবোৰ শ্ৰৱণ ভক্তিৰ অন্তৰ্গত। অসমৰ সত্ৰসমূহত কিছুমান 'শ্ৰৱণি' নামেৰে সুকীয়া বাব থকা ভকত থাকে। তেওঁলোকৰ বিশেষ কাম ভাগৱত পাঠৰ সময়ত উপস্থিত থাকি ভাগৱত শুনা। শ্ৰৱণৰ প্ৰাধান্য দেখুওৱাই এই ব্যৱস্থাৰ **উদ্দেশ্য**।

২) কীৰ্ত্তন ঃ ঈশ্বৰৰ নাম আৰু গুণাৱলীৰ স্বয়ং উচ্চাৰণ কৰাকে কীৰ্ত্তন বোলে। এই কীৰ্ত্তনো অকলশৰীয়াকৈ আৰু সমূহীয়াকৈ দুয়ো প্ৰকাৰে হ'ব পাৰে। শ্ৰৱণৰ দৰে সমূহীয়া কীৰ্ত্তনো অধিক ৰসদায়ক বাবে সমূহীয়া কীৰ্ত্তনক কোনো-কোনোৱে সংকীৰ্ত্তনো বোলে। কীৰ্ত্তন পাঁচবিধ- নামোচ্চাৰণ, স্তুতিপাঠ, কথাব্যাখ্যা, গীত আৰু অভিনয়। আনে শুনাকৈ বা নিজে শুনাকৈ নামোচ্চাৰণ কৰিলেই কীৰ্ত্তন হয়। স্তোত্ৰ, সহস্ৰনাম, ঘোষা, কীৰ্ত্তন আদি উচ্চস্বৰে বা নিম্নস্বৰে পাঠ বা আবৃত্তি কৰাই স্তুতিপাঠ। গীতা, ভাগৱত আদি ভক্তি শাস্ত্ৰৰ কাহিনী বা বিষয়বস্তুৰ আলোচনা বা ব্যাখ্যাই হ'ল কথা ব্যাখ্যা। ভগৱানৰ নাম আৰু লীলাক তাল আৰু সুখ বিশিষ্ট কৰি গোৱাই গীত। আনহাতে, ঈশ্বৰৰ লীলাক অনুকৰণ কৰাকেই অভিনয় বোলে। গীত আৰু অভিনয়ৰ উদ্দেশ্য হ'ল ৰসসৃষ্টি। ৰসানুভূতিয়েই এই ক্ষেত্ৰত প্ৰেম-ভক্তিৰ সোৱাদ দিয়ে। সেই কাৰণে বৈষ্ণৱ সম্প্ৰদায়তে সুমধুৰ গীতৰ ভজন, বৰগীত, ভাওনা, ৰাসলীলা, যক্ষগান, ভাৱৈয়া আদিৰ প্ৰচলন আছে। আনহাতে, অভিনয় যে ভক্তি সাধনৰ এটা অঙ্গ গোপীসকলেই তাৰ প্ৰমাণ দি থৈ গৈছে। শ্ৰীকৃষ্ণৰ অৱৰ্তমানত তেওঁলোকে কৃষ্ণৰ অভিনয় কৰি নিজৰ মনক সান্ত্বনা দিছিল।

৩) স্মৰণ ঃ ভগৱানৰ নাম আৰু ৰূপৰ চিন্তণেই স্মৰণ। উচ্চাৰণ নকৰাকৈ মনৰ ভিতৰতে ঈশ্বৰৰ নাম সোঁৱৰা, ৰূপৰ ধ্যান কৰা আৰু মানস ৰূপ কৰা- এই সকলোবোৰ স্মৰণৰ অন্তৰ্গত। জপ তিনি প্ৰকাৰৰ ঃ বাচিক, উপাংশু আৰু মানস। বাচিক জপত নাম বা মন্ত্ৰ শুনাকৈ আবৃত্তি কৰা হয়। উপাংশুত কেৱল ওঁঠহে লৰে। মানস জপত বাগ্ যন্ত্ৰৰ কোনো অংশই ক্ৰিয়াশীল নহয়; কেৱল পদানুক্ৰমে নাম বা মন্ত্ৰ মনৰ ভিতৰতে পুনঃ পুনঃ আবৃত্তি কৰা হয়। অনুক্ষণে, অহৰ্নিশে, হৃদপিণ্ডৰ ক্ৰিয়াৰ দৰে হৃদয়ৰ পৰা নাম নুগুচা অৱস্থাটো স্মৰণৰ চৰম দশা। স্মৰণৰ মহিমা বা কাৰ্যকাৰিতা এক প্ৰকাৰে চালে শ্ৰৱণ-কীৰ্ত্তনকৈও বেছি। শ্ৰৱণ আৰু কীৰ্ত্তন দিনটোৰ সকলো সময়তে সম্ভৱ নহ'বও পাৰে; কিন্তু স্মৰণৰ সময়-অসময় নাই। অহৰ্নিশে, সকলো সময়তে সুখ-দুখ, আনন্দ, বিপদ, সম্পদ যিকোনো মুহূৰ্ততে হ'ব পাৰে। ভগৱানৰ নাম স্মৰণৰ ফলত অমঙ্গল দূৰ হয়, অন্তৰ শুদ্ধ হয়, চঞ্চল মনক সুস্থিৰতা দান কৰে।

৪) পাদ সেৱন ঃ বিষ্ণুৰ যিকোনো ৰূপ কল্পনাৰ (নাৰায়ণ, বাসুদেৱ, কৃষ্ণ, ৰাম) মূৰ্তিৰ পৰিচৰ্যাই পাদসেৱন "তত্ৰ পাদসেৱনং নাম পৰিচৰ্যা প্ৰতিমাদৌ"। গতিকে ইয়াত পাদসেৱনৰদ্বাৰা ভগৱানৰ বিগ্ৰহ বা প্ৰতিমাৰ পৰিচৰ্যাৰ কথাকে কোৱা হৈছে। ভগৱানৰ মূৰ্তি, গুৰু, ভগৱদ, ভক্ত আদিৰ পূজা পাদ সেৱনৰ প্ৰাৰম্ভিক অৱস্থা। এই সেৱাৰ পৰা অভ্যস্ত হৈ ভক্তই দাস্য প্ৰেমত একাগ্ৰভাৱে স্থিৰ চিত্তৰ দ্বাৰা ক্ৰমে নিজৰ মনতে পৰমাত্মাৰ অমূৰ্ত-চৰণৰ সেৱা কৰিবলৈ সমৰ্থ হয়। ভগৱানৰ পৰিচৰ্যাকালত নিজক তেওঁৰ দাস বুলি ভাৱোঁতে ভাৱোঁতে পাছৰ দাস্য, সখিত্ব আৰু আত্ম বিলোপন ভাৱৰ পক্কাৱস্থালৈ যাবলৈ বাট মুকলি হয়।

৫) অৰ্চন ঃ বিষ্ণুৰ যিকোনো ৰূপ কল্পনাক বিধিমতে যথাসাধ্যে কৰা পূজাই অৰ্চন- 'অৰ্চনং পূজা'। শ্ৰদ্ধা আৰু আদৰপূৰ্বক ভগৱানৰ স্বৰূপ পূজাই অৰ্চন ভক্তি। ভক্তৰ ধাৰণা যে, ভগৱান মন্দিৰৰ মূৰ্তি, সদ্‌গুৰু আৰু ভক্তৰ মাজত বাস কৰে। এইবোৰৰ মাজেদি ভগৱৎ সাক্ষাত হয়। অৰ্চন দুবিধ- মানসিক অৰ্চন আৰু বাহ্যিক অৰ্চন। মানসিক অৰ্চনত ভক্তৰ আত্ম সমৰ্পনৰ ভাৱ প্ৰধান। বাহ্যিক অৰ্চনক **ষোড়শোপচাৰ** বোলে। আসন, পাদ্যাৰ্ঘ, আচমন, পঞ্চামৃত, স্নান, বস্ত্ৰ, শৃংগাৰ, চন্দন, পুষ্প, ধূপ, ধূনা, নৈবেদ্য, তাম্বুল, যজ্ঞোপৱীত, পৰিক্ৰমা আৰু বন্দনা- এয়ে ষোড়শোপচাৰ। অৰ্চন ভক্তিৰ ফলত গছত গুৰিত পানী দিলে গা-গছ, ডাল-পাত, ফল-ফুল আদিয়েই জীৱ পোৱাৰ দৰে সকলো দেৱতা সন্তুষ্ট হয় আৰু ভক্তৰ কামনা সিদ্ধি হয়।

৬) বন্দন ঃ ভগৱানৰ সন্মুখত নতজানু হৈ নম্ৰতাৰে সৈতে তেওঁৰ অনন্ত মহিমাক হৃদয়ত ধ্যান কৰি স্তুতি কৰাৰ নাম বন্দন ভক্তি। বন্দন ভক্তি দুই প্ৰকাৰৰ ঃ প্ৰেম-ভক্তি আৰু সাধাৰণ ভক্তি। বিষ্ণুৰ প্ৰতি অনন্য মহিমাই হৈছে প্ৰেম ভক্তি। এইবিধ ভক্তিত স্তৱ-স্তোত্ৰ আদি গাই নানা কাকূতি-মিনতি কৰি শাস্ত্ৰৰ বিধিমতে প্ৰণাম কৰা হয়।

৭) দাস্য ঃ পৰমাত্মা মোৰ পিতা, মাতা, প্ৰভূ আৰু মই তেওঁৰ পুত্ৰ, সেৱক- এনেভাৱে কৰা ভক্তিকে কোৱা হয় দাস্য ভক্তি। এইবিধ ভক্তিত ভক্ত হ'ল ভগৱানৰ দাস বা ভৃত্য। তেওঁৰ নিজৰ বুলিবলৈ একো নাথাকে। এনেকৈ নিজকে ভগৱানৰ দাস বুলি ভাবি সমস্ত কৰ্মফল আদি ভগৱানত অৰ্পনেই দাস্য ভক্তিৰ নিদৰ্শন। 'দাস্য' শব্দৰ অৰ্থ দাসবৎ কৰ্মাৰ্পণ। সকলো কৃতকাৰ্য কৃতাৰ্থ ভগৱানৰ চৰণৰ অৰ্পণ কৰাই কৰ্মাৰ্পণ। ভৃত্যই যি কাম কৰে তাৰ ফল গৰাকীয়ে পায়। ভৃত্যই গৃহস্থ বা গৰাকীৰ গৰু চৰায়, খেতি কৰে, গাখীৰ খীৱায়; কিন্তু ধান-চাউল বা গাখীৰৰ গৰাকী গৃহস্থহে, ভৃত্য নহয়। গৃহস্থৰ কৰ্ম সম্পাদন কৰোঁতে ভৃত্যই যিদৰে আত্মস্বাৰ্থ বিলোপ কৰি কৰে, ভক্তি ধৰ্মত ভক্তয়ো সকলো কৰ্মতে 'মই মোৰ' ভাৱ নোহোৱাকৈ কৰিব লাগে। এয়েই দাস্য ভক্তি। এই ভক্তিৰ যোগেৰে ভক্তৰ মনৰ অহংকাৰ ভাৱ দূৰ হয়, ফলত তেওঁ মুক্তি বা মোক্ষ লাভৰ বাবে যোগ্যতা অৰ্জন কৰে।

৮) সখ্য ঃ পৰমাত্মা মোৰ লগৰীয়া, মিত্ৰ, বন্ধু, সুখ-দুখৰ সমভাগী- এনেদৰে কৰা ভক্তিয়েই সখ্য ভক্তি। সাধাৰণতে যাৰ লগত নিবিড় সখিত্বৰ বন্ধন গঢ় লৈ উঠে তেওঁৰ ওপৰত মানুহে পৰম বিশ্বাস স্থাপন কৰে। এই পৰম বিশ্বাস স্থাপনেই সখ্য। কিন্তু সখ্য ভক্তি সহজসাধ্য নহয়। একান্ত ভক্তি আৰু বিশ্বাসৰ ফলতহে ভগৱানৰ লগত সখিত্ব স্থাপন কৰিব পৰা যায়। এই সখ্য ভক্তি দাস্যতকৈও গভীৰ। দাস্যত ভৃত্য আৰু প্ৰভুৰ মাজত দুৰত্বৰ ব্যৱধান এটি থাকি যায়। কিন্তু সখ্যত সেই ব্যৱধান কমি গৈ ভগৱান ভক্তৰ বাবে পৰম বিশ্বাসৰ পাত্ৰ মিত্ৰজনৰ দৰে হৈ পৰে। মানুহৰ সৈতে বন্ধুত্ব বা মিত্ৰতা স্থাপনত বিচ্ছেদৰ ভয় থাকে। মতভেদ ঘটিলেই সেই মিত্ৰতা ভঙ্গ হ'ব পাৰে। কিন্তু ভগৱানৰ সৈতে সখিত্ব স্থাপনত মতভেদ অথবা বিচ্ছেদৰ ভয় নাথাকে।

৯) আত্মনিবেদন ঃ এইবিধ ভক্তিত ভক্তই নিজৰ বিদ্যা, স্থান- মান-অভিমান, দেহ-মন-প্ৰাণ-আত্মা সকলো ত্যাগ কৰি নিজৰ সকলো দোষ, অপৰাধ আৰু দুৰ্বলতাবোৰ নিঃসঙ্কোচে প্ৰকাশ কৰি ভগৱানৰ চৰণত নিজক সম্পূৰ্ণৰূপে সমৰ্পণ কৰে। এয়েই ভক্তিৰ চৰম অৱস্থা। ইয়াৰ নাম শৰণাগতি বা একশৰণ। ভগৱদ্‌গীতাত শ্ৰীকৃষ্ণই অৰ্জুনৰপৰা এনেকুৱা ভক্তিকে বিচাৰিছিল- "সকলো ধৰ্ম পৰিত্যাগ কৰি একমাত্ৰ মোতে শৰণ লোৱা। মই তোমাক সকলো পাপৰ পৰা মুক্ত কৰিম।" ইতিপূৰ্বে আলোচনা কৰা দাস্য আৰু সখ্যত যদিও অহংভাৱ দূৰ হয়, কিন্তু সমূলি বিলোপ সাধন নহয়। 'মই গৰাকীৰ বাবেহে কৰিছোঁ' কিঞ্চিত পৰিমাণে হ'লেও থাকি যায়। 'মই গৰাকীৰ বাবেহে কৰিছোঁ' বুলি কওঁতেও 'মই কৰিছোঁ' বুলি এটা অভিমান থাকি যায়। কিন্তু আত্মনিবেদনত দেহ-মন সকলো ঈশ্বৰৰ নামত সমৰ্পিত হয়।

**১.৫.২ শ্ৰৱণ কীৰ্ত্তনৰ শ্ৰেষ্ঠত্ব**

শ্ৰৱণ, কীৰ্ত্তন, স্মৰণ, পাদসেৱন, অৰ্চন, বন্দন, দাস্য, সখিত্ব আৰু আত্মনিবেদন- এই নৱবিধ ভক্তিৰ বিষয়ে ইতিমধ্যে আলোচনা কৰা হ'ল। এই নৱবিধ ভক্তিৰ ভিতৰত শ্ৰৱণ আৰু কীৰ্ত্তন এই দুবিধ ভক্তি শ্ৰেষ্ঠ বুলি কোৱা হয়। শঙ্কৰদেৱে তেওঁৰ ৰচনাৱলীৰ কেইবা ঠাইতো এই শ্ৰেষ্ঠত্ব কথা বৰ্ণনা কৰিছে ঃ

*যদ্যপি ভকতি নৱ বিধ মাধৱৰ।*
*শ্ৰৱণ কীৰ্ত্তন আতো মহা শ্ৰেষ্ঠত্বৰ।।*

আন এঠাইত কৈছে ঃ

*পূজা আদি যত ভক্তিৰ মধ্যত*
*শ্ৰৱণ কীৰ্ত্তন সাৰ।*
*কথা শ্ৰৱণৰ নাম কীৰ্ত্তনৰ*
*সমান নাহিকে আৰ।।*

শঙ্কৰদেৱেও এই নৱবিধ ভক্তিকে উপাসনাৰ পদ্ধতি বুলি উল্লেখ কৰিছে যদিও, তাৰে ভিতৰত তেওঁ শ্ৰৱণ-কীৰ্ত্তনকহে প্ৰাধান্য দিছে। বাস্তৱ ক্ষেত্ৰতো এই দুবিধ যে আনবোৰতকৈ শ্ৰেষ্ঠ তাত কোনো সন্দেহ নাই। আকৌ শ্ৰৱণ-কীৰ্ত্তনৰ ভিতৰতো শ্ৰৱণহে আদি। যাক ভক্তি কৰা হয়, তেওঁৰ বিষয়ে শুনাহে ভক্তৰ প্ৰথম কৰ্তব্য। তেওঁৰ গুণৰাশি শুনোঁতে শুনোঁতে ভক্তৰ চিত্ত সুপ্ৰসন্ন হয়, ৰতি জন্মে আৰু ভক্তই নিজেও তেওঁৰ গুণৰাশি কীৰ্ত্তন কৰিব পৰা হয়। তেতিয়াই ভক্তই পৰম আনন্দ লাভ কৰে। তাৰ পিছত লাহে লাহে বগাই গৈ বাকী সাতবিধ ভক্তিত নিমজ্জিত হয়। গতিকে শ্ৰৱণ আৰু কীৰ্ত্তনে ভক্তিৰ দুৱাৰ মুকলি কৰি দিয়ে আৰু বাকী সাতবিধ ভক্তিৰ অভ্যন্তৰলৈ লৈ যায়। শ্ৰৱণ-কীৰ্ত্তনৰ মহিমাতে ভক্তই আত্মনিবেদনৰ স্তৰলৈকে উঠিব পাৰে আৰু শৰণাগতি লাভ কৰে। পৰিশেষত চাৰি-পুৰুষাৰ্থৰ (ধৰ্ম, অৰ্থ, কাম, মোক্ষ) অন্যতম মুক্তি বা মোক্ষ লাভৰ মূলতেও হৈছে শ্ৰৱণ আৰু কীৰ্ত্তন। শ্ৰৱণ-কীৰ্ত্তনৰ যোগেদিয়েই বাকীবোৰ ভক্তি কাৰ্য সিজে বাবে এই দুবিধক মহাশ্ৰেষ্ঠত্বৰ বোলাও হৈছে। এই প্ৰসঙ্গত লক্ষ্মীনাথ বেজবৰুৱাই ভক্ত দামোদৰৰ উদাহৰণ দাঙি ধৰি শ্ৰৱণ-কীৰ্ত্তনৰ শ্ৰেষ্ঠত্ব সাব্যস্ত কৰিছে। ভক্ত দামোদৰে আন ভক্তিতকৈ শ্ৰৱণতহে অধিক নিমগ্ন হৈ দিন-ৰাতি অহৰ্নিশে ঈশ্বৰৰ গুণৰাশি শ্ৰৱণ কৰি কটাইছিল। শ্ৰৱণেহে তেওঁক শঙ্কৰদেৱৰ সমীপলৈ আকৰ্ষণ কৰি আনে। সেইবাবে শঙ্কৰদেৱে অমূল্য উপদেশ দি কৈছে ঃ

*শুনা সভাসদসৱ যুগুতি বচন।*
*হৰি ভকতিৰ আদি জানিবা শ্ৰৱণ।।*

শ্ৰৱণ-কীৰ্ত্তন নোহোৱাকৈ বাকী সাতবিধ ভক্তিৰ সাধন হ’ব নোৱাৰে। সেইবাবে এই দুবিধ যেনেদৰে অপৰিহাৰ্য; তেনেদৰে শ্ৰেষ্ঠও। শ্ৰৱণ-কীৰ্ত্তনক শ্ৰেষ্ঠ বোলা হৈছে যদিও বাকী সাতবিধ সেইবুলি একেবাৰে নিৰৰ্থক নহয়। মায়াৰ বন্ধন শ্ৰৱণ-কীৰ্ত্তনত নাথাকে বা ক’ব পাৰি যে মায়াই শ্ৰৱণ-কীৰ্ত্তনক ঢুকি নাপায়, সেইবাবেও এই দুবিধ শ্ৰেষ্ঠ। বাকী সাতবিধ ভক্তিৰ লগত পূজা, স্তুতি, প্ৰতিমা আদি জড়িত হৈ থাকে। সেইবাবে ই সকলোৰে বাবে বাস্তৱ নহ’বও পাৰে। কিন্তু শ্ৰৱণ-কীৰ্ত্তনত কোনো ধৰা-বন্ধা নীতি-নিয়ম নাই। ইয়েই ভক্তিৰ আটাইতকৈ সহজ প্ৰণালী। এনেবোৰ কাৰণতে ন-বিধ ভক্তিৰ ভিতৰত শ্ৰৱণ-কীৰ্ত্তনক শ্ৰেষ্ঠ স্থান দিয়া হৈছে।

### ১.৫.৩ সকাম-নিষ্কাম ভক্তি

ওপৰত আলোচনা কৰি অহা ন-প্ৰকাৰৰ ভক্তিৰ উপৰিও উদ্দেশ্য অনুসৰি আৰু কেইবিধমান ভক্তিৰ নাম পোৱা যায়। তাৰে ভিতৰত সকাম আৰু নিষ্কাম ভক্তি উল্লেখযোগ্য। সকাম ভক্তি কামনাযুক্ত। অৰ্থাৎ ইয়াত ভক্তই ভগৱানৰ উপাসনা বা ভক্তিৰ কৰাৰ অন্তৰালত একোটা উদ্দেশ্য বা স্বাৰ্থ নিহিত হৈ থাকে। এই সকাম ভক্তিক তিনিটা ভাগত ভগাব পাৰি ঃ সাত্বিক, ৰাজসিক আৰু তামসিক। সাত্বিক ভক্তি মোক্ষ বা মুক্তিৰ কামনাত, ৰাজসিক ভক্তি সা-সম্পত্তি, যশস্যা, পুত্ৰলাভ আদিৰ কামনাত আৰু তামসিক ভক্তি শত্ৰুনাশৰ উদ্দেশ্যত নিবেদিত হয়।

আনহাতে, নিষ্কাম ভক্তি কামনা শূন্য। সেইবাবে এইবিধ ভক্তিত স্বাৰ্থ বা কামনাৰ কোনো স্থান নাই। ইয়াক নিৰ্গুণ ভক্তি বুলিও কোৱা হয়। ভক্তিমূলক গ্ৰন্থসমূহতো যিকোনো কাম সকামভাৱে নকৰি নিষ্কামভাৱে কৰিবলৈ উপদেশ দিছে আৰু সকলো কৰ্ম আৰু কৰ্মফল ঈশ্বৰত সমৰ্পণ কৰিবলৈ কৈছে। নিষ্কাম ভক্তিৰ দ্বাৰা চিত্তশুদ্ধি হয় আৰু সেই চিত্তশুদ্ধিৰ দ্বাৰা মুক্তি লাভ হয়। ভাগৱতৰ একাদশ স্কন্ধত আছে ঃ

*নিষ্কামে কৰিয়া সকল কৰ্ম।*
*বিষ্ণুত অৰ্পিবি সি সব কৰ্ম।।*

একেদৰে মাধৱদেৱেও নামঘোষাত ‘মুক্তিতো নিস্পৃহ যিটো’ বুলি ‘নিস্পৃহ’ ৰ দ্বাৰা কামনাশূন্য বা স্বাৰ্থশূন্য ভক্তিৰ কথাকে কৈছে। তেওঁৰ মতে মুক্তিৰ প্ৰতিও কামনা বা স্পৃহা নথকা ভক্তই হৈছে শ্ৰেষ্ঠ ভক্ত। গতিকে তেনে কামনাহীন ভক্তক নমস্কাৰ জনাই মাধৱদেৱে নামঘোষা আৰম্ভ কৰিছে। ইয়াৰপৰা সহজে অনুমান কৰিব পাৰি যে, ভক্তিধৰ্মত নিষ্কাম ভক্তিৰ বিশেষ স্থান আছে।

স্তৰ বা পৰ্যায় অনুসৰি ভক্তিক আন ধৰণে দুটা ভাগত ভাগ কৰা হৈছে। সেই ভাগ দুটা হ’ল- গৌণী ভক্তি আৰু পৰাভক্তি। উপাসক, উপাস্য, পূজা-দ্ৰব্য, পূজা-বিধি আৰু মন্ত্ৰজপ- এই পাঁচোটাৰ দ্বাৰা ঈশ্বৰক কৰা সেৱাই গৌণী ভক্তি। আনহাতে, কামনাশূন্য হৈ ভগৱানৰ পৰম প্ৰেমত নিমগ্ন হোৱা অৱস্থাই পৰাভক্তি।

### ১.৫.৪ অন্তৰঙ্গা, উত্তমা, সপ্ৰেমা ভক্তি

ভক্তই মোক্ষ প্ৰাপ্তি বা ঈশ্বৰ প্ৰাপ্তিৰ ক্ষেত্ৰত তিনিটা একো একোটা ভক্তি বিশেষ। প্ৰথম স্তৰ অন্তৰঙ্গা ভক্তি, দ্বিতীয় স্তৰ উত্তমা ভক্তি আৰু তৃতীয় স্তৰটি হ’ল সপ্ৰেমা ভক্তি। তলত তিনিও বিধ ভক্তিৰ বিষয়ে চমুকৈ আলোচনা কৰা হ’ল।

১) অন্তৰঙ্গা ভক্তি ঃ ই ভক্তিৰ প্ৰাথমিক স্তৰ। এই স্তৰত ভক্তিৰ অন্তৰ অঙ্গ বা ভিতৰুৱা কথা জনা-এনে অৰ্থত অন্তৰঙ্গা। এই স্তৰত ভক্তৰ বাবে জগত বা প্ৰপঞ্চ সত্য ৰূপেই প্ৰকাশ পায়। কিন্তু ভক্তই সমস্ত জীৱকে বিষ্ণু বুদ্ধি বা বাসুদেৱ বুদ্ধি কৰি পূজা বা সেৱা কৰে। মহাপুৰুষ

শঙ্কৰদেৱৰ 'কুক্কুৰ শৃগাল গৰ্দভাৰা আত্মাৰাম' বুদ্ধি বা 'বাসুদেৱ বুদ্ধি'। 'ভক্তিৰত্নাৱলী' আৰু 'ভক্তি ৰত্নাকৰ'ত এই অন্তৰঙ্গা ভক্তিৰ লক্ষণ বিশদভাৱে বৰ্ণনা কৰা হৈছে। অন্তৰঙ্গা ভক্তিৰ স্তৰত ভক্তই ব্ৰাহ্মণ-চণ্ডাল, চোৰ-ডকাইত, জীৱ-জন্তু সকলো প্ৰাণীকে সমভাৱে দেখে। *ভক্তি ৰত্নাকৰত* কোৱা হৈছে ঃ

*সমস্ত প্ৰাণীকে মোৰ ৰূপ মনে মানি।*
*কৰা তুতি প্ৰণতি উদ্ধৱ মহাযানী।।*
*ব্ৰাহ্মণ চণ্ডাল চোৰ-দাতা ক্ৰূৰ শান্ত।*
*সবাতো আমাক তুমি দেখিবা নিতান্ত।।*

২) উত্তমা ভক্তি ঃ ভক্তিৰ এই স্তৰত ভক্তৰ বাবে জগত প্ৰপঞ্চ সকলো মিছা, অলীক। কেৱল সচ্চিদানন্দ পৰমাত্মা ভগৱানহে সঁচা। তেওঁতেই ভক্তই নিজৰ দেহ, মন, প্ৰাণ, ইন্দ্ৰিয়-সকলো অৰ্পণ কৰি অনন্য ভক্তি কৰে। *ভক্তি ৰত্নাকৰ*-ত কোৱা হৈছে ঃ

*কপিলত দেৱহুতি পুছিলা উত্তম ভক্তি*
*শুনি দিলা কপিলে উত্তৰ।*
*শুনা মাতৃ সাবধানে কহোঁ তযু বিদ্যমানে*
*উত্তম ভকতি যেন হয়।*
*হুয়া শুদ্ধ মন অতি সকল ইন্দ্ৰিয় বৃত্তি*
*বিষ্ণুতে অযত্নে প্ৰৱৰ্ত্তয়।।*
*নবাঞ্চয় একো কাম জানিবা তাহাৰ নাম*
*ভাগৱতী ভকতি উত্তম।*
*মোক্ষত অধিক ইটো ভকতিৰ সুখ অতি*
*পৰম আনন্দ নিৰুপম।।*

এই স্তৰত ভক্তই এনে এটা পৰ্যায়ত উপনীত হয় য'ত জ্ঞানেন্দ্ৰিয় আৰু কৰ্মেন্দ্ৰিয়বিলাকে অযত্নে, অৰ্থাৎ আপোনা আপুনি স্বাভাৱিকভাৱে ঈশ্বৰত প্ৰবৃত্ত হয়। এনে ভক্তিকেই 'ভাগৱতী ভক্তি' বুলিও কোৱা হয়। মানুহে অন্য নহ'লেও সংসাৰ বন্ধনৰপৰা মুক্তি লাভৰ বাবে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰে। কিন্তু এই স্তৰত ভক্তই ঈশ্বৰৰ ওপৰত একোৱেই কামনা নকৰে- "নাবাঞ্চয় একো কাম"। এওঁলোকৰ ভক্তি অনিমিত্ততা, অহৈতুকী। এই স্তৰত ভক্তৰ বাবে ভক্তিয়েই পৰম সুখ।

৩) সপ্ৰেমা ভক্তি ঃ ইয়েই ভক্তিৰ চূড়ান্ত স্তৰ। এই স্তৰৰ ভক্তিত উপনীত হ'লে ভক্তৰ বাহ্য জ্ঞান লুপ্ত হয়। জগত-প্ৰপঞ্চ সঁচা নে মিছা এনে প্ৰশ্ন তেওঁলোকৰ বাবে নুঠে। ইয়াত ভগৱৎ তত্ত্বহে প্ৰকাশ থাকে। উপাস্য দেৱতাৰ নাম, গুণ, লীলা কীৰ্ত্তন কৰোঁতে কৰোঁতে তেওঁৰ ৰূপ হৃদয়ত ধ্যান কৰোঁতে কৰোঁতে ভক্তৰ অন্তৰত প্ৰেমভক্তি ওপজে। উপাস্য দেৱতাৰ লীলা, কৰ্ম অনুকৰণ কৰে। এই ভক্তি ভক্তৰ অন্তৰত কেনেকৈ ওপজে সেই বিষয়ে *ভক্তি ৰত্নাৱলী* আৰু *ভক্তি ৰত্নাকৰ*-ত বহলাই কোৱা হৈছে ঃ

*এহিমতে প্ৰিয় মাধৱৰ গুণ নাম।*
*শ্ৰৱণ কীৰ্ত্তন মাত্ৰ কৰে অবিশ্ৰাম।।*
*এতেকে ওপজে প্ৰেম ভকতি কৃষ্ণত।*
*হোৱে চিত্ত দ্ৰৱ মিলে আনন্দ মনত।।*
*জানে ভকতে বশ্য ভগৱন্ত হৰি।*
*পৰম কৌতুকে আতি হাসে উচ্চ কৰি।।*

ভক্তিৰ সাধন প্ৰক্ৰিয়াত সপ্ৰেমা ভক্তিয়েই ভক্তিৰ চূড়ান্ত স্তৰ। ইয়াৰ বাহিৰেও চৰিত পুথিত 'কেৱলা' আৰু 'বিৰলা' ভক্তিৰ কথা কোৱা হৈছে। কিন্তু 'ভক্তি ৰত্নাকৰ'ত 'কেৱলা' আৰু 'বিৰলা' বুলি ভক্তিৰ কোনো পৰ্যায় বিভাগ কৰা নাই। সম্ভৱ কাৰো সঙ্গ নোলোৱাকৈ বা সাংসাৰিক জীৱনত নোসোমোৱাকৈ একান্তভাৱে কৰা ভক্তিকে 'কেৱলা' ভক্তি আৰু তুলনাবিহীনভাৱে কোনো ভক্তই বিশেষভাৱে কৰা ভক্তিকে 'বিৰলা' ভক্তি বোলা হৈছে।

* অন্তৰঙ্গা, উত্তমা আৰু সপ্ৰেমা- এই তিনিবিধ ভক্তিৰ আলোচনাটি ভুৱনেশ্বৰী বৈশ্য সম্পাদিত 'অসমৰ বৈষ্ণৱ সাহিত্য আৰু সংস্কৃতি' গ্ৰন্থৰ ড° সৰ্বেশ্বৰ ৰাজগুৰুৰ প্ৰবন্ধৰ 'ভক্ত আৰু ভক্তিৰ স্তৰ' শিৰোনামৰ কথাখিনি প্ৰায় একেদৰে তুলি দিয়া হৈছে।

**আত্মমূল্যায়ন প্ৰশ্ন ঃ**

নব ধা ভক্তি বুলিলে কোন কেইবিধ ভক্তিক বুজা যায়? ( ৩০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..............................................................

..............................................................

..............................................................

## ১.৬ ভক্তিৰ উৎস

ভাৰতবৰ্ষৰ প্ৰাচীনতম গ্ৰন্থ হৈছে 'বেদ'। এই বেদেই হৈছে ভক্তিবাদ বা ভক্তিধৰ্মৰ মূল উৎস। 'বেদ' শব্দৰ অৰ্থ হৈছে জ্ঞান, অৰ্থাৎ য'ৰপৰা জ্ঞান আহৰণ কৰা হয়, সিয়েই বেদ। বেদ চাৰিখন- ঋক্, যজু, সাম আৰু অথৰ্ব। প্ৰত্যেকখন বেদৰে প্ৰধানকৈ দুটা ভাগ আছে- পূৰ্ব মীমাংসা আৰু উত্তৰ মীমাংসা। পূৰ্ব মীমাংসাক কৰ্মকাণ্ড আৰু উত্তৰ মীমাংসাক জ্ঞানকাণ্ড বোলে। তত্ত্ব জিজ্ঞাসু আৰ্য ঋষিসকলে বিনন্দীয়া সৃষ্টি প্ৰকৃতি ৰাজ্যৰ কাৰ্যকলাপৰ পৰাই দেৱতাসকলৰ সৃষ্টি কৰিছিল। দেৱতাৰ সৃষ্টিৰ লগতে সেই দেৱতাক স্তুতি-নতি কৰাৰো ব্যৱস্থা দিয়া হৈছে, যাতে মানুহে তেনে ধৰণে স্তুতি-নতি বা উপাসনা কৰি ভয় বা আতঙ্কৰ পৰা ৰক্ষা পাব পাৰে, ধন-ঐশ্বৰ্য লাভ কৰি সুখ-আনন্দেৰে জীৱন নিৰ্বাহ কৰিব পাৰে। এয়ে বেদৰ কৰ্মকাণ্ডৰ মুল বিষয়। বেদৰ এই কৰ্মকাণ্ডৰ দুটাকৈ ভাগ আছে- সংহিতা আৰু ব্ৰাহ্মণ। 'সংহিতা'ত স্তৱ, স্তুতি, প্ৰাৰ্থনা আদিৰ বৰ্ণনা আছে। ব্ৰাহ্মণখণ্ডত মন্ত্ৰৰ বিশদ আলোচনা আৰু যাগ-যজ্ঞৰ বিৱৰণ আছে।

বেদৰ উত্তৰ মীমাংসাৰো দুটা ভাগ- আৰণ্যক আৰু উপনিষদ। যাগ-যজ্ঞ আদি কৰ্মকাণ্ডৰ পৰা যেতিয়া বৈদিক ঋষি-মুনিসকলৰ চিত্ত জ্ঞান যোগৰ প্ৰতি আকৃষ্ট হ'ল, তেতিয়াই আৰণ্যকৰ উৎপত্তি হ'ল। আৰণ্যকত জ্ঞান, যোগ আৰু আধ্যাত্মিকতা এই তিনিটাৰ ব্যাখ্যা দাঙি ধৰা হৈছে। ইয়াৰে আধ্যাত্মিক দিশটোৰ পৰা পৰাকাষ্ঠিতা লাভ কৰিছে উপলব্ধিত। সেইবাবে উপনিষদত দাৰ্শনিক তত্ত্ব, আধ্যাত্মিক চিন্তাৰ প্ৰতিফলন ঘটিছে। ঈশ্বৰতত্ত্ব, জীৱতত্ত্ব, সৃষ্টিতত্ত্ব, মোক্ষতত্ত্ব আদি উপনিষদৰ প্ৰধান প্ৰতিপাদ্য বিষয়। উপনিষদক 'বেদান্ত' বুলিও কোৱা হয়।

উপনিষদ আৰু তাৰ পৰৱৰ্তীকালত ৰচিত পুৰাণসমূহৰ মাধ্যমেৰে ঋষি-মুনিসকলে অনুভৱ কৰা ভক্তিবাদ, কৰ্মবাদ, জ্ঞানবাদ আদিৰ বৰ্ণনা কৰিছে। শ্ৰীমদ্ভগবদ্ গীতা আৰু ভাগৱত পুৰাণেই হৈছে ভক্তিবাদৰ মূল গ্ৰন্থ। অসমৰ ভক্তিধৰ্মৰ মূল উপাদান শঙ্কৰদেৱ আৰু মাধৱদেৱে আহৰণ কৰিছে পুৰাণসূৰ্য ভাগৱতৰ পৰা। ভাগৱত পুৰাণ অনুসৰি বিষ্ণু বা শ্ৰীকৃষ্ণই হৈছে ভজনীয় দেৱতা। এই বিষ্ণু অনাদি অনন্ত। তেওঁৰ পৰাই জীৱ আৰু জগতৰ উৎপত্তি হৈছে। এই বিষ্ণুকেই বেদান্তসূত্ৰই 'ত্ৰিসত্য ভগৱান' বুলি প্ৰতিপন্ন কৰিছে।

দ্বাদশ শতিকাৰ পৰৱৰ্তীকালত ভালে কেইজন বৈষ্ণৱ ধৰ্ম প্ৰচাৰকে বেদান্তসূত্ৰ, গীতা, ভাগৱত পুৰাণ আদিৰ ভাষ্য-টীকা ৰচনা কৰি স্বকীয় বৈষ্ণৱ মাৰ্গৰ দাৰ্শনিক ভিত্তি প্ৰতিষ্ঠা কৰি গৈছে। ৰামানুজমে ভাগৱত পুৰাণক প্ৰামাণ্য স্বৰূপে গ্ৰহণ কৰা নাই যদিও তেওঁৰ পৰৱৰ্তী মাধবাচাৰ্য, বল্লভাচাৰ্য আদিয়ে গ্ৰহণ কৰা দেখা যায়। শঙ্কৰদেৱ, মাধৱদেৱে সক্ৰিয় তথা সচেতনভাৱে কোনো বৈষ্ণৱ দাৰ্শনিক মতবাদ প্ৰতিষ্ঠা কৰা নাই যদিও বেদান্ত সূত্ৰৰ শ্ৰীধৰ স্বামীৰ ভাষ্যখিনি আদৰেৰে গ্ৰহণ কৰা দেখা যায়। 'কীৰ্ত্তন' বা 'নামঘোষা'ৰ মাজেৰে জীৱজগত আৰু ব্ৰহ্মাৰ স্বৰূপ, মায়াৰ শক্তিৰ বিবিধ আলোচনা আগবঢ়াওঁতে তেওঁলোকে শঙ্কৰাচাৰ্যৰ অদ্বৈতবাদক প্ৰতিষ্ঠা কৰিছে। 'কীৰ্ত্তন' আৰু 'নামঘোষা'তো ব্ৰহ্ম আৰু জীৱৰ সম্পৰ্ক দাঙি ধৰা হৈছে। বেদান্ত দৰ্শনতো সৃষ্টিৰ মূলতে পৰম সত্তা ব্ৰহ্মৰ অস্তিত্ব স্বীকাৰ কৰা হৈছে। এই ব্ৰহ্ম সৎ, চিত, আনন্দময়, নিৰ্গুণ আৰু নিৰাকাৰ। জীৱ হৈছে ব্ৰহ্মৰ এক অংশ মাথোন। জীৱই নিজকে ব্ৰহ্মৰ অংশ বুলি চিনি নোপোৱাৰ ফলতেই মায়াত মোহ গৈ সংসাৰত জীয়াতু ভোগে।

বেদান্ত দৰ্শনৰ মতে, পুৰুষ দুই প্ৰকাৰৰ-জীৱ আৰু ভগৱান। আনহাতে, প্ৰকৃতি মায়া আৰু অবিদ্যা এই দুই ভাগত বিভক্ত। এই মায়াবাদ 'কীৰ্ত্তন' আৰু 'নামঘোষা'ৰ এক গুৰুত্বপূৰ্ণ বৈশিষ্ট্য। অসমীয়া ভক্তি সাহিত্যত মায়াক এক ৰহস্যময় শক্তি হিচাপে প্ৰতিষ্ঠা কৰা হৈছে। সমস্ত জীৱৰ অন্তৰত বিৰাজ কৰা ব্ৰহ্মক জীৱই উপলব্ধি কৰিব নোৱাৰে। কাৰণ অবিদ্যাই জীৱৰ অন্তৰ্দৃষ্টি ঢাকি ৰাখে। এয়াও মায়াৰে ফল। আৱৰণ শক্তিৰ সহায়ত মায়াই ব্ৰহ্মৰ স্বৰূপ ঢাকি ৰাখে আৰু বিক্ষেপণ শক্তিৰ দ্বাৰা অসত্য সংসাৰত সত্যৰ বিশ্বাস ঘটায়। এই অবিদ্যা বা মায়াৰ হাতৰপৰা উদ্ধাৰ পোৱাৰ একমাত্ৰ উপায় হৈছে ঈশ্বৰৰ প্ৰতি ভক্তি।

বেদান্ত দৰ্শনৰ ব্ৰহ্মক-অসমীয়া ভক্তি সাহিত্যই নাৰায়ণ, বিষ্ণু, হৰি আদি বিভিন্ন নামেৰে অভিহিত কৰিছে। এই ঈশ্বৰজন যদিও নিৰ্গুণ, নিৰাকাৰ কিন্তু ভক্তিকাব্যত তেওঁ সগুণ ঈশ্বৰৰ ভূমিকা গ্ৰহণ কৰে। একে দৰে বেদান্ত দৰ্শনৰ অদ্বৈতবাদ বা একেশ্বৰবাদৰ ভিত্তিতে অসমৰ ভক্তি-ধৰ্ময়ো প্ৰতিষ্ঠা লাভ কৰিছে। সেইবাবে কোৱা হয় "এক দেৱ এক সেৱ, এক বিনে নাই কেৱ।" আনহাতে, বেদান্ত দৰ্শনৰ মতে ব্ৰহ্ম সত্য; জগত মিথ্যা। বেদ উপনিষদৰ এই ঘোষণা 'কীৰ্ত্তন' 'নামঘোষা', 'ভক্তি ৰত্নাকৰ', 'ভক্তি ৰত্নাৱলী' আদিত প্ৰতিধ্বনিত হৈছে।

এইদৰে আলোচনা কৰিলে দেখা যায় যে, অসমৰ ভক্তিধৰ্ম বেদান্ত দৰ্শনৰ দ্বাৰা পৰিপুষ্ট। উপনিষদ বা বেদান্তৰ পৰৱৰ্তীকালত ৰচিত 'গীতা' আৰু 'ভাগৱত পুৰাণে' বসুদেৱ দৈৱকীৰ পুত্ৰ কৃষ্ণকেই সকলো জীৱৰ অন্তৰত বিৰাজমান আৰু সকলো জীৱই কৃষ্ণতে বিৰাজমান শ্ৰেষ্ঠ পৰমাত্মা, পূৰ্ণ ঈশ্বৰ হিচাপে প্ৰতিপন্ন কৰিছে। 'ভাগৱত' পুৰাণে কৃষ্ণকেই সকলো অৱতাৰৰ ভিতৰত শ্ৰেষ্ঠ পূৰ্ণ অৱতাৰ- "কৃষ্ণস্তু ভগৱান স্বয়ং" বুলি প্ৰতিপন্ন কৰিছে। 'গীতা' আৰু 'ভাগৱত' দুয়োখন গ্ৰন্থই সেই পূৰ্ণ অৱতাৰ পৰমাত্মা স্বৰূপ কৃষ্ণক (ঈশ্বৰক) লাভ কৰাৰ বা মানৱৰ চৰম লক্ষ্য মুক্তি লাভৰ প্ৰকৃষ্ট পন্থা হিচাপে ভক্তিকেই নিৰূপণ কৰিছে। এই একেশ্বৰবাদী ভক্তি ধৰ্ম পূৰ্বৰ্তী বৈষ্ণৱ সম্প্ৰদায়তকৈ 'গীতা' আৰু 'ভাগৱত'তেই অধিক স্পষ্ট আৰু নিৰ্দিষ্ট ৰূপত উপনীত হোৱা বুলি কোৱা হৈছে। অসমৰ মধ্যযুগৰ নৱবৈষ্ণৱ আন্দোলনে এই 'গীতা' আৰু 'ভাগৱত' পুৰাণে দেখুৱাই যোৱা কৃষ্ণকেই তেওঁলোকৰ একমাত্ৰ উপাস্য আৰু ভজনীয় দেৱতা বুলি গ্ৰহণ কৰিছে। আনহাতে, এই দুই গ্ৰন্থই দেখুৱাই যোৱা ভক্তি-সাধন পন্থাকেই গ্ৰহণ কৰিছে। সেইবাবে কোৱা হৈছে ঃ

*শাস্ত্ৰৰ উত্তম গীতা ভাগৱত*
*ধৰ্মৰ উত্তম নাম।*
*দেৱৰ উত্তম দৈৱকী নন্দন*
*চৰণে কৰোঁ প্ৰণাম।।*

**আত্মমূল্যায়নৰ প্ৰশ্ন ঃ**

ভক্তিধৰ্মৰ বৈদান্তিক ভিত্তি সম্পৰ্কে আলোচনা কৰক? ( ৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

............................................................

............................................................

............................................................

## ১.৭ সাৰাংশ (Summing up)

'ভক্তি' শব্দই ঈশ্বৰক কৰা সেৱা বা উপাসনাকে বুজায়। ভক্তি মানে ঈশ্বৰৰ প্ৰতি একান্ত অনুৰাগ, প্ৰগাঢ় প্ৰেম। দৰাচলতে, ভক্তি হ'ল এটা মানসিক অৱস্থা, গভীৰ অনুভৱ আৰু ই সদায় ধৰ্ম তথা ঈশ্বৰৰ লগত জড়িত। ভক্ত আৰু ভগৱানৰ মাজত সম্পৰ্ক স্থাপন হয় ভক্তিৰ যোগেদি। হিন্দু ধৰ্ম অনুসৰি ভক্তৰ চৰম উদ্দেশ্য হ'ল ঈশ্বৰ বা মোক্ষ প্ৰাপ্তি। এই উদ্দেশ্য পূৰণৰ পথ চাৰিটা; কৰ্ম, জ্ঞান, যোগ আৰু ভক্তি। এই চাৰিটা পথৰ ভিতৰত তুলনামূলকভাৱে ভক্তিমাৰ্গ সহজ, যাক কোৱা হয় সুগম পন্থ। এই ভক্তি ন-প্ৰকাৰৰ-শ্ৰৱণ, কীৰ্ত্তন, স্মৰণ, পাদসেৱন, অৰ্চন, বন্দন, দাস্য, সখ্য আৰু আত্মনিবেদন। এই নৱবিধ ভক্তিৰ ভিতৰত শ্ৰৱণ আৰু কীৰ্ত্তনক শ্ৰেষ্ঠ বুলি কোৱা হয়। উদ্দেশ্য অনুযায়ী ভক্তিক আকৌ সকাম ভক্তি, নিষ্কাম ভক্তি; আনহাতে স্তৰ অনুযায়ী অন্তৰঙ্গা, উত্তমা, সপ্ৰেমা আদি ভাগতো ভাগ কৰিব পাৰি। ভক্তিৰ মূল উৎস হৈছে বেদসমূহ। বেদৰপৰা পৰৱৰ্তীকালত সৃষ্ট উপনিষদ আৰু উপনিষদৰ পৰৱৰ্তীকালত ৰচিত 'গীতা' আৰু 'ভাগৱত' পুৰাণৰ আধাৰতেই ভক্তি ধৰ্মই বিকাশ আৰু পৰিপুষ্টি লাভ কৰিছে।

## ১.৮ আৰ্হি প্ৰশ্ন (Sample Questions)

১) ভক্তি সম্পৰ্কে কেইটিমান সংজ্ঞা দাঙি ধৰি ভক্তিৰ স্বৰূপ নিৰ্ণয় কৰিবলৈ চেষ্টা কৰক।

২) ন-বিধ ভক্তিৰ বিষয়ে আলোচনা কৰি শ্ৰৱণ আৰু কীৰ্ত্তনক কিয় শ্ৰেষ্ঠ ভক্তি বুলি কোৱা হৈছে ব্যাখ্যা কৰক।

৩) বেদ, উপনিষদ, গীতা আৰু ভাগৱতৰ আধাৰত ভক্তি ধৰ্মৰ কেনেদৰে বিকাশ ঘটিছে আলোচনা কৰক।

৪) ঈশ্বৰ প্ৰাপ্তিৰ চাৰিটা মাৰ্গ কি কি? ইয়াৰে ভিতৰত কোনটো মাৰ্গ সহজ আৰু জনপ্ৰিয় আলোচনা কৰক।

## ১.৯ প্ৰসঙ্গ-গ্ৰন্থ (References/Suggested Readings)


১) যোগীৰাজ বসু ঃ *বেদৰ পৰিচয়*

২) যোগীৰাজ বসু ঃ *বেদান্ত আৰু বৈষ্ণৱ ধৰ্ম*

৩) তীৰ্থনাথ শৰ্মা ঃ *ভক্তিবাদ*

৪) লক্ষ্মীনাথ বেজবৰুৱা ঃ *তত্ত্বকথা*

৫) কোহিৰাম দাস ঃ *ভাৰতবৰ্ষৰ ধৰ্মগুৰুসকল*

৬) ভুবনেশ্বৰী বৈশ্য (সম্পা.) ঃ *অসমৰ বৈষ্ণৱ ধৰ্ম আৰু সংস্কৃতি*

৭) মনোৰঞ্জন শাস্ত্ৰী ঃ *অসমৰ বৈষ্ণৱ দৰ্শনৰ ৰূপৰেখা*

৮) বিমল মজুমদাৰ ঃ *ভক্তি সাহিত্য*


******

## দ্বিতীয় বিভাগ
## ভাৰতীয় ভক্তি আন্দোলন

**বিভাগৰ গঠন**

২.১ ভূমিকা (Introduction)
২.২ উদ্দেশ্য (Objectives)
২.৩ ভাৰতীয় ভক্তি আন্দোলনৰ ইতিহাস
২.৩.১ বৈদিক যুগৰ ভক্তি আন্দোলনৰ ইতিহাস
২.৩.২ মধ্য যুগৰ ভক্তি আন্দোলনৰ ইতিহাস
২.৩.৩ ভক্তি আন্দোলনৰ পটভূমি
২.৪ ভাৰতীয় ভক্তি আন্দোলনৰ বৈশিষ্ট্য
২.৫ অসমৰ ভক্তি আন্দোলনৰ ইতিহাস
২.৬ ভক্তি আন্দোলনৰ ফলত সৃষ্টি হোৱা সাহিত্য
২.৭ সাৰাংশ (Summing up)
২.৮ আৰ্হি-প্ৰশ্ন (Sample Questions)
২.৯ প্ৰসঙ্গ-গ্ৰন্থ (References/Suggested Readings)

### ২.১ ভূমিকা (Introduction)

মধ্যযুগৰ সময়খিনি কেৱল অসমৰ কাৰণেই যুগান্তকাৰী নহয়; সমগ্ৰ ভাৰতবৰ্ষৰ কাৰণেই আলোড়নকাৰী। এই আলোড়নৰ সৃষ্টি কৰিছিল সমগ্ৰ ভাৰতবৰ্ষ জুৰি হোৱা নৱ-বৈষ্ণৱ ধৰ্মৰ আন্দোলনে। ইউৰোপত ৰেঁনেচা অৰ্থাৎ নৱজাগৰণৰ ইতিহাসৰ লগত যেনেকৈ মাৰ্টিন লুথাৰৰ প্ৰোটেষ্টান্ট ধৰ্মৰ প্ৰৱৰ্তন আৰু প্ৰাচীন গ্ৰীক লেটিন ক্লাচিকেল সাহিত্য আৰু কলাৰ পুনৰ অধ্যয়নৰ প্ৰভাৱ জড়িত হৈ আছে, তেনেকৈ প্ৰায় একে সময়তেই বৈষ্ণৱ আন্দোলন আৰু ভক্তিধৰ্মক কেন্দ্ৰ কৰি ভাৰতত সাংস্কৃতিক পুনৰ অভ্যুত্থান ঘটিছিল। এই আন্দোলনৰ সৰ্বতোমুখী বিকাশৰ সম্যক উপলব্ধি কৰিবলৈ হ'লে ভক্তিধৰ্মৰ জন্ম আৰু বিকাশৰ ইতিহাস জনাটো একান্ত প্ৰয়োজনীয়। বৈদিক যুগৰপৰা মধ্যযুগ আৰু মধ্যযুগৰপৰা আধুনিক যুগ কেনেকৈ সৃষ্টি হ'ল, এই প্ৰতিটো যুগত ভক্তি আন্দোলনৰ ৰূপ কেনেকুৱা আছিল, সৰ্বোপৰি সৰ্বভাৰতীয় পটভূমিত অসমৰ ভক্তি আন্দোলনৰ বৈশিষ্ট্যসমূহ কেনেদৰে প্ৰকাশ পাইছে- এই সকলোবোৰ কথা-ভক্তি আন্দোলনৰ ইতিহাসৰ লগত জড়িত হৈ আছে। এই অধ্যায়ত ভাৰতীয় ভক্তি আন্দোলনৰ পটভূমিত অসমৰ ভক্তি আন্দোলনৰ ইতিহাস বিশ্লেষণ কৰা হ'ব। লগতে ভক্তি আন্দোলনৰ বৈশিষ্ট্য আৰু লগত জড়িত হৈ থকা আনুষঙ্গিক দিশসমূহো ফঁহিয়াই চাবলৈ প্ৰয়াস কৰা হ'ব।

### ২.২ উদ্দেশ্য (Objectives)

'ভক্তি আন্দোলনৰ ইতিহাস' সম্পৰ্কীয় এই অধ্যায়টো অধ্যয়ন কৰাৰ অন্তত আপুনি—

- বৈদিক যুগৰপৰা ভক্তি ধৰ্মৰ ইতিহাস তথা এই যুগত ভক্তি ধৰ্মই কি ৰূপ লাভ কৰিছিল সেই সম্পৰ্কে অৱগত হৈ তাৰ ব্যাখ্যা আগবঢ়াব পাৰিব,
- মধ্যযুগত ভক্তি আন্দোলনৰ কেনেদৰে সৃষ্টি হ'ল, এই আন্দোলনে ভাৰতবৰ্ষৰ বিভিন্ন প্ৰদেশত কেনেদৰে স্থিতি লাভ কৰিলে, সেই ইতিহাস সম্পৰ্কে বৰ্ণনা কৰিব পাৰিব,

- মধ্যযুগত ভক্তি আন্দোলনত ভাৰতবৰ্ষৰ যিসকল ভক্ত কবি তথা ধৰ্মগুৰুৱে প্ৰচাৰ কাৰ্যত আগভাগ লৈছিল, তেওঁলোকৰ বিষয়ে পৰিচয় জ্ঞাপন কৰিব পাৰিব,
- কি পৰিস্থিতি আৰু পটভূমিত অসমত ভক্তি আন্দোলনৰ সূত্ৰপাত হ'ল সেই বিষয়ে আলোচনা কৰিব পাৰিব,
- সৰ্বভাৰতীয় পৰ্যায়ত ভক্তি আন্দোলনৰ উমৈহতীয়া বিশেষত্বসমূহৰ লগত পৰিচিত হৈ অসমৰ ভক্তি আন্দোলনৰ বৈশিষ্ট্যসমূহৰ লগত তাক তুলনা কৰিব পাৰিব,
- সৰ্বোপৰি বৈদিক যুগৰ পৰা আৰম্ভ কৰি বৰ্তমান কাললৈকে ভক্তি আন্দোলনৰ ধাৰাবাহিক ইতিহাস সম্পৰ্কে স্পষ্ট ধাৰণা দিবলৈ সক্ষম হ'ব।

## ২.৩ ভাৰতীয় ভক্তি আন্দোলনৰ ইতিহাস

ভাৰতীয় ভক্তি আন্দোলনৰ ইতিহাস অতি প্ৰাচীন। এই প্ৰাচীন ইতিহাস দুটা স্তৰত বিভক্ত কৰি আলোচনা কৰিব পাৰি। প্ৰথম বৈদিক স্তৰ আৰু দ্বিতীয়তে মধ্যযুগীয় স্তৰ। তলত এই দুটা স্তৰৰ বিষয়ে বিশদভাৱে আলোচনা কৰা হ'ল,—

### ২.৩.১ বৈদিক যুগৰ ভক্তি আন্দোলনৰ ইতিহাস

ভক্তি আন্দোলনৰ আঁতি-গুৰি বিচাৰিবলৈ হ'লে আমি কেইবা শতিকাৰ আগলৈকে উজাই যাব লাগিব। কাৰণ বৈদিক যুগতেই ভক্তি-ধৰ্মৰ অস্তিত্ব বিচাৰি পোৱা যায়। ভক্তি-ধৰ্মৰ উপাস্য বিষ্ণু বৈদিক দেৱতা, বেদত তেওঁ সূৰ্যৰে এক অভিব্যক্তি। এই বিষ্ণুৱেই কালক্ৰমত শ্ৰেষ্ঠ দেৱতা হিচাপে পৰিগণিত হয়। ভক্তি আন্দোলন বা বৈষ্ণৱ ধৰ্মৰ ইতিবৃত্তৰ বিষয়ে মহাভাৰতৰ শান্তিপৰ্বৰ নাৰায়ণীৰ আখ্যান, বৌদ্ধ ধৰ্মৰ নিৰ্দেশ, পতঞ্জলিৰ মহাভাষ্য, ভাৰতৰ বিভিন্ন অঞ্চলৰ লিপি, বিষ্ণু পুৰাণ, গীতা, ভাগৱত পুৰাণ, হৰিবংশ পুৰাণ আদিৰ পৰাও তথ্য আহৰণ কৰিব পৰা যায়। এই তথ্যসমূহ সুবিৰা জৈশ্বালে, (Subira Jaiswal) 'Origin and Development of Baishnavism', H.C. Roychodharys 'Materials for the study of the Early Hindus of Vaisnava Sect' আদি গ্ৰন্থত বিচাৰ বিশ্লেষণ কৰি এই ধৰ্মৰ প্ৰাচীনত্বৰ বিষয়ে আলোচনা আগবঢ়াইছে।

বিষ্ণুৰ উপাসনা ঋক্ বেদৰ সমানেই পুৰণি। বিষ্ণু আদিত্যসকলৰ এজন। এই বেদৰে এঠাইতে তেওঁক 'ঋতস্য গৰ্ভম' অৰ্থাৎ যজ্ঞ বা নৈতিকতাৰ বীজ বোলা হৈছে। তেওঁক ইন্দ্ৰৰ সৈতে প্ৰশংসা কৰা হৈছে। বৈদিক যুগৰ আগভাগত বিষ্ণুক এজন ডাঙৰ দেৱতা বোলা হৈছে, কিন্তু তেওঁ একমাত্ৰ ডাঙৰ দেৱতা নহয়। পৰৱৰ্তী বৈদিক সাহিত্যত বিষ্ণুৰ স্থান অতি উচ্চ। তেওঁক যজ্ঞৰ প্ৰতীক বোলা হৈছে। ব্ৰাহ্মণ-আৰণ্যক আদি শাস্ত্ৰৰ সময়ত নাৰায়ণক দেৱতা ৰূপে কল্পনা কৰা হৈছিল। ব্ৰাহ্মণ গ্ৰন্থত বিষ্ণুৰ ৰূপ সলনি হ'ল। তৈত্তিৰীয় আৰণ্যকত বিষ্ণুক দেৱতাসকলৰ ভিতৰত শ্ৰেষ্ঠ আসন দিয়া হৈছে আৰু তেওঁক অসুৰৰ বিৰুদ্ধে ইন্দ্ৰক সহায় কৰোঁতো বোলা হৈছে। ধৰ্ম সম্প্ৰদায় বুজোৱা বৈষ্ণৱ নামটো মহাভাৰতৰ শেষৰফালে পোৱা যায়। শান্তিপৰ্বত নাৰদীয় শাখা আৰু ভীষ্মপৰ্বৰ বিশ্বোপাখ্যানত ভাগৱত, সাত্বত, পাঞ্চৰাত্ৰ ধৰ্মৰ উল্লেখ আছে। মহাভাৰতৰ মতে নাৰদে স্বয়ং নাৰায়ণৰ পৰাই এই ধৰ্ম পাইছিল। বিষ্ণুপুৰাণ, ব্ৰহ্মবৈৱৰ্ত পুৰাণ, ভাগৱত পুৰাণত বিষ্ণুক সৰ্বশ্ৰেষ্ঠ স্থান দিয়া হৈছে। তেওঁ সৰ্ব শক্তিমান বিষ্ণু। খ্ৰীষ্টধৰ্মত পূৰ্বে ভাগৱত বা ভক্তিপন্থা থকা লিপিমূলক প্ৰমাণ পোৱা যায়।

বৈষ্ণৱ ধৰ্ম বৈপ্লৱিক আৰু সংস্কাৰকামী ধৰ্ম। মহাভাৰতৰ শান্তিপৰ্বত নাৰায়ণীয় আখ্যানৰপৰাই এই ধৰ্মৰ আবিৰ্ভাৱৰ কাৰণ আৰু বৈপ্লৱিক, সংস্কাৰকামী স্বভাৱৰ বিষয়ে জানিব

পাৰি। বেদৰ ধৰ্মত ক্ৰিয়াকাণ্ড, আচাৰ-অনুষ্ঠান, যাগ-যজ্ঞ, ব্ৰতাচাৰ, বলি-বিধান আদিৰ প্ৰাধান্য আৰু বাহুল্য বৃদ্ধি পাবলৈ ধৰিছিল আৰু ধৰ্মবোৰ ভক্তিবিহীন হৈ গতানুগতিক হৈ পৰিছিল। কিন্তু পৰৱৰ্তীকালৰ উপনিষদীয় যুগত যাগ-যজ্ঞ, ব্ৰতাচাৰ, বলিবিধান আদিতকৈ ভক্তি, উপাসনা, ধ্যান-ধাৰণাৰ ওপৰতহে অধিক গুৰুত্ব আৰোপিত হ'বলৈ ধৰিলে। ঠিক এনে সময়তেই কেইগৰাকীমান ক্ষত্ৰিয় সন্তানৰ নেতৃত্বত আজীৱিক, বৌদ্ধ আৰু জৈন ধৰ্মৰ দৰে কেইটিমান বৈপ্লৱিক আৰু সংস্কাৰকামী ধৰ্মৰ সৃষ্টি হ'ল। এইকেইটা ধৰ্মৰ সমান্তৰালভাৱেই পশ্চিম ভাৰতত বাসুদেৱীয় বৈষ্ণৱ ধৰ্মৰ সৃষ্টি হ'ল। এই বাসুদেৱীয় বৈষ্ণৱ ধৰ্মই বলি-বিধান, যাগ-যজ্ঞ আদিৰ বিৰুদ্ধাচৰণ কৰিছিল আৰু ভক্তিৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছিল। এই ধৰ্মত ঈশ্বৰৰ উপাসনা অহিংস আৰু সাত্বত বিধিৰে কৰাৰ ওপৰত গুৰুত্ব আৰোপিত হৈছিল।

নাৰায়ণীয় আখ্যানৰপৰা জনা যায় যে, উপৰিচ নামৰ এগৰাকী ৰজাই অহিংসভাৱে আৰু সাত্বত বিধিৰে এই ধৰ্ম আচৰণ কৰিছিল। এবাৰ এনেদৰে নিৰামিষ নৈবেদ্যেৰে পূজা কৰিবলৈ উদ্যত হোৱাৰ সময়ত বলি সম্পৰ্কত ঋষিসকলৰ মাজৰপৰা বৃহস্পতি নামৰ ঋষিয়ে বলি হিচাপে পিঠা আনিবলৈ কোৱাত মাংসলোলুপ দেৱতাসকলে প্ৰতিবাদ কৰি কলে- 'অজৰ দ্বাৰা যজ্ঞ কৰা'। এই অজ' শব্দৰ অৰ্থ হৈছে ছাগলী। তেতিয়া ঋষিসকলে প্ৰতিবাদ কৰি ক'লে- বেদৰ মত হৈছে বীজৰ দ্বাৰা যজ্ঞ কৰিব লাগে। গতিকে 'অজ' শব্দৰ অৰ্থ 'বীজ'হে, 'ছাগলী' নহয়। দেৱতা আৰু ঋষিসকলৰ মাজত এনেদৰে ছাগলীৰে বলি দি পূজা কৰিব নে 'বীজ' অৰ্থাৎ শস্যেৰে পূজা কৰিব তাক লৈ মতভেদৰ সৃষ্টি হ'ল। এই মতভেদ দূৰ কৰাৰ কাৰণে তেওঁলোকে ৰজা উপৰিচক বিচাৰক পাতি ছাগলীৰ বলিৰে নে শস্যেৰে পূজা কৰিব তাৰ সিদ্ধান্ত দিবলৈ ক'লে। ৰজা উপৰিচে দেৱতাসকলৰ ভয়ত তেওঁলোকৰ পক্ষক সমৰ্থন কৰি ছাগলীৰ বলিৰে পূজা দিবলৈ সিদ্ধান্ত দিলে। এই সিদ্ধান্তত অসন্তুষ্ট হৈ ঋষিসকলে ৰজা উপৰিচক অভিশাপ দিলে। অৱশ্যে বিষ্ণুৱে ৰজাক এই অভিশাপৰ পৰা উদ্ধাৰ কৰিলে। লগতে বাসুদেৱ বিষ্ণুৰ পূজাত পিঠা আৰু শস্যৰ নৈবেদ্য অব্যাহত ৰাখিলে। এই প্ৰসঙ্গত অসমৰ মধ্যযুগৰ নৱ বৈষ্ণৱ ধৰ্মৰ নৈবেদ্যত শস্য অৰ্থাৎ মাহ, গাজী, চাউল আৰু পিঠা-লাৰুৰে প্ৰাধান্য লাভ কৰাৰ কথা বিশেষভাৱে প্ৰণিধানযোগ্য। তদুপৰি সত্যনাৰায়ণ পূজাৰ পিঠাতো এই বাসুদেৱীয় বিষ্ণু পূজাৰেই প্ৰভাৱ আছে বুলি ভবাৰ থল আছে। ধৰ্মীয় সংস্কাৰৰ ক্ষেত্ৰত বলি-বিধান নমনা আৰু ব্ৰত আদি পালনৰ অসাৰ্থকতাৰ সম্পৰ্কত বৈষ্ণৱ ধৰ্মৰ লগত বৌদ্ধ ধৰ্মৰ মিল আছে।

পৰৱৰ্তীকালত "ভাগৱত পুৰাণ"ৰ 'ব্যাসৰ অপৰিতোষ' কথায়ো ভক্তি প্ৰধান একেশ্বৰবাদী ভাগৱত পুৰাণ ৰচনাৰ তথা ভক্তি ধৰ্মৰ সৃষ্টিৰ কাৰণ সম্পৰ্কে ইঙ্গিত দিয়ে। চাৰিবেদ, চৈধ্যশাস্ত্ৰ, ওঠৰ পুৰাণ আদি ৰচনা কৰিও ব্যাসৰ মনলৈ প্ৰশান্তী আৰু সন্তোষ অহা নাছিল। কাৰণ এইবোৰত ভক্তিৰ পৰিৱৰ্তে কৰ্ম, জ্ঞান, আচাৰ-অনুষ্ঠানৰ বিষয়েহে গুৰুত্ব আৰোপ কৰা হৈছিল। শেষত নাৰদৰ পৰামৰ্শ মতে ভক্তি প্ৰধান ভাগৱত পুৰাণ ৰচনা কৰিহে ব্যাসে সন্তোষ লাভ কৰিব পাৰিছিল। গতিকে এনেবোৰ তথ্যৰ পৰা সিদ্ধান্তত উপনীত হ'ব পাৰি যে, বৈদিক ধৰ্মত কালক্ৰমত যাগ-যজ্ঞ, বলি-বিধান, আচাৰ-অনুষ্ঠান আদিৰ বাহুল্য হোৱাত আৰু অনুষ্ঠানবোৰ ভক্তিবিহীন তথা গতানুগতিক কৰ্ম হৈ পৰাত অহিংস, একেশ্বৰবাদী ভক্তিপ্ৰধান তথা গতানুগতিক কৰ্ম হৈ পৰাত অহিংস, একেশ্বৰবাদী ভক্তিপ্ৰধান বৈষ্ণৱ ধৰ্মৰ সৃষ্টি হ'ল।

### ২.৩.২ মধ্য যুগৰ ভক্তি আন্দোলনৰ ইতিহাস

মধ্য যুগৰ ভক্তি আন্দোলনৰ ইতিহাস দিবলৈ গ'লে আমি প্ৰথমে দক্ষিণ ভাৰত বা তামিল প্ৰদেশলৈ উভতি যাব লাগিব। কাৰণ সেইখন প্ৰদেশতে প্ৰথমে ভক্তিৰ বীজ অঙ্কুৰিত হৈ সমগ্ৰ উত্তৰ ভাৰত, পূব ভাৰত আৰু এনেকৈয়ে সমগ্ৰ দেশতে ভক্তিয়ে এনেভাৱে বিস্তাৰ লাভ কৰিলে যে, ভাৰতীয় জাতীয় জীৱনত ই এক নতুন যুগৰ সূচনা কৰিলে।

আধুনিক ভাৰতীয় সাহিত্যৰ ভিতৰত তামিল সাহিত্যই অতি প্ৰাচীন। খ্ৰীষ্টিয় ষষ্ঠ শতিকাৰপৰা নৱম শতিকালৈ তামিল প্ৰদেশৰ এই সময়ছোৱাক ভক্তিকাল বুলি অভিহিত কৰা হয়। এই কালৰ সাহিত্যিকসকলে প্ৰথম অৱস্থাত সাহিত্য সৃষ্টিত মনোনিৱেশ কৰিছিল যদিও পিছলৈ ধৰ্মপ্ৰচাৰৰ ক্ষেত্ৰতো আগভাগ লৈছিল। এই সময়ছোৱাত প্ৰসিদ্ধ বৈষ্ণৱ ভক্ত কবি আলৱাৰ আৰু শৈৱভক্ত কবি নায়ামৰেসকলৰ আবিৰ্ভাৱ হয়। এওঁলোকে জনসাধাৰণৰ ভাষা তামিলৰ যোগেদি বেদ-উপনিষদ আদিৰ যোগেদি নিজৰ বিচাৰ প্ৰকট কৰি তোলে। তেওঁলোকৰ হাতত ভগৱান স্নেহ, প্ৰেম আৰু কৰুণাৰ মূৰ্তি স্বৰূপ হৈ পৰিল। কৰ্মকাণ্ডৰ সলনি ভগৱান স্মৰণৰ দ্বাৰাহে ভগৱানৰ অনুগ্ৰহ প্ৰাপ্তিৰ সম্ভাৱনা দৃঢ় কৰা হ'ল।

তামিল প্ৰদেশৰ আলৱাৰসকলে ভক্তি ধৰ্ম প্ৰচাৰ কৰিছিল। তামিল ভাষাত 'আলৱাৰ' শব্দটো বাৰজন বৈষ্ণৱ ভক্তক বুজাবলৈ ব্যৱহাৰ কৰা হয়। সেই বাৰজন বৈষ্ণৱ ভক্ত হ'ল পোয়গৈআলৱাৰ, ভূতত্ত্বালৱাৰ, পেয়ালৱাৰ, তিৰুমলিসঈ, নম্মলেৱাৰ, মধুৰকবি, কুলশেখৰ, পেৰিয়ালৱাৰ, আণ্ডাল, তোণ্ডৰডীপোড়ী, তিৰুপ্পান আৰু তিৰুমৈঙ্গৈ। আলৱাৰসকলৰ উপৰিও দাক্ষিণাত্যত শঙ্কৰাচাৰ্য আৰু ৰামানুজাচাৰ্যৰ আবিৰ্ভাৱ ঘটে। এওঁলোক দুগৰাকী হ'ল ভক্তি-ধৰ্মৰ ক্ৰমে অদ্বৈতবাদ আৰু বিশিষ্টাদ্বৈতবাদৰ প্ৰবক্তা। এই ভক্তি আন্দোলনৰ নেতৃত্ব দিছিল শ্ৰীপাদৰায়, ব্যাসৰায়, পুৰন্দৰ দাস, কণক দাস আদিয়ে। মহাৰাষ্ট্ৰত ভক্তি আন্দোলনৰ পুৰোধা আছিল সন্ত জ্ঞানেশ্বৰ। ইয়াক সবল কৰি তুলিছিল একনাথ, তুকাৰাম, ৰামদাস আদি বৈষ্ণৱ সাধকসকলে।

নৱম শতিকাৰ ভক্তি আন্দোলন দক্ষিণ ভাৰতৰপৰা আহি উত্তৰ ভাৰত অৰ্থাৎ হিন্দী বলয়ত প্ৰবেশ কৰে। উত্তৰ ভাৰতৰ ভক্তি ধৰ্মৰ গুৰি ধৰোঁতা আছিল শ্ৰীৰামানন্দ। ৰামানুজাচাৰ্যৰ শিষ্য এই ৰামানন্দই গুৰুৰ পৰা ফালৰি কাটি আহি নিজে এটা সুকীয়া বৈষ্ণৱ সম্প্ৰদায়ৰ জন্ম দিয়ে। ৰামানন্দই প্ৰথমে সকলো জাতিৰ লোকক নিজৰ সম্প্ৰদায়ত শিষ্য হিচাপে স্থান দি বৈষ্ণৱ ধৰ্মক গণতান্ত্ৰিক কৰি তোলে। এওঁ মানুহ মাত্ৰকে ভক্তিৰ অধিকাৰী বুলি স্বীকাৰ কৰি ভক্তি ধৰ্মৰ পৰা জাতিভেদ, বৰ্ণভেদ আদি বিচাৰধাৰা ভক্তিমাৰ্গৰপৰা আঁতৰ কৰে। ৰামানন্দ আছিল বিষ্ণুৰ অৱতাৰ ৰামচন্দ্ৰৰ উপাসক। এৱেঁই ৰাম ভক্তিৰ দুৱাৰ সকলো জাতিৰ লোকৰ বাবে মুকলি কৰি দিয়ে। ৰামানন্দৰ দ্বাৰা প্ৰচাৰিত ৰামভক্তি পিছলৈ দুটা প্ৰধান ধাৰাত বিভক্ত হ'ল ঃ এটা হ'ল নিৰ্গুণ ভক্তিধাৰা আৰু আনটো হ'ল সগুণ ভক্তিধাৰা। প্ৰথমটোৰ প্ৰচাৰক আছিল কবীৰ দাস আৰু দ্বিতীয়টোৰ প্ৰচাৰক আছিল গোস্বামী তুলসী দাস, নিৰ্গুণ ভক্তিধাৰাৰ সৰ্বশ্ৰেষ্ঠ কবীৰ দাস পণ্ডিত নাছিল, সাহিত্য ৰচনা কৰাৰ উদ্দেশ্যও তেওঁৰ নাছিল। বাহ্যিক আড়ম্বৰ, মূৰ্তিপূজা, বলি-বিধান আদিৰ বিপক্ষে তেওঁ অতি চোকা বান নিক্ষেপ কৰিছিল। ধৰ্মদাস, মলুক্‌দাস, দাদু আদি কবীৰৰ প্ৰধান শিষ্য আছিল, সগুণ শাখাৰ প্ৰৱৰ্তক গোস্বামী তুলসী দাসৰ মতে ভক্তৰ হিতৰ কাৰণে ভগৱানে নৰৰূপ ধাৰণ কৰে। এওঁৰ মতে, সংসাৰ সাগৰ পাৰ হ'বলৈ হ'লে পবিত্ৰ বিবেকৰ আৱশ্যক আৰু সেই বিবেক হৰি তথা গুৰুৰ কৰুণা অবিহনে সম্ভৱ নহয়। ভক্তি আন্দোলনৰ কালছোৱাত আন এগৰাকী ধৰ্ম প্ৰচাৰক গুৰু নানকে হিন্দু আৰু ইছলাম দুয়োটা ধৰ্মকে সন্মিলিত কৰি শিখ ধৰ্ম প্ৰচাৰ কৰে।

উত্তৰ ভাৰতৰ বিভিন্ন ভক্ত কবিৰ হাতত ভক্তি-ধৰ্মই বিস্তাৰ লাভ কৰি শেষত পূব ভাৰত পায়হি। বঙ্গদেশৰ চৈতন্যদেৱে এই ভক্তিধৰ্ম প্ৰচাৰ কাৰ্যত আগভাগ লয়। চৈতন্যদেৱে শ্ৰীকৃষ্ণক ভগৱান ৰূপে স্থাপন কৰি তেওঁৰ প্ৰতি ভক্তি কথা প্ৰচাৰ কৰে। তেওঁ ভগৱানৰ নাম প্ৰচাৰৰ কাৰণে 'সংকীৰ্ত্তন'কৈ পৰম আৰু সৰল উপায়ৰূপে গ্ৰহণ কৰে। এই 'সংকীৰ্ত্তন' বঙ্গদেশত ইমানেই জনপ্ৰিয় হৈ উঠে যে ই অতি সোনকালে বাটে-পথে অনুষ্ঠিত 'নগৰ কীৰ্ত্তন'ত পৰিণত

হয়। এই ‘নগৰ-কীৰ্ত্তন’ চৈতন্যদেৱৰ নৱোপাৰ্জিত মতবাদ প্ৰচাৰত বৰ সহায়ক হৈ পৰে। চৈতন্যদেৱে বঙ্গদেশৰ উপৰিও উৰিষ্যাতো ভক্তি আন্দোলন সৃষ্টিত নেতৃত্ব দিছিল। চৈতন্যৰ মতবাদ উৰিষ্যাত সুদৃঢ় কৰি তুলিছিল শ্যামানন্দ আৰু ৰসিকানন্দ নামৰ দুগৰাকী বৈষ্ণৱ ভক্তই। ইয়াৰ পিছতে ‘পঞ্চসখা’ ৰূপে খ্যাত বলৰাম দাস, জগন্নাথ দাস, অচ্যুতানন্দ দাস, যশোৱন্ত দাস আৰু অনন্ত দাসে সাহিত্যৰ মাধ্যমেৰে বৈষ্ণৱ ধৰ্ম প্ৰচাৰত সহায় কৰিছিল।

ভাৰতবৰ্ষৰ পূব প্ৰান্তত অৱস্থিত অসমকো এই ভক্তিধৰ্মৰ কোবাল সোঁতে স্পৰ্শ কৰে পঞ্চদশ শতিকাত। সমগ্ৰ ভাৰতবৰ্ষ প্লাৱিত কৰা এই বৈষ্ণৱ ভক্তি আন্দোলনৰ লগত ঘনিষ্ঠভাৱে সম্পৰ্ক স্থাপন কৰে মহাপুৰুষ শঙ্কৰদেৱে। সেই সময়ত অসমীয়া সমাজত প্ৰচলিত নানা দেৱ-দেৱীৰ পূজা-উপাসনা, যাগ-যজ্ঞ, বলি-বিধান আদিৰ বিপৰীতে এজন দেৱতাৰ সন্ধান দিলে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে। শঙ্কৰদেৱ প্ৰচাৰিত ধৰ্মৰ মূল প্ৰতিপাদ্য বিষয় হ’ল- ‘এক দেৱ’। এই এক দেৱ হ’ল বিষ্ণুৰ অৱতাৰ শ্ৰীকৃষ্ণ। শ্ৰৱণ-কীৰ্ত্তনেই বিষ্ণুক লাভ কৰাৰ একমাত্ৰ উপায়। শঙ্কৰদেৱৰ লগে লগে অসমত নৱ-বৈষ্ণৱ ধৰ্ম-প্ৰচাৰত আগ ভাগ লয় তেওঁৰেই শিষ্য তথা অনুগত সেৱক মহাপুৰুষ মাধৱদেৱে।

এইদৰে আলোচনা কৰিলে দেখা যায় যে, দক্ষিণাত্যত আলৱাৰসকলে ৰোপণ কৰা ভাৰতীয় ভক্তি-আন্দোলনৰ বীজ কালক্ৰমত অঙ্কুৰিত হৈ উত্তৰ ভাৰত, পূব ভাৰত আৰু অসমতো বিস্তাৰ লাভ কৰিবলৈ সক্ষম হয়।

### ২.৩.৩ ভক্তি আন্দোলনৰ পটভূমি

ভক্তি আন্দোলনৰ সূত্ৰপাত হৈছিল দক্ষিণ ভাৰত বা তামিল প্ৰদেশত। কিন্তু কি কাৰণত বা কেনেকুৱা পটভূমিত দক্ষিণাত্যত এই আন্দোলনৰ সূচনা হৈছিল সেইকথা বিচাৰ কৰি চাবলগীয়া। যিকোনো এটা পৰিৱৰ্তন বা নতুনত্বৰ আঁৰত কিছুমান কাৰণ নিহিত হৈ থাকে। ভক্তি আন্দোলন সৃষ্টিৰ মূলতেও আছিল কিছুমান সামাজিক আৰু ধৰ্মীয় পৰিস্থিতিৰ ক্ৰিয়া আৰু প্ৰতিক্ৰিয়া। তামিল প্ৰদেশৰ খ্ৰীষ্টিয় ষষ্ঠ শতিকাৰ পৰা নৱম শতিকালৈ এই কালছোৱাক ভক্তিকাল বুলি আখ্যা দিয়া হয়। কিন্তু ষষ্ঠ শতিকাৰ আগৰ সময়ছোৱাক কোৱা হয় ভক্তি পূৰ্বকাল বৌদ্ধ-জৈনকাল। ইয়াৰপৰা অনুমান কৰিব পাৰি যে, ষষ্ঠ শতিকাৰ আগতে দক্ষিণ ভাৰতৰ বৌদ্ধ আৰু জৈন ধৰ্মৰ আঁৰতে ৰচিত হৈছিল ভক্তি বা বৈষ্ণৱ আন্দোলনৰ পটভূমি।

ভক্তি-পূৰ্বকালৰ সাহিত্যিকসকলে প্ৰথম অৱস্থাত যদিও অকল সাহিত্য সৃষ্টিতে মনোনিৱেশ কৰিছিল, পিছলৈ ধৰ্ম-প্ৰচাৰৰ সুৰ স্পষ্ট হৈ উঠিল আৰু ভক্তিকালৰ আৰম্ভণিৰ সময়ত শৈৱ আৰু বৈষ্ণৱ ধৰ্মৰ বিৰোধিতা কৰাহে তেওঁলোকৰ উদ্দেশ্য হৈ পৰিল। সেই সময়ক সাহিত্যৰ উপৰিও জনসাধাৰণৰ ওপৰতো বৌদ্ধ আৰু জৈন ধৰ্মৰ প্ৰভাৱ পৰিছিল। লাহে লাহে এনে এটা পৰ্যায় পালে যে, বৌদ্ধ ধৰ্মাৱলম্বীসকলে জনসাধাৰণক বৌদ্ধ ধৰ্মত দীক্ষিত কৰিবলৈ যত্ন কৰাৰ লগতে পৰ-ধৰ্মৰ নিন্দাও আৰম্ভ হ’ল। ফলত তেওঁলোকৰ মাজত দুৰাচাৰে ঠাই ল’বলৈ ধৰিলে। বৌদ্ধ ধৰ্মত ব্ৰহ্মচৰ্য আৰু ভিক্ষু জীৱনৰ ওপৰত গুৰুত্ব আৰোপিত হৈছিল। কিন্তু এনে আদৰ্শৰ প্ৰতি ভাৰতীয় জনসাধাৰণৰ মুঠেও আগ্ৰহ নাছিল। তামিল প্ৰদেশৰ জনসাধাৰণে পৰম্পৰা অনুযায়ী গাৰ্হস্থ্য জীৱনৰ উচ্চ আদৰ্শক সাৱটি লোৱা কাৰণে বৌদ্ধ ভিক্ষু জীৱন পৰম্পৰা বিৰুদ্ধ যেন অনুভৱ কৰিছিল। আনহাতে, বৌদ্ধ ধৰ্মত ঈশ্বৰৰ কাৰণে কোনো স্থান নথকাত জনসাধাৰণে এই বৌদ্ধ ধৰ্ম গ্ৰহণ কৰিবলৈ কুণ্ঠাবোধ কৰিছিল। মুঠতে বৌদ্ধধৰ্মৰ লগত ভাৰতীয় পৰম্পৰা তথা ৰুচি-অভিৰুচিৰ মাজত এটা জীন নোযোৱা ব্যৱধান আছিল।

ইপিনে, জৈন দিগম্বৰসকলৰ আচৰণত সাধাৰণ মানুহ সন্তুষ্ট হ'ব পৰা নাছিল। জৈন ধৰ্মৰ দুটা ভাগ-শ্বেতাম্বৰ আৰু দিগম্বৰ। শ্বেতাম্বৰসকলে একবস্ত্ৰ পৰিধান কৰিছিল; তাৰ বিপৰীতে দিগম্বৰসকল আছিল নাঙঠ। সেয়ে এনে পৰিৱেশৰ লগত অনভ্যস্ত ভাৰতীয় জনসাধাৰণে কোনোপধ্যে জৈন ধৰ্ম গ্ৰহণত আগ্ৰহী নাছিল। এটা সময়ত জৈন ধৰ্ম গ্ৰহণ কৰিবলৈ মানুহক জোৰ-জুলুমকৈ বাধ্য কৰাবলৈ ধৰে। এই ধৰ্ম গ্ৰহণ নকৰা সকলক বিশেষকৈ বৈষ্ণৱ সন্তসকলক নানাভাৱে কষ্ট দিবলৈ আৰম্ভ কৰে। পৰিস্থিতি এনেকুৱা পৰ্যায়লৈ গ'ল যে-, আনকি ধৰ্ম পৰিৱৰ্তন কৰাবলৈ হত্যা পৰ্যন্ত উপায় হিচাপে গ্ৰহণ কৰে। অহিংসা, কৰুণা, দয়া আদি জৈন ধৰ্মৰ যিবোৰ ভাল ভাল মানবীয় গুণ তথা তত্ত্ব আছিল, সেইবোৰৰ বিৰুদ্ধ আচৰণতহে লিপ্ত হ'বলৈ ধৰিলে।

সেই সময়ত শক্তি উপাসক কিছুমানৰো উদ্ভৱ হৈছিল। যাগ-যজ্ঞ, বলি-বিধান, পূজা-পাতল আদি পদ্ধতিসমূহ আছিল তেওঁলোকৰ ঈশ্বৰ প্ৰাপ্তিৰ প্ৰয়াস। আনকি ভগৱানৰ সন্তুষ্টিৰ কাৰণে জীৱ-জন্তুৰ উপৰিও নৰ-বলি পৰ্যন্ত দিছিল আৰু মানুহৰ মাংসক নৈবেদ্যৰূপে ভগৱানক আগবঢ়াইছিল। এনেবোৰ কৰ্মকাণ্ডই মানুহৰ মনত ধৰ্মৰ প্ৰতি শ্ৰদ্ধা বা ভক্তিভাৱৰ সলনি ভয় আৰু ঘৃণাৰ ভাবহে পুঞ্জীভূত কৰিছিল।

আনহাতে, সেই সময়ত সমাজত জাতিভেদ প্ৰথাৰো প্ৰচলন আছিল। বিশেষকৈ উচ্চ বৰ্ণৰ ব্ৰাহ্মণসকলৰ লগত নিম্ন বৰ্ণৰ জনসাধাৰণৰ যোগসূত্ৰ প্ৰায় নাছিল বুলিয়েই ক'ব পাৰি। বৈদিক ধৰ্মাৱলম্বী ব্ৰাহ্মণসকলে নিজৰ গোষ্ঠী বান্ধি বেদ-উপনিষদ আদিৰ অধ্যয়ন আৰু যাগ-যজ্ঞ আদি অনুষ্ঠিত কৰাত ব্যস্ত আছিল। ব্ৰাহ্মণৰ বাহিৰে এনে অনুষ্ঠানবোৰত আন কোনোৱে অংশ গ্ৰহণ কৰিব নোৱাৰিছিল। ফলত জনসাধাৰণৰ লগত এওঁলোকৰ মানসিক দূৰত্ব বৃদ্ধি পাইছিল আৰু সামাজিক সম্পৰ্কও হেৰাই গৈছিল। উচ্চ-নীচ মনোভাৱ পোষণৰ পৰিপ্ৰেক্ষিতত সাধাৰণ মানুহ ক্ৰমশঃ অসন্তুষ্ট হৈ উঠিছিল।

এনে এক সামাজিক তথা ধৰ্মীয় পৰিৱেশে মানুহৰ মনত একোটা অস্বস্তিকৰ ভাৱৰ সৃষ্টি কৰিছিল আৰু সকলোৱে ইয়াৰ পৰা পৰিত্ৰাণ বিচাৰিছিল। সেই সময়ত এনে এটা ধৰ্মৰ প্ৰয়োজন হৈ পৰিছিল য'ত সকলোৱে সমানভাৱে আত্ম-শান্তি পাব পাৰে, য'ত আচাৰ-বিচাৰৰ মানদণ্ড একে হয়, য'ত যাগ-যজ্ঞ আদি কঠিন নিয়মৰ দ্বাৰা আবৃত বৈদিক ধৰ্ম সৰলীকৃত হৈ ভক্তিৰ সাধন সহজ তথা সৰ্বসাধাৰণৰ গ্ৰহণযোগ্য হ'ব পাৰে। যুগৰ এই আৱশ্যকতা পূৰণাৰ্থে বৈষ্ণৱ ভক্ত কবি আলৱাৰ আৰু শৈৱ ভক্ত কবি নায়নমাৰসকলৰ আবিৰ্ভাৱ হ'ল আৰু সূচনা কৰিলে ভক্তি আন্দোলনৰ এক নতুন দিগন্ত। এওঁলোকে ভগৱানৰ সত্তা , উদাৰতা, দয়া, কৰুণা আদিক প্ৰচাৰ কৰিবলৈ ল'লে। বৌদ্ধ আৰু জৈন ধৰ্মৰ তুলনাত ভক্তি ধৰ্মই অতি কম সময়ত ভিতৰতে জনসাধাৰণৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হ'ল আৰু তামিল প্ৰদেশৰ জনতাই এনে ধৰ্ম গ্ৰহণ কৰি তাৰ ভক্তিৰ সোঁতত আকৌ এবাৰ শান্তিৰে উশাহ ল'লে।

এনেদৰে সামাজিক আৰু ধৰ্মীয় জীৱনৰ পটভূমিত ষষ্ঠ শতিকাত ভক্তি ধৰ্মৰ সূচনা হয়। সৰ্বসাধাৰণ মানুহে যেন এনে এটা ধৰ্মৰ অপেক্ষাতেই আছিল। ফলত অতি কম সময়ৰ ভিতৰতে এই ধৰ্মই জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সমৰ্থ হ'ল আৰু ই এক আন্দোলন তথা আলোড়নত পৰিণত হ'ল।

**আত্মমূল্যায়নৰ প্ৰশ্ন ঃ**

কি পৰিস্থিতি বা পটভূমিত মধ্যযুগত ভাৰতীয় ভক্তি আন্দোলনৰ সূত্ৰপাত হৈছিল? (৩০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................

..........................................................................

..........................................................................

## ২.৪ ভাৰতীয় ভক্তি আন্দোলনৰ বৈশিষ্ট্য

সমগ্ৰ ভাৰতবৰ্ষ জুৰি সৃষ্টি হোৱা ভক্তি আন্দোলনৰ অভিব্যক্তিলৈ লক্ষ্য কৰিলে কিছুমান উমৈহতীয়া বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। স্থান আৰু পাত্ৰভেদে অলপ ইফাল-সিফাল হ'লেও কম-বেছি পৰিমাণে সেই বিশেষত্ব বা লক্ষণসমূহ প্ৰায়বোৰ ঠাইতে একে। তলত সেই বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰা হ'ল।

১) সকলো বৈষ্ণৱ বা ভক্তি সম্প্ৰদায়েই একেশ্বৰবাদী। বিষ্ণু বা নাৰায়ণ একমাত্ৰ উপাস্য দেৱতা। অন্য দেৱতা বা বহু দেৱতাৰ অস্তিত্ব  ভক্তিধৰ্মই স্বীকাৰ কৰা নাই; বিষ্ণু বা নাৰায়ণক ব্ৰহ্মৰূপে, পৰমাত্মাৰূপে, ভগৱানৰূপে আৰু সৃষ্টি-স্থিতি প্ৰলয়ৰ নিয়ন্তা স্বৰূপে বৰ্ণনা কৰিছে। বিষ্ণুৰ বিভিন্ন অভিব্যক্তি বা অৱতাৰক উপাস্য স্বৰূপে দুই-এটা সম্প্ৰদায়ে উপাসনা কৰিছিল যদিও বেছিভাগ সম্প্ৰদায়েই 'কৃষ্ণস্তু ভগৱান স্বয়ম্' বুলি গ্ৰহণ কৰি কৃষ্ণ ভক্তি প্ৰচাৰ কৰিছিল। ৰামানুজী নিম্বাৰ্কী আৰু চৈতন্য সম্প্ৰদায়ত লক্ষ্মী বা ৰাধাৰ বিশেষ স্থান আছে যদিও তেওঁক কৃষ্ণ বা বিষ্ণুৰ মায়া অৰ্থাৎ ঐশ্বৰিক শক্তিৰ প্ৰতীক স্বৰূপেহে গ্ৰহণ কৰিছে।

২) যাগ-যজ্ঞ, পূজা-পাতল, বলি-বিধান, ব্ৰত-তপস্যাতকৈ ভক্তি বা প্ৰেমৰ দ্বাৰা ভগৱান সহজে উপলব্ধি হয় এই কথাত সকলো সম্প্ৰদায়েই গুৰুত্ব আৰোপ কৰিছে। নৱধা ভক্তিৰ ভিতৰত যিকোনো এক বা একাধিক ভক্তিক আশ্ৰয় কৰি আৰু ভগৱানৰ লগত সখা, প্ৰভু, স্বামী বা পুত্ৰৰ সম্পৰ্ক স্থাপন কৰি অন্তৰতে ভগৱানক উপলব্ধি কৰা যায়- এয়ে বেছিভাগ সম্প্ৰদায়ৰ মত।

৩) ভক্তিৰ পাত্ৰ-অপাত্ৰ নাই। ব্ৰাহ্মণৰপৰা চণ্ডাললৈকে সকলোৰে ভক্তি ধৰ্মৰ ওপৰত অধিকাৰ আছে। এই মতৰ ওপৰত আস্থা ৰাখিয়েই বৈষ্ণৱ মহন্তসকলে সকলো শ্ৰেণীৰ লোকৰ মাজত ভক্তি-ধৰ্ম বিলাইছিল।

৪) ভগৱদ্ভক্তিৰ প্ৰতি জনসাধাৰণৰ মন আকৃষ্ট কৰাৰ লগে লগে অহিংসা, প্ৰেম, দয়া, দাস্যভাৱ আদি মানৱীয় প্ৰমূল্য আৰু সূক্ষ্ম, কোমল প্ৰবৃত্তিবোৰৰ উৎকৰ্ষ সাধনৰ অনুপ্ৰেৰণা দি সুস্থ নৈতিক জীৱনৰ আদৰ্শ দাঙি ধৰিছিল।

৫) ভক্তি আন্দোলনে বেছিভাগ ক্ষেত্ৰতে প্ৰান্তীয় ভাষাক প্ৰচাৰৰ মাধ্যমৰূপে গ্ৰহণ কৰাত বিভিন্ন পুৰাণ, মহাকাব্য ইতিহাস আদি প্ৰান্তীয় ভাষালৈ অনুবাদ হ'বলৈ ধৰে আৰু ফলস্বৰূপে প্ৰান্তীয় ভাষাসমূহৰ শ্ৰীবৃদ্ধি সাধন হয়। লগে লগে ভক্তিমূলক গীত-পদ আদিৰো চৰ্চা হোৱাত সুকুমাৰ কলাৰ উন্নতি সাধিত হয়। ঈশ্বৰক উপাসনাৰ বাবে সংস্কৃত ভাষাৰ প্ৰয়োজন নাই; প্ৰান্তীয় অৰ্থাৎ নিজৰ মাতৃভাষাই যথেষ্ট। কবীৰৰ মতে 'সংস্কৃত ভাষা হ'ল কুঁৱাৰ ভিতৰত আবদ্ধ হৈ থকা বন্ধ পানী'।

৬) বৈষ্ণৱ আন্দোলনে জাতি-ধৰ্ম-নিৰ্বিশেষে সকলো শ্ৰেণীৰ লোককে জীৱনৰ মৰ্যাদা দান কৰে। নীচ কুল বা জাতত জন্ম লাভ কৰিলেও যে জীৱন অসাৰ্থক নহয়, ভক্তিৰ বলত তেওঁ ব্ৰাহ্মণতকৈও উচ্চ আসন লাভ কৰিব পাৰে সেই ভাৱ জগাই দি মানবীয় মৰ্যাদাবোধ প্ৰদান কৰে। এনেদৰে বৰ্ণ-বৈষম্য, জাত-পাত তথা অনৈক্যৰ শিপা উভালিবলৈ ভক্তিধৰ্মৰ প্ৰচাৰকসকলে প্ৰয়াস কৰিছিল।

৭) ভক্তি দুটা প্ৰধান ভাগত বিভক্ত ঃ সগুণ আৰু নিৰ্গুণ ভক্তি। সগুণ-সবিশেষ, সাকাৰ আৰু উপাধিযুক্ত। আনহাতে, নিৰ্গুণ-গুণ, বিশেষণ, আকাৰ আৰু উপাধিৰহিত। যাক কোনো বিশেষণ, চিহ্ন বা লক্ষণৰ দ্বাৰা বুজাব নোৱাৰি সিয়ে নিৰ্গুণ ব্ৰহ্ম। যাক কোনো গুণ, চিহ্ন বা বিশেষণৰ দ্বাৰা চিনিব পাৰি সেয়ে সগুণ ব্ৰহ্ম।

৮) সৎসঙ্গ বা সাধুসঙ্গ ভক্তি আন্দোলনৰ আন এটি উল্লেখযোগ্য বৈশিষ্ট্য। ভক্তিপন্থত সাধুসঙ্গ অনুসৰণ কৰিব লাগে। তেহে ভকতি সিজে। সৎসঙ্গৰ ফলত দুৰ্বাসনা নাশ হয় আৰু সুবাসনাৰ উদয় হয়। এইটোৱেই ভক্তি সাধনৰ প্ৰাথমিক প্ৰয়োজন। দুৰ্বাসনা আঁতৰি সুবাসনাই লগ দিলে ভক্তিৰ বীজ ৰোপণৰ বাবে হৃদয়ক্ষেত্ৰ উৰ্বৰা হয়। সেইবাবে 'স্বৰ্গাদিতো কৰি শ্ৰেষ্ঠ' সাধুৰ সঙ্গ বুলি কোৱা হৈছে। অসাধুৰ সঙ্গত বিষয়তৃষ্ণা বৃদ্ধি পায়, মন পাপ কৰ্মৰ প্ৰতি অধিক তৎপৰ হয়। গতিকে সাৰ্থক মনুষ্য জন্ম সাধুৰ সঙ্গতহে সম্ভৱ। নাৰদে দাসী পুত্ৰ হৈও সাধুৰ সঙ্গ পোৱাৰ ফলত মহাফল লাভ কৰিছিল।

৯) মোক্ষ বা ঈশ্বৰপ্ৰাপ্তিয়ে হ'ল ভক্তিধৰ্মৰ চূড়ান্ত উদ্দেশ্য। হিন্দু ধৰ্ম অনুসৰি মানুহে চাৰি পুৰুষাৰ্থ লৈ জন্ম গ্ৰহণ কৰে। সেই চাৰি পুৰুষাৰ্থ হৈছে- ধৰ্ম, অৰ্থ, কাম, মোক্ষ। মোক্ষ বা মুক্তি লাভেই মানব জীৱনৰ চৰম আদৰ্শ আৰু পৰিণতি হোৱা উচিত বুলি ঋষি মুনিসকলে কৈ আহিছে। ভাৰতীয় ভক্তি ধৰ্মতো এই মোক্ষতত্ত্বই প্ৰাধান্য লাভ কৰি আহিছে।

অসমৰ ভক্তি আন্দোলনৰ ক্ষেত্ৰত ওপৰোক্ত লক্ষণ বা বৈশিষ্ট্যসমূহৰ উপৰিও নাম, দেৱ, গুৰু আৰু ভকত- এই চাৰিটা তত্ত্ব অতিৰিক্তভাৱে সংযোজিত হৈছে। ভক্তি সাধন প্ৰক্ৰিয়াত এই তত্ত্বকেইটাৰ অৱলম্বন অপৰিহাৰ্য। আনহাতে, অসমৰ বাহিৰে অন্য দুই এক প্ৰদেশত কৃষ্ণ আৰু ৰাধাক ঈশ্বৰ-ঈশ্বৰীৰূপে কল্পনা কৰা হয়। কিন্তু অসমৰ বেলিকাই ব্যতিক্ৰম। অসমত আৰাধ্য দেৱতা কেৱল কৃষ্ণহে। তেনেদৰে অসমৰ বাহিৰে অন্য ঠাইৰ ভক্তি আন্দোলনত মূৰ্তি পূজাও বৈষ্ণৱ ধৰ্মৰ অন্তৰ্গত। কিন্তু অসমত বৈষ্ণৱ ধৰ্মত মূৰ্তি পূজাৰ কোনো স্থান নাই।

## ২.৫ অসমৰ ভক্তি আন্দোলনৰ ইতিহাস

অসমত শৈৱ, শাক্ত আৰু বৈষ্ণৱ ধৰ্মৰ ঐতিহ্য অতি প্ৰাচীন কালৰেপৰাই সমন্তৰালভাৱে চলি আহিছে। এই তিনিওটি ধৰ্মৰ প্ৰাচীনত্বৰ প্ৰমাণ শিলালিপি, তামৰ ফলি, প্ৰাচীন স্থাপত্য, ভাস্কৰ্য আৰু বিভিন্ন গ্ৰন্থৰ পৰা পাব পাৰি। এই তিনিটা সম্প্ৰদায়ৰ ভিতৰত বাসুদেৱীয় আৰু পাঞ্চৰাত্ৰীয় প্ৰাচীন যুগৰ আৰু নৱ বৈষ্ণৱ ধৰ্ম মধ্য যুগৰ। নগাঁওৰ বৰগংগা লিপিত (৫৫৩-৫৫৪ খৃঃ) কামৰূপ ৰাজ ভূতিবৰ্মাই নিজকে বিষ্ণুৰ পৰম ভক্ত বুলি পৰিচয় দিছে। ইয়াৰপৰা অনুমান কৰিব পাৰি যে, ষষ্ঠ শতিকাতেই অসমত বৈষ্ণৱ ধৰ্মৰ অস্তিত্ব আছিল। প্ৰাচীন সংস্কৃত সাহিত্যৰ ওপৰত নিৰ্ভৰ কৰিলে কামৰূপত সপ্তম শতিকাৰ প্ৰথমাৰ্দ্ধতে বৈষ্ণৱ ধৰ্মৰ প্ৰচলন থকাৰ কথা জানিব পাৰি। সপ্তম শতিকাৰ আৰম্ভণিতে অৰ্থাৎ ৬০০ খৃষ্টাব্দলৈ এই অৰ্দ্ধ শতাব্দীকাল ৰাজত্ব কৰা প্ৰবল ৰজা ভাস্কৰ বৰ্মাৰ সৈতে সেই সময়ৰ কনৌজৰ ৰজা হৰ্ষবৰ্দ্ধনৰ মিত্ৰতা আছিল। এই হৰ্ষবৰ্দ্ধনৰ জীৱনী ভিত্তিক ৰচনা বাণভট্টৰ 'হৰ্ষ চৰিত'ত কামৰূপৰ ৰজা ভাস্কৰ বৰ্মাক বিষ্ণুৰ বংশধৰ বোলা হৈছে। এই সংস্কৃত গ্ৰন্থখনৰ পৰা অনুমান কৰিব পাৰি যে, ভাস্কৰ বৰ্মাৰো আগৰেপৰাই অৰ্থাৎ সপ্তম শতিকাৰ আগতেও কামৰূপত বৈষ্ণৱ ধৰ্মৰ প্ৰচলন আছিল। সপ্তম শতিকাৰ অসমলৈ অহা চীনা পৰিব্ৰাজক হিউৱেন চাঙৰ টোকাতো বৈষ্ণৱ ধৰ্মৰ প্ৰচলন থকাৰ ইঙ্গিত পোৱা যায়। হিউৱেন চাঙে কৈছে যে সেই সময়ত অসমত হিন্দু ধৰ্মৰ প্ৰচলন আছিল আৰু শক্তি, শৈৱ, বৈষ্ণৱ আদি ধৰ্মাৱলম্বীসকলে বিভিন্ন দেৱ-দেৱীক পূজা উপাসনা কৰিছিল।

দ্বাদশ শতিকাৰ কামৰূপৰ ৰজা ধৰ্মপালৰ পুষ্পভদ্ৰা লিপিত বিষ্ণুলৈ ভক্তি প্ৰদৰ্শন কৰা হৈছে। তাৰোপৰি বিষ্ণুৰ অস্তিত্ব থকা বিভিন্ন মূৰ্তিয়েও বৈষ্ণৱ ধৰ্মৰ প্ৰাচীনত্বৰ ইঙ্গিত দিয়ে। যেনে শুক্ৰেশ্বৰত থকা অষ্টম নৱম শতিকাৰ নাৰায়ণ মূৰ্তি, অশ্বক্লান্তত প্ৰাপ্ত দ্বাদশ শতিকাৰ অনন্তশায়ী বিষ্ণু মূৰ্তি, দেওপানীত পোৱা বিষ্ণু মূৰ্তি আদি গোসাইজুৰি, নগাঁও, মহাদেউশাল আদিত বিভিন্ন ভঙ্গীৰ বিষ্ণু মূৰ্তি পোৱা গৈছে। এইবোৰৰপৰা অনুমান কৰা কঠিন নহয় যে, ষষ্ঠ

শতিকামানৰ পৰাই  অসমত বিষ্ণু পূজাৰ প্ৰচলন আছিল, সেইদৰে 'কালিকা পুৰাণ' আৰু 'যোগিনী তন্ত্ৰ'তো বিষ্ণু পূজাৰ প্ৰচলন থকাৰ সম্ভেদ পোৱা যায়। প্ৰথম অৱস্থাত বৈষ্ণৱ ধৰ্মক- 'তান্ত্ৰিক বৈষ্ণৱ ধৰ্ম' বুলিছে কোৱা হৈছিল। অৰ্থাৎ শঙ্কৰদেৱৰ আবিৰ্ভাৱৰ আগতে বৈষ্ণৱ ধৰ্মৰ লগত তন্ত্ৰ-মন্ত্ৰ আদিও জড়িত হৈ আছিল। প্ৰাচীন কামৰূপৰ বহুবোৰ স্থাপত্য আৰু ভাস্কৰ্য শিল্পৰ পৰা জানিব পাৰি যে, চতুৰ্থ শতিকাৰপৰা চতুৰ্দ্দশ শতিকাৰ ভিতৰত তান্ত্ৰিক ৰূপত বিষ্ণু পূজাই প্ৰাধান্য পাইছিল। এইবিলাকৰ ভিতৰত কামাখ্যা মন্দিৰৰ দেৱালয় পশ্চিম দুৱাৰৰ শিলত এটা বেণু গোপালৰ মূৰ্তি অন্যতম। এই মূৰ্তিটো সপ্তম-অষ্টম শতিকাৰ। সেইদৰে এই একে সময়তে নিৰ্মাণ হোৱা নগাঁৱৰ ডবকাৰ বিষ্ণুৰ মূৰ্তিৰ পৰাও ধাৰণা হয় যে, সপ্তম-অষ্টম শতিকাত বৈষ্ণৱ ধৰ্ম স্তিমিত হোৱা নাছিল। পুৰাতাত্ত্বিক পণ্ডিতসকলৰ মতে গুৱাহাটীৰ শুক্ৰেশ্বৰৰ জনাৰ্দন মূৰ্তি অষ্টম-নৱম শতিকাৰ আৰু বৰপেটাৰ ন-সত্ৰত সংৰক্ষিত চতুৰ্ভূজ বিষ্ণুৰ মূৰ্তি নৱম শতিকাৰ। শিৱসাগৰ পুখুৰীৰ পাৰত আবিস্কাৰ হোৱা বিষ্ণু মূৰ্তিটো কাশীনাথ দীক্ষিতৰ মতে দশম-একাদশ শতিকাৰ আৰু সেইদৰে ডিব্ৰুগড়ত উদ্ধাৰ হোৱা পিতলৰ বিষ্ণু মূৰ্তিটোও কাশীনাথ দীক্ষিতৰ মতে একাদশ-দ্বাদশ শতিকাৰ।

এনেবোৰ তথ্যই প্ৰমাণ কৰে যে, প্ৰাচীন কালৰেপৰা অসমত বৈষ্ণৱ ধৰ্ম প্ৰচলিত আছিল। এই ধৰ্মৰ লগে লগে শাক্ত আৰু শৈৱ ধৰ্মও সমানেই প্ৰচলিত হৈ থকাত বৈষ্ণৱ ধৰ্মই ব্যাপকতা লাভ কৰিব পৰা নাছিল। ষষ্ঠ শতিকাত দাক্ষিণাত্যত সূত্ৰপাত হোৱা ভক্তি-আন্দোলন ক্ৰমশঃ ভাৰতবৰ্ষৰ চুকে-কোণে প্ৰভাৱ বিস্তাৰ কৰি পঞ্চদশ শতিকাত অসমত প্ৰৱেশ কৰিলে। মহাপুৰুষ শঙ্কৰদেৱে ভাৰতীয় ভক্তি আন্দোলনৰ পৰিপ্ৰেক্ষিতত পূৰ্ব প্ৰচলিত বৈষ্ণৱ ধৰ্মক এক নতুন ৰূপত সজাই - পৰাই তুলিলে। ফলত পূৰ্বৰ বৈষ্ণৱ ধৰ্মত থকা তন্ত্ৰ-মন্ত্ৰ, বলি-বিধান, যাগ-যজ্ঞ আদিৰ ঠাই একশৰণ নামধৰ্মই অধিকাৰ কৰি ল'লে। সেইবাবেই মহাপুৰুষ শঙ্কৰদেৱ প্ৰৱৰ্তিত ধৰ্মটোক 'নৱ বৈষ্ণৱ ধৰ্ম' বুলিহে কোৱা হয়। শঙ্কৰদেৱৰ সময়ৰেপৰা বৈষ্ণৱ ধৰ্মৰ বিকাশ অতি তীব্ৰতৰ হৈ পৰে আৰু অসমৰ প্ৰায় সকলো শ্ৰেণীৰ মানুহৰ মাজত ই আস্থা লাভ কৰিবলৈ সক্ষম হয়। অৱশ্যে, শঙ্কৰদেৱেও বৰ সৰল বা সহজভাৱে এই ধৰ্ম-প্ৰচাৰ কৰিব পৰা নাছিল। বিৰুদ্ধ ধৰ্মাৱলম্বী তথা ৰাজৰোষত পৰি তেওঁ ৰাজ্যত্যাগ পৰ্যন্ত কৰিবলগীয়া হৈছিল। কিন্তু শেষত শঙ্কৰদেৱৰ ধৰ্মই ৰজাঘৰ, প্ৰজাঘৰ সকলোতে আদৰ তথা মৰ্যাদা লাভ কৰিবলৈ সমৰ্থ হয়। কি পৰিস্থিতি বা পটভূমিত বৈষ্ণৱ ধৰ্মই অসমত প্ৰতিষ্ঠা লাভ কৰিলে সেই প্ৰসঙ্গত ড° সৰ্বেশ্বৰ ৰাজগুৰুৱে কেইটিমান মূল্যবান মতামত আগবঢ়াইছে। বুৰঞ্জীৰ পম খেদি গ'লে দেখা যায় যে, ভাৰতবৰ্ষত তান্ত্ৰিক বৌদ্ধধৰ্মৰ অত্যাধিক কু-প্ৰভাৱৰ পৰা জনসাধাৰণক মুক্ত কৰাৰ বাবে আৰু হিন্দু ধৰ্মৰ পুনৰ সংস্থাপনৰ বাবে শঙ্কৰাচাৰ্যৰ নেতৃত্বত হোৱা আন্দোলনৰ ফলত তান্ত্ৰিক বৌদ্ধ ধৰ্ম পশ্চিমৰপৰা ক্ৰমে বিতাৰিত হৈ অষ্টম-নৱম শতিকামানত প্ৰাচীন কামৰূপ (উত্তৰ বঙ্গ, অসম আদি) ৰাজ্যত প্ৰৱেশ কৰি প্ৰাধান্য বিস্তাৰ কৰেহি।  শেষত প্ৰাচীন কামৰূপ ৰাজ্যৰ পাল ৰজাসকলৰ দিনত এই তান্ত্ৰিক বৌদ্ধ-ধৰ্ম ৰাজধৰ্ম হৈ উঠে। ইতিমধ্যে তান্ত্ৰিক বৌদ্ধ ধৰ্মৰে আন এটা শাখা সহজমান বা সহজীয়া বৌদ্ধ ধৰ্মইয়ো প্ৰাচীন কামৰূপত যথেষ্ট প্ৰতিপত্তি লাভ কৰিছিল। এই সহজীয়া আৰু তান্ত্ৰিক বৌদ্ধ ধৰ্মই ক্ৰমে সমাজলৈ আনি দিয়া কু-প্ৰথা, ভ্ৰষ্টাচাৰ, অনাচাৰ, দুৰ্নীতিয়ে ক্ৰমে সমাজলৈ গভীৰ আৰু ব্যাপকভাৱে নৈতিক অধঃপতন আনিলে। ইয়াৰপৰা জনসাধাৰণক ৰক্ষা কৰিবৰ কাৰণেই আৰু অসমৰ আৰ্যেতৰ গোষ্ঠীৰ সহজ-সৰল জনসাধাৰণৰ উপযোগী হোৱাকৈ  এটা ধৰ্মীয় আন্দোলনৰ প্ৰয়োজনীয়তা আহি পৰিছিল। এই প্ৰয়োজনীয়তা পূৰণ কৰিছিল শঙ্কৰদেৱৰ নেতৃত্বাধীন অসমত  মধ্যযুগৰ নৱ বৈষ্ণৱ আন্দোলনে।

**আত্মমূল্যায়নৰ প্ৰশ্ন ঃ**

অসমত ভক্তি আন্দোলনৰ প্ৰয়োজনীয়তা আছেনে? (৪৫ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.......................................................................................

.......................................................................................

.......................................................................................

.......................................................................................

.......................................................................................

.......................................................................................

## ২.৬ ভক্তি আন্দোলনৰ ফলত সৃষ্টি হোৱা সাহিত্য

সমগ্ৰ ভাৰতবৰ্ষ জুৰি বিস্তাৰ লাভ কৰা ভক্তি-আন্দোলনৰ প্ৰচাৰক তথা ভক্তসকলে ভক্তি-ধৰ্ম প্ৰচাৰৰ লগে লগে সাহিত্য সৃষ্টিতো মনোনিবেশ কৰিছিল। দৰাচলতে, প্ৰচাৰকসকলে ভক্তি-ধৰ্ম প্ৰচাৰৰ বাবে সাহিত্যক মাধ্যম হিচাপে গ্ৰহণ কৰিছিল। সাহিত্যৰ মাজেৰে এই ধৰ্মৰ ৰীতি-নীতি, দৰ্শন, তত্ত্ব, মানবীয় প্ৰমূল্য আদি বিভিন্ন দিশৰ কথা প্ৰকাশ কৰিছিল। সাহিত্যক মাধ্যম হিচাপে ব্যৱহাৰ কৰা ফলত শাক্ত বা শৈৱ সাহিত্যৰ তুলনাত ভক্তি বা বৈষ্ণৱ সাহিত্যৰ পৰিমাণ বেছি। প্ৰতিখন প্ৰদেশতে ভক্তি-আন্দোলনৰ সময়ত বুজন সংখ্যক গীত-মাত, কাব্য, নাট, ভাষ্য-টীকা আদি ৰচিত অথবা অনূদিত হৈছিল। এইবোৰে জাতীয় সাহিত্যৰ ভঁৰাল চহকী কৰি তুলিছে।

আধুনিক ভাৰতীয় সাহিত্যসমূহৰ ভিতৰত তামিল সাহিত্যই প্ৰাচীন আৰু এই ভাষাতেই প্ৰথমে ভক্তি সাহিত্য ৰচিত হৈছিল। তামিল প্ৰদেশৰ খ্ৰীষ্টিয় ষষ্ঠ শতিকাৰপৰা নৱম শতিকালৈ এই সময়ছোৱাক ভক্তিকাল বুলি কোৱা হয়। ভক্ত কবি আলৱাৰসকলৰ ভিতৰত মুঠতে বাৰজন আলৱাৰ আছিল। খ্ৰীষ্টিয় ষষ্ঠ শতিকাৰ পৰা নৱম শতিকালৈ বিভিন্ন সময়ত তেওঁলোকৰ আবিৰ্ভাৱ হৈছিল। তেওঁলোক তামিল আৰু সংস্কৃত দুয়োটা ভাষাতে বিদ্বান আছিল। বিচাৰধাৰাৰ ফালৰপৰা চালে সংস্কৃত সাহিত্যত উপলব্ধ বেদ, উপনিষদ আৰু গীতাৰ ভাবধাৰাকে তেওঁলোকে গ্ৰহণ কৰিছিল। এই ভাবধাৰা জনসাধাৰণৰ ভাষা তামিলত প্ৰকাশ কৰিবলৈ তেওঁলোক তামিল সাহিত্যৰ সকলো পৰম্পৰাৰ সৈতে ভালদৰে পৰিচিত হৈ লৈছিল।

*'নালায়িৰদিব্যপ্ৰবন্ধম্'* ভক্তি আন্দোলনৰ আদি গ্ৰন্থ। ই-আলৱাৰসকলৰ গীতৰ সংগ্ৰহ। এই গীতসমূহ কেইবা শতিকা জুৰি মৌখিকভাৱে চলি আছিল। নৱম শতিকাৰ শেষত নাথমুনিয়ে বহু পৰিশ্ৰমৰ অন্তত পদবোৰ সংগ্ৰহ কৰি পদ ৰচোঁতা, বিষয় আৰু ছন্দৰ ভিত্তিত সেইবোৰ বেলেগ বেলেগ নামকৰণ কৰিছে। তেতিয়াৰপৰাহে তেওঁলোকৰ ৰচনা সংগ্ৰহ 'নালায়িৰদিব্যপ্ৰবন্ধম্' নামে খ্যাত হ'ল। এই সংগ্ৰহত মুঠতে চাৰিহেজাৰ পদ আছে। বাৰজন আলৱাৰে ৰচনা কৰা এই পদসমূহ বিভিন্ন নামেৰে 'নালায়িৰদিব্যপ্ৰবন্ধম্' ত অন্তৰ্ভুক্ত হৈছে। আলৱাৰসকলৰ ভিতৰত প্ৰথম কবি গৰাকী হ'ল পোয়গৈ আলৱাৰ। তেওঁ ৰচনা কৰা এশ পদ *'মুদলতিৰুৱন্তাদি'* নামে জনাজাত। পদবোৰ ভক্তি উপদেশমূলক। দ্বিতীয় গৰাকী আলৱাৰ হ'ল ভূতত্তালৱাৰ। এওঁ এশ পদ ৰচনা কৰে আৰু এই পদ *'তিৰুৱন্তাদি'* নামে খ্যাত। ভগৱানৰ গুণ, ভক্তিৰ মহিমা, শৰণাগতি আদি এওঁৰ বৰ্ণনাৰ বিষয়। এওঁ অনেক বৈষ্ণৱ মন্দিৰৰ স্তুতিও ৰচনা কৰিছে। আন এগৰাকী আলৱাৰ পেয়ালৱাৰে এশ পদ ৰচনা কৰিছে আৰু এওঁৰ ৰচনা *মূন্ট্ৰাম তিৰুৱন্তাদি* নামেৰে প্ৰবন্ধম্‌ত সংগৃহীত হৈছে। উল্লেখযোগ্য যে প্ৰথম এই তিনিগৰাকী

আলৰাৰ তথা ভক্ত কবিক একেলগে *'মুনিত্রয়'* বুলিও কোৱা হয় আৰু প্ৰত্যেকেই প্ৰবন্ধম্‌ত এশকৈ পদ ৰচনা কৰিছে। *নানমুখন তিৰুৱন্তাদি* আৰু *'তিৰুচন্দবিৰুত্তম'* নামৰ ৰচনা দুখনি *'নালায়িৰদিব্যপ্ৰবন্ধম্‌'* সংগৃহীত হৈছে। আলৱাৰ সকলৰ ভিতৰত শীৰ্ষস্থানীয় ভক্ত কবিগৰাকী হৈছে নম্মলৱাৰ। প্ৰবন্ধম্‌ত এওঁৰ চাৰিখন গ্ৰন্থ সন্নিবিষ্ট হৈছে। সেই গ্ৰন্থ চাৰিখন হ'ল *'তিৰুবিৰুত্তম'* , *তিৰুৱাচিৰিয়ম, পেৰিয় তিৰুৱন্তাদি* আৰু *তিৰুৱায়মলি*। মধুৰ কবি আলৱাৰৰ একমাত্ৰ ৰচনা *'কন্নিমুল চিৰুতাম্বু'*। কুলশেখৰ আলৱাৰৰ ৰচনা *'পেৰুমাল তিৰুমোলী'* প্ৰবন্ধম্‌ত ঠাই পাইছে। আন এগৰাকী ভক্ত কবি পেৰিয়ালবাৰৰ দুটা সংগ্ৰহ প্ৰবন্ধম্‌ত সংযোজিত হৈছে। সেই দুটা সংগ্ৰহ হ'ল *'তিৰুপল্লাণ্ডু'* আৰু *'পেৰিয়ালৱাৰ'*। বাৰগৰাকী আলৱাৰৰ ভিতৰত একমাত্ৰ মহিলা কবি গৰাকী হ'ল আণ্ডাল। *'তিৰুপ্পাবৈ'* আৰু *'নাচ্চিয়াৰ তিৰুমোলী'* এওঁৰ ৰচনা। তোণ্ডৰডীপোড়ী নামৰ আলৱাৰ গৰাকীৰ দুখন ৰচনা প্ৰবন্ধমত অন্তৰ্ভুক্ত হৈছে। সেই দুখন হ'ল *'তিৰুমালৈ'* আৰু *'তিৰুপল্লী এলচ্চী'*। তিৰুপ্পান আলৱাৰৰ একমাত্ৰ ৰচনা হ'ল *'অমলনাদিপিৰনে'*। আলৱাৰসকলৰ ভিতৰত শেষৰ গৰাকী আলৱাৰ হ'ল তিৰুমঙ্গৈ। 'নালয়িৰদিব্য প্ৰবন্ধম্'ত সংৰক্ষিত পদৰ সংখ্যাৰ ফালৰপৰা এওঁৰ পদৰ সংখ্যা সবাতোকৈ অধিক। প্ৰবন্ধমত *'পেৰীয়-তিৰুমোলী'*, *'তিৰুক্কুৰুন্তাণ্ডকম্‌'* আৰু *'তিৰুনেডুন্তাণ্ডকম'* এই তিনিখন সন্নিবিষ্ট আছে।

ভাৰতীয় সাহিত্য সংস্কৃতিৰ ইতিহাসত শ্ৰীশঙ্কৰাচাৰ্যৰ অৱতাৰ এটি যুগ পৰিৱৰ্তনকাৰী ঘটনা। তেওঁ *ব্ৰহ্মসূত্ৰ, উপনিষদ* আৰু *গীতাৰ* নতুন ভাষ্য ৰচনা কৰে। এই তিনিখন গ্ৰন্থক *প্ৰস্থানত্ৰয়ী* আখ্যা দিয়া হৈছে। আনহাতে ৰামানুচাৰ্যই নিজৰ ভক্তি বিষয়ক সিদ্ধান্ত স্পষ্টীকৰণৰ বাবে সংস্কৃত ভাষাত গ্ৰন্থ ৰচনা কৰে আৰু ভাষ্য প্ৰণয়ন কৰে। এওঁ ৰচনা কৰা ভাষ্যখনৰ নাম *'শ্ৰীভাষ্য'*। উত্তৰ ভাৰতত ৰামানন্দই সংস্কৃতৰ উপৰি হিন্দী ভাষাত কবিতা ৰচনা কৰি হিন্দী ভাষাত ধৰ্মীয় উপদেশ দি হিন্দীৰ *'আদি প্ৰচাৰক'*ৰ স্থান অধিকাৰ কৰে। কবীৰ দাসে লেখা-পঢ়া নাজানিছিল। কোনো কোনোৱে তেওঁ নিৰক্ষৰ আছিল বুলিও ক'ব খোজে। কবীৰ দাসৰ নিজৰ ভাষাত তেওঁ কাগজ, কলম, চিয়াঁহী হাতেৰে চুই পোৱা নাই, মুখেৰেহে সকলো কথা কৈ গৈছে। তেওঁ সুন্দৰ সুন্দৰ ভজন ৰচনা কৰাৰ কথা জানিব পাৰি। গুৰু নানকে- অসাধাৰণ প্ৰতিভাৰে সৃষ্টিতত্ত্বৰ গূঢ়াৰ্থ উপলব্ধি কৰি সমসাময়িক সমাজখনৰ দুৰ্যোগ আঁতৰাই সাম্য আৰু মৈত্ৰীৰ ওপৰত প্ৰতিষ্ঠিত সমাজ এখনত কথাকে তেওঁৰ গীত-পদৰ মাজেৰে কৈ গৈছে। তেওঁৰ ৰচনাবোৰ- *'গুৰু গ্ৰন্থচাহেব'*ত সংগৃহীত হৈছে। তুলসী দাসক ভাৰতীয় জনতাৰ *প্ৰতিনিধি কবি* বুলি কোৱা হয়। *'ৰামচৰিত মানস'* আৰু *বিনয় পত্ৰিকা* -এই দুখন গ্ৰন্থই তেওঁক অমৰ কৰি ৰাখিছে। প্ৰথমখনৰ আদৰ আৰু জনপ্ৰিয়তা সৰ্বজনবিদিত। দ্বিতীয়খনত আদৰ পণ্ডিত, গায়ক আৰু সাধকসকলৰ মাজত অধিক। স্বামী ৰামানন্দৰ দ্বাৰা প্ৰভাৱিত হোৱাত যিদৰে ভক্ত কবিসকলে হিন্দী ভাষাত ৰাম উপাসনাৰ আলমত বিপুল সাহিত্য ভাণ্ডাৰ গঢ়ি তুলিলে, সেইদৰে বল্লভাচাৰ্যৰ অনুপ্ৰেৰণাত ব্ৰজভাষাত বিশিষ্ট ভক্তি সাহিত্যৰ সৃষ্টি হ'ল। ধৰ্ম প্ৰচাৰ কৰিবলৈ বল্লভাচাৰ্যই কেইবাখনো পুথি ৰচনা কৰে। তাৰ ভিতৰত *'অনুভাষ্য'* আৰু ভাগৱতৰ *'সুবোধিনী'* ব্যাখ্যা উল্লেখযোগ্য।

ব্ৰজভাষাত ৰচনা কৰা সুৰদাসৰ গীত-পদৰ সংগ্ৰহ *সুৰ সাগৰ* ভক্তি সাহিত্যৰ এক অমূল্য সম্পদ। 'সুৰ সাগৰ' শ্ৰীমদ্ভাগৱতৰ আধাৰত ৰচিত। সুৰদাসৰ কৃতি 'সুৰ সাগৰ' তেওঁৰ সমসাময়িক পৰিস্থিতিৰ সৈতে সম্বন্ধযুক্ত হ'লেও ইয়াৰ আবেদন সৰ্বকালীন আৰু চিৰন্তন । কৃষ্ণ ভক্ত কবিসকলৰ ভিতৰত ভক্ত কবি মীৰাবাঈৰ নাম বিশেষভাৱে উল্লেখযোগ্য। মাৰৱাৰী আৰু ব্ৰজভাষা মিশ্ৰিত ভাষা এটিত মীৰাবায়ে গীত ৰচনা কৰিছে। মধ্যযুগীয় গুজৰাটী সাহিত্যৰ এগৰাকী উল্লেখযোগ্য কবি হিচাপেও মীৰাবাঈৰ খ্যাতি আছে। মীৰাবাঈ ধৰ্ম প্ৰচাৰিকা নাছিল, তেওঁ

কৃষ্ণ প্ৰেমত গীত ৰচনা কৰিছিল। ভাৰতীয় ভক্তি সাহিত্যত মীৰাবাঈৰ ভজনবোৰে আজিও বিশিষ্ট স্থান অধিকাৰ কৰি আছে।

পূব ভাৰতত চৈতন্যদেৱে বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ লগে লগে কলাৰ দিশত- সাহিত্য, সঙ্গীত আৰু নাটকতো নতুন যুগৰ সূচনা হ'ল। চৈতন্যদেৱৰ বৈষ্ণৱ ধৰ্ম আৰু আন্দোলনে মধ্যযুগীয়া বঙলা সাহিত্যক চহকী কৰি তুলিছে। চৈতন্যদেৱকো এগৰাকী পদাকাৰ ৰূপে অভিহিত কৰা হয়। তেওঁ নিজৰ মতৰ সমৰ্থনত কোনো গ্ৰন্থ বা ভাষ্য ৰচনা কৰা নাই। কিন্তু সংস্কৃতত ৰচনা কৰা *'শিক্ষাস্তক'* তেওঁৰ অন্যতম কীৰ্তি। চৈতন্যদেৱৰ শিষ্যসকলৰ হাতত ভক্তি আন্দোলনে বিশেষভাৱে প্ৰসাৰ লাভ কৰে। এই প্ৰসঙ্গত চৈতন্যদেৱৰ ছজন শিষ্যৰ নাম বিশেষভাৱে উল্লেখযোগ্য। তেওলোক একেলগে 'ষট্ গোস্বামী' নামেৰে পৰিচিত। তেওঁলোক বৃন্দাবনক সাধনাৰ কেন্দ্ৰৰূপে স্থাপন কৰিলে আৰু চৈতন্য সম্প্ৰদায়ৰ ভক্তিধাৰাক শাস্ত্ৰীয় ৰূপ দিবলৈ কেইবাখনো মহত্বপূৰ্ণ গ্ৰন্থ ৰচনা কৰে। সেইবোৰৰ ভিতৰত ৰূপ গোস্বামীয়ে ৰচনা কৰা *ভক্তিৰসামৃতসিন্ধু, উজ্জ্বল নীলমণি* আৰু *লঘুভাগৱতামৃত* প্ৰধান। ষট্ গোস্বামীৰ এজনৰ বাহিৰে বাকী পাঁচজনে বৈষ্ণৱ ধৰ্মৰ বিভিন্ন দিশকলৈ গ্ৰন্থ ৰচনা কৰে, কিন্তু ৰচনাৰ মাধ্যমৰূপে তেওঁলোকে সংস্কৃত ভাষাহে ব্যৱহাৰ কৰিছিল। চৈতন্যদেৱে বঙ্গদেশৰ উপৰিও উৰিষ্যাতো ধৰ্ম প্ৰচাৰ কৰিছিল। উৰিষ্যাত সৰলা দাসে *মহাভাৰত,* জগন্নাথ দাসে *ভাগৱত,* বলৰাম দাসে *ৰামায়ণ* আৰু অচ্যুতানন্দই *কৈৱৰ্ত্তগীতা, গোৱালঙ্ক ওগাল* আদি-গ্ৰন্থ ৰচনা কৰে।

পঞ্চদশ শতিকাত অসমত বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ কাৰণে মহাপুৰুষ শঙ্কৰদেৱ আৰু তেওঁৰ অনুগামীসকলে অশেষ সাধনাৰ দ্বাৰা এক বিৰাট বৈষ্ণৱ সাহিত্য গঢ়ি তুলিলে। শঙ্কৰদেৱৰ উপৰিও মাধৱদেৱ, অনন্ত কন্দলী, ৰাম সৰস্বতী আদি কবিসকলে এই বিশাল সাহিত্য ভাণ্ডাৰ গঢ়াত অৰিহণা যোগালে। কাব্য, নাট, গীত, তত্বমূলক, নামপ্ৰসঙ্গমূলক, চৰিত পুথি আদি বিবিধ সাহিত্য ৰচনাৰ যোগেৰে অসমীয়া ভক্তি সাহিত্য চহকী তথা সমৃদ্ধিশালী ৰূপ লাভ কৰিছে। এওঁলোকে বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ বাবে ভাগৱত পুৰাণ, গীতা আদিৰ পৰা বিষয়বস্তু বা কাহিনী সংগ্ৰহ কৰি বিষ্ণু বা শ্ৰীকৃষ্ণৰ মাহাত্ম্য প্ৰচাৰ কৰিছে।

এনেদৰে আলোচনা কৰিলে দেখা যায় যে, মধ্যযুগৰ ভক্তি আন্দোলনৰ ফলত ভাৰতবৰ্ষৰ বিভিন্ন প্ৰদেশত ভালে সংখ্যক সাহিত্য ৰচিত হৈছিল। এই সাহিত্যসমূহৰ উদ্দেশ্য আছিল ভক্তি ধৰ্ম প্ৰচাৰ কৰা। ভক্তিধৰ্ম প্ৰচাৰ কৰিবলৈ ভক্ত কবিসকলে সংস্কৃত, ব্ৰজাৱলী আৰু প্ৰাদেশিক ভাষাত এই সাহিত্যসমূহ ৰচনা কৰিছিল। যদিও এই তিনিওটা ভাষাতে সাহিত্য ৰচিত হৈছিল, তথাপি তুলনামূলকভাৱে প্ৰাদেশিক ভাষাৰ গুৰুত্ব আছিল অধিক।

**আত্মমূল্যায়নৰ প্ৰশ্ন ঃ**

ভক্তি আন্দোলনৰ ফলস্বৰূপে ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত কেনে ধৰণৰ আৰু কি কি সাহিত্য ৰচিত হৈছিল? ( ৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.................................................................................

.................................................................................

.................................................................................

এই অধ্যায়টিৰ মূল উৎস গ্ৰন্থ ঃ তীৰ্থনাথ শৰ্মাৰ 'ভক্তিবাদ', সৰ্বেশ্বৰ ৰাজগুৰুৰ প্ৰবন্ধ 'মধ্যভাৰতীয় বৈষ্ণৱ আন্দোলনৰ পটভূমিত অসমৰ নৱ-বৈষ্ণৱ আন্দোলনৰ পটভূমিত অসমৰ নৱ-বৈষ্ণৱ ধৰ্ম' আৰু বিমল মজুমদাৰৰ 'ভক্তি সাহিত্য'।

## ২.৭ সাৰাংশ (Summing up)

মধ্যযুগত ভাৰতীয় ভক্তি আন্দোলনৰ সৃষ্টি হয় আৰু এই আন্দোলনে অতি কম সময়ৰ ভিতৰতে সমগ্ৰ ভাৰতবৰ্ষতে জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হয়। যদিও মধ্যযুগত এই আন্দোলনৰ সৃষ্টি হয়, কিন্তু তাৰ আগৰে পৰাই বিষ্ণুক উপাসনা কৰাৰ পদ্ধতি চলি আছিল। বেদ, উপনিষদৰ যুগতেই বিষ্ণুৰ অস্তিত্ব আছিল আৰু দেৱতা হিচাপে বিষ্ণুৱে প্ৰতিষ্ঠা লাভো কৰিছিল। মধ্যযুগত ষষ্ঠ শতিকাতে দাক্ষিণাত্য বা তামিল প্ৰদেশত ভক্তি আন্দোলনৰ সূত্ৰপাত হয় আৰু ক্ৰমে ই উত্তৰ ভাৰত, মধ্যভাৰত, পূব ভাৰতত প্ৰৱেশ কৰে। অসমত পঞ্চদশ শতিকাত নৱ-বৈষ্ণৱ ধৰ্মৰ ৰূপত এই আন্দোলনে দেখা দিয়ে। মহাপুৰুষ শঙ্কৰদেৱে অসমত এই আন্দোলনৰ নেতৃত্ব দিছিল। যদিও বিভিন্ন প্ৰদেশত এই আন্দোলন সৃষ্টি হৈছিল, তথাপি এই আন্দোলনৰ কিছুমান উমৈহতীয়া বিশেষত্ব আছিল। যিবোৰ বৈশিষ্ট্য কম-বেছি পৰিমাণে সকলো প্ৰদেশতে প্ৰযোজ্য আছিল। ভাগৱত আৰু গীতাই আছিল এই আন্দোলন বা ধৰ্মৰ মূল উপজীব্য। ধৰ্ম প্ৰচাৰৰ লগে লগে এই আন্দোলনৰ পৰিপ্ৰেক্ষিতত বিভিন্ন সাহিত্যও ৰচিত হৈছিল। কাৰণ ধৰ্ম প্ৰচাৰৰ অৰ্থে ভক্তসকলে সাহিত্যক মাধ্যম হিচাপে গ্ৰহণ কৰিছিল। অসমত পঞ্চম-ষষ্ঠ শতিকামানৰ পৰাই বৈষ্ণৱ ধৰ্মৰ প্ৰচলন আছিল বুলি বিভিন্ন শাসনাৱলী, শিলালিপি আদিয়ে প্ৰমাণ দিয়ে। সেই ধৰ্মকে শঙ্কৰদেৱে নতুন ৰূপত নৱ-বৈষ্ণৱ ধৰ্ম হিচাপে প্ৰচাৰ কৰে আৰু তেওঁৰ দিনতেই এই ধৰ্মই বিপুল জনপ্ৰিয়তা অৰ্জন কৰে।

## ২.৮ আৰ্হি-প্ৰশ্ন (Sample Questions)

১) মধ্যযুগত ভাৰতবৰ্ষত কেনেদৰে ভক্তি আন্দোলনৰ সৃষ্টি হ'ল আৰু ই কেনেদৰে বিকাশ লাভ কৰিলে বিচাৰ কৰক।

২) মধ্যযুগত ভক্তি আন্দোলনৰ উমৈহতীয়া বৈশিষ্ট্যসমূহৰ বিষয়ে এটি আলোচনা আগবঢ়াওঁক।

৩) ভাৰতীয় ভক্তি আন্দোলনৰ পৰিপ্ৰেক্ষিতত অসমৰ ভক্তি আন্দোলনৰ ইতিহাস দিবলৈ যত্ন কৰক।

৪) ভাৰতীয় ভক্তি সাহিত্যৰ বিষয়ে এটি প্ৰবন্ধ যুগুত কৰক।

৫) অসমৰ ভক্তি ধৰ্মৰ সুকীয়া বৈশিষ্ট্য কেইটা কি কি ? অসমত কি কি ভক্তি সাহিত্য ৰচনা হৈছিল তাৰ এটি আভাস দিয়ক।

## ২.৯ প্ৰসঙ্গ-গ্ৰন্থ (References/Suggested Readings)

১) তীৰ্থনাথ শৰ্মা : *ভক্তিবাদ*

২) মনোৰঞ্জন শাস্ত্ৰী : *বৈষ্ণৱ দৰ্শনৰ ৰূপৰেখা*

৩) প্ৰহ্লাদ কুমাৰ বৰুৱা : *ধৰ্ম সমীক্ষা*

৪) ভুৱনেশ্বৰী বৈশ্য (সম্পা.) : *বৈষ্ণৱ সাহিত্য আৰু সংস্কৃতি*

৫) যোগীৰাজ বসু : *বেদান্ত আৰু বৈষ্ণৱ ধৰ্ম*

৬) বিমল মজুমদাৰ : *ভক্তি সাহিত্য*

*****

## তৃতীয় বিভাগ
## ভক্তিবাদৰ ধাৰণা

**বিভাগৰ গঠন ঃ**

৩.১ ভূমিকা (Introduction)

৩.২ উদ্দেশ্য (Objectives)

৩.৩ ভক্তিৰ ধাৰণা

৩.৪ ভক্তিবাদৰ পৰিচয়

৩.৫ ভক্তিবাদৰ উদ্ভৱ আৰু বিকাশ

৩.৬ ভক্তিবাদৰ বৈশিষ্ট্য

৩.৭ ভক্তিবাদৰ গুৰিধৰোঁতাসকল

৩.৮ ভক্তিবাদ আৰু সমাজজীৱন

৩.৯ সাৰাংশ (Summing Up)

৩.১০ আৰ্হি প্ৰশ্ন (Sample Questions)

৩.১১ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

### ৩.১ ভূমিকা (Introduction)

মানৱ সমাজৰ ক্ৰমবিৱৰ্তনৰ সৈতে স্বাভাৱিকভাৱেই সেই সমাজৰ বিশ্বাস, পৰম্পৰা, ধ্যান ধাৰণা আৰু সামগ্ৰিক স্বৰূপ আদিৰো পৰিৱৰ্তন ঘটে। মানৱ ইতিহাসৰ স্তৰে স্তৰে নতুন নতুন চিন্তা আৰু গভীৰ দাৰ্শনিকতাৰ আভাষ সহজে পৰিলক্ষিত হয়। মানুহৰ চিন্তন, মনন, কৰ্ম আৰু দৰ্শনৰ অকৃত্ৰিম অভিব্যক্তি ঘটে সাহিত্য, সংস্কৃতি আৰু অন্যান্য ৰূপত। সাহিত্যই লিখিত ৰূপ পোৱাৰ পূৰ্বে মৌখিক অভিব্যসিক্তৰ দ্বাৰাই জনজীৱনৰ মাজত ভাৱৰ স্বতস্ফূৰ্ত প্ৰকাশ ঘটিছিল। সমস্ত ভাৰতীয় মনীষাৰ উজ্বল চানেকি সাহিত্য গ্ৰন্থৰ মাজতেই জাজল্যমান হৈ আছে। ভাৰতীয় সমাজ মূলত অধ্যাত্মবাদী। ৰাষ্টা বা পন্থাৰ ভিন্নতা থাকিলেও পৰমশক্তিক নিজ উপাসনা পদ্ধতিৰে মানৱ সমাজে আৰাধনা কৰি আহিছে। ভাৰতীয় সভ্যতা, সংস্কৃতি আৰু সাহিত্যত ভক্তি এক অনস্বীকাৰ্য উপাদান। ভক্তি তত্বৰ উত্থান আৰু ইয়াৰ ব্যাপক আন্দোলনে জাতি, ভাষা, ধৰ্ম, পন্থা, অঞ্চল নিৰ্বিশেষে সকলোকে উদ্বুদ্ধ কৰিছে। বৈদিক সাহিত্যত উল্লেখিত ভক্তিতত্ব আৰু দাৰ্শনিক চেতনাক পৰৱৰ্তী সময়ৰ মধ্যযুগীয় ভক্তি আন্দোলনৰ সময়ত সৰল আৰু মধুৰ ৰূপত উপস্থাপন কৰা হৈছে। আঞ্চলিক ভাষাত ভক্তি সাহিত্যৰ অনুবাদ আৰু নতুন সৃষ্টিৰ দ্বাৰা এই আন্দোলনক অধিক জনমুখী কৰি তোলা হৈছে। ভক্তিচেতনাই এক জনআন্দোলনৰ ৰূপ ধাৰণ কৰে আৰু এইদৰে ভক্তিবাদৰ উন্মেষ ঘটে। এই অধ্যায়ত ভক্তিবাদৰ সকলো দিশ পাৰ্যমানে সামৰি লোৱাৰ চেষ্টা কৰা হৈছে।

## ৩.২ উদ্দেশ্য (Objectives)

এই অধ্যায়ত ভক্তিবাদৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰা হ'ব। অধ্যায়টি অধ্যয়ন কৰাৰ পিছত আপোনালোকে—

- ভক্তিবাদৰ বিষয়ে সম্যক ধাৰণা লাভ কৰিবলৈ সক্ষম হ'ব।
- ভক্তিবাদৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে জনাৰ সুযোগ পাব।
- ভক্তিবাদৰ বৈশিঢ্যৰ বিষয়ে সুস্পষ্ট ৰূপত জানিবলৈ পাব।
- ভক্তিধৰ্ম বা ভক্তিবাদৰ গুৰিধৰোঁতা মহান প্ৰতিভাসকলৰ বিষয়ে অৱগত হ'ব পাৰিব।
- সমাজ জীৱনত ভক্তিবাদৰ সুদূৰপ্ৰসাৰী প্ৰভাৱ সম্পৰ্কে জ্ঞাত হ'ব পাৰিব।

## ৩.৩ ভক্তিৰ ধাৰণা

সংস্কৃতৰ ভজ্ ধাতুৰ লগত ক্তিন প্ৰত্যয়ৰ সংযোগৰ ফলত ভক্তি শব্দৰ উদ্ভৱ হৈছে। সাধাৰণভাৱে ভক্তি শব্দৰ অৰ্থ হ'ল ভজন কৰা বা সেৱা কৰা। নিজৰ ইষ্টজনাক শ্ৰদ্ধাৰে ভজন বা সেৱা কৰাই হ'ল ভক্তি। ভাৰতীয় প্ৰাচীন সাহিত্যত ভক্তিৰ উল্লেখ সহজেই উপলব্ধ। বিশেষকৈ ঋকবেদৰ বিষ্ণুসুক্ত আৰু বৰুণসুক্তত ভক্তিৰ বিষয়ে সবিস্তাৰে ব্যাখ্যা কৰা হৈছে। এই ভক্তি বিভিন্ন ৰূপত সাধিত হ'ব পাৰে। ঈশ্বৰভক্তি, গুৰুভক্তি, মাতৃভক্তি, পিতৃভক্তি, দেৱভক্তি আদি বিবিধ ৰূপত ভক্তি অৰ্পিত হ'ব পাৰে। সেয়ে ভক্তিৰ বিষয়ে খুব সংক্ষেপতে কোৱা হৈছে ঃ

'ভজনম্ ভক্তি'

অৰ্থাৎ উপাস্যজনৰ ভজনেই হ'ল ভক্তি। ভক্তিৰ মাধ্যমেৰে আত্মা-পৰমাত্মাৰ মিলন সম্ভৱ। প্ৰকৃত ভক্তিৰ দ্বাৰাই মোক্ষ প্ৰাপ্তি হয়। ভক্তিৰ জৰিয়তে প্ৰকৃত জীৱন সত্যৰ সন্ধান লাভ কৰিব পাৰি। অজ্ঞানতা, সংকীৰ্ণতা, অমানৱীয়তা, ক্ৰোধ-লোভ আদিৰ তামসিক প্ৰবৃত্তিৰ পৰা ভক্তিযোগৰ দ্বাৰাই মুক্তি লাভ কৰিব পাৰি। ভক্তিৰ বিভিন্ন প্ৰকাৰৰ কথা উল্লেখ কৰা হৈছে। সাত্বিকী ভক্তি, ৰাজসী ভক্তি, তামসী ভক্তি, নিৰ্গুণ ভক্তি, সগুণ ভক্তি, নৱধা ভক্তি আদি। ভক্তি শব্দৰ অৰ্থ মহত্ব, ব্যাপকতা, প্ৰকাৰ আদিৰ অধ্যয়ন কৰিলে মানৱ জীৱনত ভক্তিৰ সৰ্বব্যাপক প্ৰভাৱ আৰু প্ৰেৰণা সহজতে লক্ষ্য কৰিব পাৰি। ভক্তিয়ে মানৱ মনৰ অজ্ঞানতা দূৰ কৰি জ্ঞানৰূপী পোহৰ বিলায়।

ভক্তিৰ পৰিভাষানো কি? এই সম্পৰ্কে বিভিন্ন আচাৰ্য আৰু মহাপুৰুষে নিজৰ মতামত আগবঢ়াইছে। মহৰ্ষি নাৰদৰ দ্বাৰা ৰচিত নাৰদ ভক্তিসূত্ৰ নামৰ গ্ৰন্থত ভক্তিৰ সংজ্ঞা, মহত্ব, গভীৰতাৰ বিষয়ে বিস্তৃতভাৱে আলোকপাত কৰা হৈছে। নাৰদ ভক্তিসূত্ৰত ভক্তিৰ পৰিভাষা এইদৰে দিয়া হৈছে ঃ

১। সা ত্বস্মিন পৰম প্ৰেমৰূপা।

অৰ্থাৎ ঈশ্বৰৰ প্ৰতি নিবেদিত পৰম প্ৰেমেই হ'ল ভক্তি।

২। পূজাদিত্বনুৰাগ ইতি পাৰাশৰ্য্য।

অৰ্থাৎ ভগৱানৰ পূজা আদিত উৎপন্ন অনুৰাগ আদিয়ে হ'ল ভক্তি।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৰচনাতো ভক্তি সম্পৰ্কে সুন্দৰ ব্যাখ্যা দাঙি ধৰা হৈছে। গুৰুজনাৰ প্ৰধান শিষ্য মাধৱদেৱৰ ৰচনাতো ভক্তিৰ বিষয়ে সুস্পষ্ট উল্লেখ কৰা হৈছে। শ্ৰীমন্ত শংকৰদেৱে ভক্তিৰ শ্ৰেষ্ঠত্ব ঘোষণা কৰি কৈছে ঃ

জ্ঞানত কৰ্মত কৰি ভকতিসে মহা শ্ৰেষ্ঠ
ভকতি মধ্যত শ্ৰেষ্ঠ দুই।
শ্ৰৱণ কীৰ্ত্তন ইটো আক ধৰিলেক যিটো
বিধিৰ কিঙ্কৰ সিটো নুই।

(কীৰ্তনঘোষা)

মহাপুৰুষ মাধৱদেৱেও ভক্তিৰ লক্ষণ আৰু শ্ৰেষ্ঠত্ব সুন্দৰকৈ বৰ্ণনা কৰিছে। লক্ষণীয়ভাৱে শ্ৰীমন্ত শংকৰদেৱৰ দৰে মাধৱদেৱেও শ্ৰৱণ আৰু কীৰ্তনৰ মাহাত্ম্য নিজৰ ৰচনাৱলীত প্ৰকাশ কৰিছে ঃ

শ্ৰৱণ কীৰ্তন আদি প্ৰধান ভকতি
তাকেসে কৰিবো মাত্ৰ বিবক্ষা সম্প্ৰতি
শ্ৰৱণ কীৰ্তন ধ্যান অৰ্চ্চন আদৰ
ইসব ভক্তিৰ ফল শুনা নিৰন্তৰ। (ৰত্নাৱলী)

ভক্তি এক মানসিক অনুৰাগযুক্ত অৱস্থা। আত্মা-পৰমাত্মা বা ভক্তি ভগৱানৰ মাজত ভক্তি হ'ল এক সুদৃঢ় সেতু। কোনো কোনোৰ মতে ভক্তিৰ মূল আধাৰ হ'ল মানৱ হৃদয়। প্ৰেম আৰু শ্ৰদ্ধাৰ সংযোগত ভক্তিৰ উৎপত্তি হয়। যুগ যুগ ধৰি সমাজ জীৱনত ভক্তি এক অপৰিহাৰ্য তত্ব ৰূপে বিবেচিত হৈ আহিছে। ভক্তিৰ সৰ্বব্যাপকতা, গভীৰতা আৰু উচ্চ আদৰ্শ মানৱ সমাজত নিঃসন্দেহে প্ৰতিফলিত হোৱা বুলি ক'ব পাৰি।

**আত্মমূল্যায়ণ প্ৰশ্ন**

ভক্তিৰ পৰিভাষা কি? (৫০টা শব্দৰ ভিতৰত লিখক)

..........................................................................................................
..........................................................................................................
..........................................................................................................
..........................................................................................................
..........................................................................................................

### ৩.৪ ভক্তিবাদৰ পৰিচয়

মূলতঃ ভক্তিৰ পৰাই ভক্তিবাদৰ উৎপত্তি হৈছে। ভক্তিবাদৰ সৰ্বপ্ৰথম স্বৰূপ বৈদিক কালত প্ৰত্যক্ষ কৰা হয়। ভক্তিৰ অৱতাৰবাদৰ দৰ্শন প্ৰথমে নিৰাকাৰ ব্ৰহ্মৰ স্তুতিৰ মাজেৰে পৰিলক্ষিত হয়। বেদৰ মতে বিষ্ণুৱেই হ'ল পৰম কল্যাণকাৰী দেৱতা। অন্যহাতে শতপথ

ব্ৰাহ্মণৰ মতে বিষ্ণু হ'ল সৰ্বোপৰি, সৰ্বশক্তিমান দেৱতা। ঋকবেদতেই ভক্তিৰ পালনীয় বিধি-বিধানৰ উল্লেখ পোৱা গৈছে। এইদৰে স্পষ্ট হয় যে ভক্তিবাদ মূলতঃ বিষ্ণুকেন্দ্ৰিক। বিষ্ণুক সৰ্বশ্ৰেষ্ঠ দেৱতাৰূপে ভক্তিবাদীসকলে মানি লৈছে। পৰৱৰ্তী সময়ত মধ্যযুগীয় ভক্তি আন্দোলনৰ সময়ত ভক্তিবাদৰ ব্যাপক প্ৰসাৰ ঘটে। ভক্তি আন্দোলনৰ গুৰি ধৰিছিল তামিলনাডুৰ শৈৱ নয়নাৰ আৰু বৈষ্ণৱ আলোৱাৰ সম্প্ৰদায়ে। এই ভক্তি আন্দোলনৰ প্ৰথম প্ৰচাৰকৰূপে আদিগুৰু শংকৰাচাৰ্য্যক মানত্য দিয়া হয়। শংকৰাচাৰ্য্যই হিন্দু ধৰ্মৰ পুনৰুত্থান আৰু সামাজিক সংস্কাৰৰ লগতে ভক্তি তথা দৰ্শনৰ এক উচ্চ আদৰ্শ দাঙি ধৰে। ভক্তিবাদী আন্দোলনে এক নতুন ব্যাপ্তি লাভ কৰে। ভক্তি এখ অনুৰাগ, আদৰ্শ আৰু সমৰ্পনৰ পন্থা কিন্তু ভক্তিবাদ এক সৰ্বব্যাপক জনমুখী আন্দোলন। ভক্তিবাদৰ মাধ্যমেৰে বিষ্ণুৰ শ্ৰেষ্ঠত্ব প্ৰকাশ আৰু সৰ্বজনমুখী জনচেতনাই নতুন মাত্ৰা লাভ কৰে। ভক্তিবাদৰ জৰিয়তে সমগ্ৰ দেশতে এক নতুন আৰু ব্যাপক জনআলোড়নৰ সৃষ্টি হয়। ভক্তিবাদৰ জৰিয়তে দেশৰ সকলো প্ৰান্ততে এক আমূল ধাৰ্মিক, সামাজিক আৰু সাংস্কৃতিক পৰিৱৰ্তন সাধিত হয়। তত্ব আৰু দৰ্শনৰ পৰিধি অতিক্ৰমী ভক্তিবাদী ধ্যান ধাৰণাই সমাজৰ সকলো স্তৰৰ লোককে উদ্বুদ্ধ কৰে।

**আত্মমূল্যায়ণ প্ৰশ্ন**

ভক্তিবাদ কাক বোলে? (৫০টা শব্দৰ ভিতৰত লিখক)

..............................................................................................................

..............................................................................................................

..............................................................................................................

..............................................................................................................

..............................................................................................................

## ৩.৫ ভক্তিবাদৰ উদ্ভৱ আৰু বিকাশ

এই কথা ইতিপূৰ্বে উল্লেখ কৰা হৈছে যে বৈদিক কালতে ভক্তিবাদৰ প্ৰথম স্বৰূপ লক্ষ্য কৰা হৈছিল। ভক্তিবাদৰ মূল আৰাধ্য দেৱতা বিষ্ণু। বিষ্ণুৰ শ্ৰেষ্ঠত্ব আৰু মাহাত্ম্য প্ৰকাশৰ দ্বাৰাই ভক্তিবাদী চেতনাই ব্যাপকতা লাভ কৰে। কিন্তু ভসিক্তবাদৰ ব্যাপক প্ৰসাৰ ঘটে মধ্যযুগীন ভক্তি আন্দোলনৰ মাধ্যমেৰে। এই আন্দোলনত ঈশ্বৰৰ প্ৰতি অসীম ভক্তি, ঈশ্বৰৰ মহিমা, ভাতৃত্ববোধ, সংস্কাৰমুখী দৃষ্টিভংগী, উচ্চ আদৰ্শ আৰু জনমুখী চেতনাৰ প্ৰকাশ ঘটে। সপ্তম শতিকাৰ পৰা দ্বাদশ শতিকালৈ এই ভক্তি আন্দোলনে সৰ্বপ্ৰথমে দক্ষিণ ভাৰতৰ তামিলনাডুত ব্যাপক প্ৰভাৱ বিস্তাৰ কৰে। শৈৱপন্থা বিশ্বাসী নয়নাৰ আৰু বৈষ্ণৱপন্থা বিশ্বাসী আলৱাড়সকলে এই ভক্তিবাদী আন্দোলনৰ সূত্ৰপাত কৰে। আদিগুৰু তথা মহান দাৰ্শনিক শংকৰাচাৰ্য্যক এই আন্দোলনৰ প্ৰথম আৰু শক্তিশালী গুৰিধৰোঁতা বুলি মানি লোৱা হয়।

এই প্ৰসংগতে এই প্ৰশ্নৰ উদ্ৰেক হোৱা স্বাভাৱিক যে নয়নাৰ আৰু আলোৱাড়সকল প্ৰকৃততে কোন আছিল? সনাতন হিন্দু ধৰ্মৰ ভগৱান শিৱৰ পৰমভক্ত আছিল নয়নাৰ। নয়নাৰ জন্ম তামিলনাডুত হৈছিল। প্ৰাপ্ত তথ্যমতে সৰ্বমুঠ ৬৩ জন নয়নাৰ ভক্তসাধক আছিল। শৈৱদৰ্শন আৰু ভক্তি প্ৰচাৰৰ ক্ষেত্ৰত নয়নাৰসকলৰ ভূমিকা সৰ্বজনবিদিত। নয়নাৰ সম্প্ৰদায়ৰ কৰইক্কল অময়ৰ নামে এগৰাকী প্ৰখ্যাত মহিলা কবিও আছিল। নয়নাৰসকলে ভগৱান শিৱক আৰাধনা কৰি বহুতো সুন্দৰ ভক্তিগীতৰ ৰচনা কৰিছিল। চোল ৰজা ৰাজৰাজ প্ৰথমৰ এক শিলালেখত তেওঁৰ দ্বাৰা তঞ্জাৱৰৰ মহামন্দিৰত নয়নাৰ দ্বাৰা ৰচিত ভজন আৰু অন্য ভক্তিগীতৰ আৱৃত্তি কৰা বুলি উল্লেখ আছে।

আনহাতে বিষ্ণুৰ অনুগামী ভক্ত সাধকসকলক আলৱাৰ বুলি কোৱা হয়। ব্যুৎপত্তিগতভাৱে আলৱাৰ শব্দৰ অৰ্থ হ'ল জ্ঞানী ব্যক্তি। কিন্তু বাৰজন বৈষ্ণৱ ভক্তৰ উদ্দেশ্য আলৱাৰ শব্দৰ প্ৰয়োগ হৈছিল। আণ্ডাল আলৱাড়সকলৰ মাজত একমাত্ৰ মহিলা ভক্তকবি আছিল। আলৱাড়সকলৰ শেষৰ পৰ্যায়ৰ কবিসকলৰ ভিতৰত নাম্মালৱাৰ আৰু তেওঁৰ প্ৰিয় শিষ্য মধুৰ কবিৰ ৰচনাই ব্যাপক খ্যাতি আৰু জনপ্ৰিয়তা লাভ কৰিছিল। আলৱাড়সকলৰ সংস্পৰ্শলৈ আহি সিংহবিষ্ণু, নৰসিংহবৰ্মা, দণ্ডিবৰ্মা প্ৰভৃতি পল্লব বংশৰ ৰজাসকলেও বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰিছিল। এইদৰে আলোৱাড় সম্প্ৰদায়ৰ বৈষ্ণ ভক্তিবাদী আন্দোলনে ৰজা-প্ৰজা সমন্বিতে সকলোকে সমাহিত কৰিছিল।

আদিগুৰু শংকৰাচাৰ্য্য আৰু ৰামানুজৰ অদ্বৈতবাদ আৰু বিশিষ্টাদ্বৈতবাদী দাৰ্শনিক সিদ্ধান্তই এই সময়ছোৱাতে ব্যাপক প্ৰসাৰ লাভ কৰে। শংকৰাচাৰ্য্যৰ ব্ৰহ্মসূত্ৰত "অহং ব্ৰহ্মাস্মি" আৰু "ব্ৰহ্মসত্য জগতমিথ্যা" বুলি উল্লেখ কৰিছে। সহজ ভাষাত ক'বলৈ হ'লে অদ্বৈতবাদৰ মতে ব্ৰহ্মাই হ'ল সত্য আৰু জীৱ তথা জগত ব্ৰহ্মাৰ প্ৰকাশ মাথোঁ; সেয়ে ব্ৰহ্ম আৰু জগত ভিন্ন বা দ্বৈত নহৈ অভিন্ন বা অদ্বৈত। সেয়ে এই দাৰ্শনিক সিদ্ধান্তক অদ্বৈতবাদৰূপে জনা যায়। আনহাতে বিশিষ্টাদ্বৈত নামৰ দাৰ্শনিক সিদ্ধান্ত অনুসৰি জগত আৰু জীৱাত্মা ব্ৰহ্মতকৈ পৃথক আৰু বিশিষ্ট। ব্ৰহ্ম আৰু জগত তথা জীৱৰ সম্পৰ্ক সূৰ্য্য আৰু সূৰ্য্যৰশ্মিৰ দৰে। ৰামানুজে শংকৰাচাৰ্য্যৰ জগতমিথ্যা সিদ্ধান্তক স্বীকাৰ কৰা নাই। ৰামানুজৰ মতে এই জগতৰ স্ৰষ্টাও ব্ৰহ্ম। গতিকে জগত মিথ্যা বা মায়া হ'ব নোৱাৰে। বৰং জীৱ আৰু জগত বিশিষ্ট আৰু বাস্তৱিক।

ইয়াৰ পৰৱৰ্তী সময়ত ৰামানন্দৰ মাধ্যমেৰে দাক্ষিণাত্যত উদ্ভৱ হোৱা ভক্তি আন্দোলনৰ প্ৰৱাহ উত্তৰ ভাৰতলৈ বিয়পি পৰে। এই সম্পৰ্কে হিন্দী সাহিত্যত এটি প্ৰখ্যাত উক্তি প্ৰচলিত ঃ

ভক্তি দ্ৰাবিড় উপজী
লায়ে ৰামানন্দ
প্ৰকট কিয়া কবীৰ নে
সপ্ত দ্বীপ নব খণ্ড।

অৰ্থাৎ ভক্তি আন্দোলনৰ উৎপত্তি দ্ৰাবিড় বা দাক্ষিণাত্যত হয়। ৰামানন্দই এই

ভক্তিৰ অমৃতধাৰা উত্তৰ ভাৰতলৈ বোৱাই আনে। পৰৱৰ্তী সময়ত কবীৰদাসে সপ্ত দ্বীপ আৰু নৱ খণ্ডত ইয়াৰ প্ৰসাৰ ঘটায়।

ভাৰতবৰ্ষৰ প্ৰান্তে প্ৰান্তে আঞ্চলিক ভাষাত ভক্তি আন্দোলনৰ প্ৰসাৰ ঘটে। পূৰ্বতে থকাৰ দৰে ভাষাৰ দুৰ্বোধ্যতাৰ সমস্যা নোহোৱা হয়। নিজ স্থানীয় ভাষাত ভক্তি সাহিত্য উপলব্ধ হোৱাৰ লগে লগে সাধাৰণ জনতা ভক্তিবাদী সাহিত্যৰ সৈতে সংপৃক্ত হৈ পৰে। ভক্তিবাদী সাহিত্যৰ সৈতে সাধাৰণ লোকৰ সহজ সম্পৰ্ক স্থাপিত হোৱাৰ ফলত এই আন্দোলনে ব্যাপক জনচেতনা গঢ়ি তুলিবলৈ সক্ষম হয়। ধাৰ্মিক, সামাজিক, সাংস্কৃতিক, সাহিত্যিক দৃষ্টিৰেও ভক্তিবাদী জনআন্দোলনে ব্যাপক প্ৰভাৱ বিস্তাৰ কৰে।

ভক্তিবাদী আন্দোলন কি কি শাখাত বিভাজিত? এই প্ৰসংগত বিভিন্ন সমালোচক আৰু পণ্ডিতে নিজস্ব দৃষ্টিভংগী আৰু প্ৰাপ্ত তথ্যৰ আধাৰত বিভিন্ন ভক্তিধাৰাৰ বিষয়ে ব্যাখ্যা দাঙি ধৰিছে। কিন্তু প্ৰায়বোৰ ব্যাখ্যা অধ্যয়ন কৰাৰ পিছত ভক্তিবাদী আন্দোলনক মূলতঃ দুটা ভাগত ভগাব পাৰি— (১) সগুন বা সাকাৰ, (২) নিৰ্গুন বা নিৰাকাৰ। সগুন বা সাকাৰ মত অনুসৰি বিষ্ণু বা আৰাধ্য নিৰাকাৰ বা নিৰ্গুন নহয়। তেওঁ সাকাৰ আৰু বিৰাট শক্তিমান। সগুন ধাৰাটো আকৌ দুটা উপধাৰাত বিভক্ত— (১) ৰামভক্তি শাখা, (২) কৃষ্ণভক্তি শাখা। ৰামভক্তি শাখাৰ আৰাধ্য হ'ল মৰ্যাদা পুৰুযোত্তম অযোধ্যা নিবাসী শ্ৰীৰামচন্দ্ৰ। এই শাখাৰ সৰ্বাধিক খ্যাতিমান ভক্ত কবিগৰাকী হ'ল গোস্বামী তুলসী দাস। ৰামচৰিত মানস তুলসী দাসৰ অমৰ কৃতি। আনহাতে কৃষ্ণভক্তি শাখাৰ উপাস্য হ'ল বৃন্দাবনবিহাৰী, সুদৰ্শনধাৰী ভগৱান শ্ৰীকৃষ্ণ। সুৰদাস, মীৰাবাঈ, শ্ৰীচৈতন্য, পঞ্চসখা, শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱ, দামোদৰদেৱ আদিয়ে কৃষ্ণভক্তি শাখাৰ মূল ভক্তিচেতনাক সাধাৰণজনৰ ওচৰলৈ লৈ যায়। কৃষ্ণভক্তি শাখাই দেশৰ প্ৰান্তে প্ৰান্তে ভক্তিবাদৰ জোঁৱাৰ তোলে। মন কৰিবলগীয়া কথাটো হ'ল ৰামচন্দ্ৰ আৰু শ্ৰীকৃষ্ণক বিষ্ণুৰ অৱতাৰৰূপে গণ্য কৰা হয়। আমাৰ ভাৰতীয় সভ্যতাৰ আটাইতকৈ চৰ্চিত দুখন মহাকাব্য ৰামায়ণ আৰু মহাভাৰতৰ মুখ্য চৰিত্ৰ দুটি হ'ল ক্ৰমে ঃ ৰামচন্দ্ৰ আৰু শ্ৰীকৃষ্ণ।

আনহাতে নিৰ্গুন ভক্তিধাৰা আকৌ দুটা উপধাৰাত বিভাজিত। সেই উপধাৰা দুটা হ'ল— (১) জ্ঞানমাৰ্গী, (২) প্ৰেমমাৰ্গী বা চুফীভক্তিকাব্য। জ্ঞানমাৰ্গী ভক্তিবাদৰ মতে ঈশ্বৰ প্ৰাপ্তিৰ প্ৰকৃত মাধ্যম হ'ল জ্ঞান। প্ৰকৃত জ্ঞানৰ জৰিয়তেহে শুদ্ধ ভক্তি সম্ভৱ আৰু শুদ্ধ ভক্তিৰ দ্বাৰাহে পৰমশক্তিৰ সান্নিধ্য লাভ কৰিব পাৰি। কবীৰদাস জ্ঞানমাৰ্গী ভক্তিধাৰাৰ সৰ্বাধিক জনপ্ৰিয় ভক্ত কবি। ৰৈদাস, দাদু-দয়াল, সুন্দৰদাস, মলুক দাস, দৰিয়াদাস, ধৰমদাস, সন্তলাল, চৰণদাস, ভীখা আদি জ্ঞানমাৰ্গী কবিয়ে জ্ঞানৰ উপাসনা, ধাৰ্মিক উদাৰতা, সামাজিক সংস্কাৰ, ভাতৃত্ববোধ, দাৰ্শনিকচেতনা, ভেদাভেদৰ বিৰোধ আদিৰ ওপৰত গুৰুত্ব দিছিল। নিৰাকাৰ ব্ৰহ্মৰ উপাসকৰূপে জ্ঞানমাৰ্গী ধাৰাৰ ভক্ত কবিসকলে সকলোৰে মনত জ্ঞানৰ প্ৰতি অনুৰাগ আৰু সামাজিক সৌহাৰ্য্য জগাই তোলাৰ চেষ্টা কৰিছিল।

প্ৰেমমাৰ্গী বা চুফী সাহিত্যয়ো ভক্তিবাদী আন্দোলনত ব্যাপক সমাদৰ লাভ কৰিছিল। এই পন্থৰ মতে কেৱল প্ৰেমৰ দ্বাৰাহে ঈশ্বৰপ্ৰাপ্তি সম্ভৱ হ'ব পাৰে। অখিল

ব্ৰহ্মাণ্ডৰ প্ৰতিটো কণ কণতেই নিৰাকাৰ শক্তি নিহিত হৈ আছে। সেয়ে সকলো উপাদানৰ প্ৰতি প্ৰেমময় হ'ব পাৰিলেহে পৰমাত্মাৰ সান্নিধ্য আৰু আশ্ৰয় লাভ কৰা সম্ভৱ হ'ব। প্ৰেমমাৰ্গী বা চুফী ভক্তিবাদী সাহিত্যৰ সৰ্বাধিক প্ৰসিদ্ধ ভক্ত কবি গৰাকী হ'ল মালিক মুহম্মদ জায়সী। জায়সীৰ প্ৰখ্যাত ৰচনা হ'ল পদ্মাৱত। জায়সীৰ উপৰিও মন্‌ঝন, কল্লোল, কুতুবন, ঈশ্বৰদাস আৰু মুল্লা দাউদ আদি ভক্ত কবিয়েও চুফী ভক্তিবাদী কাব্যধাৰাক সুসমৃদ্ধ কৰি থৈ গৈছে। অসমত আজান ফকীৰেও ব্যাপক সংখ্যাত উৎকৃষ্ট চুফী সাহিত্য ৰচনা কৰি থৈ গৈছে।

এইদৰে এই কথা স্পষ্ট যে ভক্তিবাদৰ বিকাশত বিভিন্ন শাখা, উপশাখা আৰু পন্থাত বিভাজিত ভক্ত কবিসকলে অৰিহণা যোগাই থৈ গৈছে। ভক্তি সাধনাক সবল ৰূপত ভক্তিবাদৰ ৰূপ দিয়াৰ ক্ষেত্ৰত মধ্যযুগীন ভক্ত কবিসকলৰ অৱদান অনস্বীকাৰ্য। দেশৰ চুকে কোণে ভক্তিবাদৰ প্ৰবল ঢৌ প্ৰৱাহিত হয় আৰু এই প্ৰৱাহে সামাজিক জীৱনকো গভীৰভাৱে চুই যায়।

**আত্মমূল্যায়ণ প্ৰশ্ন**

ভক্তিবাদী আন্দোলন মূলতঃ কি কি শাখাত বিভক্ত ? (৫০টা শব্দৰ ভিতৰত লিখক)

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

## ৩.৬ ভক্তিবাদৰ বৈশিষ্ট্য

ভক্তিবাদ ভাৰতীয় জনজীৱনক আলোড়িত কৰা এক আধ্যাত্মিক আৰু সামাজিক জাগৰণ। ভক্তিবাদৰ বৈশিষ্ট্যৰাজিক নিম্নলিখিত ৰূপত লক্ষ্য কৰিব পাৰি ঃ

**(ক) একেশ্বৰবাদ ঃ** ভক্তিবাদৰ অন্যতম বৈশিষ্ট্য হ'ল এক ঈশ্বৰত বিশ্বাস। বহুধাবিভক্ত ভক্তি সাধনাৰ পৰিৱৰ্তে একেশ্বৰবাদৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে "এক দেৱ এক সেৱ এক বিনে নাই কেৱ" বুলি একমাত্ৰ ভগৱান বিষ্ণুকে উপাসনা কৰাৰ কথা উল্লেখ কৰিছে। ইয়াৰোপৰি চুফী সাহিত্যতো ইছলামৰ একেশ্বৰবাদৰ স্পষ্ট প্ৰভাৱ দেখা যায়। ভক্তিবাদী সাহিত্যৰ প্ৰায়বোৰ ৰচনাতেই অনেক দেৱ-দেৱীৰ পৰিৱৰ্তেএক পৰম শক্তিক আৰাধনা কৰাৰ বিষয়ে স্পষ্টকৈ উল্লেখ কৰা হৈছে। এইদৰে স্পষ্ট যে একেশ্বৰবাদ ভক্তিবাদৰ অন্যতম বিশেষত্ব।

**(খ) মূল আদৰ্শ ভক্তি ঃ** ভক্তিবাদৰ মূল আধাৰ ভক্তি। ভক্তিক মূলাধাৰ হিচাপে লৈয়েই ভক্তিবাদৰ বিকাশ হৈছে। বৈদিক কাল হওক বা মধ্যযুগীয় সময়খণ্ডই হওক ভক্তিক সৰ্বোপৰি

মহত্ব দিয়া পৰিলক্ষিত হৈছে। জ্ঞান, ক্রিয়া, সাধনা আদিতকৈ শুদ্ধ ভক্তিৰ শ্ৰেষ্ঠত্ব ঘোষণা কৰা হৈছে। ভক্তিৰ দ্বাৰা জীৱন সাৰ্থক হয় আৰু মনৰ সকলো বেদনা দূৰ হয় ঃ

শ্ৰৱনাদি প্ৰধান ভকতি ভৈল যাৰ
নৰকাদি যাতনায়ো দুঃখ নোহে তাৰ। (ৰত্নাৱলী)

**(গ) সামাজিক চেতনা ঃ** ভক্তিবাদী আন্দোলনৰ মাজত শক্তিশালী ৰূপত সামাজিক চেতনা নিহিত হৈ আছিল। সেয়ে সমাজৰ সকলো স্তৰৰ লোক এই ভক্তিবাদী জাগৰণৰ সৈতে সংপৃক্ত হৈ পৰিছিল। পূৰ্বৰ পৰাই উপেক্ষিত, বঞ্চিত আৰু অৱদমিত শ্ৰেণীৰ লোকে ভক্তিবাদী আন্দোলন আৰু সামাজিক সংস্কাৰৰ দ্বাৰা নতুন পোহৰেৰে জীৱন আলোকিত হৈ উঠে। এই সামাজিক চেতনা ভক্তিবাদী জাগৰণৰ অন্যতম বৈশিষ্ট্য।

**(ঘ) মানৱতাবাদী দৃষ্টিভংগী ঃ** ভক্তিবাদী জনজাগৰণৰ অন্যতম বৈশিষ্ট্য হ'ল মানৱতাবাদ। সমাজৰ সকলো স্তৰৰ মানুহৰ মনত ভক্তি, ভাতৃত্ব আৰু মৰ্যাদাৰ ভাৱ এই আন্দোলনে জগাই তুলিছিল। সমাজৰ অৱদমিত, নিষ্পেষিত লোকসকলেও মানৱতাবাদী সান্নিধ্য আৰু অংশীদাৰত্ব লাভ কৰিছিল। নাৰীসকলেও ভক্তিবাদী পৰিক্ৰমাত সক্রিয়ভাৱে অংশগ্ৰহণ কৰিছিল। সমাজৰ উপেক্ষিত, দলিত, পিছপৰা লোকসকলেও এই ব্যাপক জনজাগৰণৰ সময়ত ভক্তিসুধা পাণ কৰি সমাজত সমুচিত স্থান লাভ কৰিবলৈ সক্ষম হৈছিল।

নাহি ভকতিত জাতি অজাতি বিচাৰ
কৃষ্ণত ভকতি সমস্তৰে অধিকাৰ।

**(ঙ) আঞ্চলিক ভাষাৰ প্ৰয়োগ ঃ** ভক্তিবাদৰ জাগৰণৰ সময়ত বহুভাষিক ভাৰতবৰ্ষৰ চুকে কোণে প্ৰান্তীয় বা আঞ্চলিক ভাষাত ভক্তিবাদৰ ব্যাপক প্ৰচাৰ হয়। প্ৰান্তীয় বা আঞ্চলিক ভাষাত ভক্তিবাদী সাহিত্য ৰচিত হয়। ইয়াৰ ফলত সংস্কৃত ভাষাত ৰচিত ভক্তিগ্ৰন্থসমূহৰ ভাষিক দুৰ্বোধ্যতাৰ প্ৰশ্নটোৰ আশু সমাধান ওলায়। নিজ ভাষাত ৰচিত ভক্তিবাদী সাহিত্যৰ অমিয় সুধা সকলো স্তৰৰ লোকেই পান কৰিবলৈ পায়। অসমীয়া ভাষাত শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱ, ভট্টদেৱ, বাংলা ভাষাত শ্ৰীচৈতন্য, ব্ৰজ ভাষাত সুৰদাস, অৱধী ভাষাত তুলসীদাস, উড়িয়া ভাষাত পঞ্চসখা, মাৰাঠী ভাষাত তুকাৰাম, গুজৰাটী ভাষাত নৰসী মেহতাকে আদি কৰি অনেক ভক্ত কবিয়ে আঞ্চলিক ভাষাৰ প্ৰয়োগেৰে ভক্তিবাদী চেতনাক জনসাধাৰণৰ অধিক ওচৰ চপাই নিয়ে।

**(চ) আড়ম্বৰহীন জীৱন যাপন ঃ** ভক্তিবাদী আন্দোলনৰ বেলিকা সকলো ভক্ত কবিয়ে বিলাসিতাৰ পৰা বহু যোজন দূৰত থাকি সহজ সৰল জীৱন যাপনৰ ওপৰত গুৰুত্ব দিছিল। এই কালছোৱাৰ বহু সংখ্যক ভক্ত কবিয়েই আশ্ৰমত থাকি ভক্তিসাধনা কৰিছিল। একাংশ ভক্ত কবিয়ে সাংসাৰিক বান্ধোনৰ পৰা দূৰত থাকি ভগৱান ভক্তিত নিজকে বিলীন কৰি দিছিল। বিলাসিতা, স্বাচ্ছন্দ, আড়ম্বৰ আদিৰ পৰা এই ভক্তসকলে দূৰত্বত অৱস্থান কৰিছিল। সাধাৰণ জনতাৰ সৈতে একেলগে মিলিজুলি ভক্তিবাদৰ প্ৰচাৰ আৰু প্ৰসাৰ ঘটাই ভক্ত কবিসকলে নিজৰ ভূমিকা পালন কৰিছিল।

**(ছ) নাম-কীৰ্তন ভজনৰ মহত্ব ঃ** ভক্তিবাদী জনজাগৰণৰ সময়ত নাম, কীৰ্তন ভজন আদিৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। "শাস্ত্ৰৰ উত্তম গীতা ভাগৱত ধৰ্মৰ উত্তম নাম" আদিৰ দৰে মনোৰম, সৰল ঘোষাৰ দ্বাৰা শ্ৰীমন্ত শংকৰদেৱে নামধৰ্মৰ শ্ৰেষ্ঠত্ব ঘোষণা কৰি থৈ গৈছে। নাম, কীৰ্তন, ভজন আদি সহজ-সৰল ভাষাত ৰচিত, সাংগিতিক ছন্দৰে সমৃদ্ধ, সকলোৱে সমস্বৰে গুনজনাব পৰা সৃষ্টি। হিন্দীৰ দোহা, পদ আদিও মূলতঃ ভক্তিগীত। মাধৱদেৱে এই কীৰ্তনৰ বিষয়ে এইদৰে উল্লেখ কৰিছে ঃ

শ্ৰৱণ কীৰ্তন আদি ভক্তি যত যত
একোকে সমস্তে পাপ হৰিবে শকত। (ৰত্নাৱলী)

**(জ) সমৰ্পিত মনোভাৱ ঃ** ভক্তিবাদী সাহিত্যত বিনয় আৰু আত্মলঘিমাৰ সুন্দৰ প্ৰকাশ ঘটিছে। ভক্ত কবিসকলে ভগৱানৰ ওচৰত নিজক অতি ক্ষুদ্ৰ বুলি বৰ্ণনা কৰিছে। এই কালছোৱাৰ ভক্ত সাধকসকলে নিজকে দুৰাচাৰী, অনাথ, পাপী, ভিখাৰী, দাস, অজ্ঞানী, মূঢ়মতি তথা অন্যান্য বিশেষণেৰে নিজকে সম্বোধন কৰিছে। তুলসী দাসে এঠাইত উল্লেখ কৰিছে ঃ

তু দয়াল দীন হৌ
তু দানী হৌ ভিখাৰী
হৌ প্ৰসিদ্ধ পাতকী, তু পাপ পুঞ্জহাৰী।

অৰ্থাৎ তুমি দয়ালু। মই দীন। তুমি দানী মই ভিখাৰী। মই পাপী তুমি পাপহৰণকাৰী।

**(ঝ) সাম্প্ৰদায়িক সম্প্ৰীতি ঃ** ভক্তিবাদী আন্দোলন আৰু সাহিত্যৰ মাজত সাম্প্ৰদায়িক সম্প্ৰীতিৰ ভাৱনা নিহিত হৈ আছে। মহাত্মা কবীৰদাসেই হওক বা অসমৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ কৰ্মৰাজিয়ে হওক, সাম্প্ৰদায়িক সৌহাৰ্যৰ পৰিচয় অনেক প্ৰসংগত স্পষ্ট হৈ পৰিছে। মহাপুৰুষজনাই নগাৰ নৰোত্তম, গাৰোৰ গোবিন্দ, মুছলমান সম্প্ৰদায়ৰ চান্দসাইকে আদি কৰি বিভিন্ন উপেক্ষিত সম্প্ৰদায়ৰ লোকক দীক্ষা প্ৰদান কৰি সামাজিক মৰ্যাদা প্ৰদান কৰে। আনহাতে কবীৰদাসেও কৈ গৈছে ঃ

পূজা কৰো না নামাজ গুজাৰু
এঁকৈ নিৰাকাৰ হৃদয়ৈ নমস্কাৰু।

অৰ্থাৎ পূজা পাঠ বা নামাজতকৈ এজন নিৰাকাৰ শক্তিক অন্তৰেৰে উপানাস কৰা উচিত।

**(ঞ) মনোৰম সাহিত্য সৃষ্টি ঃ** ভক্তিবাদী আন্দোলনৰ বিভিন্ন দিশৰ লগতে অন্যতম উল্লেখনীয় দিশটো হ'ল অমৰ আৰু মহৎ সাহিত্য সৃষ্টি। এই সময়ছোৱাত দেশৰ ভিন্ন প্ৰান্তত মহান সাহিত্যৰ ৰচনা হয়। শ্ৰীমন্ত শংকৰদেৱৰ 'কীৰ্তনঘোষা', 'গুণমালা', মাধৱদেৱৰ 'নামঘোষা', ভট্টদেৱৰ 'কথা-গীতা', গোস্বামী তুলসী দাসৰ 'ৰামচৰিত মানস' আৰু বিনয়পত্ৰিকা', সুৰদাসৰ 'সুৰসাগৰ', কবীৰদাসৰ 'দোহা', মীৰাবাইৰ 'পদাৱলী'কে আদি কৰি বিভিন্ন মনোৰম সাহিত্যৰ সৃষ্টি এই কালছোৱাতে সাধিত হয়। সেয়ে ভক্তিবাদী

আন্দোলনৰ সময়ছোৱা সাহিত্য সৃজনৰ দৃষ্টিৰেও অতি গুৰুত্বপূৰ্ণ। এই সাহিত্যৰাজিয়ে যুগে যুগে সাধাৰণ মানুহক জীৱনৰ সঠিক পথৰ সন্ধান দি আহিছে। ভক্তিবাদী সাহিত্যৰ এই অক্ষয় কৃতি ভাৰতীয় সমাজ জীৱনৰ বাবে অমূল্য সম্পদ।

**আত্মমূল্যায়ণ প্ৰশ্ন**

ভক্তিবাদৰ বৈশিষ্ট্য সম্পৰ্কে আলোচনা কৰক। (৫০টা শব্দৰ ভিতৰত লিখক)

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

## ৩.৭ ভক্তিবাদৰ গুৰি ধৰোঁতাসকল

ভক্তিবাদৰ সবল আৰু সফল উত্থান তথা প্ৰসাৰৰ ক্ষেত্ৰত একাংশ ভক্ত, কবি আৰু জননায়কৰ ভূমিকা অনস্বীকাৰ্য। এইসকল মহাপ্ৰাণ ব্যক্তিৰ মাৰ্গদৰ্শনত ভক্তিবাদী জাগৰণে নতুন মাত্ৰা লাভ কৰে। দেশৰ প্ৰান্তে প্ৰান্তে ভক্তিৰ প্ৰবল সোঁত প্ৰৱাহিত হয়। ভক্তিবাদৰ গুৰি ধৰোঁতা মহাপুৰুষসকলে ধাৰ্মিক আৰু সামাজিক জীৱনত নতুন সংস্কাৰমুখী পৰিৱৰ্তন আনিবলৈ সক্ষম হয়। ভক্তিবাদৰ আলংকাৰিকসকলে জনসাধাৰণৰ মনত এক নতুন ভক্তিবোধ জগাই তোলে।

শংকৰাচাৰ্য, ৰামানুজ, ৰামানন্দ, কবীৰ, গুৰুনানক, শ্ৰীচৈতন্য, বল্লভাচাৰ্য, তুকাৰাম, নৰসী মেহতা, তুলসীদাস, সুৰদাস, মীৰাবাই, পঞ্চসখা, শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱ, দামোদৰদেৱ, ভট্টদেৱকে আদি কৰি অনেক মহান প্ৰতিভাই ভক্তিবাদৰ গুৰিবঠা ধৰে।

ভক্তিবাদৰ গুৰি ধৰোঁতা ভক্ত কবিসকলৰ বিস্তৃত জীৱন পৰিচয় আৰু সাহিত্যকৰ্মৰ বিষয়ে পৰৱৰ্তী বিভাগত বিতংকৈ আলোচনা কৰা হ'ব।

## ৩.৮ ভক্তিবাদ আৰু সমাজজীৱন

ভক্তিবাদী আন্দোলনৰ গভীৰ প্ৰভাৱ সমগ্ৰ ভাৰতৰ সমাজজীৱনত স্পষ্ট ৰূপত প্ৰতিফলিত হয়। এই আন্দোলনে বিভিন্ন ৰাজনৈতিক, সামাজিক, আৰ্থিক, ধাৰ্মিক, সাংস্কৃতিক আদি কাৰণত নিৰাশ আৰু দিকবিদিক শূন্য হৈ পৰা সাধাৰণ জনতাৰ জীৱনত নতুন আশাৰ সঞ্চাৰ কৰে। বিভিন্ন পন্থা আৰু ধাৰাত বহুধাবিভক্ত হৈ পৰা সমাজখনত একতাৰ বান্ধোন সুদৃঢ় হৈ পৰে। এই ভক্তিবাদী আন্দোলনৰ সমান্তৰালকৈ সমাজ নিৰ্মাণৰ

কামো আগবাঢ়ে। অসমত সত্ৰ, নামঘৰ আদি প্ৰতিষ্ঠা হয়। ইয়াৰ জৰিয়তে জাতীয় জীৱনলৈ পৰিৱৰ্তন আহে। শিক্ষা, সাংস্কৃতিক অনুশীলন, ধৰ্ম চৰ্চা, বয়ন কাৰ্য, ৰাজহুৱা বিষয় নিষ্পত্তিকে আদি কৰি বহুমুখী কৰ্মসংস্কৃতিৰ সূত্ৰপাত ঘটে। সমাজ জীৱনৰ পৰা বিচ্ছিন্নপ্ৰায় আৰু দিশহীন হৈ পৰা লোকসকলে নতুন পোহৰত নিজৰ স্থান আৰু সামাজিক মৰ্যাদা লাভ কৰে। ভক্তিয়ে সমাজৰ সকলো শ্ৰেণীকে সামৰি ঐক্য আৰু মৈত্ৰীৰ বাতাবৰণ গঢ় দিয়ে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অভিব্যক্তি লক্ষণীয় ঃ

কিৰাট কছাৰি খাচি গাৰো মিৰি
যৱন কঙ্ক গোৱাল।
অচম মুলুক ৰজত তুৰক
কুবাচ ম্লেচ চণ্ডাল।।
আনো যত নৰ কৃষ্ণ সেবকৰ
সঙ্গত পৱিত্ৰ হয়।
ভকতি লভিয়া সংসাৰ তৰিয়া
বৈকুণ্ঠে সুখে চলয়।

উত্তৰ ভাৰততো জাত-পাত, উচ্চ-নীচ, কৃষক-জমিদাৰ আদি ৰূপত থানবান হৈ পৰা সমাজ ব্যৱস্থা পুনৰ গঠন কৰাৰ ক্ষেত্ৰত ভক্তিবাদী আন্দোলনে এক সবল আৰু অৰ্থপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। কবীৰদাসে সামাজিক কুৰীতি, ভেদাভেদ, অন্ধবিশ্বাস আদিৰ বিষয়ে তীক্ষ্ণ ব্যংগ প্ৰকাশ কৰে। সকলো ধৰ্মাৱলম্বী লোকৰ মাজত চলি থকা সংকীৰ্ণতা তথা অন্যায়ক কবীৰদাসে মুকলিকৈ কঠোৰ সমালোচনা কৰিছিল ঃ

"জাতি ন পুচো সাধু কা পুচ লিজিয়ে জ্ঞান।
মোল কৰো তলবাড় কা পড়া ৰহন দোয়াম্যান।"

অৰ্থাৎ জ্ঞানীৰ জাতি কি সেইটো নুসুধিবা, তেওঁক জ্ঞানেৰেহে জুখিবা। যিদৰে এখন তৰোৱাল ব্যৱহৃত হৈ থাকিলে সি কৰ্মক্ষম হৈ থাকে, পৰি থাকিলে সি অকামিলা হৈ পৰে।

গোস্বামী তুলসীদাসৰ ৰামচৰিত মানস নামৰ বহুলভাৱে জনপ্ৰিয় আৰু উচ্চস্তৰীয় মহাকাব্যখনৰ মাধ্যমেৰে সমাজৰ সকলো স্তৰৰ মানুহৰ মাজত ভাতৃত্ব, মানৱতা আৰু একতাৰ বাণী বিলোৱা হৈছে। শ্ৰীৰামচন্দ্ৰই সমাজৰ উপেক্ষিত, অশিক্ষিত, অৱদমিত লোকসকলকো আকোঁৱালি লোৱাৰ নিদৰ্শন দাঙি ধৰা হৈছে।

ৰামচৰিত মানস সম্পৰ্কে প্ৰখ্যাত সাহিত্যিক, সমালোচক হজাৰী প্ৰসাদ দ্বিবেদীৰ মন্তব্য প্ৰণিধানযোগ্য ঃ

"তুলসীৰ সমস্ত কাব্য সমন্বয়ৰ বিৰাট প্ৰয়াস মাথোঁ। লোক আৰু শাস্ত্ৰৰ সমন্বয়, সংসাৰ আৰু বৈৰাগ্যৰ সমন্বয়, ভক্তি আৰু জ্ঞানৰ সমন্বয়, ভাষা আৰু সংস্কৃতিৰ সমন্বয়, নিৰ্গুন আৰু সগুনৰ সমন্বয়, পাণ্ডিত্য আৰু অপাণ্ডিত্যৰ সমন্বয়। ৰামচৰিত মানস আদিৰ পৰা অন্তলৈ সমন্বয় কাব্য।"

শ্ৰীচৈতন্য, গুৰুনানক, পঞ্চসখা, তুকাৰাম, নৰসী মেহতা আদি ভক্ত শিৰোমণিয়ে ক্ৰমশঃ বংগ, পঞ্জাৱ, উড়িষ্যা, মহাৰাষ্ট্ৰ, গুজৰাট আদি প্ৰান্তত ভক্তিবাদৰ উদাত্ত বাণীৰে সাধাৰণ জনতাক উদ্বুদ্ধ কৰে। নিজ নিজ ভাষাত, সহজ-সৰল ৰূপত ভক্তিগ্ৰন্থ প্ৰণয়ন কৰি সমাজৰ সকলো স্তৰৰ লোকৰ মাজত ভাতৃত্ব, উদাৰতা, প্ৰেম আৰু আধ্যাত্মিকতাৰ স্বৰূপ দাঙি ধৰে।

নিঃসন্দেহে সামাজিক সংহতি সুদৃঢ় কৰা আৰু মানুহক নতুন পথপ্ৰদৰ্শন কৰাৰ ক্ষেত্ৰত ভক্তিবাদে এক ঐতিহাসিক আৰু সময়োপযোগী ভূমিকা গ্ৰহণ কৰিছিল। এই ভূমিকাৰ বাবেই ভক্তিবাদী আন্দোলনে সমাজ জীৱনৰ সৰ্বাংগীন উত্তৰণৰ দিশত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছিল বুলি নদি ক'ব পাৰি।

**আত্মমূল্যায়ণ প্ৰশ্ন**

৫) ভক্তিবাদে সমাজ জীৱনত কিদৰে প্ৰভাৱ পেলাইছিল ? (৫০টা শব্দৰ ভিতৰত লিখক)

## ৩.৯ সাৰাংশ (Summing Up)

পৰমশক্তিক ভজন বা সেৱা কৰাৰ প্ৰবৃত্তিয়েই হ'ল ভক্তি। ভক্তি প্ৰেম আৰু শ্ৰদ্ধাৰ সমন্বয়ত সৃষ্টি হোৱা এক মানসিক অৱস্থা। ভক্তিৰ পৰাই ভক্তিবাদৰ বিকাশ হৈছে। ভক্তিবাদৰ প্ৰথম স্বৰূপ বৈদিক সাহিত্যত উপলব্ধ যদিও মধ্যযুগীন ভক্তি আন্দোলনৰ সময়ৰ পৰাই ভক্তিবাদৰ ব্যাপক প্ৰসাৰ ঘটে। ভক্তিবাদৰ প্ৰসাৰৰ লগে লগে সমাজ জীৱনত বিপুল পৰিৱৰ্তন সাধিত হয়। ভক্তিবাদী পৰিক্ৰমা মূলত সগুন আৰু নিৰ্গুন পন্থাত বিভাজিত। পৰৱৰ্তী সময়ত এই পন্থ দুটা উপধাৰাত বিভাজিত হৈছে। ভক্তিবাদৰ প্ৰসাৰৰ ক্ষেত্ৰত ভক্ত কবিসকলৰ বিশেষ অৱদান আছে। সহজ-সৰল জীৱনৰ অধিকাৰী ভক্তিবাদৰ গুৰি ধৰোঁতাসকলে আঞ্চলিক ভাষাত ভক্তি সাহিত্য ৰচনা কৰি এই আন্দোলনক সাধাৰণ জনতাৰ অধিক ওচৰ চপাই নিয়ে। সমাজৰ উপেক্ষিত, অৱদমিত আৰু পিছপৰা লোকসকলো এই ভক্তিবাদী জাগৰণৰ দ্বাৰা উপকৃত হয়। ভক্তিবাদী আন্দোলনে এইদৰে সমাজ জীৱনলৈ পৰিৱৰ্তনৰ ঢল বোৱাই আনে।

## ৩.১০ আৰ্হি প্ৰশ্ন (Sample Questions)

১) ভক্তিৰ ধাৰণা স্পষ্ট কৰি সমাজ জীৱনত ইয়াৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰক।

২) ভক্তিবাদ কি আৰু ইয়াৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে বহলাই লিখক।

৩) ভক্তিবাদৰ বৈশিষ্ট্য কি কি? বিতংকৈ লিখক।

৪) ভক্তিবাদৰ গুৰি ধৰোঁতাসকলৰ বিষয়ে লিখক।

৫) আঞ্চলিক ভাষাৰ প্ৰয়োগে কিদৰে ভক্তিবাদৰ প্ৰচাৰ আৰু প্ৰসাৰ সহজসাধ্য কৰি তুলিছিল?

### ৩.১১ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

১। ধীৰেন্দ্ৰ বৰ্মা (সম্পা) : সুৰ সাগৰ সাৰ

২। স্বামী প্ৰভূপাদ (সম্পা) : শ্ৰীমদভাগৱতগীতা যথাৰূপ

৩। আচাৰ্য্য বলদেৱ উপাধ্যায় : সংস্কৃত সাহিত্য বা ইতিহাস

৪। নগেন্দ্ৰ : হিন্দী সাহিত্য বা ইতিহাস

৫। ভূপেন্দ্ৰ ৰায় চৌধুৰী : ব্ৰজাৱলী সাহিত্য মুকুৰ

৬। প্ৰণতি শৰ্মা গোস্বামী (সম্পা) : ভক্তি আন্দোলন আৰু শ্ৰীমন্ত শংকৰদেৱ

৭। গিৰীশ শৰ্মা, মুকুণ্ড শৰ্মা (সম্পা) : অসম বৈষ্ণৱবাদৰ ৰূপৰেখা

৮। সত্যেন্দ্ৰনাথ শৰ্মা : অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত